सत्यमेव जयते

**অসম চৰকাৰ**

# বিত্ত মন্ত্ৰীৰ বাজেট ভাষণ

## ২০১৭-১৮


**ড° হিমন্ত বিশ্ব শৰ্মা**

বিত্ত মন্ত্ৰী, অসম



৭ ফেব্ৰুৱাৰী, ২০১৭

**অসতো মা সদ্গময়**
**তমসো মা জ্যোতির্গময়**
**মৃত্যোৰ্মামৃতং গময়েতি**

*মাননীয় অধ্যক্ষ মহোদয়,*

বৃহদাৰণ্যক উপনিষদৰ এই পৰিত্ৰ মন্ত্ৰটি উচ্চাৰণ কৰি ২০১৬ চনৰ ২৬ জুলাইত মই আপোনালোকৰ সন্মুখত ২০১৬-১৭ বৰ্ষৰ বাৰ্ষিক বিত্তীয় বিৱৰণ অৰ্থাৎ বাজেট উত্থাপন কৰিছিলো। এই পৰিত্ৰ সদনে সেই বাজেট পাৰিত কৰাৰ পিছত যোৱা ২৪ আগষ্ট তাৰিখে অসম অভিগ্ৰহণ আইন (নম্বৰ IV), ২০১৬ ৰূপে অসম ৰাজপত্ৰত সেই বাজেটৰ অধিসূচনা জাৰি হয়। সেই অধিসূচনা জাৰি হোৱাৰ ঠিক পাঁচ মাহ আৰু তেৰ দিনৰ পিছত আজি মই ২০১৭-১৮ বৰ্ষৰ আয় আৰু ব্যয় সম্বলিত বাৰ্ষিক বিত্তীয় বিৱৰণ উত্থাপন কৰিবৰ বাবে আকৌ এবাৰ আপোনালোকৰ সন্মুখত উপৰিষ্ট হৈছোঁ।

১। মহোদয়, উপনিষদৰ এই পৰিত্ৰ মন্ত্ৰই সঞ্চাৰ কৰা তিনিটা উপলব্ধি— সত্য, জ্ঞান আৰু নিঃস্বাৰ্থতাৰ ভিত্তিতে ২০১৬-১৭ বৰ্ষৰ বাজেট সংৰচনাৰ প্ৰক্ৰিয়াটো সম্পাদন কৰা হৈছিল। প্ৰগতিবাদী আৰু কৰ্মোদ্যমী নেতা, অসমৰ মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত আমাৰ চৰকাৰে বৰ্তমানৰ বাজেট প্ৰস্তুতিৰ প্ৰক্ৰিয়াতো সেই একেখিনি নীতিক সাৰোগত কৰি আগবাঢ়িছে। বাজেট উত্থাপনলৈ আগবঢ়াৰ এই মুহূৰ্তত মই দোহাৰিব খোজোঁ যে আমাৰ চৰকাৰৰ সৰ্বোচ্চ প্ৰাথমিকতা হৈছে অসমৰ ৩ কোটি ২৫ লাখ জনতাৰ সেৱা। তেওঁলোকৰ দুখ-দুৰ্দশা মোচন কৰাটো আৰু ৰাজ্যখনৰ বাবে উত্তৰণৰ এক দিগন্তৰ সন্ধান কৰাটো আমাৰ সৰ্বোচ্চ দায়িত্ব। আমাৰ ৰাজ্যৰ বিকাশৰ প্ৰতি আমি মনে-প্ৰাণে দায়বদ্ধ আৰু সেই দায়বদ্ধতাক আগত

ৰাখিয়েই আমি বাজেট ৰচনাৰ দায়িত্ব আন্তৰিকতাৰে পালন কৰিছোঁ। জন্মভূমিৰ প্ৰতি তেনে এক দায়দ্ধতাকে সাৰোগত কৰিবলৈ গৈ মোৰ মনত পৰিছে পদ্মশ্ৰী স্বৰ্গীয় নলিনীবালা দেৱীয়ে ৰচনা কৰা এক অপৰূপ কবিতা, যি কবিতাৰে তেওঁ জন্মভূমি অসমৰ চৰণত নিবেদন কৰিছে হৃদয়ৰ সমস্ত আৱেগমিশ্ৰিত শ্ৰদ্ধা। স্বৰ্গীয় নলিনীবালা দেৱীয়ে কৈ যোৱাৰ দৰে একেই আবেগ আৰু দেশপ্ৰেমৰ প্ৰেৰণাৰে আমি এই বছৰৰ বাজেট প্ৰস্তুত কৰিছোঁ। বাজেট উত্থাপনৰ ঠিক এই মুহূৰ্তত মই সেই কবিতাৰ দুটা স্তৱক ইয়াত পাঠ কৰিব খুজিছোঁ—

মেলিলো প্ৰথম চকু তোমাৰ কোলাতে আই
জনমৰ আদিম পুৱাত,
মুদিম আকৌ চকু তোমাৰ কোলাতে শুই
জীৱনৰ শেষ সন্ধিয়াত।
মৰাৰ পিছতো যেন পাওঁহি আকৌ ঠাই
চেনেহৰ শীতলী কোলাত,
ভাগৰুৱা আত্মাই শেষৰ জিৰণি লৈ
জিৰাবহি তোমাৰ ছায়াত।

২। ক্ষন্তেক পূৰ্বে কৈছিলো যে ২০১৬ চনৰ বাজেট অধিসূচনা জাৰি হোৱাৰ ছমাহতকৈয়ো কমসময়ৰ ভিতৰত মই এইবাৰৰ বাজেট উত্থাপন কৰিবলৈ আগবাঢ়িছোঁ। এটা সম্পূৰ্ণ বিত্তীয় বৰ্ষৰ বাবে প্ৰস্তুত কৰা সেই বাজেটৰ ৰূপায়ণৰ বাবে আমি হাতত পাইছিলোঁ পাঁচ মাহ আৰু তেৰ দিনৰ সময়। প্ৰশ্ন হ'ল, বাজেটৰ প্ৰস্তাৱবোৰ ৰূপায়ণৰ বাবে এই সময় বেছি নে কম? হিন্দুত্ব দৰ্শনৰ সৃষ্টিতত্ত্ব অনুযায়ী সময় বা কাল হৈছে ঈশ্বৰেই অন্য এক স্বৰূপ। ঈশ্বৰৰ শক্তি জাগ্ৰত হ'লেই সৃষ্টিৰ আৰম্ভণি হয় আৰু সেই শক্তিক যেতিয়াই ঈশ্বৰে নিজৰ মাজত লীণ নিয়ায়, তেতিয়াই সৃষ্টিৰ পৰিসমাপ্তি ঘটে। তদুপৰি মহাত্মা গান্ধীয়ে বিশ্বাস কৰা 'দৰিদ্ৰজনৰ সেৱাই ঈশ্বৰৰ সেৱা' এই দৰ্শনত আমিও বিশ্বাস কৰো।

৩। নিৰ্বাচনী ৰাজনীতি আৰু গণতান্ত্ৰিক ব্যৱস্থাতো এই তত্ত্ব সম্পূৰ্ণৰূপে প্ৰযোজ্য।

গণতান্ত্রিক প্রক্রিয়াৰে নিৰ্বাচিত হোৱাৰ পিছত চৰকাৰৰ ওপৰত ন্যস্ত হোৱা দায়িত্ব পালনৰ বাবে এছোৱা সময় নিৰ্ধাৰিত হৈ থাকে। নিৰ্ধাৰিত সময়ছোৱা দৰাচলতে অসমৰ তিনিকোটি জনতাৰ শক্তিৰেই প্ৰতিৰূপ। অসমৰ জনতাই হৈছে আমাৰ বাবে ঈশ্বৰ। জনতাই নিৰ্ধাৰণ কৰি দিয়া সময় হৈছে ঈশ্বৰৰ নিৰ্মালি। আনহাতে ঈশ্বৰৰ গভীৰতম মৰ্মস্থলৰ বাসিন্দাসকল হৈছে দৰিদ্ৰতম জনতা। সেইবাবে সেই দৰিদ্ৰ লোকসকলৰ সেৱাৰ বাবে আমি লাভ কৰা সময় প্ৰকৃতাৰ্থত ঈশ্বৰেই সেৱা।

৪। দৰিদ্ৰ নাৰায়ণৰ ধাৰণাটো অধিক পৰিষ্কাৰকৈ বুজিবলৈ আমি স্বামী বিবেকানন্দৰ শিকনিলৈ মন দিয়া উচিত। স্বামী বিবেকানন্দই কৈ গৈছে যে ঈশ্বৰ সেৱা আৰু দৰিদ্ৰজনৰ প্ৰতি আগবঢ়োৱা সেৱা দৰাচলতে একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি। দৰিদ্ৰ নাৰায়ণ— এই শব্দ যুগলৰ স্ৰষ্টা আছিল স্বামী বিবেকানন্দ। আৰ্ত আৰু দৰিদ্ৰজনৰ অন্তৰতেই ঈশ্বৰৰ বাস— এনে এক ধৰ্মীয় দৰ্শন প্ৰতিষ্ঠাৰ বাবে এই শব্দ যুগলৰ সৃষ্টি কৰিছিল স্বামী বিবেকানন্দই। যিসকলে ঈশ্বৰৰ প্ৰতি সেৱা আগবঢ়াব খোজে, সেইসকলে দৰিদ্ৰজনৰ সেৱাৰ মাজতেই সাৰ্থক ৰূপত ঈশ্বৰ সেৱা কৰিব পাৰে। স্বামী বিবেকানন্দ আছিল এই ধাৰণাৰ উদগাতা। আনহাতে, নিজৰ দৈনন্দিন জীৱনত দৰিদ্ৰজনৰ সেৱাৰ যোগেদি এই ধাৰণাৰ সাৰ্থক ৰূপায়ণ কৰিছিল মহাত্মা গান্ধীয়ে।

৫। বাজেটৰ প্ৰস্তুতি আৰু সংৰচনা এক মহৎ কৰ্মযজ্ঞ। এনে এক মহৎ কাৰ্য সম্পাদনৰ সময়ত আমি কেইগৰাকীমান বৰেণ্য ব্যক্তি আৰু মানৱতাৰ প্ৰতি তেখেতসকলৰ অৰিহণাৰ কথা কৃতজ্ঞতাৰে স্মৰণ কৰিব খোজোঁ। মহৎ লোকৰ জন্ম এক বিৰল পৰিঘটনা। আজিৰ পৰা এশ পঞ্চাশ বছৰৰ পূৰ্বে সংঘটিত হোৱা এনে এক বিৰল পৰিঘটনাৰ কথা মই আজিৰ সদনত স্মৰণ কৰিব খোজোঁ। ১৯ শতিকাৰ এটা নিৰ্দিষ্ট দশকতে ভাৰতবৰ্ষত তিনিজন ক্ষণজন্মা মহাপুৰুষৰ জন্ম হৈছিল। ১৮৬১ চনৰ মে' মাহৰ ৭ তাৰিখে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ, ১৮৬৩ চনৰ জানুৱাৰী মাহৰ ১২ তাৰিখে স্বামী বিবেকানন্দ আৰু ১৮৬৯ চনৰ অক্টোবৰৰ ২ তাৰিখে মহাত্মা গান্ধীৰ জন্ম হৈছিল পূণ্যভূমি এই ভাৰতবৰ্ষৰ বুকুত। প্ৰতিগৰাকীয়েই নিজ নিজ ক্ষেত্ৰত একোগৰাকী বিশাল ব্যক্তিত্বত পৰিণত হৈছিল আৰু প্ৰতিগৰাকীয়েই একোগৰাকী মহা-মানৱৰ ৰূপত এই দেশক চিৰকাল উদ্বুদ্ধ কৰি আহিছে।

৬। এই মহৎ লোকসকলৰ আদৰ্শই হৈছে আমাৰ চৰকাৰৰ চালিকা শক্তি আৰু প্ৰেৰণা। আমাৰ চৰকাৰে প্ৰস্তুত কৰা আজিৰ বাজেটখনৰ প্ৰতিটো দফা ৰচনা কৰোঁতে সেই মহৎ লোকসকলৰ আদৰ্শই আমাক উদ্বুদ্ধ কৰিছে। মোৰ বাজেট ভাষণৰ পৰৱৰ্তী অংশত আপোনালোকে সেই মহৎ আদৰ্শ আৰু সেই আদৰ্শই যোগোৱা প্ৰেৰণাৰ প্ৰতিফলন দেখিবলৈ পাব যাতে অসমক **'বিদেশীমুক্ত', 'দুৰ্নীতিমুক্ত', 'সন্ত্ৰাসবাদমুক্ত'** আৰু **'প্ৰদূষণমুক্ত'** এই চাৰি গুণবিশিষ্ট ৰাজ্যৰূপে গঢ়ি তুলিব পাৰোঁ।

৭। ২০১৬-১৭ বৰ্ষৰ বাজেট অধিসূচনা জাৰি হোৱাৰ কেৱল মাত্ৰ পাঁচ মাহ আৰু তেৰ দিন পাৰ হোৱাৰ এই মুহূৰ্তত সেইখন বাজেটৰ ৰূপায়ণৰ বিষয়টো মই সম্পূৰ্ণ এৰাই চলিব পাৰিলোঁহেতেন। সমগ্ৰ বিত্তীয় বৰ্ষৰ বাবে নিৰ্ধাৰিত বাজেটখন ৰূপায়ণৰ বাবে এই সময় পৰ্যাপ্ত যে নহয়, সেই বিষয়ে কাৰো দ্বিমত নাথাকিলহেঁতেন আৰু সেই সম্পৰ্কে কাৰো কোনো প্ৰশ্ন অৱতাৰণা কৰাৰ অৱকাশ নোলালহেঁতেন। সেইবাবে সেই বাজেটৰ ৰূপায়ণৰ বিষয়টো সহজেই পৰিহাৰ কৰিব পৰা গ'লহেঁতেন।

৮। কিন্তু সহজ পন্থা মানেই হ'ল গতানুগতিক উপায়। আমাৰ চৰকাৰ পৰিৱৰ্তনৰ ওপৰত বিশ্বাসী। সেই পৰিৱৰ্তনক সাকাৰ ৰূপ দিবলৈ এই চৰকাৰৰ অন্তৰত আছে সাহস আৰু হৃদয়ত আছে শক্তি। আন্ধাৰ বিনাশী পোহৰ উৎপন্ন কৰিবৰ বাবে অগ্নিৰ উত্তাপ সহ্য কৰিব পৰাকৈ ধৈৰ্যশীল হোৱা প্ৰয়োজন। সেই উত্তাপ সহ্য কৰিব পৰাকৈ এই চৰকাৰ সাহসী, শক্তিশালী আৰু ধৈৰ্যশীল। সেইবাবে আমি সহজ পন্থা পৰিহাৰ কৰিব খোজোঁ, আৰু বিগত পাঁচ মাহত ৰূপায়িত তথা অনাগত বিত্তীয় বৰ্ষটোত আমি ৰূপায়ণ কৰিব খোজা কৰ্মৰাজিৰ বিষয়ে এই পৱিত্ৰ সদন আৰু অসমৰ ৰাইজক আমি অৱগত কৰিব খোজোঁ।

৯। কোনো কোনোৱে কোৱা শুনিছোঁ যে বিগত বাজেটৰ ঘোষণাসমূহৰ অধিকাংশই ৰূপায়িত হোৱা নাই। অতি বিনম্ৰতাৰে মই সদনত জনাব খোজোঁ যে ২০১৬-১৭ বৰ্ষৰ বাজেটৰ ঘোষণাসমূহৰ সৰহভাগেই ৰূপায়ণ কৰা হৈছে। ২০১৬-১৭ বিত্তীয় বৰ্ষ শেষ হোৱাৰ পিছত এই সদনত উপৰিষ্ঠ হৈ মই আগন্তুক বৰ্ষাকালীন অধিৱেশনত এইবিষয়ে এক বিষদ খতিয়ান দাঙি ধৰিম। সদনক মই এই আশ্বাস প্ৰদান কৰিলোঁ।

১০। বিগত বাজেট ভাষণত মই কৈছিলোঁ যে সমাজৰ ক্রমবিকাশ প্রক্রিয়াৰ এক কাৰ্যকৰী আহিলা হৈছে পৰিৱৰ্তন। পৰিৱৰ্তন এনে এক আহিলা যি আহিলাই জনতাৰ সৈতে চৰকাৰৰ সান্নিধ্যক গাঢ় কৰি তোলে, আনকি সমাজৰ প্ৰতিগৰাকী নাগৰিকৰ সৈতে চৰকাৰৰ নিকট সম্পৰ্কও স্থাপন কৰে। সেই ভাষণ পৰ্বত মই প্ৰশাসনিক প্ৰক্রিয়াক প্ৰভাৱিত কৰা সাতটা পৰিৱৰ্তনৰ কথাও উল্লেখ কৰিছিলোঁ।

১১। 'নিষ্কলুষ ৰাজনীতি' আৰু 'পৰিচ্ছন্ন লোকসেৱা'— এই দুই উপকৰণেৰে সুশাসনৰ এক নব্য আদৰ্শ গঢ়ি তোলাৰ কথাও মোৰ ভাষণত উল্লেখ কৰা হৈছিল। সুশাসনৰ এই নতুন মডেলটোৰ চাৰিটা স্তম্ভ আমি চিনাক্ত কৰিছিলোঁ আৰু সেই কেইটা হ'ল— (১) ব্যক্তি জীৱনৰ সততা, (২) ৰাজনৈতিক অন্তৰ্ভুক্তিকৰণ (৩) প্ৰশাসনিক ন্যায্যতা আৰু (৪) জন অংশীদাৰিত্ব। সুশাসন প্ৰতিষ্ঠাৰ স্বাৰ্থত এই চাৰিটা মূলমন্ত্ৰ আজিও আমাৰ বাবে সম্পূৰ্ণ প্ৰাসংগিক আৰু বৰ্তমানৰ বাজেট ৰূপায়ণৰক্ষেত্ৰতো এই চাৰিটা মূলমন্ত্ৰ পূৰ্ণোদ্যমে প্ৰয়োগ কৰা হ'ব।

১২। ব্যক্তিগত লাভালাভৰ পৰিৱৰ্তে মূল্যবোধ আধাৰিত চিন্তা আৰু কৰ্মৰ ওপৰত আমাৰ গভীৰ বিশ্বাস আৰু আস্থা আছে। দীৰ্ঘ সময় জুৰি প্ৰশাসন হৈ পৰিছিল অনৈতিক আৰু অসাধু কৰ্ম-কাণ্ডৰ জৰিয়তে ব্যক্তিগত লাভালাভ সিদ্ধি কৰাৰ এক আহিলাস্বৰূপ। দুৰ্নীতিৰ এনে সৰ্বনাশী আগ্ৰাসনে সমাজ জীৱনৰ মৰ্মস্থলীত আঘাত হানিছিল। নৈতিক অৱনতিৰ কৰাল ছাঁটোৱে লোকসেৱা আয়োগৰ দৰে সাংবিধানিক অনুষ্ঠানকো ছানি ধৰিছিল, অপুষ্টিত ভুগি থকা প্ৰসূতি আৰু ৰুগীয়া মাতৃ তথা শিশুৰ খাদ্যকো সমাজ কল্যাণ বিভাগৰ পৰা কোনোবাই আত্মসাৎ কৰিছিল, হত্যা কৰিছিল কাজিৰঙাৰ অসম গৌৰৱ এশিঙীয়া গঁড়বোৰক।

১৩। ইয়াৰ ফলশ্ৰুতিত সকলোৰে মংগলৰ বাবে অসমৰ ৰাজনৈতিক মঞ্চত আমি এক চিৰস্থায়ী পৰিৱৰ্তনৰ পোষকতা কৰিছিলোঁ। বিগত ছমাহৰ শাসনকালত প্ৰশাসনিক ব্যৱস্থাটোক সততা আৰু ন্যায়পৰায়ণতাৰ আধাৰত গঢ়ি তোলাৰ স্বাৰ্থত আমাৰ চৰকাৰে যিখিনি কৰিছে, তাকে লৈ আমি অহংকাৰ কৰা উচিত নহয়। আমাৰ মুখ্যমন্ত্ৰী এগৰাকী বিনয়ী ভদ্ৰলোক। আমি সাধাৰণ মানুহ।

আমি কেইটামান সাধাৰণ কাম কৰিছোঁ। কিন্তু সাধাৰণ কামকেই আমি কৰিছোঁ অত্যন্ত সততাৰে। এটি প্ৰবচন আছে যে মহৎ লোকসকল অসাধাৰণ কাম কৰা অতিমানৱ নহয়, তেওঁলোক সাধাৰণ কাম সততাৰে কৰা সাধাৰণ মানুহ।

১৪। মাননীয় মুখ্য মন্ত্ৰী শ্ৰীসৰ্বানন্দ সোণোৱালদেৱৰ নেতৃত্বত আমাৰ চৰকাৰৰ প্ৰথমখন কেবিনেটৰ এক অন্যতম সিদ্ধান্ত আছিল অসমৰ অবৈধ চেকগেটসমূহৰ বিলোপ সাধন। আনহাতে লোকসেৱা আয়োগ, সমাজ কল্যাণ বিভাগ, বন বিভাগৰ দৰে বিভাগবোৰত সংঘটিত হৈ থকা দুৰ্নীতিৰ সৈতে জড়িত ব্যক্তিসকলৰ বিৰুদ্ধেও আইনগত ব্যৱস্থা এই সময়ছোৱাত হাতত লোৱা হৈছে। এনেধৰণে আইনগত ব্যৱস্থা গ্ৰহণ কৰিব লগা হোৱা ঘটনাই ৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ এখন অৱনমিত ছবি তুলি ধৰে। উত্তৰাধিকাৰীসূত্ৰে এনে এটা প্ৰশাসনিক ব্যৱস্থা লাভ কৰাটোৱেই দুঃখজনক কথা। এনেবোৰ বিষয়ত আনলৈ বোকা চটিয়াই সময় নষ্ট কৰাতকৈ ব্যৱস্থাটোৰ সংস্কাৰত অধিক মনোনিৱেশ কৰাৰহে আমি পক্ষপাতী। কেৱল সংস্কাৰৰ যোগেদিহে এক সুষ্ঠ প্ৰশাসনিক বাতাবৰণ গঢ়ি তুলিব পৰা যাব। তেনে এক বাতাবৰণ গঢ়ি তোলাৰ প্ৰচেষ্টাত আমি ব্ৰতী হৈ আছোঁ।

১৫। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে তেখেতৰ কৰ্মৰ যোগেদি আমাৰ সন্মুখত কেতবোৰ মহান আদৰ্শ দাঙি ধৰিছে। বিশ্ববিদ্যালয়ৰ দৰে উচ্চতম শিক্ষাৰ শিক্ষানুষ্ঠানসমূহৰ আচাৰ্যৰ দৰে পদ বিশুদ্ধ শৈক্ষিক পৰিমণ্ডলৰ মাজত আবদ্ধ থকা উচিত। এনে পদসমূহ মুখ্যমন্ত্ৰীৰ দৰে ৰাজনৈতিক ব্যক্তি এজনে অলংকৃত কৰাটো অশোভনীয়। অসমৰ মাননীয় মুখ্যমন্ত্ৰীগৰাকী এনে এক মূল্যবোধত বিশ্বাসী। সেই বাবে কটন বিশ্ববিদ্যালয়কে ধৰি সংশ্লিষ্ট বিশ্ববিদ্যালয়সমূহৰ অধিনিয়মবোৰৰ প্ৰয়োজনীয় সংশোধনীৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

১৬। ব্যক্তিগত সততাই সুশাসনত পেলোৱা যোগাত্মক প্ৰভাৱৰ এটা সৰু উদাহৰণ মই আজি দাঙি ধৰিব খুজিছোঁ। প্ৰতি বছৰে চৰকাৰে আনন্দৰাম বৰুৱা বঁটাৰ বাবদ মেধাৱী ছাত্ৰ-ছাত্ৰীৰ বাবে লেপটপ কম্পিউটাৰ ক্ৰয় কৰে। যোৱাবাৰ এইদৰে লেপটপ ক্ৰয় কৰাৰ বাবদ প্ৰতিটো লেপটপৰ বাবে ১৯,৯৫০ টকাকৈ ধাৰ্য কৰাৰ বিপৰীতে এইবাৰ প্ৰায় ৩০% কম দামত ১৩,৫৯১ টকাকৈ একোটা

লেপটপ ক্রয় কৰা হৈছে। এয়া হৈছে সততাৰ শক্তি আৰু সুশাসনৰ যোগাত্মক প্ৰভাৱৰ এটা সৰু উদাহৰণ।

১৭। চৰকাৰৰ প্ৰতিখন আঁচনি আৰু প্ৰতিটো নীতি প্ৰস্তুত কৰাৰ সময়ত ৰাজনৈতিক অন্তৰ্ভুক্তিকৰণৰ দৰ্শনটোক সঠিকভাৱে প্ৰতিফলিত কৰাৰ ক্ষেত্ৰত আমি বিশেষ গুৰুত্ব দিছোঁ। আমি বিশ্বাস কৰোঁ যে ৰাজনৈতিক দৰ্শন নিৰ্বিশেষে, দল-মত নিৰ্বিশেষে তথা জাত-পাতৰ বিচাৰ নকৰাকৈ ৰাজ্যৰ প্ৰতিটো পৰিয়ালে ৰাজ্যৰ বিকাশ আৰু উন্নয়নৰ ভাগ পোৱাটো নিশ্চিত কৰিব লাগে।

ৰাজ্যখনৰ আন্তঃৰাষ্ট্ৰীয় সীমাসমূহৰ ক্ষেত্ৰত কিছুমান জটিল সমস্যা আছে। আমাৰ চৰকাৰে সকলো দলৰ বিধায়ককে এই সীমান্ত অঞ্চলসমূহ পৰিদৰ্শন কৰাইছে যাতে সীমাঞ্চলৰ জটিলতাসমূহ সহজে অনুধাৱন কৰিব পৰা যায়। ইতিহাসত প্ৰথমবাৰৰ বাবে এইবাৰ বাজেট প্ৰস্তুতিৰ সময়ত সকলো দলৰ মাননীয় বিধায়কসকলৰ পৰামৰ্শ বিচাৰি প্ৰাক-বাজেট বৈঠক অনুষ্ঠিত কৰা হৈছে। ৰাজ্যৰ প্ৰতিখন গাঁৱৰ উন্নয়নৰ বাবে সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ (CMSGUY) দৰে এক বৃহৎ প্ৰকল্প মিছন আকাৰে গ্ৰহণ কৰা হৈছে। এই বৃহৎ প্ৰকল্পৰ মিছনটো যোৱা ৫ ফেব্ৰুৱাৰীত উন্মোচন কৰা হৈছে। মোৰ ভাষণৰ পৰৱৰ্তী অংশত মই এই বিষয়ে বিস্তাৰিতভাৱে উল্লেখ কৰিম।

১৮। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু অন্যান্য বহু অঞ্চলৰ চৰকাৰী ভূমিৰ পৰা বেদখলকাৰীসকলৰ উচ্ছেদৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। ফলস্বৰূপে প্ৰশাসনিক ব্যৱস্থাৱলীৰ দ্বাৰা এটি সামগ্ৰিক ন্যায্যতাক প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত এক আশাৰ পোহৰ দেখা গৈছে। দূৰদৃষ্টিসম্পন্ন নেতা শ্ৰীসৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই এই ক্ষেত্ৰত সংবেদনশীলতা আৰু ক্ষীপ্ৰতাৰে প্ৰতিটো বিষয়ৰ লক্ষ্য ৰাখিছে। এইদৰে এক বিৰল দৃষ্টান্ত প্ৰতিষ্ঠাৰ দ্বাৰা এক প্ৰেৰণামূলক নেতৃত্ব তেওঁ প্ৰদান কৰিছে।

১৯। যোৱা বাজেট ভাষণৰ সময়ত মই উল্লেখ কৰিছিলোঁ যে চৰকাৰৰ প্ৰতিখন আঁচনি আৰু প্ৰতিটো নীতিয়েই হ'ব জনমুখী। সমাজৰ শেষৰজন নাগৰিককো এই আঁচনিবোৰে ঢুকি পাব লাগিব। এই কম সময়ৰ মাজতে সম্পূৰ্ণ আন্তৰিকতা আৰু ৰাইজৰ প্ৰতি শ্ৰদ্ধা সহকাৰে এনে কেইবাখনো আঁচনি ৰূপায়ণ কৰা হৈছে। ১০ ডিচেম্বৰ ২০১৬ ইং তাৰিখে গুৱাহাটীৰ এটি

অনুষ্ঠানত অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি চৰকাৰীভাৱে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়। সেই সুযোগ দিয়াৰ বাবে ৮৫৫ গৰাকী ছহিদৰ পৰিয়ালবৰ্গৰ প্ৰতি চৰকাৰ গভীৰভাৱে কৃতজ্ঞ। ৰাজ্যৰ প্ৰতিটো অঞ্চলৰ পৰা আহি সেই পৰিয়ালবৰ্গই চৰকাৰে বিনম্ৰতাৰে আগবঢ়োৱা পাঁচ লাখ টকাৰ সাহায্য গ্ৰহণ কৰি চৰকাৰক আশীৰ্বাদ প্ৰদান কৰিলে।

২০। অতীজৰ পৰাই অসমৰ সংস্কৃতি আৰু পৰম্পৰাৰ বৈশিষ্ট্য হৈছে সমূহীয়া সাংস্কৃতিক জীৱনশৈলী আৰু বৰ্ণময় উৎসৱসমূহ। বিগত পাঁচ মাহত বেচৰকাৰী সংস্থা তথা আন আন সামাজিক সংস্থাসমূহৰ সৈতে যুক্ত হৈ আমাৰ চৰকাৰে এলানি উৎসৱ আৰু মেলাৰ আয়োজন কৰিছিল। ইয়াৰ অন্তৰ্নিহিত উদ্দেশ্য আছিল সুশাসনত জনতাৰ অংশগ্ৰহণ। পূৰ্বৰ চৰকাৰসমূহে এৰাই চলা এনেধৰণৰ কাৰ্যসূচীসমূহ ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱ, নমামি ব্ৰহ্মপুত্ৰ তথা আস্থাৰ উৎসৱ আদিৰ ৰূপত এই চৰকাৰে ৰূপায়ণ কৰে।

২১। এই চৰকাৰে দায়িত্ব গ্ৰহণ কৰাৰ দহ দিনৰো কম সময়ৰ ভিতৰত, ২০১৬ চনৰ ৩ জুন তাৰিখে ৰাজ্যৰ চলিত বিত্তীয় পৰিস্থিতিক প্ৰতিফলিত কৰি এখন শ্বেতপত্ৰ প্ৰকাশ কৰা হৈছিল। কেন্দ্ৰীয় পুঁজিৰ ওপৰত অত্যধিক নিৰ্ভৰশীলতা পৰিহাৰ কৰিবৰ বাবে ৰাজ্যৰ আভ্যন্তৰীণ সম্পদ সৃষ্টিৰ লক্ষ্য স্থিৰ কৰাটো আমাৰ চৰকাৰৰ এক অন্যতম উদ্দেশ্য। ইয়াৰ বাবে কেতবোৰ নতুন চিন্তা-চৰ্চাৰ প্ৰয়োজন আৰু সেই চিন্তা-চৰ্চাৰ বাটকটীয়া ৰূপে আমি চিনাক্ত কৰিছোঁ উদ্ভাৱনশীলতা, আত্মবিশ্বাস আৰু বাজেটৰ পৰিত্ৰতাক। এই দিশত মই মোৰ শ্বেতপত্ৰত ReSTART Assam নামৰ এক কৰ্মসূচী লোৱাৰ কথা ঘোষণা কৰিছিলোঁ। ইয়াৰ উদ্দেশ্য হৈছে ৰাজ্যৰ আভ্যন্তৰীণ উৎসসমূহৰ ৰাজহ বৃদ্ধিৰ বাবে মিছনৰ ৰূপত এলানি কৰ্মসূচী গ্ৰহণ কৰা। ReSTART Assam অৰ্থাৎ Restructuring Systems and Technology for Augmentation of Resources for Transformed Assam— **ৰূপান্তৰিত অসমৰ বাবে সম্পদ বৰ্ধনৰ অৰ্থে প্ৰণালী আৰু তথ্যৰ পুনৰ নিৰ্মাণ।** এই ব্যৱস্থাই ইতিমধ্যে সুফল দিবলৈ আৰম্ভ কৰিছে আৰু মোৰ ভাষণৰ দ্বিতীয় ভাগত মই ইয়াৰ এক বিস্তৃত খতিয়ান দাঙি ধৰিম।

**অসমৰ বৰ্ধিত আত্মবিশ্বাসৰ সংকেত**

২২। বিগত সময়ত ৰাজ্য চৰকাৰৰ কেইবাটাও সফল কাৰ্য ৰূপায়ণে ৰাজ্যৰ ভিতৰে-বাহিৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। প্ৰগতিশীল পদক্ষেপ লোৱাৰ বাবে অসম এক সৰ্বত্ৰ চৰ্চিত বিষয়ত পৰিণত হৈছে। বিগত কেইমাহমানত ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত কেইবাটাও উপলক্ষত অসমৰ আত্মবিশ্বাস আৰু গৌৰৱ প্ৰতিষ্ঠিত হৈছে।

**অসম— জি এছ টি বিল অনুমোদন কৰা দেশৰ প্ৰথমখন ৰাজ্য**

২৩। ২০১৬ চনৰ ১২ আগষ্টত এই সদনত যেতিয়া আমি জি এছ টি বিলখনৰ অনুমোদন জনাইছিলোঁ, তেতিয়াই এক শুভ আৰম্ভণি হৈছিল। দেশৰ ভিতৰতে জি এছ টি বিল অনুমোদন জনোৱা প্ৰথম ৰাজ্য হোৱাৰ গৌৰৱ অৰ্জন কৰিছিল অসমে। এই বিৰল সন্মানৰ বাবে মই আপোনালোক আটাইকে অভিনন্দন জনাইছোঁ।

**জি এছ টি পৰিষদত অসমৰ তাৎপৰ্যপূৰ্ণ ভূমিকা**

২৪। জি এছ টি পৰিষদৰ সদস্য হিচাপে অসমে প্ৰস্তাৱিত বিধেয়কৰ অংশ হিচাপে এক বৃহৎ পৰিমাণৰ দীৰ্ঘকালীন সুবিধা অৰ্জন কৰিবলৈ সক্ষম হয় আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ সবল উপস্থিতি অনুভূত হয়। এই পৰিষদত আমাৰ ঐতিহাসিক সাফল্য আছিল যে আমি নিৰ্ধাৰিত ১৪% চক্ৰবৃদ্ধি হাৰত সম্পূৰ্তি (Compensation) লাভ কৰিবলৈ সক্ষম হ'লোঁ। অথচ যোৱা ১০ বছৰত আমাৰ নিজৰ বৃদ্ধিৰ হাৰ কেতিয়াও এনে উচ্চতালৈ আৰোহণ কৰা নাছিল। দ্বিতীয়তে উদ্যোগসমূহৰ ৰাজসাহায্যৰ নামত যি পৰিমাণৰ কৰ ৰেহাই দিয়া যায় তাক ৰাজহৰ হিচাপত কোনো দিনেই ধৰা হোৱা নাছিল। অসমে জি এছ টি পৰিষদক নতুন কৰ ব্যৱস্থাৰ ফলত হ'ব পৰা ক্ষতি নিৰ্ধাৰণ কৰোঁতে উক্ত ৰাজসাহায্যকো ৰাজহ হিচাপে অন্তৰ্ভুক্ত কৰিবলৈ সৈমান কৰায়। এই বিশেষ ব্যৱস্থাটো এতিয়া প্ৰস্তাৱিত বিধেয়কখনত অন্তৰ্ভুক্ত কৰা হৈছে কেৱল উত্তৰ-পূৰ্বাঞ্চল আৰু পাহাৰীয়া ৰাজ্যকেইখনৰ বাবেহে। জি এছ টি পৰিষদে ৰাজ্যসমূহলৈ জি এছ টিৰ খচৰা বিধেয়কখন প্ৰেৰণ কৰাৰ লগে লগে আমি এই সদনত ৰাজ্যিক সামগ্ৰী আৰু সেৱা কৰ (AGST Bill) বিলখন উত্থাপন কৰিম। তেতিয়া এই বিষয়টোৰ ওপৰত বিতৰ্কত অংশগ্ৰহণ কৰিবলৈ আপোনালোকে যথেষ্ট সুযোগ পাব।

**চৰকাৰ গঠনৰ ৭০ দিনতে ১৪৫০ কোটি টকাৰ তৈল ৰাজহ লাভ**

২৫। উচ্চ হাৰৰ মূল্য (pre-discounted price)ত খাৰুৱা তেলৰ ৰাজহৰ পৰা বিগত এটা দশক ধৰি ৰাজ্যখন বঞ্চিত হৈ আহিছে। খাৰুৱা তেলৰ উৎস-ৰাজ্য হিচাপে অসমৰ বাবে ই এক গুৰুতৰ বিষয়। ৰাজনৈতিক দৃষ্টিকোণেৰে নাচাই বিষয়টোৰ আশু সমাধানতহে গুৰুত্ব দিয়াটো যুগুত আছিল। তাৰ পৰিৱৰ্তে ইয়াক এক ৰাজনৈতিক বিষয় হিচাপে গণ্য কৰা হৈছিল। এই কথাটোৱে মোক ছাৰ আইজাক নিউটনৰ এটা উক্তিলৈ মনত পেলাই দিয়ে, য'ত তেখেতে তাৎপৰ্যপূৰ্ণভাৱে মন্তব্য কৰিছিল— *আমি অলেখ দেৱাল নিৰ্মাণ কৰিছোঁ কিন্তু সাঁকো নিৰ্মাণ কৰিছোঁ কমকৈ।*

২৬। আমাৰ চৰকাৰে তৈল প্ৰতিষ্ঠানসমূহৰ সৈতে আৰু কেন্দ্ৰীয় চৰকাৰৰ সৈতে সাঁকো নিৰ্মাণৰ প্ৰক্ৰিয়া আৰম্ভ কৰে আৰু আদালতৰ বিচাৰ প্ৰক্ৰিয়াত আন্তৰিকতাৰে মনোনিৱেশ কৰে। আমাৰ চৰকাৰে বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ সৈতে তৎপৰতাৰে মোকাবিলা কৰাৰ ফলস্বৰূপে ২০১৬ চনৰ আগষ্ট মাহৰ প্ৰথম সপ্তাহতে গুজৰাটৰ সমহাৰত তেলৰ ৰয়েল্টীৰ ১৪৫০ কোটি টকা পাবলৈ আমি সক্ষম হওঁ। বাকী থকা ৰাজহ আদায়ৰ ক্ষেত্ৰতো গুজৰাট চৰকাৰৰ সৈতে আমি নিৰৱচ্ছিন্নভাৱে চেষ্টা চলাই যাম আৰু আমি নিশ্চিত যে পুনৰ এটা ভাল খবৰ লৈ আমি আপোনালোকৰ সন্মুখত উপস্থিত হ'ম।

**বৈশিষ্ট্যপূৰ্ণ নীতিগত আৰু বিধায়িনী সিদ্ধান্ত**

২৭। উন্নয়নী ধনৰ সময়োচিত ব্যয় আৰু ৰাজহুৱা ব্যয়ৰ ক্ষেত্ৰত জবাবদিহিতা বলৱৎ কৰাটোৱেই হৈছে বিকাশৰ অন্যতম চৰ্ত। এইক্ষেত্ৰত এক উল্লেখনীয় চৰকাৰী অধিনিয়ম হৈছে অসম কোষাগাৰ বিধি, ১৯৩৭। এই অধিনিয়মখনৰ বহুকেইটা বিধিৰ ঠাইত কেইটামান সময়সাপেক্ষ নতুন বিধি সন্নিবিষ্ট কৰাৰ প্ৰয়োজন আছিল। সন্মানীয় সদস্যসকলক জনাবলৈ পাই সুখী হৈছোঁ যে বিগত ২৮ জানুৱাৰী, ২০১৭ত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা কেবিনেটে নতুনকৈ প্ৰণয়ন কৰা অসম কোষাগাৰ বিধি, ২০১৭ খনৰ অনুমোদন জনায়। ঔপনিবেশিক কালৰে পৰা প্ৰচলিত ৮০ বছৰ পুৰণি এখন অধিনিয়ম কেৱল ছয় মাহতে সংশোধন কৰি উলিওৱাটো এক ঐতিহাসিক পদক্ষেপ। ২০১৭ চনৰ ১ এপ্ৰিলৰ পৰা এই অধিনিয়ম কাৰ্যকৰী হ'ব।

২৮। অসমত প্ৰচলিত আন এখন ঔপনিবেশিক অধিনিয়ম হৈছে অসম আবকাৰী অধিনিয়ম, ১৯১০। ইয়াৰো নতুন বিধিসমূহ বিগত ২০১৬ বৰ্ষৰ ১ ছেপ্টেম্বৰৰ পৰা কাৰ্যকৰী কৰা হৈছে। মাননীয় সদস্যসকলক এইখিনিতে এটি আমোদজনক তথ্য দিবলৈ বিচাৰিছোঁ। অসম বিধান সভাই অসম আবকাৰী অধিনিয়ম, ১৯১০ৰ সংশোধন ঘটাই অসম আবকাৰী অধিনিয়ম, ২০০০ নামেৰে পাৰিত কৰিছিল। তাৰ পিছতো যোৱা ১৬ বছৰে ৰাজ্যখনত সেই নতুন অধিনিয়ম কাৰ্যকৰী কৰা হোৱা নাছিল। কিয় কৰা হোৱা নাছিল আৰু ফলস্বৰূপে ১৬ বছৰে কিমান ৰাজহৰ লোকচান হৈছিল সেয়া সহজেই অনুমেয়!

২৯। বিদেশী সুৰা (IMFL) আৰু দেশীয় সুৰা সম্পৰ্কত কিছুমান মৌলিক সংস্কাৰ সাধন কৰাৰ বাবে মই মোৰ কেবিনেট সতীৰ্থ— আবকাৰী মন্ত্ৰী শ্ৰীপৰিমল শুক্লবৈদ্য ডাঙৰীয়াক অভিনন্দন জনাইছোঁ। পূৰ্বে আবকাৰী বিভাগে শুল্ক সংগ্ৰহ কৰিছিল সমগ্ৰ ৰাজ্যজুৰি বিস্তাৰিত প্ৰায় ২০০০টা ক্ষেত্ৰৰ পৰা। এতিয়া নতুন নীতিৰ অধীনত এই শুল্ক সংগ্ৰহ ক্ষেত্ৰৰ সংখ্যা ৮০টালৈ কমোৱা হৈছে। যিমানেই শুল্ক সংগ্ৰহৰ ক্ষেত্ৰ বৃদ্ধি হয় সিমানেই দুৰ্নীতি আৰু নিঃসাৰণ (leakage) বেছি হয়। এই ব্যৱস্থা বলৱৎ কৰাৰ পিছত ৰাজহ বৃদ্ধি পাইছে আৰু ব্যৱস্থাটোৰে সুফল দিছে। মোৰ ভাষণৰ পৰৱৰ্তী অংশত এই বিষয়ে বিস্তাৰিতভাৱে জনাম।

৩০। একেদৰে ইয়াতকৈয়ো মাৰাত্মক আৰু অস্বচ্ছ দেশীয় সুৰাৰ ব্যৱসায়ৰ ক্ষেত্ৰখনতো এক সাহসী সংস্কাৰ সাধনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই সম্পৰ্কে ৰাজ্যিক কেবিনেটে অলপতে এক নতুন নীতিত অনুমোদন জনাইছে। এই ব্যৱস্থাই শুল্ক সংগ্ৰহৰ ক্ষেত্ৰৰ সংখ্যা পূৰ্বৰ ১৭৮ টাৰ পৰা ৮০ টালৈ হ্ৰাস কৰিব। তদুপৰি অধিক ক্ষতিকাৰক লালী (Molasses)ৰ পৰিৱৰ্তে ঘেঁহু জাতীয় পদাৰ্থ (Grain)ৰ পৰা প্ৰস্তুত দেশীয় সুৰাৰ প্ৰচলনৰ ওপৰত আৰু পৰিচ্ছন্নতাৰে বটলিং কৰাৰ ক্ষেত্ৰত এই নীতিয়ে গুৰুত্ব দিছে।

৩১। অসমৰ অৰ্থনীতিত **'সেউজ সোণ'**ৰূপে পৰিগণিত হ'ব পাৰে আগৰ। কিন্তু বৰ্তমান প্ৰচলিত ব্যৱস্থাটোৱে আগৰ কাঠৰ অবৈধ ব্যৱসায়কহে উদ্‌গণি যোগাই আহিছে আৰু সাধাৰণ গঞা তথা কৃষকসকল হাৰাশাস্তিৰ সন্মুখীন

হৈছে। এই ব্যৱস্থাটো ৰোধ কৰিবলৈ যিখন নতুন অধিনিয়মৰ প্ৰস্তাৱ কৰা হৈছে, তাত আমাৰ কেবিনেটে সন্মতি জনাইছে আৰু পৰিৱেশ আৰু বন বিভাগে অনতিপলমে এই সম্পৰ্কীয় বিল উত্থাপন কৰিব। এনে এখন আইন প্ৰণয়ন হ'লে আগৰৰ খেতি, আগৰৰ সংগ্ৰহ তথা সুগন্ধি তৈয়াৰ উদ্যোগটো এনেকৈ পৰিচালিত হ'ব যে গ্ৰাম্য উপাৰ্জনৰ ই এক প্ৰধান উৎসৰূপে পৰিগণিত হ'ব। ইয়াৰ বাবে মই মোৰ জ্যেষ্ঠ কেবিনেট সতীৰ্থসকল তথা শ্ৰীমতী প্ৰমিলাৰাণী ব্ৰহ্ম ডাঙৰীয়ানীৰ অভিনৱ আৰু ভৱিষ্যদৰ্শী চিন্তাৰ বাবে অভিনন্দন জনাইছোঁ। ইয়াৰ ফলত বন বিভাগৰ ভাবমূৰ্তি উন্নীত হ'ব আৰু নিয়ামক (regulatory) বিভাগৰ পৰা কল্যাণকামী (welfare) বিভাগলৈ ইয়াৰ ভূমিকাৰ পৰিৱৰ্তন ঘটিব।

**অসম আৰ্হি ঃ বিমুদ্ৰাকৰণৰ সময়ত চাহ বাগিচাৰ কৰ্মীসকলক মজুৰি প্ৰদানৰ ক্ষেত্ৰত মসৃণতা**

৩২। বিগত ২০১৬ চনৰ ৮ নৱেম্বৰ তাৰিখে দেশত বিমুদ্ৰাকৰণ ঘোষিত হোৱাৰ লগে লগে অসমৰ চাহ বাগানৰ প্ৰায় ৭ লাখ কৰ্মীৰ বাবে প্ৰয়োজন হোৱা সাপ্তাহিক নগদ মজুৰি উলিওৱাটো এক বৃহৎ প্ৰত্যাহ্বানত পৰিণত হ'ল। সপ্তাহে সপ্তাহে নগদ ধনেৰে মজুৰি পৰিশোধ কৰা পদ্ধতিটো এটা আওপুৰণি **'সাপ্তাহিক জীৱন চক্ৰ'** স্বৰূপ পদ্ধতি। সপ্তাহৰ মূৰকত নিয়মিত ৰূপত মজুৰি প্ৰদান কৰিব নোৱাৰিলে পৰিস্থিতিয়ে যে গুৰুতৰ ৰূপ ধাৰণ কৰিব, সেয়া ধ্ৰুৰূপ। সেয়ে আমি ভাৰতীয় ৰিজাৰ্ভ বেংক, ভাৰতীয় ষ্টেট বেংক তথা অন্যান্য বেংকক আস্থাত লৈ জিলা প্ৰশাসনৰ চৰকাৰী একাউণ্টৰ জৰিয়তে বাগিচা কৰ্তৃপক্ষসমূহক নগদ ধন উলিওৱাৰ অনুমতি প্ৰদানৰ তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰিছোঁ। প্ৰকৃতাৰ্থত, এই পদ্ধতিটো অন্যান্য চাহ উৎপাদনকাৰী ৰাজ্যসমূহত 'অসম আৰ্হি' হিচাপে জনপ্ৰিয় হৈ উঠাটো আমাৰ বাবে অতি উৎসাহজনক বিষয়।

**পথিকৃত অসম ঃ বিমুদ্ৰাকৰণৰ সময়ত স্বচ্ছলতা**

৩৩। বিমুদ্ৰাকৰণৰ প্ৰত্যাহ্বানমূলক সময়ত নগদ ধনৰ ব্যৱহাৰ হ্ৰাস কৰাৰ এক সুৱৰ্ণ সুযোগ আহি পৰিছে। অসমৰ জনগণে বিমুদ্ৰাকৰণৰ কঠিন সময়ছোৱাত আগবঢ়োৱা সহযোগিতা, প্ৰদৰ্শন কৰা নিয়মানুৱৰ্তিতা আৰু অপৰিসীম ধৈৰ্যৰ

বাবে আমি তেখেতসকলক অন্তঃকৰণেৰে শলাগ যাঁচিব খুজিছোঁ। লগতে বেংক ব্যৱস্থাৰ সৈতে জড়িত বিষয়া-কৰ্মচাৰী বন্ধুসকল, অন্যান্য হিতধাৰকসকল আৰু জিলা প্ৰশাসনসমূহকো আমাৰ তৰফৰ পৰা অভিনন্দন জনাইছোঁ। সকলো পক্ষৰ সহযোগিতাৰ ফলত অতি কম দিনৰ ভিতৰতে অসমৰ অৰ্থনৈতিক অৱস্থাই পুনৰ গতি লাভ কৰিবলৈ সক্ষম হয় আৰু লগতে পৰিস্থিতিৰ লগত মোকাবিলা কৰাৰ ন ন উদ্ভাৱনীমূলক ব্যৱস্থাৰো সৃষ্টি হ'ল। প্ৰকৃতাৰ্থত অসম এই অৰ্থনৈতিক সংস্কাৰৰ যুগান্তকাৰী বিপ্লৱৰ বিভিন্ন দিশত দেশৰ প্ৰথমখন ৰাজ্য হিচাপে পৰিগণিত হ'ল। উদাহৰণ স্বৰূপে—

(ক) দেশৰ ভিতৰতে পোন প্ৰথমে অসমৰ হাস্পতালসমূহত ভ্ৰাম্যমাণ এ টি এম ব্যৱস্থাৰ ব্যৱহাৰ কৰা হয় আৰু ভাৰত চৰকাৰে অন্য ৰাজ্যসমূহকো অসমৰ এনে আৰ্হি গ্ৰহণৰ উপদেশ প্ৰদান কৰিছে।

(খ) বেংকাৰসকলৰ লগত এটা 'টীম' হিচাপে কাৰ্য সম্পন্ন কৰাৰ ব্যৱস্থা কৰা হয় আৰু বিমুদ্ৰাকৰণৰ প্ৰথম তিনিদিনত বেংক আৰু এ টি এম সমূহৰ ভিৰ আৰু শাৰী দক্ষতাৰে আয়ত্বলৈ অনা হয়। প্ৰথম সপ্তাহতেই এনে ভিৰ আয়ত্বাধীন হৈ পৰে।

(গ) গুৱাহাটী আৰু ৰাজ্যৰ গুৰুত্বপূৰ্ণ চহৰবোৰত পেঞ্চনাৰসকলক নিজ গৃহতে ধনৰ যোগানৰ ব্যৱস্থা কৰা হয়।

(ঘ) অভিলেখ সময়ৰ ভিতৰতে অসমৰ চাহ বাগানসমূহত ৬ লক্ষাধিক বেংক একাউণ্ট খোলা হয় আৰু ইয়াৰ জৰিয়তে বাগিচাৰ কৰ্মীসকল প্ৰকৃত অৰ্থত দেশৰ অৰ্থনৈতিক ব্যৱস্থাৰ সৈতে জড়িত হৈ পৰে।

(ঙ) চাহ বাগান এলেকাত এ টি এম মুকলি কৰা হ'ল আৰু বহুতো চাহ কৰ্মীয়ে সগৌৰৱে নিজৰ এ টি এম কাৰ্ড ব্যৱহাৰ কৰি নিজেই মজুৰি উলিয়াবলৈ আৰম্ভ কৰিলে।

(চ) নগদ ধনৰ ব্যৱহাৰ হ্ৰাস কৰিবলৈ আমাৰ ৰাজ্য চৰকাৰৰ ফালৰ পৰা নিজাববীয়াকৈ ১৮টা পদক্ষেপ গ্ৰহণ কৰা হৈছে। অধিক ডিজিটেল ব্যৱস্থাৰ অৰ্থ হ'ল সমাজৰ অধিক হিতধাৰকক ডিজিটেল ব্যৱস্থাৰে সামৰি লোৱা। এনে হিতধাৰকসকলৰ ভিতৰত আছে কৃষক, মৌজাদাৰ, সুলভ মূল্যৰ দোকান, জি পি এছ এছ, শিক্ষাৰ্থী, ৰোগী, গাঁও পঞ্চায়ত, পৌৰ নিকায়ৰ কৰদাতাসকল, বেংকাৰ, উপাযুক্ত আৰু পেট্ৰ'ল আৰু ডিজেলৰ ক্ৰেতাসকল।

(ছ) ২০১৬-১৭ বিত্তীয় বৰ্ষ অন্ত পৰালৈকে আমি পি অ' এছ মেশ্বিন, এ টি এম, ব্ৰডবেণ্ড সঁজুলি ইত্যাদিৰ ক্ষেত্ৰত প্ৰৱেশ কৰ ৰেহাইৰ ব্যৱস্থা কৰিছোঁ যাতে ডিজিটেল লেনদেন প্ৰক্ৰিয়াক আমি উৎসাহিত কৰিব পাৰোঁ।

(জ) 'ডিজিধন মেলা'ৰ যোগেদি গাঁও পঞ্চায়ত স্তৰলৈকে ডিজিটেল লেনদেনক উৎসাহিত কৰিবৰ বাবে ব্যাপক প্ৰচাৰ অভিযানৰ ব্যৱস্থা কৰিছোঁ।

৩৪। মহোদয়, আপুনি নিশ্চয় জানে যে **'মন কী বাত'** অনুষ্ঠানত আমাৰ সুযোগ্য নেতা প্ৰধান মন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াই আমাৰ ৰাজ্যখনৰ উপৰোক্ত পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰিছিল। এয়া নিশ্চয় অসমৰ জনসাধাৰণৰ বাবে গৌৰৱৰ বিষয় আৰু প্ৰশাসনিক ব্যৱস্থালৈ স্বচ্ছতা তথা জীৱনৰ প্ৰতিটো খোজতে সাধুতা অনাৰ প্ৰয়াসৰ প্ৰকৃত স্বীকৃতি।

৩৫। এই উদাহৰণবোৰ ৰাজ্যখনৰ ক্ৰমবৰ্ধমান আত্মবিশ্বাসৰেই চিন।

**২০১৭-১৮ বৰ্ষৰ বাজেটৰ বিষয় ঃ নৱজাগ্ৰত অসম**

৩৬। চলিত বাজেটখনৰ কেন্দ্ৰীয় বিষয় হৈছে নৱজাগ্ৰত অসম। সমাজৰ সকলো শ্ৰেণীকে সামৰি ল'বলৈ বাজেটখন ৬টা স্তম্ভৰ ওপৰত প্ৰতিষ্ঠিত। এইকেইটা হ'ল— (১) ৰাজহুৱা বিত্তীয় ব্যৱস্থাপনাৰ সংস্কাৰ, সংহতকৰণ আৰু সবলীকৰণ (২) ৰাজহুৱা আন্তঃগাঁথনিৰ উন্নতি সাধন আৰু চহৰাঞ্চল তথা বৃত্তিমুখী বিদ্যালয় / মহাবিদ্যালয়ৰ প্ৰতি গুৰুত্ব আৰোপ (৩) কৃষক, যুৱক, মহিলা আৰু দিব্যাংগৰ কল্যাণসাধন (৪) গ্ৰাম্য উন্নয়ন আৰু নিয়োগৰ সৃষ্টি (৫) বিত্তীয় অন্তৰ্ভূক্তিকৰণ আৰু (৬) অসমৰ বুৰঞ্জী আৰু ঐতিহ্যৰ ভিত্তিত সাংস্কৃতিক আৰু অৰ্থনৈতিক নৱজাগৰণ।

উক্ত বিষয়কেইটা মোৰ গোটেই বাজেট ভাষণটোতে প্ৰতিফলিত হ'ব। আপোনালোকে যথাস্থানত বিভিন্ন বিভাগৰ বাবে আগবঢ়োৱা নীতি আৰু ঘোষণাসমূহত ইয়াৰ প্ৰাসংগিকতা অনুভৱ কৰিব। কিছুমান নীতি আৰু ঘোষণাই একাধিক বিষয়ক সামৰি ল'ব। মোৰ ভাষণৰ পৰৱৰ্তী অংশত বিভিন্ন বিভাগৰ বাবে প্ৰাসংগিক নীতি আৰু ঘোষণাসমূহ আপোনালোকে শুনিবলৈ পাব। ইয়াৰে কিছুসংখ্যক নীতি/ঘোষণা কেইবাটাও বিভাগত প্ৰতিফলিত হ'ব।

লগতে মই বাজেটখনৰ স্বকীয়তাৰ ওপৰতো আলোকপাত কৰিবলৈ বিচাৰিছোঁ। আমাৰ চৰকাৰে বিশ্বাস কৰে যে অসমৰ শক্তিৰ মূল উৎস হৈছে ইতিহাস, ঐতিহ্য আৰু থলুৱা চৰিত্ৰ। আমাৰ সমাজৰ ৰং হ'ল মুগা। চাহ অসমৰ স্বাদ। মৎস্য আমাৰ জনসাধাৰণৰ জীৱনৰেখা আৰু গঁড় আমাৰ আত্মাৰ শক্তি।

৩৭। এইখন বাজেটত আপোনালোকে মুগা, ক্ষুদ্ৰ চাহ বাগানৰ ভূমিৰ মূল্য নিৰ্ধাৰণ নীতি, পুঠি, খলিহনা, দৰিকণা, বৰালী, চেলেকনি, বাত' আৰু এলেং আদিৰ দৰে থলুৱা প্ৰজাতিৰ মাছৰ বাবে জীন বেংকৰ উন্নয়ন, কাজিৰঙাত বন্যপ্ৰাণী সম্পৰ্কীয় গোচৰৰ দ্ৰুত আদালত (Fasttrack Court) স্থাপন আৰু অবৈধ বেদখলকাৰীক ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰা উচ্ছেদৰ জৰিয়তে অসম গৌৰৱ গঁড়ৰ সুৰক্ষা আৰু বিচৰণৰ বাবে অধিক ঠাই মুকলি কৰি দিয়াৰ দৰে বিষয়ত আলোকপাত কৰা দেখিবলৈ পাব।

৩৮। এতিয়া মই প্ৰথমটো কৌশলগত দিশ, অৰ্থাৎ ৰাজহুৱা বিত্তীয় ব্যৱস্থাপনাৰ সংস্কাৰ, সংহতকৰণ আৰু সবলীকৰণৰ বিষয়ে আলোচনা কৰিবলৈ বিচাৰিছোঁ।

৩৯। এইখন চৰকাৰে দায়িত্বভাৰ গ্ৰহণ কৰাৰ সময়ত ৰাজ্যৰ বিত্তীয় অৱস্থা সম্পৰ্কে আপোনালোক জ্ঞাত। এই বিষয়ে ২০১৬ চনৰ জুন মাহৰ ৩ তাৰিখে এই পৱিত্ৰ সদনক মই শ্বেতপত্ৰৰ জৰিয়তে বিস্তৃতভাৱে জনাইছিলোঁ। এই বিষয়ত আৰু অধিক চৰ্চা কৰি মই আপোনালোকৰ মূল্যৱান সময় নষ্ট কৰিবলৈ বিচৰা নাই।

**ৰাজহুৱা ব্যয় ব্যৱস্থাপনা ঃ বিত্তীয় নিয়ন্ত্ৰণৰ পৰা বিত্তীয় সক্ৰিয়তালৈ**

৪০। আমাৰ ব্যয় হ'ব লাগিব উৎপাদনমুখী ব্যয়। সেই উদ্দেশ্যে আমি প্ৰণালী আৰু পদ্ধতিৰ উন্নীতকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ বিচাৰিছোঁ।

৪১। প্ৰায় পাঁচ মাহৰ আগৰ বাজেট ভাষণত আপোনালোকৰ সন্মুখত প্ৰতিশ্ৰুতি দিয়াৰ দৰে আমি ইতিমধ্যে নিম্নোক্ত বিষয়বোৰত ব্যৱস্থা গ্ৰহণ কৰিছোঁ—

(ক) কেবিনেটে ১৯৩৭ চনৰ কোষাগাৰ বিধিৰ ঠাইত অসম কোষাগাৰ বিধি, ২০১৭ৰ অনুমোদন কৰিছে আৰু এই বিধি ২০১৭ চনৰ ১ এপ্ৰিলৰ পৰা বলৱৎ হ'ব।

(খ) প্ৰতিশ্ৰুতি অনুসৰি বিগত ২০১৬ চনৰ ১ জুলাইৰ পৰা অনলাইনযোগে চিলিং নিৰ্ধাৰণ (FOC) কৰি অহা হৈছে।

(গ) মাষ্টাৰৰোল আৰু ৱৰ্কচাৰ্জ কৰ্মীসকলক আন আন নিয়মীয়া কৰ্মচাৰীৰ সৈতে বাজেটৰ একেটা দৰমহাৰ শিতানলৈ অনাৰ পিছত এতিয়া সেই কৰ্মীসকলেও মাহেকীয়াকৈ দৰমহা আৰু মজুৰি লাভ কৰিব।

(ঘ) চৰকাৰী পদসমূহৰ প্ৰতিধাৰণ (retention)ৰ ব্যৱস্থা সৰলীকৰণ কৰাৰ পিছত এতিয়া মাষ্টাৰ ৰোল, ৱৰ্কচাৰ্জ আৰু ঠিকাভিত্তিক কৰ্মীসকলক বাদ দি আন কৰ্মচাৰীসকলৰ ক্ষেত্ৰত প্ৰতিধাৰণ ব্যৱস্থাৰ বিলুপ্তি ঘটোৱা হৈছে।

(ঙ) নিজাববীয়া চিলিং নিৰ্ধাৰণ (suo-moto FOC) ব্যৱস্থাও কাৰ্যক্ষম হৈ উঠিছে। মই পাঁচ মাহ আগতে দিয়া প্ৰতিশ্ৰুতি অনুসৰি এতিয়ালৈকে ১১৭৯ কোটি টকা নিজাববীয়া চিলিংযোগে মোকলাই দিয়া হৈছে।

(চ) অহা পাঁচ বছৰত স্থাপিত হ'বলগীয়া ২৫টা কোষাগাৰৰ ভিতৰত এটা ইতিমধ্যে কাৰ্যক্ষম হৈ উঠিছে আৰু ১৭টা কোষাগাৰ স্থাপনৰ প্ৰস্তাৱ বৰ্তমান ভাৰতীয় ৰিজাৰ্ভ বেংক আৰু মহাগাণনিকৰ কাৰ্যালয়ৰ বিবেচনাধীন হৈ আছে।

(ছ) ৰাজ্যৰ প্ৰধান কোষাগাৰসমূহত চি চি টি ভি সংলগ্নকৰণৰ কাম সুচাৰুৰূপে আগবাঢ়িছে। কোষাগাৰৰ পৰা বিল মোকলাওতে আহৰণ আৰু বিতৰণ প্ৰাধিকাৰী (DDO) আৰু পাওনাদাৰলৈ এছ এম এছ সংকেত প্ৰেৰণৰ ব্যৱস্থা কাৰ্যক্ষম হৈ উঠিছে।

(জ) মাৰ্গদৰ্শক আঁচনি (Pilot Project) হিচাপে দুটা কোষাগাৰত ইতিমধ্যে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ 'ই-কুবেৰ' আঁচনি আৰম্ভ হৈছে।

(ঝ) অতিৰিক্ত মুখ্য সচিবৰ নেতৃত্বত গঠিত এখন কমিটীয়ে **অসম ৰাজহুৱা ব্যয় জবাবদিহিতা বিধেয়ক** (Assam Public Expenditure Accountability Bill)ৰ পাণ্ডুলিপিৰ ওপৰত বিচাৰ বিবেচনা চলাই আছে।

(ঞ) ১৭ বছৰৰ বিৰতিৰ মূৰত ২০১৬ চনৰ আগষ্ট মাহত বিস্তৃত আৰু উন্নীত ৰূপত **বিত্তীয় ক্ষমতা অৰ্পণ বিধি** (Delegated Financial Powers Rules) খন যুগুতাই উলিওৱা হৈছে।

৪২। ওপৰত উল্লেখ কৰাসমূহৰ উপৰি, বিত্ত বিভাগে আন বহুতো সক্ৰিয় পদক্ষেপ হাতত লৈছে। ইয়াৰে কেতবোৰ তলৰ দফাসমূহত বিৱৰি উল্লেখ কৰা হৈছে। মহোদয়, এইক্ষেত্ৰত মই কিছুমান তথ্যৰ জৰিয়তে আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰিছোঁ। আগৰ বছৰৰ নিৰ্ধাৰিত সময়সীমাত ৬৫৮৪.২০ কোটি টকাৰ ব্যয়ৰ বিপৰীতে ২০১৬ চনৰ ৩১ ডিচেম্বৰলৈ বিভাগবোৰে ৯৩৪৮.১৬ কোটি টকা ব্যৱহাৰ কৰিবলৈ সক্ষম হৈছে। **এয়া পূৰ্বৰ তুলনাত প্ৰায় ৪২ শতাংশ অধিক।**

৪৩। এই উল্লেখনীয় প্ৰাপ্তি নতুন চৰকাৰ এখনে মাত্ৰ চাৰি মাহৰ ভিতৰতে সম্পন্ন কৰি দেখুৱালে। কিন্তু আমাৰ লক্ষ্য ইয়াতকৈয়ো উচ্চ। ২০১৫-১৬ বিত্তীয় বৰ্ষৰ বাৰ্ষিক ব্যয় মুঠ পৰিকল্পনা আৱন্টনৰ ৩৭ শতাংশৰ বিপৰীতে ২০১৭ চনৰ ২৮ ফেব্ৰুৱাৰীলৈ এই ব্যয় ৬০ শতাংশলৈ বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

**সক্ৰিয় বিত্তীয় ব্যৱস্থাপনাৰ প্ৰস্তাৱিত কৰ্মসূচী**


৪৪। বিত্তীয় পুঁজি আৱণ্টনৰ অত্যধিক নিয়ন্ত্ৰিত পদ্ধতিয়ে বহু বছৰ পৰা পুঁজি আৱণ্টনত বহুতৰপীয়া ব্যৱস্থাৰ সৃষ্টি কৰি আহিছে। সাধাৰণভাৱে কোৱা হৈছিল যে প্ৰত্যেকটো প্ৰস্তাৱে অতি কমেও ৬০ খন মেজ অতিক্ৰম কৰিবলগীয়া হয়। আমাৰ চৰকাৰে এনে এক অনলাইন চিলিং ব্যৱস্থাৰ পৰিকল্পনা কৰি উলিয়াইছে যাতে বিত্ত বিভাগে চিলিং জাৰি কৰাৰ মুহূৰ্ততে শৃংখলৰ একেবাৰে শেষ বিন্দুত থকা আহৰণ আৰু বিতৰণ প্ৰাধিকাৰীয়ে (DDO) স্বয়ংক্ৰিয়ভাৱে চিলিং লাভ কৰিব পাৰে। আমি ২০১৭-১৮ বিত্তীয় বৰ্ষতেই ইয়াৰ প্ৰয়োগ আৰম্ভ কৰিম।

৪৫। আমি ইতিমধ্যে বিশ্ববেংকৰ ৪৪ নিযুত আমেৰিকান ডলাৰ (ভাৰতীয় হিচাপত প্ৰায় ৩০০ কোটি টকা)ৰ অৰ্থ সাহায্যত ASPIRe অৰ্থাৎ **'অসম ৰাজ্যিক ৰাজহুৱা বিত্তীয় প্ৰাতিষ্ঠানিক সংস্কাৰ'** (Assam State Public Finance Institutional Reforms) নামেৰে এখন আঁচনি প্ৰস্তুত কৰিছোঁ। আঁচনিখনৰ শুভাৰম্ভ কৰিব পৰাকৈ সকলো কাৰ্য সম্পূৰ্ণ হৈছে আৰু ২০১৭ চনৰ মে' মাহত আঁচনিখন আৰম্ভ কৰা হ'ব। আঁচনিখনে কৰ আৰোপণ,

আবকাৰী বিভাগ আৰু কোষাগাৰৰ বাজেট নিয়ন্ত্ৰণ আদি সকলো বিত্তীয় কাৰ্য সামৰি ল'ব।

৪৬। বিত্ত বিভাগে এটা নগদ আৰু ঋণ ব্যৱস্থাপনা কোষ গঠন কৰিব যাতে বিভাগলৈ নগদ প্ৰাপ্তি সক্ৰিয় হৈ পৰে আৰু ঋণৰ বাবে সস্তীয়া বিকল্প আহৰণত সহায় লাভ কৰা যায়।

৪৭। লক্ষণীয় যে পূৰ্বৰ বিত্তীয় বৰ্ষবোৰত বছৰটোৰ শেষৰ মাহটোত সৰ্বাধিক পৰিমাণৰ পুঁজি ব্যয় কৰা হয় আৰু ই দুৰ্বল বিত্তীয় ব্যৱস্থাপনাৰ অন্যতম কাৰণ। বহুতো ৰাজ্যই এই অৱস্থাৰ উন্নতি ঘটাই ত্ৰৈমাসিক পদ্ধতিত পুঁজিৰ সমবিতৰণ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ বিপৰীতে অসমে কিন্তু এই পদ্ধতি প্ৰয়োগ কৰিব পৰা নাই। নিম্নোক্ত তালিকাখনৰ দ্বাৰা বিগত তিনিটা বিত্তীয় বৰ্ষৰ শেষৰটো ত্ৰৈমাসিকত অন্য ৰাজ্যৰ তুলনাত অসমৰ অপেক্ষাকৃত ব্যয় দেখুওৱা হৈছে।




৪৮। সেইবাবে আমি প্ৰথম তিনিটা ত্ৰৈমাসিকত অধিক ব্যয় কৰাৰ লক্ষ্য স্থিৰ কৰিছোঁ আৰু অন্তিম ত্ৰৈমাসিকত মুঠ ব্যয়ৰ ৩০ শতাংশতকৈ অধিক ব্যয় যাতে নহয় তাক অহা তিনিটা বছৰৰ ভিতৰত নিশ্চিত কৰিব খুজিছোঁ।

**বাজেটৰ সংস্কাৰ আৰু পুনৰ্গঠন**

৪৯। মোৰ বিগত বাজেটত উল্লেখ কৰা ঘোষণাসমূহ ৰূপায়ণ কৰিবলৈ আমি যোৱা পাঁচ মাহত যথেষ্ট পৰিশ্ৰম কৰিছোঁ।

৫০। বিগত বাজেটত ঘোষণা কৰাৰ দৰে পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত শিতানক একত্ৰীকৰণ কৰি এখন ৰাজহ আৰু মূলধনী শিতানৰ বাজেটেৰে মই আজি আপোনালোকৰ সন্মুখত থিয় হৈছোঁ। ৰাজ্যৰ বাজেট প্ৰস্তুতিৰ ক্ষেত্ৰত এয়া এক ঐতিহাসিক মুহূৰ্ত আৰু ভৱিষ্যতৰ অৰ্থনীতি আৰু ব্যৱস্থাপনাৰ আমাৰ ভৱিষ্যৎ ছাত্ৰ-ছাত্ৰীসকলে পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত শিতান নোহোৱাকৈ প্ৰস্তুত কৰা প্ৰথমখন বাজেট হিচাপে ২০১৭-১৮ বৰ্ষৰ বাজেটখনক স্মৰণ কৰিব।

৫১। অধ্যক্ষ মহোদয়, ইয়াৰ অৰ্থ এয়ে যে যিসকল কৰ্মচাৰীয়ে পূৰ্বে পৰিকল্পনা শিতানৰ পৰা বেতন লাভ কৰিছিল, তেওঁলোকে এতিয়া পূৰ্বৰে পৰা পৰিকল্পনা বহিৰ্ভূত শিতানৰ পৰা বেতন লাভ কৰা কৰ্মচাৰীসকলৰ সৈতে একে শিতানৰ পৰাই বেতন লাভ কৰিব। এই নতুন শিতানটোক কোৱা হ'ব 'কৰ্মচাৰী ব্যয়' (Establishment Expenditure) শিতান। সেইবাবে মাষ্টাৰৰোল আৰু ৱৰ্কচাৰ্জ কৰ্মীসকলৰ দৰমহাৰ ক্ষেত্ৰত যি এক বৈষম্যমূলক ব্যৱস্থা চলি আছিল, সেয়া এই বাজেটৰ জৰিয়তে বন্ধ কৰা হৈছে আৰু সেয়ে মই ঘোষণা কৰিবলৈ পাই আনন্দিত যে এতিয়াৰে পৰা প্ৰত্যেকেই নিয়মীয়াকৈ দৰমহা আৰু মজুৰি লাভ কৰিব।

**অন্যান্য নীতি**

৫২। ৰাজ্যৰ উন্নয়ন আৰু ৰূপান্তৰণৰ ক্ষেত্ৰত এক উল্লেখনীয় ভূমিকা পালনৰ বাবে পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ দায়িত্ব আৰু কৰ্তব্যক পুনৰ্নিৰ্ধাৰণ কৰিবলৈ আমাৰ চৰকাৰে সিদ্ধান্ত লৈছে। সেইবাবে আমি এই বিভাগটোক নতুনকৈ নামকৰণ কৰিব খুজিছোঁ — **'অসম উন্নয়ন আৰু ৰূপান্তৰণ বিভাগ'** (Department of Development & Transparmation of Assam - DDTA)।

৫৩। তদুপৰি, আমি ইতিমধ্যে **ৰাজ্যিক পৰিকল্পনা বোৰ্ডক ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰণ আয়োগ** (State Inovation and Tranformation Aayog - SITA)ৰূপে নামকৰণ কৰিছোঁ। এই আয়োগৰ বাবে বাজেটত যথেষ্ট পুঁজি আবণ্টন কৰা হৈছে যাতে 'নীতি (NITI) আয়োগ'ৰ দৰে 'সীতা (SITA) আয়োগে'ও বিভাগসমূহক উদ্ভাৱনীমূলক আঁচনি গ্ৰহণ কৰাৰ ক্ষেত্ৰত মাৰ্গদৰ্শন কৰিব পাৰে।

তদুপৰি, গুৰুত্ব অনুধাৱন কৰি **ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰণ আয়োগে** প্ৰথম পৰ্যায়ত অধ্যয়নৰ বাবে কেতবোৰ বিশেষ ক্ষেত্ৰ চিনাক্ত কৰিছে। সেই ক্ষেত্ৰসমূহ হৈছে— চাহ উদ্যোগৰ পুনৰ উজ্জীৱিতকৰণ, দক্ষতা বিকাশ, ৰুগ্ম উদ্যোগত নতুন প্ৰাণ সঞ্চাৰ আৰু ব্ৰহ্মপুত্ৰ নদীৰ বহনক্ষম ব্যৱস্থাপনা। সংশ্লিষ্ট প্ৰশাসনিক বিভাগসমূহে এই প্ৰক্ৰিয়াত ঘনিষ্ঠভাৱে জড়িত হ'ব আৰু এইক্ষেত্ৰত পুঁজিৰ কোনো সমস্যা নহ'ব বুলি মই সদনক আশ্বাস দিলোঁ।

৫৪। পূৰ্বে ১৯৮৭ চনত ফেনী আয়োগে আগবঢ়োৱা সূত্ৰৰ ভিত্তিত কাৰ্বি আংলং, ডিমা হাচাও আৰু বি টি চিৰ মাজত পৰিকল্পনাৰ ধন আবন্টন কৰা হৈছিল। এতিয়া আমাৰ হাতত পৰিকল্পনা শিতানৰ ধন নাই। সেইবাবে সমগ্ৰ বিষয়টো গভীৰভাৱে পুনৰীক্ষণ কৰাৰ প্ৰয়োজন আছে। সেই অনুসৰি এগৰাকী অৱসৰপ্ৰাপ্ত মুখ্য সচিবক লৈ এখন আয়োগ গঠন কৰাৰ সিদ্ধান্ত লোৱা হৈছে যাতে ষষ্ঠ অনুসূচীৰ অন্তৰ্গত আৰু ষষ্ঠ অনুসূচী বহিৰ্ভূত স্বায়ত্তশাসিত পৰিষদকেইখনৰ সৈতে আলোচনা কৰি এক পদ্ধতি নিৰ্ধাৰণ কৰা হয়।

**প্ৰথমবাৰৰ বাবে প্ৰাক-বাজেট পৰামৰ্শ**

**৫৫। (ক) বিধায়কৰ সৈতে**

মহোদয়, আমাৰ চৰকাৰ সুস্থ পৰম্পৰাৰ আৰম্ভণি কৰাত বিশ্বাসী। পোন প্ৰথমবাৰৰ বাবে ৰাজ্যখনত সকলো দলৰে সন্মানীয় বিধায়কসকলৰ লগত প্ৰাক বাজেট পৰামৰ্শৰ ব্যৱস্থা কৰা হ'ল। মই এইক্ষেত্ৰত তেখেতসকলৰ পূৰ্ণ সহযোগিতাৰ বাবে অতিশয় কৃতজ্ঞ। তেখেতসকলে আগবঢ়োৱা কিছুমান পৰামৰ্শ অতিশয় উদ্ভাৱনীমূলক আছিল। বিধায়কসকলৰ পৰা লাভ কৰা এনে পৰামৰ্শসমূহ গ্ৰহণ কৰা হৈছে আৰু বিত্ত বিভাগে সেইসমূহ বাজেটত প্ৰণয়ন কৰি ৰূপায়ণৰ বাবে সংশ্লিষ্ট বিভাগলৈ প্ৰেৰণ কৰিব। ইয়াৰ আঁচনিসমূহ পৰ্যায়ক্ৰমে ৰূপায়ণ কৰিব পৰা যাব বুলি মই আশাবাদী। এই বিভিন্ন আঁচনিসমূহ ৰূপায়ণৰ বাবে এই বাজেটত ১০০০ কোটি টকা আছুতীয়াকৈ ৰখা হৈছে।

একেদৰে, মোৰ সন্মানীয় কেবিনেট সতীৰ্থবৃন্দই চোৱাচিতা কৰা প্ৰতিটো বিভাগেই বাজেট প্ৰস্তুতকৰণ প্ৰক্ৰিয়াটোৰ এক অবিচ্ছেদ্য অংগ। মই তেখেতসকলৰ

সৈতেও বিস্তৃত পৰামৰ্শত মিলিত হৈছিলো আৰু কেইবাটাও অভিলাষী প্ৰকল্পৰ বিষয়ে তেখেতসকলৰ সৈতেও মোক পৰামৰ্শ দিছিল। সেই পৰামৰ্শাৱলী এই বাজেটত প্ৰতিফলিত হৈছে। অধ্যক্ষ মহোদয়, মই সেইবাবেই কওঁ যে ২০১৭-১৮ বৰ্ষৰ এই বাজেট ঐতিহাসিক আৰু একক।

**৫৬। (খ) নাগৰিক আৰু নাগৰিক সমাজৰ সৈতে**

তদুপৰি, বাজেট প্ৰণয়নৰ ইতিহাসত পোন প্ৰথমবাৰৰ বাবে অসমৰ আটাইকেইখন বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ লগতে বাণিজ্য সংঘ, ব্যৱসায়িক সংস্থা আদিৰ লগত প্ৰাক-বাজেট পৰামৰ্শাৱলী গ্ৰহণৰ ব্যৱস্থা কৰা হ'ল।

বাজেট আৰু সুশাসন সন্দৰ্ভত মই কৰা আহ্বানৰ প্ৰত্যুত্তৰত ১১০০ তকৈয়ো অধিক ই-মেইল আৰু পত্ৰ লাভ কৰিছিলোঁ। সমাজৰ সকলো স্তৰৰ লোক আৰু অংশীদাৰসকলে এই বাজেট সন্দৰ্ভত বহুমূলীয়া উপদেশ আগবঢ়াইছিল। তেওঁলোক সকলোলৈকে মই কৃতজ্ঞতা জনাইছোঁ। মই জনাবলৈ পাই সুখী যে ৰাজহুৱা শস্য আহৰণৰ ব্যৱস্থা, প্ৰতিখন গাঁৱত একোখন খেলপথাৰ, ঠিকাভিত্তিত কৰ্মৰত বুজন সংখ্যক টেট শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ আদি পৰামৰ্শ এই নাগৰিক মঞ্চৰ পৰাই আহিছিল। তেওঁলোকৰ এই প্ৰত্যাশাক ২০১৭-১৮ বৰ্ষৰ মোৰ বাজেট প্ৰস্তাৱত গ্ৰহণ কৰা হৈছে।

**কৰ্মচাৰী কল্যাণৰ পদক্ষেপ**

৫৭। মহোদয়, আপুনি জানি সুখী হ'ব যে চৰকাৰে সপ্তম দৰমহা আৰু উৎপাদকতা আয়োগৰ পৰামৰ্শাৱলী প্ৰায় পূৰ্ণাংগ ৰূপত গ্ৰহণ কৰিছে। মহোদয়, আপোনাৰ নিশ্চয় মনত আছে বিগত দৰমহা আয়োগৰ প্ৰতিবেদন বৰ পলমকৈ ৩৯ মাহৰ পাছত কাৰ্যকৰী কৰা হৈছিল আৰু বকেয়া বিষয়টোও পূৰ্বৰ চৰকাৰে নিষ্পত্তি কৰা নাছিল।

কিন্তু আমাৰ চৰকাৰে কৰ্মচাৰীসকলক নিৰাশ কৰিব নোখোজে আৰু আমি ২০১৬ চনৰ এক এপ্ৰিলৰ পৰাই সপ্তম দৰমহা আয়োগৰ প্ৰতিবেদন কাৰ্যকৰী কৰিম।

এতিয়া প্ৰশ্ন হ'ল আমি তেখেতসকলৰ বকেয়া ২০১৬ চনৰ ১ এপ্ৰিলৰ পৰাই আদায় দিম নেকি? যদি এই বকেয়া ১ এপ্ৰিল, ২০১৬ ৰ

পৰা দিয়া যায় তেন্তে চৰকাৰৰ ৰাজকোষৰ ওপৰত আনুমানিক ২২০০ কোটি টকাৰ বোজা পৰিব। কিন্তু কৰ্মচাৰীসকলৰ প্ৰাপ্য আদায়ৰ হেতু আৰু কামৰ এক অনুকূল পৰিৱেশ সৃষ্টিৰ বাবে তথা চৰকাৰ আৰু কৰ্মচাৰীসকলৰ মাজত সম্প্ৰীতি আৰু সদ্ভাৱৰ বাতাবৰণ সৃষ্টিৰ স্বাৰ্থত মই এই কথা ঘোষণা কৰিবলৈ পাই আনন্দিত যে চৰকাৰে ২২০০ কোটি টকাৰ এক বৃহৎ বোজা বহন কৰি হ'লেও কৰ্মচাৰীসকলৰ বকেয়া ২০১৬ চনৰ ১ এপ্ৰিলৰ পৰাই ধাৰ্য কৰিব। ২০১৭ চনৰ এপ্ৰিল-মে' মাহত বকেয়াৰ প্ৰথম কিস্তি মুকলি কৰি দিয়া হ'ব আৰু বাকী থকা বকেয়া ২০১৭-১৮ বিত্তীয় বৰ্ষৰ ভিতৰতে মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰা হ'ব।

৫৮। তদুপৰি মই অন্য এক ভাল খবৰৰ ভাগ আপোনালোকক দিব খুজিছোঁ; আমাৰ কেবিনেটে চৰকাৰী কৰ্মচাৰীসকলক কোনো আনুষঙ্গিক বন্ধকী অবিহনে অতি নিম্ন ৫.০৫ শতাংশ সূদৰ হাৰত ১৫ লাখ টকা পৰ্যন্ত গৃহ ঋণত অনুমোদন জনাইছে। এই আঁচনি প্ৰথমে আমি ভাৰতীয় ষ্টেট বেংক আৰু পৰ্যায়ক্ৰমে অন্যান্য বেংক তথা বিত্তীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত তাৎক্ষণিকভাৱে আৰম্ভ কৰিম।

৫৯। ইয়াৰোপৰি, ৰাজ্যিক চৰকাৰী কৰ্মচাৰীসকলৰ সন্তানৰ উচ্চ শিক্ষাৰ বাবে এক ঋণৰ আঁচনিও অনুমোদিত হৈছে। ১০ লাখ টকালৈকে এই ঋণ কৰ্মচাৰীৰ পৰিশোধেয় সূদ হ'ব মাত্ৰ ৪ শতাংশ আৰু ৰাজ্য চৰকাৰে বাকী সূদ প্ৰদান কৰিব।

৬০। আমি নিশ্চিত যে বৰ্ধিত দৰমহাৰ সৈতে গৃহ আৰু সন্তানৰ শিক্ষাৰ ঋণ যোগ হৈ কৰ্মচাৰীসকলৰ আৰ্থিক বোজা বহুখিনি লাঘৱ কৰিব।

৬১। অধ্যক্ষ মহোদয়, মই চৰকাৰৰ অনুকম্পামূলক নিযুক্তিৰ সৈতে জড়িত বিষয়টো আলোকপাত কৰিব খোজোঁ। সাধাৰণতে দেখা যায় যে চৰকাৰৰ এই নিযুক্তি প্ৰক্ৰিয়াই কৰ্মৰত অৱস্থাত মৃত্যুবৰণ কৰা কৰ্মচাৰীৰ পৰিয়ালক সহায় কৰাত অপাৰগ হোৱা হেতুকে প্ৰক্ৰিয়াটো যথেষ্ট সমালোচিত হৈছে।

৬২। এজন কৰ্মচাৰীৰ মৃত্যু হ'লে তেওঁৰ উত্তৰাধিকাৰীয়ে শিক্ষাগত অৰ্হতাৰ অভাৱৰ বাবেই হওক বা অনুকম্পামূলক নিয়োগযোগ্য পাঁচ শতাংশ খালী পদৰ অভাৱৰ বাবেই হওক, তৎকালে নিযুক্তি নাপাব পাৰে।

৬৩। দৰাচলতে এনে এক অৱস্থাত এক বৃহৎসংখ্যক আবেদনকাৰীয়ে বিষয়া-কৰ্মচাৰীৰ দুৱাৰে দুৱাৰে ঘূৰি ঘূৰি ফুৰে আৰু অৱশেষত মধ্যভোগীৰ হাতত সৰ্বস্বান্ত হয়। এনে পৰিপ্ৰেক্ষিতত আমি ভাবোঁ যে এই অনুকম্পামূলক নিযুক্তিৰ নীতিৰ উদ্দেশ্য তেতিয়াহে সফল হ'ব যদিহে অনুকম্পামূলক নিযুক্তিৰ পৰিৱৰ্তে মৃত কৰ্মচাৰীগৰাকীৰ শেষ দৰমহাৰ নিৰিখত তেখেতৰ নিকটআত্মীয়ক দৰমহা আদায় কৰিবলৈ অনুমতি দিয়া হয়। এনে সুবিধা কৰ্মচাৰীজনে জীৱিত অৱস্থাত যেতিয়ালৈকে অৱসৰ নাপালেহেঁতেন তেতিয়ালৈকে বলৱৎ হ'ব। তাৰ পাছত নিয়ম অনুসাৰে যোগ্য উত্তৰাধিকাৰীজনক পেঞ্চন দিয়াৰ ব্যৱস্থা থাকিব। এনে এটা ব্যৱস্থা হ'লে মৃত কৰ্মচাৰীজনৰ পৰিয়ালে যথেষ্ট সকাহ পাব আৰু হিতধাৰকসকলৰ সৈতে আলোচনা কৰাৰ পাছত আমাৰ চৰকাৰে এই বিষয়ত এটা সিদ্ধান্ত গ্ৰহণ কৰিব।

৬৪। তদুপৰি খাদী আৰু থলুৱাভাৱে বৈ উলিওৱা কাপোৰৰ সাজ পৰিধান কৰিবলৈ কৰ্মচাৰীসকলক অনুপ্ৰাণিত কৰিবলৈ প্ৰস্তাৱ কৰিছোঁ। ই আমাৰ স্বদেশী মূল্যবোধৰ উত্তৰণ ঘটোৱাৰ উপৰি খাদী আৰু হস্ততাঁত উদ্যোগতো সুপ্ৰভাৱ বিস্তাৰ কৰিব। এই উদ্দেশ্যে মই এই বাজেটত এনে এক ব্যৱস্থা ৰাখিছোঁ যে প্ৰতিগৰাকী কৰ্মচাৰীয়ে বছৰি দুযোৰ পৰ্যন্ত খাদী সাজ ক্ৰয় কৰাৰ ক্ষেত্ৰত ১০০০ কৈ টকা সম্পূৰ্তি (reimbursement) লাভ কৰিব।

৬৫। তদুপৰি আমি প্ৰায় সকলোবোৰ পদৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা প্ৰতিধাৰন ব্যৱস্থা (retention)ৰ বিলুপ্ত কৰিব খুজিছোঁ আৰু পূৰ্বৰ পৰিকল্পনা শিতানৰ পদবোৰ পৰিকল্পনা বহিৰ্ভূত শিতানৰ সৈতে একীকৰণ কৰিব খুজিছোঁ। এই ব্যৱস্থাই সকলো স্তৰৰ কৰ্মচাৰীৰ বাবে নিয়মীয়া, মাহেকীয়া দৰমহা মোকলাই দিয়াত সহায় কৰিব।

৬৬। অধ্যক্ষ মহোদয়, উপৰিউক্ত উদগনিমূলক ব্যৱস্থাৱলীয়ে ৰাজ্যৰ ৰাজকোষৰ ওপৰত যে যথেষ্ট বোজা দিব আমাৰ কৰ্মচাৰীসকল সেই বিষয়ে নিশ্চয় সজাগ। উচ্চ নিৰিখৰ দৰমহা, কম খৰচী গৃহ তথা শিক্ষা ঋণৰ বোজা বব লাগিব সাধাৰণ কৰদাতা জনতাই। এই সা-সুবিধাসমূহ আগবঢ়োৱাৰ পাছতো যদি জনতাৰ প্ৰতি কৰ্মচাৰীসকলৰ দৃষ্টিভংগীৰ পৰিৱৰ্তন নঘটে অথবা

তেওঁলোকৰ কৰ্ম সংস্কৃতি উন্নীত নহয় আৰু একাংশ কৰ্মচাৰীয়ে উৎকোচ লোৱাৰ প্ৰৱণতাক পৰিহাৰ কৰিব নোখোজে, তেন্তে চৰকাৰে ইয়াৰ বিৰুদ্ধে কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰিব। মই আশা আৰু বিশ্বাস কৰোঁ যে **'সেৱা আৰু সংবেদনশীলতা'** এই নীতিৰ দৰ্শন অনুযায়ী কৰ্মচাৰীসকলে দায়িত্ব নিৰ্বাহ কৰিব আৰু অসমক এখন আদৰ্শ ৰাজ্যৰূপে প্ৰতিষ্ঠা কৰিব।

## অষ্টাদশ মুকুটাৰ উন্নয়নী মালা

৬৭। এই বাজেটত আমি বহুতো উচ্চাভিলাষী পৰিকল্পনা প্ৰস্তাৱ কৰিছোঁ। প্ৰায়বোৰ বিভাগৰ জৰিয়তে এইখন বাজেটত বহুতো উদ্ভাৱনীমূলক আঁচনি ঘোষণা কৰা হৈছে। বিভাগীয় প্ৰস্তাৱসমূহ আৰম্ভ কৰাৰ আগতে মই ২০১৭-১৮ বৰ্ষৰ বাবে ৰাজ্যখনৰ ক্ৰমবৰ্ধমান আত্মবিশ্বাস প্ৰতিফলিত হোৱাকৈ ১৮ টা মহত্বপূৰ্ণ ঘোষণা কৰিবলৈ আগবাঢ়িছোঁ।

৬৭.১। **স্বয়ম যোজনা** — SVAYEM Yojana : Swami Vivekananda Assam Youth Empowerment Yojana - **স্বামী বিবেকানন্দ অসম যুৱ সৱলীকৰণ যোজনা**

যুৱকসকলক উদ্বুদ্ধ কৰি তুলিব পৰা মহত্বপূৰ্ণ উক্তিসমূহ নিঃসৰিত হৈছিল স্বামী বিবেকানন্দৰ মুখৰ পৰা। স্বামী বিবেকানন্দ আছিল আমাৰ মাতৃভূমিৰ চিৰ সেউজ যুৱ প্ৰতীক। যুৱকসকলৰ প্ৰতি তেখেতে আহ্বান জনাইছিল এই বুলি — *'শিক্ষিত যুৱকসকলৰ বাবে কাম কৰা, তেওঁলোকক এক গোট কৰা - সংগঠিত কৰা। মহৎ প্ৰাপ্তিৰ বাবে মহৎ ত্যাগৰ প্ৰয়োজন। স্বাৰ্থপৰতা নাই, যশ নাই, খ্যাতি নাই, অহং চিন্তা নাই, নাই মোৰ অধিপতিৰ চিন্তাও! হে মোৰ ল'ৰাসকল, তুমি নিৰ্ভীক, তুমি মহানুভৱ, তোমাৰ আত্মাৰ পৱিত্ৰতাৰে তুমি কৰ্ম কৰা, সংকল্পনা কৰা, পৰিকল্পনা কৰা — কঠোৰতম শ্ৰম কৰা। নাম, যশ, খ্যাতি এনে তুচ্ছ কথালৈ ঘূৰি নাচাবা, নৰ'বা। নিজৰ উত্তৰণত ব্ৰতী হোৱা আৰু কৰ্ম কৰা।'*

এই অনুপ্ৰেৰণাৰে আমাৰ চৰকাৰে যুৱ সৱলীকৰণৰ বাবে এখন ধ্বজ্জাবাহী আঁচনি গ্ৰহণ কৰিব খুজিছে। প্ৰধানমন্ত্ৰীৰ মুদ্ৰা যোজনাৰ পৰা শিকনি লৈ স্বামী বিবেকানন্দ অসম যুৱ সৱলীকৰণ — স্বয়ম যোজনা নামেৰে এই আঁচনিখন গ্ৰহণ কৰিব খোজা হৈছে। আঁচনিখনৰ অধীনত এক লাখ যুৱকক উদ্যোগ তথা বাণিজ্যৰ বাবে ঋণ আগবঢ়োৱা হ'ব। নতুনকৈ আৰম্ভ কৰিব খোজা গোট (enterprise)ৰ ক্ষেত্ৰত

ঋণৰ পৰিমাণ হ'ব সৰ্বোচ্চ এক লাখ টকা আৰু চলিত গোট (enterprise)ৰ ক্ষেত্ৰত এই ঋণ হ'ব সৰ্বোচ্চ দুই লাখ টকা। ৰাজ্য চৰকাৰে ইয়াৰ বাবে ২০ শতাংশ ৰাজসাহায্য আগবঢ়াব। বেংকসমূহক লৈ এটা **হৰণাশংকিত পুঁজি** (Risk fund) গঠন কৰা হ'ব যাতে তেওঁলোকে ইতঃস্তত নকৰাকৈ ঋণ আদায় দিবলৈ আগবাঢ়ে। এই সম্পৰ্কীয় কাৰ্য বিধি অতি সোনকালে প্ৰস্তুত কৰি আগবঢ়োৱা হ'ব।

এই আঁচনিৰ ৰাজসাহায্যৰ বিপৰীতে মই ২০০ কোটি টকা আৰু হৰণাশংকিত পুঁজিৰ বাবে ১০০ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ দিছোঁ।

**৬৭.২। কনকলতা মহিলা সৱলীকৰণ যোজনা**

ৰাজ্যৰ বিকাশৰ স্বাৰ্থত আমাৰ মহিলাসকলে কিধৰণৰ ত্যাগ আৰু অৰিহণা আগবঢ়ায় তাক আমি সকলোৱে জানো। ৰাজ্যৰ অৰ্থনৈতিক বিকাশৰ স্বাৰ্থত মহিলাসকলৰ শক্তি আৰু সামৰ্থক ব্যৱহাৰ কৰাৰ প্ৰয়োজনীয়তাক আমি স্বীকাৰ কৰোঁ আৰু সেইবাবেই আমাৰ চৰকাৰে ১ লাখ মহিলা আত্মসহায়ক গোট (SHG) গঠন কৰাৰ প্ৰস্তাৱ দিছে। প্ৰতিটো আত্মসহায়ক গোটক ঋণ হিচাপে ৫ লাখ টকাকৈ আগবঢ়োৱা হ'ব য'ত থাকিব মূলধনী ৰাজ সাহায্য। বৰ্তমানৰ বিত্তীয় বৰ্ষত প্ৰাৰম্ভিক পুঁজি হিচাপে ২৫ হাজাৰ টকাৰ এটি অনুদান আগবঢ়োৱা হ'ব আৰু কেইটামান চৰ্ত পূৰণ কৰাৰ পাছত বাকী ৰোৱা পুঁজি মোকলোৱা হ'ব।

গঞা মহিলাসকলে আত্মসহায়ক গোট, সামাজিক যোগাযোগ, বিত্তীয় অন্তৰ্ভুক্তিকৰণ, দক্ষতা বিকাশ আৰু বিপণনৰ যোগেৰে দৰিদ্ৰতাৰ কৰাল গ্ৰাসৰ পৰা যাতে মুক্তি পায় তাৰ বাবে এই আঁচনিৰ এক সুসংহত মাৰ্গদৰ্শন পৰিকল্পনা আৰু উন্নয়ন বিভাগে প্ৰস্তুত কৰি উলিয়াব।

এই আঁচনিয়ে প্ৰত্যক্ষভাৱে ৰাজ্যৰ ১০ লাখ মহিলাক উপকৃত কৰিব আৰু বৰ্তমান এই বিত্তীয় বৰ্ষত মই ইয়াৰ বাবে ২৫০ কোটি টকা আবন্টনৰ প্ৰস্তাৱ দিছোঁ।

তদুপৰি ভগ্নীসকলৰ প্ৰতি আমাৰ শুভেচ্ছাৰ চিন তথা উপহাৰ হিচাপে আমাৰ চৰকাৰে মহিলা আত্মসহায়ক গোটবোৰৰ আঢ়ৈ লাখ টকা পৰ্যন্ত ঋণৰ নথিপত্ৰৰ পঞ্জীয়নৰ বাবে প্ৰয়োজন হোৱা মুদ্ৰাংক শুল্ক (Stamp duty) ২০১৬-১৭ বৰ্ষত ৰেহাই দিব।

**৬৭.৩। থলুৱা মাছৰ বাবে জীন বেংক**

অধ্যক্ষ মহোদয়, আমি জানো যে অসমত জলাশয়ৰ অভাৱ নাই আৰু আমাৰ ৰাজ্যখন হৈছে মাছৰ আবাসস্থল। আমাৰ অঞ্চলত ১৬০ টা মাছৰ প্ৰজাতি পোৱা যায় আৰু এয়া হৈছে মিঠাপানীত উপলব্ধ মৎসকুলৰ মুঠ প্ৰজাতিৰ ৩০ শতাংশ। বিভিন্ন কাৰণত অসমত থলুৱা মাছৰ সংখ্যা দ্ৰুত হাৰত হ্ৰাস পাব লাগিছে আৰু ৮২ টা প্ৰজাতি বিপন্নৰূপে চিহ্নিত হৈছে আৰু অদূৰ ভৱিষ্যতে এইসমূহ পৃথিৱীৰ পৰাই বিলুপ্ত হৈ যোৱাৰ আশংকা আছে। এইবোৰৰ ভিতৰত আছে পুঠি, দৰিকনা, বলিয়ৰা, খলিহনা, চেলেকানি, বাত', এলেং আদি। আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ স্বাৰ্থত এই বিপন্ন প্ৰজাতিসমূহৰ ৰক্ষণাবেক্ষণৰ বাবে তথা সেইবোৰৰ সংৰক্ষণ আৰু বংশ বৃদ্ধিৰ বাবে পদক্ষেপ লোৱাৰ এয়াই শেষ সময়।

এই উদ্দেশ্য সাধন কৰিবলৈ সমগ্ৰ অসমৰ থলুৱা মাছৰ এখন ডাইৰেক্টৰী আৰু জীন বেংকৰ এটা তথ্য কোষ বৈজ্ঞানিকভাৱে প্ৰস্তুত কৰি উলিয়াব লাগিব। মৎস্যকুলৰ বৈচিত্ৰ্য ৰক্ষা কৰিবলৈ কিছুমান বিশেষ জাতৰ থলুৱা মাছৰ ক্ষেত্ৰত স্থানীয় পৰিৱেশৰ সৈতে খাপ খোৱাকৈ এক প্ৰৱৰ্ধন প্ৰযুক্তিৰ বিকাশ কৰা হ'ব। ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত মীন মহাবিদ্যালয় আৰু মীন বিভাগৰ যৌথ সহযোগত থলুৱা মাছৰ বৈজ্ঞানিক সংৰক্ষণ আঁচনি - Scientific Conservation Programme for Indigenous Fish (SCoPIF) যুগুতাই উলিওৱাৰ প্ৰস্তাৱ দিয়া হৈছে। ইয়াৰ জৰিয়তে মাছৰ স্বাভাৱিক আৰু পৰীক্ষামূলক আবাসভূমিক সামৰি লোৱা হ'ব আৰু ব্যয় কৰা হ'ব ৯.৩৬ কোটি টকা। সেই অনুসৰি বৰ্তমানৰ বাজেটত আঁচনিখন সূচনা কৰাৰ বাবে মই ২ কোটি টকাৰ আবন্টনৰ প্ৰস্তাৱ দিছোঁ।

**৬৭.৪। মধ্যাহ্ন ভোজন আঁচনিৰ সংস্কাৰ ঃ কণী আৰু ৰন্ধন গেছৰ যোগান**

সন্মানীয় সদস্যসকল, বিদ্যালয়সমূহত ৰূপায়িত মধ্যাহ্ন ভোজন আঁচনিৰ গুৰুত্বৰ কথা নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। লক্ষাধিক স্কুলীয়া শিশুৰ বাবে প্ৰতিদিনেই পুষ্টিকৰ খাদ্য যোগান ধৰাটো আমাৰ চৰকাৰৰ এক গুৰুত্বপূৰ্ণ আঁচনি।

নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক খণ্ডত আমাৰ ৰাজ্যত ৪২.৬১ লাখ শিশু আছে। মধ্যাহ্ন ভোজন আঁচনিৰ অধীনত এই শিশুসকলৰ ভোজনত এতিয়া সপ্তাহত দুবাৰকৈ কণী আগবঢ়োৱাৰ এক সিদ্ধান্ত লোৱা হৈছে।

আমাৰ প্ৰাক্কলন (Estimate) অনুসৰি ইয়াৰ ফলত বছৰি ১৩০ কোটি টকা ব্যয় হ'ব। কিন্তু ই কেৱল ব্যয় নহয়, ই হ'ল চৰকাৰৰ এক ফলপ্ৰসূ বিনিয়োগ। এই ব্যৱস্থাই আমাৰ স্কুলীয়া শিশুসকলৰ পুষ্টি আহৰণত সহায় কৰাৰ উপৰি স্থানীয় বজাৰত কণীৰ চাহিদা বৃদ্ধি কৰিব আৰু ফলস্বৰূপে গ্ৰাম্য অৰ্থনীতিত এক যোগাত্মক প্ৰভাৱ অনুভূত হ'ব। এইবাৰৰ বাজেটত ইয়াৰ বাবে যথোপযুক্ত ব্যৱস্থা কৰা হৈছে।

খৰিৰে ৰন্ধন কাৰ্য চলোৱাটো বিদ্যালয় কৰ্তৃপক্ষৰ বাবে এক আহুকলীয়া সমস্যা, বিশেষকৈ বাৰিষা কালত। আমাৰ চৰকাৰে মধ্যাহ্ন ভোজন আগবঢ়োৱা প্ৰতিখন চৰকাৰী বিদ্যালয়তে ৰন্ধন গেছৰ সংযোগ আগবঢ়াব খোজে। এই ব্যৱস্থাই আমাৰ শিশুসকলকেই যে সময়মতে গৰম ভাত আগবঢ়াব সেয়া নহয়, পৰিৱেশ প্ৰদূষণকো বহু পৰিমাণে হ্ৰাস কৰাত সহায় কৰিব। ইয়াৰ বাবে আমাৰ চৰকাৰৰ ধনৰ নাটনি নহয়।

গুৰুত্বপূৰ্ণ কথা হ'ল— সময়োচিত পুঁজিৰ যোগান। কেঁচা সামগ্ৰী ক্ৰয় কৰাৰ পৰা ৰান্ধনীৰ পাৰিশ্ৰমিক আৰু যাৱতীয় কাম-কাজৰ বাবে যথেষ্ট খৰচ হয়। কিন্তু সময়মতে পুঁজিৰ যোগান নোপোৱাৰ বাবে ৰূপায়ণ বাধাগ্ৰস্ত হয়।

সেইবাবে মই এটা নতুন ব্যৱস্থাৰ প্ৰস্তাৱ কৰিব খোজোঁ —**'সেউজ ধাৰা'** সদৃশ এই ব্যৱস্থাত কেন্দ্ৰীয় চৰকাৰৰ পুঁজিলৈ অপেক্ষা নকৰি ৰাজ্য চৰকাৰে পুঁজি মোকলাই দিয়াৰ ব্যৱস্থা থাকিব। সেয়ে হ'লে আঁচনিখন বাধাগ্ৰস্ত নোহোৱাকৈ সমগ্ৰ বছৰ সুচাৰুৰূপে ৰূপায়িত হ'ব। ৰাজ্য চৰকাৰৰ এই ব্যয় পূৰণ কৰাৰ বাবে কেন্দ্ৰীয় পুঁজিৰ অংশ মোকলোৱাৰ ব্যৱস্থা আমি কৰিম।

**৬৭.৫। মূল্য স্থিৰকৰণ পুঁজি**

মূল্যবৃদ্ধিয়ে আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত কৰে দৰিদ্ৰ লোকসকলক। অত্যাৱশ্যকীয় সামগ্ৰী বৰ্ধিত চাহিদাই আমাৰ উপভোক্তাসকলক প্ৰতি বছৰে বিপাঙত পেলায়। পিঁয়াজ, দাইল, চেনী আদি অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ মূল্য হঠাতে ঊৰ্দ্ধগামী হৈ উঠে আৰু সাধাৰণ উপভোক্তাৰ বাবে সেয়া হৈ পৰে মহাৰ্ঘ্য। ইয়াৰ কাৰণ হ'ল বতৰৰ বিধি-পথালিৰ সৈতে যুক্ত হোৱা অসাধু ব্যৱসায়ীয়ে সৃষ্টি কৰা কৃত্ৰিম নাটনি।

বজাৰ ব্যৱস্থাৰ এই বিফলতা দূৰ কৰিবলৈ খাদ্য আৰু অসামৰিক যোগান

বিভাগৰ হাত শক্তিশালী কৰাৰ প্ৰয়োজন আছে আৰু তাৰ বাবে এটি **মূল্য স্থিৰকৰণ পুঁজি** গঠন কৰা হ'ব। এই বাজেটত সেই উদ্দেশ্যে ১৫০ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে আৰু ইয়াৰ বিস্তৃত কৰ্মসূচী যুগুতাই উলিওৱা হ'ব।

**৬৭.৬। উজ্জ্বলাৰ বাবে বিত্তীয় উদগনি**

ভাৰত চৰকাৰৰ এখন ধ্বজ্জাবাহী আঁচনি হৈছে দাৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালসমূহলৈ আগবঢ়োৱা বিনামূলীয়া ৰন্ধন গেছৰ সংযোগ— যাৰ নাম **উজ্জ্বলা।** এই ভৱিষ্যদৰ্শী আঁচনিখনে যে কেৱল গঞা মহিলাৰ দক্ষতা বৃদ্ধি কৰে তেনে নহয়, তেওঁলোকক অন্যান্য অৰ্থনৈতিক কৰ্মৰ সৈতে জড়িত হোৱাৰ আৰু সুস্বাস্থ্য বৰ্তাই ৰখাটো সহায় কৰে।

দাৰিদ্ৰ সীমাৰেখাৰ তলৰ প্ৰতিটো পৰিয়ালক ৰন্ধন গেছৰ সংযোগ ল'বলৈ উদগনি দিয়াৰ বাবে ১০০০ টকাকৈ সাহায্য প্ৰদান কৰাৰ পৰিকল্পনা কৰিছে। এই ব্যৱস্থাই ৰন্ধন গেছৰ সংযোগ বৃদ্ধিত সহায় কৰিব আৰু গ্ৰাম্য অসমৰ প্ৰতিটো পৰিয়ালৰ পাকঘৰসমূহৰ দ্ৰুত ৰূপান্তৰণত অৰিহণা যোগাব। ইয়াৰ বাবে এই বাজেটত ৫ কোটি টকা আবন্টনৰ বাবে মই প্ৰস্তাৱ দিছোঁ। প্ৰয়োজন অনুসাৰে অধিক ধনৰ ব্যৱস্থা কৰা হ'ব।

**৬৭.৭। তেজস্বী নৱ-অধীতম-অস্তু শৈক্ষিক আন্তঃগাঁথনি পুঁজি (TNEIF)**

**বৃত্তিগত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ উন্নয়ন**

উপনিষদৰ এশাৰী মহাবাক্য **তেজস্বী নৱ-অধীতম-অস্তু**ৰ অৰ্থ হ'ল আমাৰ জ্ঞান হওক অত্যুত্তম। আমাৰ বিশ্ববিদ্যালয় তথা বৃত্তিগত মহাবিদ্যালয়সমূহ হৈছে অধ্যয়নৰ সৰ্বোচ্চ মঞ্চস্বৰূপ। এই শিক্ষানুষ্ঠানসমূহৰ পৰাই বিজ্ঞান, কলা আৰু ৰাষ্ট্ৰীয় প্ৰেক্ষাপটৰ বিভিন্নজন সফল তাৰকাৰ উন্মেষ হৈছে। কিন্তু দুৰ্ভাগ্যক্ৰমে বিভিন্ন কাৰণত পূৰ্বৰ চৰকাৰসমূহে ৰাজ্যখনৰ শিক্ষানুষ্ঠানসমূহৰ শৈক্ষিক ব্যৱস্থাৰ সবলীকৰণৰ কোনো আঁচনি গ্ৰহণ নকৰিলে।

অন্যান্য শিক্ষানুষ্ঠানৰ কথা বাদ দিও কিন্তু সমাজৰ উচ্চতম শৈক্ষিক প্ৰতিষ্ঠান হিচাপে বিশ্ববিদ্যালয় তথা বৃত্তিগত মহাবিদ্যালয়সমূহৰ প্ৰভাৱ ব্যাপক আৰু তাৎপৰ্যপূৰ্ণ। সৰ্বপল্লী ৰাধাকৃষ্ণণৰ দৰে মনিষীয়ে ১৯৪৮ চনতে দেশৰ শিক্ষা আয়োগৰ প্ৰথমজন অধ্যক্ষৰূপে বিশ্ববিদ্যালয়ৰ শিক্ষা সন্দৰ্ভত সদা শিৰোধাৰ্য মন্তব্য কৰি গৈছে।

তেখেতৰ মাৰ্গ দৰ্শনে আমাৰ ওপৰত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছে আৰু সেই আদৰ্শবোৰৰ চিৰস্থায়ী প্ৰাসংগিকতা আছে। তেখেতে উল্লেখ কৰা বিশ্ববিদ্যালয় শিক্ষাৰ ১৮ টা উদ্দেশ্যৰ ভিতৰত প্ৰথম আৰু প্ৰণিধানযোগ্য উদ্দেশ্যটো হৈছে— *'বিভিন্ন ক্ষেত্ৰত সফলভাৱে ৰাষ্ট্ৰৰ দায়িত্ব বহন কৰিব পৰা সমৰ্থৱান নাগৰিক সৃষ্টি কৰা। বিশ্ববিদ্যালয়ৰ কাম হ'ল দক্ষ প্ৰশাসক আৰু বিভিন্ন উদ্যোগ আৰু কৰ্ম ক্ষেত্ৰৰ সক্ষম কৰ্মী সৃষ্টি কৰা আৰু ৰাষ্ট্ৰৰ হিত সাধনৰ বাবে জীৱনৰ বিভিন্ন ক্ষেত্ৰত নেতৃত্ব সৃষ্টি কৰা।'*

আমাৰ চৰকাৰে এই ক্ষেত্ৰত সম্পূৰ্ণ আত্মনিয়োগ কৰাৰ লগতে সংকল্প গ্ৰহণ কৰিছে। বিশ্ববিদ্যালয় আৰু বৃত্তিমুখী মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে *তেজস্বী নৱ-অধীতম-অস্তু*পুঁজিৰ শিতানত ৬৬৭ কোটি টকাৰ বিশেষ অনুদানৰ প্ৰস্তাৱ কৰিছোঁ। নিম্ন উল্লেখিত তালিকা অনুসৰি এই ধনৰাশিৰ ব্যয় ধাৰ্য কৰা হৈছে।

| **ক্ৰমিক নং** | **নাম** | **মুঠ আবণ্টন** (কোটি টকাত) | **চলিত বৰ্ষৰ আবণ্টন** |
|---|---|---|---|
| ১ | গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল | ১০০.০০ | ৩০.০০ |
| ২ | অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল | ১০০.০০ | ৩০.০০ |
| ৩ | শিলচৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল | ১০০.০০ | ৩০.০০ |
| ৪ | গুৱাহাটী বিশ্ববিদ্যালয় | ২৫.০০ | ১২.৫০ |
| ৫ | ডিব্ৰুগড় বিশ্ববিদ্যালয় | ২৫.০০ | ১২.৫০ |
| ৬ | অসম অভিযান্ত্ৰিক মহাবিদ্যালয় | ২৫.০০ | ০৬.০০ |
| ৭ | যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয় | ২৫.০০ | ০৬.০০ |
| ৮ | বড়োলেণ্ড বিশ্ববিদ্যালয় | ২৫.০০ | ১০.০০ |
| ৯ | কুমাৰ ভাস্কৰ বৰ্মন বিশ্ববিদ্যালয় | ১৫.০০ | ১০.০০ |
| ১০ | কটন বিশ্ববিদ্যালয় | ২০.০০ | ০৫.০০ |
| ১১ | তেজপুৰ চিকিৎসা মহাবিদ্যালয় | ২০.০০ | ১০.০০ |

| ক্ৰমিক নং | নাম | মুঠ আবণ্টন (কোটি টকাত) | চলিত বৰ্ষৰ আবণ্টন |
|---|---|---|---|
| ১২ | যোৰহাট চিকিৎসা মহাবিদ্যালয় | ২০.০০ | ১০.০০ |
| ১৩ | বৰপেটা চিকিৎসা মহাবিদ্যালয় | ২০.০০ | ১০.০০ |
| ১৪ | অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট | ২০.০০ | ১০.০০ |
| ১৫ | উদ্যান শস্য মহাবিদ্যালয়, ধৰ্মপুৰ | ১৫.০০ | ০৫.০০ |
| ১৬ | আই আই আই টি, গুৱাহাটী | ১৫.০০ | ১৪.৮০ |
| ১৭ | পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়, খানাপাৰা | ১০.০০ | ০৫.০০ |
| ১৮ | কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয় | ১০.০০ | ০৫.০০ |
| ১৯ | পশু চিকিৎসা মহাবিদ্যালয়, উঃ লখিমপুৰ | ১০.০০ | ১০.০০ |
| ২০ | কৃষি মহাবিদ্যালয়, বিশ্বনাথ | ১০.০০ | ১০.০০ |
| ২১ | চৰকাৰী আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয় | ১০.০০ | ০৩.০০ |
| ২২ | বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, যোৰহাট | ১০.০০ | ০৫.০০ |
| ২৩ | বি ব্ৰহ্ম অভিযান্ত্ৰিক মহাবিদ্যালয় | ১০.০০ | ০৫.০০ |
| ২৪ | বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়, অসম | ০৭.০০ | ০৩.৫০ |
| ২৫ | কৃষি মহাবিদ্যালয়, ধুবুৰী | ০৫.০০ | ০৫.০০ |
| ২৬ | মীন মহাবিদ্যালয়, ৰহা | ০৫.০০ | ০৫.০০ |
| ২৭ | হোমিঅ'পেথি মহাবিদ্যালয়, যোৰহাট | ০২.০০ | ০১.০০ |
| ২৮ | হোমিঅ'পেথি মহাবিদ্যালয়, নগাঁও | ০২.০০ | ০১.০০ |
| ২৯ | হোমিঅ'পেথি মহাবিদ্যালয়, গুৱাহাটী | ০২.০০ | ০১.০০ |
| ৩০ | লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা ৰাজ্যিক সংগীত মহাবিদ্যালয়, পাঞ্জাবাৰী | ০২.০০ | ০১.০০ |
| ৩১ | চৰকাৰী চাৰু কলা মহাবিদ্যালয়, বশিষ্ঠ | ০২.০০ | ০১.০০ |

সন্মানীয় সদস্যসকলক মই ইয়াৰ দ্বাৰা আশ্বস্ত কৰিব খোজোঁ যে তালিকাত যদিহে কোনো সমপৰ্যায়ৰ ৰাজ্যিক শৈক্ষিক অনুষ্ঠানৰ নাম বাদ পৰিছে তেনেহ'লে সময়ত সেইবিলাকৰ নামো অন্তৰ্ভুক্ত কৰা হ'ব।

উল্লেখিত বৃত্তিমুখী মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ উপৰি আমাৰ চৰকাৰে উত্তৰ প্ৰজন্মৰ শৈক্ষিক ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি এনে শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধিৰ কথা সক্ৰিয়তাৰে বিবেচনা কৰি আছে।

সংখ্যালঘু বসতিপ্ৰধান অঞ্চলত নাৰী শিক্ষাৰ প্ৰসাৰৰ প্ৰয়োজনীয়তা আছে। সংখ্যালঘু বসতিপ্ৰধান অঞ্চলত আঠখন নতুন মহিলা মহাবিদ্যালয় স্থাপন কৰিবলৈ মই প্ৰস্তাৱ দিছোঁ। তদুপৰি তিনিখন চৰকাৰী স্নাতক মহাবিদ্যালয়, তিনিখন পলিটেকনিক, ২০ খন শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়, ৩৩ টা দক্ষতা বিকাশ কেন্দ্ৰ, সৰভোগত এখন দুগ্ধ প্ৰযুক্তি মহাবিদ্যালয়, কোকিলাবাৰীত এখন কৃষি বনানীকৰণ আৰু জৈৱ বৈচিত্ৰ্য মহাবিদ্যালয় স্থাপন কৰা হ'ব। তদুপৰি অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰা নিলগ কৰি পশু পালন আৰু জীৱ বিজ্ঞানৰ এখন নতুন বিশ্ববিদ্যালয়, মাজুলীত নতুনকৈ এখন সাংস্কৃতিক বিশ্ববিদ্যালয় আৰু হোজাই, উত্তৰ লখিমপুৰ আৰু বৰপেটা জিলাত তিনিখন বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব।

সদনৰ সন্মানীয় সদস্যসকলে নিশ্চয় মন কৰিছে যে প্ৰস্তাৱিত কেইবাখনো শিক্ষানুষ্ঠানৰ সঠিক স্থান উল্লেখ কৰাৰ পৰা মই বিৰত আছোঁ। স্থান নিৰ্ধাৰণ সমিতিয়ে সকলো দিশ পৰীক্ষা কৰি এই শিক্ষানুষ্ঠানসমূহৰ স্থান চূড়ান্ত কৰিব। তৎসত্বেও ঘোষণা কৰিবলৈ পাই মই আনন্দিত যে ২০ খন শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ মাজৰ তিনিখন ক্ৰমে কাৰ্বি আংলং, ডিমা হাছাও আৰু বি টি এ ডিত স্থাপন কৰা হ'ব।

**৬৭.৮। নগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজি**

(City Infra Development Fund-CIDF)

বৃহৎ চহৰ সম্পৰ্কে কোৱা হয় 'চহৰ হৈছে মানৱতাৰ পৰীক্ষাগাৰ, য'ত মানুহে সপোন দেখে, উদ্ভাৱন কৰে, নিৰ্মাণ কৰে আৰু পুনৰ নিৰ্মাণ কৰে।' মানুহৰ এই সপোনক সুৰক্ষা দিবলৈ আমি **'নগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজি'** শীৰ্ষক বৃহৎ ৰাজহুৱা আন্তঃগাঁথনি নিৰ্মাণৰ এখন ১২০০ কোটি টকীয়া আঁচনি গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছোঁ। এক লাখ জনসংখ্যাৰ অধিক বসতি থকা ৬ খন চহৰ — শিলচৰ, তিনিচুকীয়া, যোৰহাট, ডিব্ৰুগড়, নগাঁও আৰু তেজপুৰক এই আঁচনিয়ে সামৰি ল'ব। প্ৰতিখন চহৰৰ বাবে ২০০ কোটি টকাকৈ নিৰ্দ্ধাৰণ কৰা হৈছে।

দীৰ্ঘ সময় জুৰি এক সমালোচনা হৈ আহিছে যে ইখনৰ পিছত সিখনকৈ চৰকাৰে কেৱল গুৱাহাটীকেন্দ্ৰিক মানসিকতা গ্ৰহণ কৰি আহিছে। এই সম্পৰ্কে আমাৰ চৰকাৰৰ নীতি হৈছে ৰাজ্যৰ ৰাজধানী হিচাপে আৰু উত্তৰ-পূব দুৱাৰমুখ হিচাপে গুৱাহাটীয়ে গুৰুত্ব লাভ কৰি থাকিব কিন্তু আঞ্চলিক বৈষম্য দূৰ কৰিবলৈ অন্যান্য গুৰুত্বপূৰ্ণ মহানগৰ সমূহৰ চহৰীয়া আন্তঃগাঁথনি উন্নয়নতো গুৰুত্ব দিব লাগিব।

কেন্দ্ৰীয় চৰকাৰৰ AMRUT, PMAY আদি অভিযানৰ জৰিয়তে পুঁজি লাভ কৰা যায় যদিও চহৰীয়া অঞ্চলত বিশেষকৈ অধিক জনবসতিৰ চহৰত অধিক পুঁজি বিনিয়োগৰ প্ৰয়োজনীয়তা আছে। এই বিনিয়োগ অহা পাঁচ বছৰৰ ভিতৰত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা হোৱা প্ৰয়োজন।

এই বাজেটত এই দিশত মই ১২০ কোটি টকা আবন্টনৰ প্ৰস্তাৱ কৰিছোঁ। এই নগৰসমূহ অথবা সংশ্লিষ্ট জিলাসমূহৰ সৈতে জড়িত সদনৰ সদস্যসকলক মই অনুৰোধ জনাও যাতে নৈৰ পাৰ, ৰাজহুৱা উদ্যান, চহৰৰ প্ৰধান পথ, বিবাহ ভৱন, জিলা পুথি ভঁৰাল, ষ্টেডিয়াম আদিৰ পৰিকল্পনাৰে তেখেতসকলে আঁচনিখনৰ সফল ৰূপায়ণত গুৰুত্ব দিয়ে। উদাহৰণ স্বৰূপে ডিব্ৰুগড়ত নৈৰ পাৰ উন্নয়নৰ বিষয়টোৰে যথোচিত গুৰুত্ব পোৱা উচিত।

**৬৭.৯। CMSGUY - প্ৰৱেশ বিন্দু কাৰ্যক্ৰম**

কৃষকৰ উপাৰ্জন দুগুনে বৃদ্ধি কৰিবৰ বাবে মোৰ যোৱা বাজেটত অনাগত পাঁচ বছৰত ৩০ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা নামেৰে এখন বহুমুখী মিছন কাৰ্যসূচী ঘোষণা কৰিছোঁ।

মই আনন্দিত যে বহুমুখী মিছন পৰিষদলৈ ইতিমধ্যে ৫০০ কোটি টকা হস্তান্তৰ কৰা হৈছে আৰু ১০০০ কোটি টকা ২০১৬-১৭ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰী হিচাপে আগবঢ়োৱা হৈছে। বহুমুখী মিছনৰ অধীনৰ অন্যান্য মিছন সমূহৰো পঞ্জীয়নৰ কাম কৰা হৈছে।

মহোদয় আপুনি জানিবলৈ পাই ভাল পাব যে মাননীয় মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত এই মিছনৰ পৰিচালনা সমিতিয়ে ৰূপায়ণৰ দিশত তিনিটা প্ৰৱেশ বিন্দু কাৰ্যক্ৰম চিনাক্ত কৰি উলিয়াইছে। সেইকেইটা হৈছে —

(ক) প্ৰতিখন ৰাজহ গাঁৱত কৃষি যান্ত্ৰিকীকৰণৰ বাবে নতুন ট্ৰেক্টৰৰ যোগান

(খ) প্ৰতিখন ৰাজহ গাঁৱত MGNREGA ৰ সৈতে যুক্ত হৈ ফুটবল খেলপথাৰৰ বিকাশ

(গ) প্ৰতিখন পঞ্চায়তত জ্ঞান কেন্দ্ৰ প্ৰতিষ্ঠা

**৬৭.১০। মুগা মিছন**

এচাম পণ্ডিতৰ মতে কৌটিল্য (খ্ৰীঃ পূঃ ৩৫০ ৰ পৰা ২৭৫)ই প্ৰাচীন অসমত এবিধ বিশেষ প্ৰজাতিৰ পতংগৰ লেটাৰ পৰা 'দুকুল' (Dukula) নামৰ এবিধ ৰেচম (পাট) সূতা প্ৰস্তুত কৰা হয় বুলি উল্লেখ কৰিছিল। দুকুলৰ তিনিটা প্ৰজাতিৰ ভিতৰত এটা সোণালী ৰঙৰ আছিল আৰু ই 'সুবৰ্ণকুদ্য' (বৰ্তমানৰ অসম)ত জনপ্ৰিয় আছিল বুলিও উল্লেখ কৰা হৈছিল। ব্ৰিটিছসকলৰ দলিল অনুসৰি, আহোম যুগ মুগা উৎপাদনৰ সোণালী যুগ আছিল আৰু সূতা কটা আৰু তাঁত বোৱাত পাকৈত মহিলাসকলেহে সমাজৰ স্বীকৃতি লাভ কৰিব পাৰিছিল। আনহাতে, বয়নৰ জ্ঞান নথকা ছোৱালীক সমাজে 'থুপুৰী' বুলি উপহাস কৰিছিল যাৰ অৰ্থ হৈছে বিয়াৰ পাত্ৰী অনুপযুক্ত ছোৱালী।

অসমৰ ৰেচম শিল্প ১৬.৪৩ লাখ বোৱনী আৰু ২.৭৫ লাখ উৎপাদকৰ দ্বাৰা সমৃদ্ধ আৰু আমি সকলোৱে জানো যে ইয়াৰ ৯৯ শতাংশ হৈছে মহিলা। মই ২০২৬ চনৰ ভিতৰত মুগাৰ উৎপাদন বৰ্তমানৰ তুলনাত ১০ গুণলৈ বৃদ্ধি কৰাৰ এক অভিলাষী আঁচনি প্ৰস্তাৱ কৰিছোঁ। আৰু এই ক্ষেত্ৰত অসমক বিশ্বৰ বজাৰত নেতৃত্ব বহন কৰিব পৰাকৈ সমৰ্থৱান কৰি তোলাটো আমাৰ চৰকাৰৰ এক ডাঙৰ সপোন।

এনে লক্ষ্যত উপনীত হ'বলৈ বিস্তৃত আৰু অখণ্ড এনে এক মিছন আকাৰৰ আঁচনিৰ প্ৰয়োজন যি আঁচনিয়ে সুমনি, সুৱালু, দীঘলতিৰ ব্যাপক বৃক্ষ ৰোপণৰ পৰা বাণিজ্যিক সম্প্ৰসাৰণলৈকে মুগা শিল্পৰ সৈতে জড়িত সকলো স্তৰৰ ব্যক্তিকে সামৰি ল'ব। লগতে ই-মাৰ্কেটিঙৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় বজাৰত খোপনি পুতিবলৈ সক্ষম হ'ব লাগিব। হস্ততাঁত আৰু ৰেচম উদ্যোগ বিভাগত **আসাম চিল্ক আউটৰিচ্ছ মিছন** নামেৰে আমাৰ এখন পঞ্জীয়নকৃত ছ'চাইটি আছে আৰু এই ছ'চাইটিৰ কান্ধতেই ২০২৬ চনৰ ভিতৰত আঁচনিখনৰ জৰিয়তে এক নিযুত কিলোগ্ৰাম মুগা উৎপাদনৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত গধুৰ দায়িত্ব থাকিব।

মই, ২০১৭-১৮ বৰ্ষৰ ভিতৰত ৫০০ হেক্টৰ চৰকাৰী ভূমি, ২০০০ হেক্টৰ উচ্ছন্ন বনাঞ্চল (degraded forest) আৰু ৮০০০ হেক্টৰ ব্যক্তিগত ভূমিত মুগাৰ পোষণ স্থল স্থাপন আৰু পোষক বৃক্ষৰোপণৰ বাবে প্ৰস্তাৱ কৰিছোঁ। ইয়াৰ লগতে পৰম্পৰাগতভাৱে মুগা শিল্পৰ সৈতে জড়িত পৰিয়াল, বোৱনি আৰু স্থানীয় উদ্যোগ গোটবোৰৰ সৈতেও আমি কাম কৰিব লাগিব। লগতে এইক্ষেত্ৰত আগ্ৰহী আৰু এন আই এফ টিৰ পৰা স্নাতক যুৱ চামকো ইয়াৰ বাণিজ্যিক ব্যৱস্থাৰ সহযোগী কৰি লোৱা হ'ব। চিন্তাশীল স্থানীয় উদ্যোগ গোট আৰু আত্মসহায়ক গোটবোৰৰো উত্তৰণ ঘটোৱা হ'ব।

এই উদ্দেশ্যে মই ১০০ কোটি টকাৰ আবন্টন দিবলৈ প্ৰস্তাৱ কৰিছোঁ।

**৬৭.১১। শূন্য সুদত শস্য-ঋণ**

আমাৰ চৰকাৰৰ বিভিন্ন আঁচনিৰ বীজমন্ত্ৰ হৈছে বিত্তীয় অন্তৰ্ভুক্তিকৰণ। অসমৰ নিম্ন ঋণ-জমা অনুপাত (CDR)এ গ্ৰামাঞ্চলৰ বিশেষকৈ কৃষিকসকলৰ মাজত ঋণ বৃদ্ধি কৰাৰ সম্ভাৱনাৰ দুৱাৰ মুকলি ৰাখিছে।

আমাৰ চৰকাৰে ঋণৰ স্ৰোত বৃদ্ধি কৰিবলৈ উদ্ভাৱনীমূলক পন্থা আহৰণৰ বাবে বিচাৰ-বিবেচনা চলাই আছে। কৃষকসকলক ঋণ গ্ৰহণৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্যে আমি ১০০ শতাংশ সুদ ৰেহাইৰ ব্যৱস্থাৰে ১ লাখ টকা পৰ্যন্ত **শূন্য সুদত শস্য-ঋণ** প্ৰদানৰ আঁচনি প্ৰস্তাৱ দিছোঁ।

সম্ভৱতঃ দেশৰ ভিতৰত আমাৰ ৰাজ্যখনেই হ'ব এনে কৃষি ঋণৰ ব্যৱস্থা কৰা প্ৰথমখন ৰাজ্য। মই দৃঢ়ভাৱে বিশ্বাস কৰোঁ যে এই ব্যৱস্থাৰ দ্বাৰা অনুপ্ৰাণিত হৈ আমাৰ কৃষিকসকলে কৃষিৰ বাবে ঋণ ল'বলৈ পূৰ্ণোদ্যমে আগবাঢ়ি আহিব। এই উদ্দেশ্যে মই এই বাজেটত ২৫ কোটি টকা আছুতীয়াকৈ ৰাখিছোঁ।

**৬৭.১২। কিষাণ ঋণপত্ৰ (KCC-Kishan Credit Cards) ব্যৱহাৰকাৰী কৃষকলৈ বিত্তীয় সাহায্য**

বেংকৰ তথ্য অনুসৰি অসমত প্ৰায় ৯.৬০ লক্ষ কিষাণ ঋণপত্ৰ দিয়া হৈছে। কিন্তু বৰ্তমানে সক্ৰিয় কাৰ্ডৰ সংখ্যা ১.৩৪ লক্ষমানহে হ'ব। অৰ্থাৎ প্ৰায় ৮০ শতাংশ কাৰ্ডেই বৰ্তমান নিষ্ক্ৰিয়। ইয়াৰ অৰ্থ এয়াই যে অসমত কিষাণ ঋণপত্ৰৰ ব্যৱহাৰ অৰ্পিত কাৰ্ডৰ সংখ্যানুপাতিক নহয়।

সকলো কে চি চি কৃষিক্ষেত্ৰৰ লগত সংপৃক্তভাৱে সংলগ্ন গতিকে নিষ্ক্ৰিয় কাৰ্ডসমূহ পুনৰুজ্জীৱিত কৰাৰ প্ৰয়োজন আছে। মই এক সৃষ্টিশীল সমাধানৰ কথা চিন্তা কৰি আছো যাতে অদূৰ ভৱিষ্যতে কে চি চি ধাৰকসকলে বেংকৰ ঋণ ব্যৱস্থাটো নতুনকৈ উজ্জীৱিত কৰি তুলিব পাৰে।

নিষ্ক্ৰিয় কাৰ্ডসমূহ সক্ৰিয় কৰি তোলাৰ উদ্দেশ্যে আমাৰ চৰকাৰে কে চি চি নবীকৰণ কৰিবলৈ আগবাঢ়ি অহা ধাৰকসকলক ৩০০০ টকাৰ এককালীন সাহায্য প্ৰদান কৰিছে। অচিৰেই এই সম্পৰ্কে এক বিস্তৃত নিৰ্দেশনা জাৰি কৰা হ'ব। মই ইয়াৰ বাবে ২০১৭-১৮ বৰ্ষৰ এই বাজেটত ৬৫ কোটি টকা আবন্টনৰ প্ৰস্তাৱ কৰিছোঁ।

**৬৭.১৩। এহেজাৰখন কাঠৰ দলঙক পকী দলঙলৈ উন্নীতকৰণ আৰু ৰে'লৰে অভাৰব্ৰীজ নিৰ্মাণ**

মহোদয় এই কথা আপোনাৰ জ্ঞাত যে অসম গ্ৰামাঞ্চলৰ ক্ষেত্ৰত সংযোগ ব্যৱস্থা এক বৃহৎ প্ৰত্যাহ্বান স্বৰূপ। গ্ৰাম্য অসমত বহুবোৰ কাঠৰ দলং অতিক্ৰম কৰা লোক অনৱৰতে জীৱনৰ প্ৰতি ভাবুকিৰে আচ্ছন্ন হৈ থাকে। আমাৰ চৰকাৰে এনে ১০০০ খন বিপজ্জনক কাঠৰ দলং পকী দলঙলৈ উন্নীত কৰিবলৈ বিচাৰিছে আৰু চলিত বাজেটত মই ইয়াৰ বাবে ১০০ কোটি টকা আবন্টনৰ প্ৰস্তাৱ কৰিছোঁ।

সংযোগ ব্যৱস্থাৰ উন্নতি সাধনৰ বাবে আমাক অধিক ৰে'ল লাইনৰ প্ৰয়োজন আৰু প্ৰয়োজন ব্যস্ত পথসমূহৰ ক্ষেত্ৰত ৰে'লৰ আলিৰ ওপৰেৰে পথ পৰিবহণ সূচল কৰি ৰখাৰ।

মহোদয় আপুনি জানে যে ভাৰতৰ স্বৰাজ লাভৰ পাছত পোন প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী পৰিষদত অসমৰ সন্মানীয় সাংসদ শ্ৰীৰাজেন গোহাঁই ডাঙৰীয়াই ৰেল ৰাজ্য মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। এই কথাই মান্যবৰ প্ৰধানমন্ত্ৰীগৰাকীৰ অসমৰ প্ৰতি থকা মৰম আৰু দায়িত্ববোধ প্ৰতিপন্ন কৰে।

শ্ৰীৰাজেন গোহাঁই ডাঙৰীয়াৰ সক্ৰিয় সহযোগিতা আৰু সহায়ৰ মাজেৰে আৰু ৰে'ল বিভাগৰ মাজত পৰামৰ্শৰ যোগেদি আমি ৰে'লৰে অভাৰব্ৰীজ স্থাপন কৰিব লগা ৪৮ টা অতি ব্যস্ত এলেকা চিহ্নিত কৰিছোঁ আৰু এই অভাৰব্ৰীজসমূহ ৰাজ্যৰ ৫০ শতাংশ অংশৰ দ্বাৰা নিৰ্মাণ কৰিব পৰা যাব।

নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত সম্পূৰ্ণ কৰিবলগীয়া অভাৰব্ৰীজৰ নিৰ্মাণ কাৰ্য বৰ্তমানৰ ২০১৭-১৮ বৰ্ষত নিম্নোক্ত ১০ টা স্থানত আৰম্ভ কৰা হ'ব —

১। বৰপেটাৰোড - সৰভোগ
২। কৈঠাকুছি - নলবাৰী
৩। নিউ গুৱাহাটী - পানীখাইটী
৪। জাগীৰোৰ্ড য়াৰ্ড
৫। ঢলপুখুৰী - লংকা
৬। লামডিং য়াৰ্ড
৭। তিনিচুকীয়া য়াৰ্ড
৮। ভালুকমাৰা -যোৰহাট টাউন
৯। নাহৰকটীয়া - দুলীয়াজান
১০। বাসুগাঁও - ডাংতল

ইয়াৰ বাবে মই এই বাজেটত ৫০ কোটি টকা আবন্টৰ প্ৰস্তাৱ দিছোঁ। যাতে ৰে'ল বিভাগ অথবা ৰে'লৰে গড়কাপ্টানি বিভাগে ৰাজ্যৰ সৈতে পাৰস্পৰিক সহযোগিতাৰে কাম আৰম্ভ কৰিব পাৰে।

**৬৭.১৪। চাহ বাগিচা কৰ্মীৰ বিত্তীয় অন্তৰ্ভুক্তিকৰণ**

স্বৰাজ লাভৰ ৭০ টা বছৰ অতিক্ৰম কৰাৰ পাছতো অসমৰ চাহ বাগিচাৰ বুজনসংখ্যক কৰ্মী এতিয়াও বেংক ব্যৱস্থাৰ মূল সুতিৰ সৈতে সাঙোৰ খাব পৰা নাই আৰু তেওঁলোকে এতিয়াও **সাপ্তাহিক জীৱন-চক্ৰ**ৰ ছাকনৈয়াত আৱদ্ধ প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ বিমুদ্ৰাকৰণৰ ঐতিহাসিক সিদ্ধান্তই সেই 'সাপ্তাহিক জীৱন চক্ৰ'ৰ অৱসান ঘটোৱা আৰু চাহ বাগানৰ পদূলি মুখলৈ বেংক ব্যৱস্থাক লৈ যোৱাৰ এটা সুবৰ্ণ সুযোগ প্ৰদান কৰিছে।

যোৱা কেইমাহমানৰ ভিতৰত আমি চাহ বাগানৰ কৰ্মীসকলৰ পৰা ৬.৫০ লাখ বেংক একাউণ্ট খুলিছোঁ আৰু ই তেওঁলোকৰ বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ আমাৰ উদ্দেশ্য সবল কৰি তুলিছে।

ভৱিষ্যতে বাগিচাৰ কৰ্মীসকলৰ বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ উন্নতিকল্পে আমি প্ৰত্যেক চাহ কৰ্মীৰ বেংক একাউণ্টত ৫০০০ কৈ টকা জমা দিয়াৰ প্ৰস্তাৱ কৰিছোঁ।

বেংক একাউণ্ট খোলা কর্মীসকলৰ একাউণ্টত প্ৰাৰম্ভিকভাৱে ২৫০০ কৈ টকা জমা দিয়া হ'ব। আৰু যদিহে কোনোৱে একেৰাহে ছমাহ বেংক একাউণ্টৰ জৰিয়তে মজুৰি গ্ৰহণ কৰে, তেওঁৰ একাউণ্টত পুনৰ ২৫০০ টকা জমা হ'ব।

মই এই উদ্দেশ্যে ২০১৭-১৮ বৰ্ষৰ এই বাজেটত ২৮৭ কোটি টকাৰ ব্যৱস্থা কৰিছোঁ।

**৬৭.১৫। সকলোৰে বাবে আৱাসগৃহ (নগৰ)**

ৰাষ্ট্ৰীয় ধ্বজাবাহী আঁচনি, 'প্ৰধান মন্ত্ৰী আৱাস যোজনা— সকলোৰে বাবে আৱাসগৃহ'ৰ অধীনত নগৰ অঞ্চলসমূহত ব্যাপকভাৱে গৃহ নিৰ্মাণ কৰাৰ বাবে আমি পদক্ষেপ হাতত লৈছো। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনামৰ্মে গুৱাহাটী, নগাঁও, শিলচৰ, ডিব্ৰুগড়, তিনিচুকীয়া, যোৰহাট, কোকৰাঝাৰ আৰু ধুবুৰী এই ৮ খন নগৰক সামৰি লোৱা হ'ব।

দৰিদ্ৰ আৰু গৃহহীন লোকসকলক সহায় কৰাৰ উদ্দেশ্যে আমাৰ চৰকাৰে কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ন মন্ত্ৰণালয়ে ইতিমধ্যে আগবঢ়োৱা সা-সুবিধাৰ উপৰিও প্ৰতিগৰাকী হিতাধিকাৰীক ৫০,০০০ হাজাৰ টকাকৈ ৰাজসাহায্য দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই উদ্দেশ্যে এইবাৰৰ বাজেটত ১০০ কোটি টকাৰ আবণ্টন দিছো।

**৬৭.১৬। চাহ বাগিচাৰ গৰ্ভৱতী কৰ্মী আৰু অস্থায়ী কৰ্মীৰ বাবে মজুৰি সম্পূৰ্তি**

আমি চাহ বাগিচাৰ গৰ্ভৱতী মহিলাসকলৰ বাবে অতিশয় চিন্তান্বিত যি নিজৰ লগতে গৰ্ভস্থ সন্তানৰ জীৱনৰ প্ৰতিও ভাবুকিৰ সৃষ্টি কৰি প্ৰসৱৰ আগমুহূৰ্তলৈকে কাম কৰি যাবলৈ বাধ্য।

আমি তেওঁলোকৰ স্বাস্থ্য পৰিপুষ্টিৰ বাবে প্ৰতিগৰাকী গৰ্ভৱতী চাহ কৰ্মীক ১২,০০০ কৈ টকা এককালীন সাহায্য দিয়াৰ প্ৰস্তাৱ কৰিছোঁ। যাতে তেওঁ নিজৰ আৰু জন্ম পাবলগীয়া সন্তানটিৰ যতন ভালদৰে ল'ব পাৰে।

আমি আশা কৰিছোঁ যে এই ব্যৱস্থাৰ জৰিয়তে বাগিচাত প্ৰসূতিৰ মৃত্যুৰ হাৰ (MMR) আৰু নৱজাতকৰ মৃত্যুৰ হাৰ (IMR) যথেষ্ট হ্ৰাস পাব।

### ৬৭.১৭। দীনদয়াল দিব্যাংগ সাহায্য আঁচনি

মাননীয় অধ্যক্ষ মহোদয়, আমি অতি সচেতনতাৰে জনসাধাৰণৰ কল্যাণৰ বাবে সজাগ। যিটো সম্পূৰ্ণভাৱে মানৱীয় আৰু আমাৰ জ্যেষ্ঠ তথা সমাজৰ নেতৃত্ব বহনকাৰী ব্যক্তিসকলে প্ৰচাৰ কৰা উপদেশক সাৰোগত কৰি আমি তেওঁলোকৰ লগত এনেধৰণৰ সম্পৰ্ক গঢ়িব বিচাৰো।  মানৱতাবাদৰ কথা যেতিয়া মনলৈ আহে, তেতিয়া মোৰ মনলৈ সতকাই অহা এনে এটি নাম হ'ল পণ্ডিত দীনদয়াল উপাধ্যায়। মই পণ্ডিত দীনদয়াল উপাধ্যায়জীৰ অনন্য 'সম্পূৰ্ণ মানৱতাবাদ'ৰ জীৱনৰ বাণী স্মৰণ কৰো। তেওঁ প্ৰত্যেকজন মানুহৰ অৰ্থনৈতিক প্ৰগতিত যি গুৰুত্ব প্ৰদান কৰিছিল সেয়া আছিল তেওঁৰ সৰ্বোত্তম দৰ্শন। এইগৰাকী মহান ব্যক্তিৰ চিন্তাৰ গভীৰতাৰ আধাৰত দুখীয়াসকলৰ কল্যাণৰ প্ৰতি সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিবলৈ আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

সমাজ কল্যাণ বিভাগটোক নতুন ৰূপ দিয়াৰ আমাৰ অভিযানৰ অংগ হিচাপে আমি মানৱীয়তাপূৰ্ণ কেতবোৰ আঁচনি প্ৰৱৰ্তন কৰিব বিচাৰিছো। শাৰীৰিকভাৱে প্ৰত্যাহ্বানৰ মুখামুখি হোৱা লোকসকলক দিব্যাংগ শব্দৰে বিভূষিত কৰি মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ে সমাজৰ এই অৱহেলিত শ্ৰেণীটোক বিশেষ মৰ্যদা প্ৰদান কৰিছে। ওপৰোক্ত পটভূমিত আমাৰ চৰকাৰে ৰাজ্যখনৰ ৪,৫০,০০০ দিব্যাংগৰ সু-চিকিৎসাৰ বাবে প্ৰতিগৰাকী দিব্যাংগলৈ ৫,০০০ হাজাৰকৈ টকা আগবঢ়োৱাৰ প্ৰস্তাৱ লৈছে। আমি এই ধ্বজাবাহী কল্যাণমূলক কাৰ্যসূচীক 'দীনদয়াল দিব্যাংগ সাহায্য আঁচনি' নামেৰে নামাংকৃত কৰি এই আঁচনিখন পণ্ডিত দীন দয়াল উপাধ্যায়লৈ উৎসৰ্গিত কৰিবলৈ বিচাৰিছো।

সেইমতে চলিত বাজেটত মই ২৫০ কোটি টকাৰ আৱণ্টন দিছো। যদিহে এই আঁচনিখনৰ বাবে অতিৰিক্ত ধনৰ প্ৰয়োজন হয়, সেই ধন যথাসময়ত আগবঢ়োৱা হ'ব।

### ৬৭.১৮। 'প্ৰবাসী অসমীয়া বিভাগ' গঠন

মহোদয় আপুনি জানে যে অসমৰ বহুতো লোক প্ৰবাসত আছে আৰু দ্বিতীয় আৰু তৃতীয় প্ৰজন্ম পৰ্যন্ত তেওঁলোকে সংশ্লিষ্ট দেশবোৰত বসবাস কৰি আহিছে। তেখেতসকল নিজৰ নিজৰ মূল শিপাডালৰ সৈতে সংলগ্ন হ'বলৈ অতিশয় আগ্ৰহী।

আমি বহু শুভাকাংক্ষীৰ পৰা এনে কথা শুনিছোঁ যে চৰকাৰ আৰু অন্যান্য হিতধাৰকৰ লগত ভাৱ বিনিময় কৰিব পৰাকৈ অসমত যথোপযুক্ত মঞ্চ নাই। লগতে, বিদেশত বসবাস কৰা কোনো কোনো অসমীয়াই অসমৰ বেহা-বেপাৰ আৰু জীৱনৰ অন্যান্য দিশতো নিজৰ অৱদান আগবঢ়াব খোজে। সেইবাবে আমাৰ চৰকাৰে **প্ৰবাসী অসমীয়া বিভাগ** নামেৰে এটা নতুন বিভাগ মুকলি কৰিবলৈ প্ৰস্তাৱ কৰিছে।

**গৃহ আৰু ৰাজনৈতিক বিভাগ ঃ অসমৰ অতন্ত্ৰ প্ৰহৰী**

৬৮। বিগত বৰ্ষৰ বাজেট ভাষণত মই উল্লেখ কৰিছো যে আৰক্ষী হৈছে চৰকাৰ এখনৰ ‘পৰিৱৰ্তন’ৰ পৰিচায়ক। এইক্ষেত্ৰত আৰক্ষী আৰু জনসাধাৰণৰ মাজত থকা সম্পৰ্কত এক ইতিবাচক পৰিৱৰ্তন অনাৰ বাবে গৃহ আৰু ৰাজনৈতিক বিভাগে এলানি পদক্ষেপ হাতত লৈছে। এটা সংবেদনশীল আৰু সঁহাৰিপূৰ্ণ আৰক্ষী বাহিনী গঠন কৰিবলৈ মই বিগত বাজেটত মিছন ‘মৈত্ৰী’ নামৰ এক থানা ভিত্তিক সংস্কাৰকামী কাৰ্যসূচী গ্ৰহণৰ কথা ঘোষণা কৰিছো। ‘মৈত্ৰী’ আঁচনিৰ অধীনত এই বিত্তীয় বৰ্ষত ৬২ খন থানা লোৱা হ’ব। এই বাজেটত মই ইয়াৰ বাবে ১২৫ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ হাতত লৈছো।

৬৯। বিগত বৰ্ষৰ বাজেটত ৪০০০ গৰাকীতকৈ অধিক আৰক্ষী লোক আৰু ৩৪৬ গৰাকী উপ-পৰিদৰ্শককে ধৰি ৩৯৮০ গৰাকী আৰক্ষীৰ লোক মকৰলৰ বিষয়ে মই ঘোষণা কৰিছিলো। এই মকৰলৰ প্ৰক্ৰিয়া চলি আছে। আন ৫০১৩ গৰাকী লোকক নিয়োগৰ প্ৰস্তাৱ কৰা হৈছে। এই পদসমূহে নতুন খালী পদৰ বিপৰীতে ১৭ গৰাকী উপ-পৰিদৰ্শক, ১৫৪ গৰাকী অ-সশস্ত্ৰ কনিষ্টবল আৰু ৩৪৫৫ গৰাকী সশস্ত্ৰ কনিষ্টবলক সামৰি ল’ব। এইদৰে নিয়োগ কৰিব লগা মুঠ পদৰ সংখ্যা ৮৯৯৩ টা। তদুপৰি, আইন শৃংখলা ৰক্ষাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ওপৰত থকা নিৰ্ভৰযোগ্যতা হ্ৰাস কৰাৰ অৰ্থে ২টা নতুন ভাৰতীয় সংৰক্ষিত (IR) বেটেলিয়ন গঠনৰ প্ৰস্তাৱ লোৱা হৈছে। দেৰগাঁওস্থিত আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয়খনক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ অসম আৰক্ষী একাডেমী হিচাপে উন্নীত কৰা হ’ব।

৭০। আমাৰ আৰক্ষী বাহিনীক গতিশীল, দায়িত্বশীল আৰু শেহতীয়া প্ৰযুক্তিত দক্ষ কৰি তুলিবলৈ ২০১৭-১৮ বৰ্ষত কামৰূপ (মহানগৰ) আৰু আন ১০ খন জিলাত ই-চালান ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

৭১। যোৱা বছৰ অসমৰ ৯৯ খন চহৰত ট্ৰেফিক চিগনেল ব্যৱস্থা স্থাপনৰ বাবে আমি এটা প্ৰকল্পৰ কথা ঘোষণা কৰিছিলো। এই প্ৰকল্প ৰূপায়ণৰ কাম যথেষ্ট আগবাঢ়িছে। চলিত বিত্তীয় বৰ্ষত এই আঁচনিৰ বাবে ৫ কোটি টকা প্ৰদান কৰা হ'ব।

৭২। ডিজিটেল ইণ্ডিয়া আৰু নগদবিহীন অৰ্থনীতিৰ সপোন বাস্তৱায়িত কৰাৰ দিশত অসম এখন আগৰণুৱা ৰাজ্য। আৰ্থিক লেনদেনসমূহ অধিকভাৱে ডিজিটেল ব্যৱস্থাৰে সম্পন্ন হ'বলৈ যোৱাৰ পৰিপ্ৰেক্ষিতত যিকোনো ধৰণৰ ডিজিটেল অপৰাধ ৰোধ কৰাৰ বাবে ইয়াৰ ডিজিটেল অনুসন্ধান আৰু ফ'ৰেনচিক সামৰ্থ্যক গঢ় দিয়া তথা উন্নীত কৰাৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত আমাৰ চৰকাৰ সচেতন। আৰক্ষী বাহিনীৰ লোকক কম ব্যৱহাৰত এক উচ্চমানৰ চোৰাংচোৱা নেটৱৰ্ক গঢ়ি তোলাৰ প্ৰয়োজনীয়তা আছে। যি আনকি অৰ্থনীতি আৰু কুটনীতিৰ মহীয়ান চানক্যইও কৈছিল - যি সমাজৰ আটাইতকৈ দক্ষ চোৰাংচোৱা নেটৱৰ্ক আছে, সেই সমাজকে আটাইতকৈ সুৰক্ষিত সমাজ হিচাপে বিবেচনা কৰা হয়। এই কথা মনত ৰাখি আমাৰ চৰকাৰে চাইবাৰ ডোম (Cyber Dome) প্ৰকল্প হাতত ল'বলৈ পুঁজি বিনিয়োগ কৰিছে, যি উচ্চ মানৰ প্ৰযুক্তি আৰু প্ৰশিক্ষণপ্ৰাপ্ত কৰ্মশক্তিৰ ব্যৱহাৰৰ জৰিয়তে ৰাজ্যখনৰ কাৰিকৰী জ্ঞান আহৰণৰ সামৰ্থ্য বৃদ্ধি কৰিব। এই প্ৰকল্পই চাইবাৰ সুৰক্ষা, চাইবাৰ অপৰাধ আৰু ছ'চিয়েল মিডিয়া তদাৰকী কোষকো সামৰি ল'ব। এই প্ৰকল্পৰ বাবে ২০১৭-১৮ বিত্তীয় বৰ্ষত ২ কোটি টকাৰ বাজেট ব্যৱস্থাৰ প্ৰস্তাৱ কৰা হৈছে।

৭৩। বিদ্ৰোহ দমন আৰু আইন শৃংখলা ৰক্ষাৰ অৰ্থে আমাৰ নিৰাপত্তা বাহিনীৰ লোক সকলে কৰা চৰম ত্যাগৰ কথা আমি কেতিয়াও পাহৰিব নোৱাৰো। মহান কবি সৰোজ ৰাণী ঝাই তেখেতৰ বিখ্যাত কবিতা 'সীপাহি কা আদৰ্শ'ত নিম্নোক্তধৰণে কৈছে—

জগ ভূলে পৰ মুঝে এক বছ,  
ছেৱা ধৰম নিভানা হ্যে।  
জিচকী হে য়হ দেহ উছী মে,  
ইছে মিলা মিট জানা হ্যে।

তেওঁলোকৰ সাহসিকতাৰ জীৱন গাঁথা, বীৰত্ব আৰু চৰম ত্যাগৰ পৱিত্ৰ স্মৃতি উজ্জীৱিত কৰি ৰাখিবলৈ আমাৰ চৰকাৰে গুৱাহাটীত এটি **আৰক্ষী স্মাৰক** নিৰ্মাণ কৰিব।

৭৪। ১৬,০০০ তকৈ অধিক আত্মসমৰ্পণকাৰী উগ্ৰপন্থী আৰু যুদ্ধবিৰতিত থকাসকলক উপযুক্ত পুনৰ সংস্থাপনৰ ব্যৱস্থাসহ মূলসুঁতিলৈ ঘূৰাই অনাৰ প্ৰতি আমাৰ চৰকাৰ সজাগ, যাতে এতিয়াও জংঘলত থকা তেওঁলোকৰ সতীৰ্থসকলে ইয়াৰ পৰা অনুপ্ৰেৰণা লাভ কৰে। এই উদ্দেশ্যৰে চৰকাৰে আনুসংগিক ব্যৱস্থাসহ ব্যৱসায়িক দক্ষতা বৃদ্ধিৰ বাবে পদক্ষেপ ল'ব যাতে তেওঁলোকে স-সন্মানে জীৱন-নিৰ্বাহ কৰিব পাৰে আৰু ৰাষ্ট্ৰ নিৰ্মাণ প্ৰক্ৰিয়াত তেওঁলোকৰ সামৰ্থ্যক ব্যৱহাৰ কৰিব পৰা যায়।

৭৫। উমৰাংচু এলেকাৰ ক্ষিপ্ৰ প্ৰগতিৰ ধাৰা বিবেচনা কৰি চৰকাৰে উমৰাংচুত আৰক্ষী মহকুমা স্থাপন কৰাৰ প্ৰস্তাৱো লৈছে।

৭৬। অপৰাধমূলক ন্যায় প্ৰক্ৰিয়া আৰু আভ্যন্তৰীণ নিৰাপত্তাত অপৰাধ বিজ্ঞান আন এটি গুৰুত্বপূৰ্ণ ক্ষেত্ৰ। অপৰাধমূলক বিজ্ঞান গৱেষণাগাৰৰ কাৰণে আন্তঃগাঁথনি আৰু যন্ত্ৰপাতিৰ আমূল সংস্কাৰ সাধনৰো প্ৰস্তাৱ লোৱা হৈছে। এই উদ্দেশ্যে বাজেটত ২ কোটি টকাৰ প্ৰস্তাৱ লোৱা হৈছে।

৭৭। চৰকাৰে, অধিসূচিত কৰা ৩৬ টা নতুন অগ্নি সেৱা আস্থান কাৰ্যক্ষম কৰি আৰু বিভাগীয়ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ (DRSC) দ্বাৰা অনুমোদিত ৬ টা নতুন আস্থানেৰে অগ্নি আৰু জৰুৰীকালীন সেৱাক শক্তিশালী কৰাৰ বাবেও প্ৰস্তাৱ লোৱা হৈছে। এই সংযোজনে বৰ্তমানে থকা ১২৪ টা অগ্নি আৰু জৰুৰীকালীন সেৱা আস্থানৰ সক্ষমতা যথেষ্ট পৰিমাণে বৃদ্ধি কৰিব আৰু বিপদৰ সময়ত জৰুৰীকালীন সেৱা প্ৰদান ক্ষীপ্ৰকৰণৰ লগতে অধিক ঠাইত সেৱা আগবঢ়াবলৈ সক্ষম হ'ব। গাঁও সুৰক্ষা বাহিনীৰ সুৰক্ষাকৰ্মীসকলৰ 'হাত খৰচ'ৰ পৰিমাণ বৰ্তমানৰ পৰিবেশৰ লগত ৰজিতা খুৱাই বৃদ্ধি কৰা হ'ল।

**নাগৰিকপঞ্জী উন্নয়ন**

৭৮। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণত চৰকাৰে সৰ্বাধিক গুৰুত্ব দিছে। বৰ্তমানে চলি থকা নথি-পত্ৰৰ পৰীক্ষণ আৰু বংশ বৃক্ষৰ কাম সঠিকভাৱে আগবাঢ়িছে। জ্যেষ্ঠ বিষয়াসকলক লৈ অলপতে চৰকাৰে এখন উপ-সমিতি

গঠন কৰিছে। এই উপ-সমিতিখনে জমা দিয়া নথি-পত্ৰবোৰৰ সঠিকভাৱে পৰীক্ষা কৰাৰ জৰিয়তে এখন শুদ্ধ খচৰা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰস্তুত কৰি এইক্ষেত্ৰত প্ৰয়োজন হোৱা নিৰ্দিষ্ট নীতিগত সিদ্ধান্ত লোৱাৰ সন্দৰ্ভত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ ৰাজ্যিক সহ-সমন্বয়ৰক্ষীক সহায় কৰিব। ইয়াৰ কাম যাতে ক্ষিপ্ৰভাৱে সম্পন্ন হয় তাৰ বাবে ৰাজ্য চৰকাৰে ভাৰতৰ মহাপঞ্জীয়কৰ সৈতে ঘনিষ্ঠভাৱে সমন্বয় ৰক্ষা কৰি আছে। ভাৰতৰ মহাপঞ্জীয়কৰ পৰা ৰাজ্যিক সমন্বয়ৰক্ষীলৈ পোনপটীয়াকৈ পুঁজিৰ আগমন সুচল কৰাৰ বাবে আমি ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰিম।

**সীমান্ত এলেকা বিভাগ ঃ আমাৰ ভূমি, আমাৰ সীমান্ত, আমাৰ ভৱিষ্যতৰ সুৰক্ষা**

৭৯। ৰাজ্যখনৰ সীমান্ত এলেকা সন্দৰ্ভত আমাৰ চৰকাৰে লোৱা আন্তৰিকতা আৰু অভিনৱ পদক্ষেপৰ বিষয়ে এই পবিত্ৰ সদনৰ সন্মানীয় সদস্যসকল জ্ঞাত। ৰাজ্যখনৰ উন্নয়নৰ বাবে আন্তৰ্জাতিক সীমান্তৰ সকলো অংশৰ প্ৰত্যাহ্বান আৰু সুযোগ-সুবিধাৰ বুজ লোৱাৰ অৰ্থে ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াৰ সৈতে এই সদনৰ সন্মানীয় সদস্যসকলৰ দলীয় পৰিদৰ্শনৰ লেখীয়া এখন অনন্য কাৰ্যসূচী আমাৰ মাননীয় মুখ্য মন্ত্ৰীয়ে আৰম্ভ কৰিছে।

৮০। দ্বিতীয়তে, সীমান্ত এলেকা বিভাগক ‘সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগ’ হিচাবে নতুনকৈ নামাকৰণ কৰাৰ বাবে লোৱা আমাৰ চৰকাৰৰ সিদ্ধান্তৰ পৰা সীমান্ত এলেকাৰ উন্নয়নৰ প্ৰতি গুৰুত্ব প্ৰদান কৰাটো স্পষ্ট।

৮১। ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰে লোৱা উন্নয়নমূলক পদক্ষেপৰ বাবে এই এলেকাসমূহত আমি লোৱা সক্ৰিয় ভূমিকাৰ পৰিপ্ৰেক্ষিতত সীমান্ত এলেকাত ক্ষিপ্ৰ উন্নয়নমূলক কাম-কাজ সম্ভৱ হৈছে। কোকৰাঝাৰ জিলাৰ ইণ্ডো-ভূটান আন্তৰ্জাতিক সীমান্তত অসম-পশ্চিমবংগ সীমান্তৰ কাষত থকা ঘামদুৱাৰৰ পৰা ওদালগুৰি জিলাৰ চিকাৰীডাংগালৈ ৩১৩ কিলোমিটাৰ পথ নিৰ্মাণৰ বাবে গৃহ মন্ত্ৰালয়ে ১,২৫৯ কোটি টকাৰ প্ৰকল্প ব্যয়ৰ অনুমোদন দিছে। ‘বিস্তৃত প্ৰকল্প প্ৰতিবেদন’ প্ৰস্তুত কৰাৰ বাবে গৃহ মন্ত্ৰালয়ে গড়কাপ্তানি বিভাগ (ৰাষ্ট্ৰীয় ঘাই পথ)ক ইতিমধ্যে ৯.৮৮ কোটি টকা মুকলি কৰি দিছে।

৮২। লাঠিটিলা-ডুমাবৰীৰ দীৰ্ঘদিনীয়া ভূমি বিবাদ নিষ্পত্তি কৰি সীমান্তত স্তম্ভ

নির্মাণ কৰাটো আন এটি উল্লেখনীয় সফলতা আছিল। আমি অতিশয় আশাবাদী যে আমাৰ মুখ্য মন্ত্ৰীৰ আদৰ্শ আৰু দৰ্শন, আৰু ভাৰত চৰকাৰৰ সহযোগিতাত আমি কেৱল সীমান্ত সুৰক্ষাতেই নহয় বৰঞ্চ সীমান্ত এলেকাৰ যথোচিত উন্নয়নো নিশ্চিত কৰিবলৈ সক্ষম হ'ম।

**কৃষি বিভাগ ঃ সমৃদ্ধিৰ বুনিয়াদ**

৮৩। কৃষকলৈ সুতবিহীন কৃষি ঋণ, কিষাণ ক্ৰেডিট কাৰ্ড ব্যৱহাৰ কৰা কৃষকৰ বাবে বিত্তীয় সাহায্য, কৃষি যন্ত্ৰ-পাতি আৰু সা-সৰঞ্জাম ক্ৰয়ৰ ক্ষেত্ৰত সুত ৰেহাই আদি সামৰি এলানি পদক্ষেপ ইতিমধ্যে মই মোৰ ভাষণত ঘোষণা কৰিছো।

৮৪। যোৱা বছৰ, কৃষকক পৰিচয়পত্ৰ প্ৰদান কৰাৰ বিষয়ে মই উল্লেখ কৰিছো। এই ক্ষেত্ৰত মই জনাবলৈ পাই সুখী হৈছো যে এই সমগ্ৰ প্ৰক্ৰিয়াটো চূড়ান্ত পৰ্যায়ত আছে আৰু ৰাজ্যখনৰ সকলো খেতিয়কক ২০১৭-১৮ বিত্তীয় বৰ্ষৰ ভিতৰত এই পৰিচয় পত্ৰ প্ৰদান কৰা হ'ব।

৮৫। মাননীয় প্ৰধানমন্ত্ৰীৰ সপোন 'হৰখেত মে পানী'ৰ সৈতে সংগতি ৰাখি আমি জিলা জলসিঞ্চন আঁচনি, জলসিঞ্চনৰ বাবে বাৰ্ষিক কৰ্ম আঁচনি আৰু ৰাজ্যিক জলসিঞ্চন আঁচনিও যুগুত কৰিছো। ৰাজ্যখনৰ জলসিঞ্চন ব্যৱস্থাৰ সামগ্ৰিক উন্নয়নত ই সহায়ক হ'ব।

৮৬। জলসিঞ্চন ব্যৱস্থাৰ দ্বাৰা অধিক অঞ্চল সামৰি লোৱাৰ বাবে উপৰোক্ত অভিযান অব্যাহত ৰাখি, শেষ কিস্তি হিচাপে অনুমোদন লাভ কৰা নাবাৰ্ডৰ আঁচনিৰ অধীনত ৬১,০০০ অগভীৰ নলী-নাদ স্থাপন কৰা হ'ব। ২০১৭-১৮ বৰ্ষৰ বাবে মই আন ৩৯,০০০ অগভীৰ নলী-নাদ স্থাপনৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিছো।

৮৭। অসমৰ জৈৱিক সামগ্ৰীসমূহৰ বাণিজ্যিক চিহ্ন (Trade Mark) হিচাপে মাজুলীৰ নাম ব্যৱহাৰ কৰি 'অ' মাজুলী' নামকৰণ কৰাৰো আমাৰ এক সপোন। ইয়াৰ জৰিয়তে মাজুলী কেৱল বিশ্বৰ সৰ্ববৃহৎ নদীদ্বীপ হিচাপেই নহয়, বিশ্বৰ জনপ্ৰিয় জৈৱিক ব্ৰেণ্ড হিচাপেও স্বীকৃত হ'ব।

**জলসিঞ্চন বিভাগ ঃ সম্ভাৱনাৰ দুৱাৰ খোলা**

৮৮। কৃষি খণ্ডৰ উন্নয়নৰ বাবে জলসিঞ্চন হৈছে অতি গুৰুত্বপূৰ্ণ আহিলা। ৰাজ্য চৰকাৰে এতিয়ালৈকে ৭.৮৯ লাখ হেক্টৰ ভূমি জলসিঞ্চনৰ আওতালৈ আনিছে, তথাপিও এই খণ্ডত আমাৰ আৰু কৰণীয় আছে। এই অনুসৰি অতিৰিক্ত ৮১,১৮৮ হেক্টৰ ভূমিত জলসিঞ্চনৰ ক্ষমতা আহৰণৰ বাবে আমি বৰ্তমান কাম চলি থকা ২০০টা ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছো।

৮৯। ২০১৭-১৮ বৰ্ষত চি এ ডি আৰু ডব্লিউ এম আঁচনিৰ অধীনত আমি আৰু চাৰিখন আঁচনি গ্ৰহণ কৰি ২৮,৬৪০ হেক্টৰ ভূমিত জলসিঞ্চনৰ ক্ষমতা সৃষ্টি কৰিম।

৯০। আমি বিশেষ প্ৰকল্প (Signature Project)ৰ অধীনত সৌৰ শক্তি চালিত গভীৰ নলী-নাদৰ মাধ্যমেৰেও জলসিঞ্চন আঁচনি হাতত লম আৰু ইয়াৰ বাবে এইবাৰৰ বাজেটত মই ১০ কোটি টকাৰ আৱণ্টন দিছো।

৯১। এই সংক্ৰান্তত মই সন্মানীয় সদস্যসকলক জনাব বিচাৰিছো যে যোৱা ০১-০২-২০১৭ তাৰিখে উত্থাপন কৰা বাজেটত কেন্দ্ৰীয় চৰকাৰে ২০,০০০ কোটি টকাৰ অতিৰিক্ত কৰ্পাচ পুঁজিৰে নাবাৰ্ডত দীৰ্ঘম্যাদী জলসিঞ্চন পুঁজি গঠন কৰাৰ কথা ঘোষণা কৰিছে। ৰাজ্যখনত জলসিঞ্চনৰ ব্যাপক উন্নয়নৰ বাবে এই পুঁজি লাভ কৰিবলৈ আমাৰ চৰকাৰে বিশেষ প্ৰচেষ্টা হাতত ল'ব।

**পশুপালন আৰু পশুচিকিৎসা বিভাগ ঃ কৃষকৰ অৰ্থাগম**

৯২। ৰাজ্যখনৰ নিম্নমান বিশিষ্ট পোহনীয়া গৰু-ম'হৰ সঁচৰ উন্নীতকৰণৰ প্ৰতি অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব। বৰ্ত্তমান ৰাজ্যখনৰ ৯৭% পোহনীয়া গৰু-ম'হ নিম্ন মান বিশিষ্ট সঁচৰ আৰু দুগ্ধ তথা মাংস উৎপাদনৰ ক্ষেত্ৰত এইবোৰৰ সক্ষমতা যথেষ্ট কম। এই বিভাগে ইতিমধ্যে এটা শীতলীকৃত বীৰ্য ষাঁড় কেন্দ্ৰ (Frozen Semens Bull Station) স্থাপন কৰিছে। এই কেন্দ্ৰটোৱে এ'-গ্ৰেড প্ৰমাণ পত্ৰ লাভ কৰিছে আৰু ই প্ৰতি বছৰে প্ৰায় ৬ লাখ পালি Bovine Semen straws উৎপাদন কৰিবলৈ সক্ষম। কৃত্ৰিম

প্ৰজননৰ বাবে এইবোৰ যাতে সম্পূৰ্ণৰূপে ব্যৱহাৰ হয়, তাৰ বাবে পদক্ষেপ হাতত লোৱা হ'ব যাতে অধিক উৎপাদনশীল উন্নতমানৰ গৰু-ম'হৰ পোৱালী জন্ম হয়।

৯৩। সংগঠিত দুগ্ধ উৎপাদনৰ বাবে অধিক সংখ্যক দুগ্ধপাম সমবায় সমিতি স্থাপনৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ব। সংগঠিত আৰু অসংগঠিত দুগ্ধ পালকসকলৰ উন্নয়নৰ বাবে বিশ্ব বেংকৰ সাহায্যপ্ৰাপ্ত APART প্ৰকল্পৰ পৰা বিত্তীয় সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হ'ব।

৯৪। ৰাজ্যখনৰ পশুপালন, পশুচিকিৎসা আৰু দুগ্ধ উন্নয়ন খণ্ডৰ বিকাশৰ অৰ্থে যোৰহাট কৃষি বিশ্ববিদ্যালয়ক দ্বি-বিভক্ত কৰি আৰু এখন নতুন পশু চিকিৎসা তথা জীৱ বিজ্ঞান বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ মই প্ৰস্তাৱ কৰিছো। ৰাজ্যখনৰ সকলো দুগ্ধপাম আৰু পশু চিকিৎসা প্ৰতিষ্ঠানকে এই নতুন বিশ্ববিদ্যালয়ৰ অধীনলৈ অনা হ'ব। এই ক্ষেত্ৰত প্ৰয়োজনীয় বিধেয়কখন বছৰটোৰ ভিতৰতে উত্থাপন কৰা হ'ব।

৯৫। বৰপেটাৰ সৰভোগত প্ৰস্তাৱিত পশু চিকিৎসা আৰু জীৱ বিজ্ঞান বিশ্ববিদ্যালয়ৰ অধীনত এখন দুগ্ধ বিজ্ঞান মহাবিদ্যালয় স্থাপন কৰিবলৈও মই প্ৰস্তাৱ কৰিছো। ইয়াৰ দ্বাৰা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ যুৱক-যুৱতীসকলৰ বাবে যথেষ্ট সুযোগৰ সৃষ্টি হ'ব আৰু গৱেষণামূলক কাম-কাজৰ জৰিয়তে ৰাজ্যখনৰ দুগ্ধ আৰু দুগ্ধজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধিত ই অৰিহণা যোগাব। প্ৰয়োজন সাপেক্ষে বহিঃপৰামৰ্শদাতাৰ সহযোগত এক ভৱিষ্যৎ কৰ্মপন্থা তথা ভিজন ডকুমেন্ট প্ৰস্তুত কৰা হ'ব। একেদৰে দুগ্ধ উৎপাদনকাৰীসকলে যাতে প্ৰতিকুল বতৰত আৰু বানপানীৰ সময়ত তেওঁলোকৰ পোহনীয়া গৰু-ম'হক খাদ্যৰ যোগান ধৰিব পাৰে তাৰ বাবে পশুখাদ্য প্ৰস্তুতকাৰী নতুন প্ৰকল্প হাতত লোৱা হ'ব।

৯৬। প্ৰস্তাৱিত কাম-কাজসমূহক সহায় কৰাৰ অৰ্থে পশু স্বাস্থ্যৰ প্ৰতি বাজেটত অধিক গুৰুত্ব প্ৰদান কৰা হৈছে। গৰু-ম'হৰ ভৰি আৰু মুখৰ বেমাৰ তথা অন্যান্য বেমাৰ নিৰাময়ৰ বাবে টিকাকৰণ কাৰ্যসূচী ব্যাপক ৰূপত হাতত লোৱা হ'ব। ৰাজ্যখনত থকা গৰু-ম'হৰ বীমাকৰণৰ প্ৰতিও উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব।

**মীন উন্নয়ন বিভাগ ঃ আত্মনির্ভৰতাই লক্ষ্য**

৯৭। মীন পালনৰ উপযোগী পুখুৰী, আৰ্দ্ৰ ভূমি, দ অঞ্চল আৰু পৰিত্যক্ত জলাশয়ৰে ভৰপূৰ আমাৰ ৰাজ্যখনত মীন খণ্ডই অৰ্থনৈতিক উন্নয়ন, গাঁও অঞ্চলত নিয়োগৰ সুবিধা সৃষ্টিকে ধৰি খাদ্য আৰু পৰিপুষ্টিগত সুৰক্ষা প্ৰদান কৰাত এক মুখ্য ভূমিকা পালন কৰিব পাৰে।

৯৮। থলুৱা প্ৰজাতিৰ মাছৰ সংৰক্ষণ আৰু সুৰক্ষাৰ কথা মই পূৰ্বৰে পৰা কৈ আহিছো। তদুপৰি মীন পালকসকলৰ বাবে গুণগত মানৰ মাছৰ পোনা সহজলভ্য কৰি তোলাৰ অৰ্থে মীন বিভাগে 'মাছৰ পোনা বেংক' প্ৰকল্প ৰূপায়ণ কৰিব। এই উদ্দেশ্যে ২২ হেক্টৰ মাটিত নতুন পুখুৰী খন্দা হ'ব। আদৰ্শ ফাৰ্ম হিচাপে মাজুলীত ১০ হেক্টৰ ভূমিত সংহত মাছ-গাহৰী পালনৰ কাম হাতত লোৱা হ'ব।

৯৯। গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি (RIDF)ৰ অধীনত ১০০০ হেক্টৰ ভূমিত নতুন মাছ পোহা পুখুৰী, ৪৩০ হেক্টৰ ভূমিত গ্ৰাম্য সমূহীয়া পুখুৰী আৰু ৪ খন মাছৰ বজাৰ নিৰ্মাণ কৰিবলৈ আমি প্ৰস্তাৱ লৈছো।

১০০। এইটো আমাৰ বাবে বোধগম্য যে মৎস্য উৎপাদনৰ প্ৰসাৰৰ বাবে অবিৰত সম্প্ৰসাৰণ সেৱা গুৰুত্বপূৰ্ণ আৰু সেয়েহে মৎস্য উৎপাদনৰ পৰিমাণ বৃদ্ধিৰ বাবে এক ব্যাপক অভিযানৰ প্ৰয়োজনীয়তা আছে। আমাৰ চৰকাৰে অভিযান আকাৰে "মৎস্য জাগৰণ—ঘৰে ঘৰে পুখুৰী, ঘৰে ঘৰে মাছ"- নামৰ এক বিশেষ কাৰ্যসূচী আৰম্ভ কৰাৰ প্ৰস্তাৱ লৈছে।

১০১। বিভিন্ন উন্নয়নমূলক আঁচনি ৰূপায়ণ কৰাৰ বাবে মই ২০১৭-১৮ বৰ্ষৰ বাজেটত মীন বিভাগলৈ মুঠ ১৫৫.৫৮ কোটি টকাৰ আৱন্টন দিছো।

**ভূমি সংৰক্ষণ বিভাগ ঃ উচ্ছন্ন ভূমিৰ সংৰক্ষণ**

১০২। জান-জুৰি নিয়ন্ত্ৰণ, ভূমি উন্নয়ন, প্ৰকৃতি সংৰক্ষণ, অৰ্থকৰী শস্য উন্নয়ন, ভূমি আৰু আৰ্দ্ৰতা সংৰক্ষণ, পতিত ভূমি উন্নয়ন আৰু জলচ্ছেদ উন্নয়নেই হ'ল বিভাগটোৰ মুখ্য কাম।

১০৩। ২০১৭-১৮ বিত্তীয় বৰ্ষৰ বাবে ১১.৩৯ কোটি টকাৰ আৱণ্টন দিয়া হৈছে।

যাৰ ভিতৰত এছ্.ও.পি.ডি (SOPD) ৰ বাবে ৭.৮০ কোটি টকা, সংহত জলচ্ছেদ ব্যৱস্থাপনা আঁচনিৰ বাবে ৬.১১ কোটি টকা আৰু আৰ আই ডি এফ (RIDF)ৰ বাবে ৪৫ কোটি টকা ধাৰ্য কৰা হৈছে। নৰ্থ ইষ্টাৰ্ন স্পেচ এপ্লিকেশ্যন চেণ্টাৰ(NESAC), শ্বিলঙৰ সাহায্যত সমগ্ৰ ৰাজ্যখনৰ বাবে ৫০ লাখ টকা ব্যয়ৰে এছ্.ও.পি.ডি. (SOPD)ৰ অধীনত আৱণ্টিত পুঁজিৰ পৰা আমাৰ চৰকাৰে ভূমি সক্ষমতা শ্ৰেণীবিভাজন মেপিঙৰ কাম হাতত লৈছে। মাজুলীত নৈপৰীয়া মাটিৰ সুৰক্ষাৰ বাবে ৫০ লাখ টকা ব্যয়ৰে আমাৰ চৰকাৰে ফলপ্ৰসূ পদক্ষেপ হাতত লোৱাৰ বাবে প্ৰস্তাৱো লৈছে। তাৰোপৰি ২০১৭-১৮ বৰ্ষৰ বিশেষ প্ৰকল্প (Signature Project)ৰ অধীনত আমাৰ চৰকাৰে দুটা আঁচনিৰ প্ৰস্তাৱ লৈছে যাৰ ভিত্তিত ৪০ কোটি টকাৰ বিত্তীয় লক্ষ্যৰে গুৱাহাটী মহানগৰীৰ বানপ্ৰৱণ এলেকাৰ কৃত্ৰিম বানপানী উপশমৰ ব্যৱস্থা কৰা হ'ব। প্ৰকল্পটো সম্পূৰ্ণ হৈ উঠাৰ পিছত নলী-নাদৰ মুখত জমা হোৱা বৃহৎ পৰিমাণৰ পলসুৱা গেদীয় মাটি আৰু তাৰ ফলস্বৰূপে অন্যান্য নিৰ্গম পথে মহানগৰীত কৃত্ৰিম বানপানীৰ পৰিমাণ হ্ৰাস কৰিব বুলি আশা কৰা হৈছে। কৃষিপোযোগী মাটিত জলসিঞ্চনৰ বাবে আৰু পাৰিপাৰ্শ্বিক ভাৰসাম্য ৰক্ষাৰ অৰ্থে ১১.৮৬ কোটি টকা ব্যয়ৰ বিত্তীয় লক্ষ্যৰে বনগাঁও, চমৰীয়া, নাজিৰা, সৰুক্ষেত্ৰী, ৰহা আৰু মৰংগীত এখন জলাহ ভূমি উন্নয়ন প্ৰকল্পৰ আঁচনি লোৱা হ'ব।

**স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ ঃ উৎকৰ্ষতাৰ বিৰতিহীন যাত্ৰা**

১০৪। এইবাৰ আহো স্বাস্থ্যখণ্ডলৈ। যোৱা বছৰৰ বাজেট বক্তৃতাতো মই উল্লেখ কৰিছিলোঁ কিদৰে আমাৰ চৰকাৰে স্বাস্থ্য খণ্ডৰ উন্নয়নত বিশেষ গুৰুত্ব দিছিল। এখন উন্নত অসমৰ সপোন দেখি আমি আৰম্ভ কৰিছিলোঁ এক নতুন পৰিৱৰ্তন যাত্ৰা। এখন উন্নত অসমৰ সপোন, যিখন অসমত প্ৰতিজন শিশুৱে স্বাচ্ছন্দ্যে জীয়াই থাকিব পাৰিব; যুৱ শক্তিৰ ক্ষমতা আৰু যোগ্যতাৰ ভিত্তিত নিযুক্তি সম্ভৱ হ'ব, অথবা প্ৰতিজন নাগৰিকে সুস্থ মন আৰু শৰীৰেৰে জীয়াই থাকিব পাৰিব। যোৱা বছৰৰ বাজেটত এই নতুন যাত্ৰাৰ হকে পৱিত্ৰ সদনত কেবাটাও ঘোষণা কৰা হৈছিল। পৱিত্ৰ সদনৰ সন্মানীয় সদস্যসকলক মই বিগত ৭-৮ মাহত আমাৰ চৰকাৰে স্বাস্থ্য খণ্ডত অৰ্জন

কৰা সাফল্য সন্দৰ্ভত অৱগত কৰিব বিচাৰিছোঁ। লগতে আগন্তুক বৰ্ষত আমাৰ কৰ্ম আঁচনিৰ বিষয়েও জনাব বিচাৰিছোঁ।

**প্ৰচলিত সুবিধা আৰু মানৱ সম্পদৰ মাজৰ ব্যৱধান দূৰ কৰা**

১০৫.১। **আন্তঃগাঁথনিৰ উন্নয়ন ঃ** বিগত বৰ্ষত আমাৰ চৰকাৰে বৰ্তমানৰ জিলা চিকিৎসালয়সমূহৰ নবীকৰণ আৰু নতুনকৈ জিলা আৰু আদৰ্শ চিকিৎসালয় স্থাপনৰ এক সুদূৰ প্ৰসাৰী আঁচনি গ্ৰহণ কৰে। সদনত জনাবলৈ পাই মই সুখী হৈছোঁ যে আমি ইতিমধ্যে পাঁচখন মহকুমা অসামৰিক চিকিৎসালয়ক জিলা চিকিৎসালয় পৰ্যায়লৈ উন্নীত কৰাৰ কাম আৰম্ভ কৰিছোঁ। সেইমৰ্মে বিশ্বনাথ চাৰিআলি, সোণাৰী, হাটশিঙিমাৰী, হামৰেণ, গড়মূৰ (মাজুলী)ত জিলা চিকিৎসালয় নিৰ্মাণৰ কাম আৰম্ভ হৈছে। তদুপৰি হোজাইত এখন নতুন জিলা চিকিৎসালয়ৰ অনুমোদন জনোৱা হৈছে।

কেৱল ইমানেই নহয়, ৰাজ্যৰ বিভিন্ন প্ৰান্তত মুঠতে ১১৬ খন নতুন আদৰ্শ চিকিৎসালয় নিৰ্মাণত অনুমোদন জনোৱা হৈছে। ইয়াৰে ৭৯ খন চিকিৎসালয়ৰ নিৰ্মাণৰ কাম ইতিমধ্যেই সম্পূৰ্ণ হৈছে। সন্মানীয় সদনক জনাবলৈ পাই মই অত্যন্ত সুখী যে ইয়াৰে ৬২ খন আদৰ্শ চিকিৎসালয়ে বহিৰ্বিভাগ, প্ৰসূতি বিভাগ আৰু পৰীক্ষাগাৰ আদি সম্পূৰ্ণ সুবিধাৰে পূৰ্ণ পৰ্যায়ত ৰোগী সেৱাৰ কাম আৰম্ভ কৰিছে।

মই জনাবলৈ পাই আনন্দিত হৈছোঁ যে আমাৰ চিকিৎসালয়সমূহত প্ৰৱৰ্তিত হৈ থকা জৰুৰী জীৱন দায়িনী দৰৱৰ সংখ্যা বৃদ্ধি কৰা হৈছে। জীৱন দায়িনী দৰৱৰ তালিকাত পূৰ্বৰ ২০০ বিধৰ সলনি বৰ্তমান ৪০৭ বিধ দৰৱৰ নাম সন্নিৱিষ্ট কৰা হৈছে। ইয়াৰ ফলত জৰুৰী চিকিৎসাৰ বাবে ভৰ্তি হোৱা ৰোগীসকলে বিশেষভাৱে উপকৃত হৈছে।

দৰিদ্ৰ ৰোগীৰ সুবিধাৰ্থে অতিশয় কম দামত দৰৱ যোগানৰ বাবে আমাৰ চৰকাৰে ব্যৱস্থা লৈছে। এনে অমৃত ফাৰ্মাচী গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ইতিমধ্যে জনপ্ৰিয় হৈছে। অতি শীঘ্ৰে ৰাজ্যৰ সকলো জিলাৰ হাস্পতালত আৰু আন আন পাঁচখন চিকিৎসা মহাবিদ্যালয়ত ৰাজ্য চৰকাৰে *অমৃত ফাৰ্মাচী* খোলাৰ ব্যৱস্থা গ্ৰহণ কৰিব।

১০৫.২। **কৰ্কট ৰোগৰ চিকিৎসালয় ঃ** সন্মানীয় সদস্যসকল, বিগত বৰ্ষত আমি এক গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰাত সফল হৈছিলোঁ। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত নতুনকৈ স্থাপন কৰা কৰ্কট ৰোগৰ চিকিৎসালয় কাৰ্যক্ষম কৰিবলৈ সক্ষম হৈছিলোঁ। সদনক জনাবলৈ পাই সুখী হৈছোঁ যে এইক্ষেত্ৰত আমি ইতিমধ্যে সফলতাৰ নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছোঁ। কৰ্কট ৰোগৰ চিকিৎসালয়খনত স্থাপন কৰা PET-CT বৰ্তমান সম্পূৰ্ণ কাৰ্যক্ষম হৈছে। অসম চৰকাৰে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ কৰ্কট চিকিৎসালয়খনক দেশৰ ভিতৰতে অগ্ৰণী চিকিৎসালয় ৰূপে পৰিগণিত কৰাৰ বাবে পৰিকল্পনা কৰিছে। মই চলিত বিত্তীয় বৰ্ষতে কৰ্কট চিকিৎসালয়খনত PET-MRI যন্ত্ৰ সংস্থাপনৰ প্ৰস্তাৱ কৰিছোঁ। ৫০ কোটি টকা ব্যয় সাপেক্ষে এই PET-MRI যন্ত্ৰ দেশৰ ভিতৰতে প্ৰথম ৰাজ্য হিচাপে অসমৰ, চৰকাৰী খণ্ডৰ চিকিৎসালয়ত স্থাপন কৰা হ'ব। ইয়াৰ ফলত ৰাজ্যৰ বুজনসংখ্যক ৰোগীয়ে অসমৰ বাহিৰলৈ নোযোৱাকৈয়ে অত্যাধুনিক চিকিৎসা সেৱা লাভ কৰিবলৈ সক্ষম হ'ব। মই জনাবলৈ পাই সুখী যে এই কেন্সাৰ হাস্পতালখন ৰাজ্যিক কেন্সাৰ প্ৰতিষ্ঠান হিচাপে স্বীকৃত হোৱাৰ পথত আৰু কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰেই তাৰ বাবে অসম চৰকাৰক ১০৮ কোটি টকাৰ অনুদান আগবঢ়াব। বৰঙণিমূলক পুঁজি হিচাপে ৰাজ্য চৰকাৰে দিব ১২ কোটি টকা। মই ইয়াৰ বাবে প্ৰস্তাৱ কৰিছোঁ।

১০৫.৩। **চিকিৎসা শিক্ষা ঃ** ৰাজ্যবাসীক উচ্চমানৰ আৰু বিশ্বাসযোগ্য চিকিৎসা সেৱা প্ৰদান কৰাৰ প্ৰাথমিক চৰ্তই হৈছে গুণগত চিকিৎসা শিক্ষা। আমি দিয়া প্ৰতিশ্ৰুতি অনুসৰি নতুনকৈ নগাঁও, ধুবুৰী আৰু উত্তৰ লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। ইতিমধ্যে তিনিওখন চিকিৎসা মহাবিদ্যালয়ৰ ভূমি চিনাক্ত কৰা, নিৰ্মাণ পৰিকল্পনা প্ৰস্তুত আৰু নিৰ্মাণ ব্যয় নিৰূপণৰ অনুমোদন সম্পূৰ্ণ হৈছে। নিবিদাৰ কামো শীঘ্ৰে আৰম্ভ কৰা হ'ব। আমি নিশ্চিত যে ৪৫ দিনৰ ভিতৰত তিনিওখন চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য আৰম্ভ হ'ব।

পৰৱৰ্তী বিত্তীয় বৰ্ষত কোকৰাঝাৰত চিকিৎসা মহাবিদ্যালয় স্থাপনৰ

কাম আমি আৰম্ভ কৰিম। লগতে সন্মানীয় সদস্যসকলে জানি সুখী হ'ব যে ডিফু চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্য অত্যন্ত সন্তোষজনকভাৱে আগবাঢ়িছে। চলিত বৰ্ষৰ শেষৰ ফালেই এই যুগান্তকাৰী শিক্ষা প্ৰতিষ্ঠানৰো শুভ উদ্বোধনৰ সম্ভাৱনা আছে। ডিফু চিকিৎসা মহাবিদ্যালয়ৰ শুভ উদ্বোধনৰ লগে লগে অসমৰ এটা বৃহৎ অঞ্চলৰ সুচিকিৎসাৰ দীৰ্ঘকালীন অভাৱ দূৰ হ'ব।

তিনিচুকীয়া আৰু নলবাৰীতো দুখনকৈ চিকিৎসা মহাবিদ্যালয় স্থাপনৰ প্ৰস্তাৱ এই বাজেটত দিয়া হৈছে। ইয়াৰ জৰিয়তে উজনি আৰু নামনি অসমৰ দুয়োখন জিলাৰ জনসাধাৰণৰ এক দীৰ্ঘদিনীয়া দাবী পূৰ হ'ব।গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ক্ৰীড়া ভেষজ বিভাগ (Sports Medicine Department) মুকলি কৰাৰ বাবে মই প্ৰস্তাৱ দিছোঁ।

সন্মানীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনৰ চৰকাৰী হাস্পাতালে দীৰ্ঘদিনৰ পৰা পৰ্যাপ্ত চিকিৎসকৰ অভাৱত ভূগি থাকিব লগা হৈছে। উপায়বিহীন হৈ ৰাজ্যৰ বাহিৰলৈ চিকিৎসাৰ বাবে ভালেসংখ্যক ৰোগী প্ৰতিবছৰে যাবলগীয়া হৈছে। সেয়েহে প্ৰতিবছৰে অসমৰ পৰা ১২০০ নতুন চিকিৎসক সৃষ্টি কৰাৰ মই এটা সপোন পুহি ৰাখিছিলোঁ। এই সপোনে সাকাৰ ৰূপ পাবলৈ প্ৰতিখন পুৰণি জিলাত একোখনকৈ চিকিৎসা মহাবিদ্যালয় স্থাপন কৰিব লাগিব।

আমি ইতিমধ্যেই এই সপোনৰ বাস্তৱ ৰূপায়নৰ গতিপথ নিৰ্ধাৰণ কৰিছোঁ। এটা দশকৰ পূৰ্বে অসমত মাত্ৰ তিনিখন চিকিৎসা মহাবিদ্যালয় আছিল। কিন্তু যোৰহাট, বৰপেটা আৰু তেজপুৰত আমি ইতিমধ্যে আৰু তিনিখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰিবলৈ সমৰ্থ হৈছোঁ। চলিত বৰ্ষতে ডিফু চিকিৎসা মহাবিদ্যালয়ৰ পাঠ্যক্ৰম আৰম্ভ হ'ব। লখিমপুৰ, ধুবুৰী, নগাঁৱত আৰু তিনিখন চিকিৎসা মহাবিদ্যালয়ৰ কাম শীঘ্ৰে আৰম্ভ হ'ব। কোকৰাঝাৰতো স্থাপন হ'ব এখন নতুন চিকিৎসা মহাবিদ্যালয়। কেৱল সিমানেই নহয়, তিনিচুকীয়া আৰু নলবাৰীত আৰু দুখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰি আমি প্ৰতি বছৰে ১২০০ চিকিৎসক সৃষ্টিৰ লক্ষ্যত উপনীত হ'ব পাৰিম। অধ্যক্ষ মহোদয়, ৰাজ্যৰ এই উন্নয়নৰ ধাৰাটোৰ

অংশীদাৰী হিচাপে মই নিজকে ভাগ্যশালী বুলি গণ্য কৰোঁ। MBBS আৰু অন্যান্য পাঠ্যক্ৰমত অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষণৰ হাৰ ১৫ৰ পৰা ২৯ শতাংশলৈ বৃদ্ধিৰ প্ৰস্তাৱ কৰা হৈছে।

১০৫.৪। **দেশৰ নাৰ্ছিং চিকিৎসা সেৱাৰ কেন্দ্ৰ স্বৰূপে অসম ঃ** ৰোগী পৰিচৰ্যাকাৰী বা শুশ্ৰূষাকাৰী নাৰ্ছসকল স্বাস্থ্যসেৱাৰ এক অবিচ্ছেদ্য আৰু জৰুৰী অংশ। প্ৰতিবছৰে পৰ্যায়ক্ৰমে ৫০০০ নাৰ্ছক প্ৰয়োজনীয় শিক্ষাৰে শিক্ষিত কৰাটো আমাৰ লক্ষ্য। প্ৰশিক্ষণপ্ৰাপ্ত নাৰ্ছৰ তথ্য প্ৰযুক্তিৰ কৰ্মকুশলতা আৰু ভাষাৰ দক্ষতা বৃদ্ধিৰে দেশ-বিদেশত আমাৰ যুৱক-যুৱতীৰ নিয়োগ যোগ্যতা বৃদ্ধি কৰাৰ প্ৰস্তাৱ দিছোঁ। অসমক নাৰ্ছিঙৰ এক কেন্দ্ৰৰূপে আমি গঢ়ি তুলিব খোজোঁ যাতে হাজাৰ হাজাৰ যুৱক-যুৱতীক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত নিয়োজিত কৰিব পাৰি।

**সেৱাৰ মান আৰু উপলব্ধতা নিশ্চিতকৰণৰ অভিনৱ আঁচনি**

১০৫.৫। **অটল অমৃত অভিযান ঃ** বিগত বৰ্ষৰ বাজেট ভাষণত স্বাস্থ্য বীমা আঁচনি 'অটল অমৃত অভিযান'ৰ বিষয়ে উল্লেখ কৰিছিলোঁ। হৃদযন্ত্ৰ, যকৃত, কৰ্কট, স্নায়ু, নৱজাতকৰ ৰোগ তথা জুয়ে পোৰা আদি জটিল আৰু ব্যয়বহুল চিকিৎসাক এই আঁচনিয়ে সামৰি লয়। এই আঁচনি দৰিদ্ৰ সীমাৰেখাৰ তলৰ আৰু দৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ বছৰি পাঁচ লাখ টকালৈকে উপাৰ্জন কৰা পৰিয়ালৰ বাবে উপলব্ধ। এই অভিনৱ আঁচনিখনে নগদ ধন বিহীন বীমাৰে আমাৰ ৰাজ্যৰ ৯০% লোকক সামৰি লৈছে। আঁচনিখনৰ ৰূপায়ণৰ বাবে বিশেষ কাৰ্যপ্ৰণালী যুগুতোৱা হৈছে। অতি শীঘ্ৰেই সমগ্ৰ ৰাজ্যত বলবৎ হ'ব লগা এই আঁচনিৰ অধীনত প্ৰাপ্তবয়স্ক লোকক বিশেষ পৰিয়াল পৰিচয় নম্বৰসহ একোখন কাৰ্ড দিয়া হ'ব। প্ৰতিজন ব্যক্তিয়ে ইয়াৰ ফলত ওপৰত উল্লিখিত ৰোগৰ চিকিৎসাৰ বাবে বছৰি দুই লাখ টকালৈকে চিকিৎসা ব্যয়ৰ সুবিধা লাভ কৰিব। নগদ ধনৰ বিনিময় নোহোৱাকৈ ৰাজ্যৰ অথবা দেশৰ নিৰ্দিষ্ট চহৰৰ কেইখনমান চিকিৎসালয়ত ৰোগীয়ে এই সুবিধা অৰ্জন কৰিব।

বৰ্তমান হেল্‌থ কাৰ্ড প্ৰদান কৰালৈকে অন্তৰৰ্তীকালীন সময়ছোৱাতো এই আঁচনিৰ আবেদন গ্ৰহণ কৰি খৰচ হোৱা ব্যয় ওভতাই দিয়াৰ প্ৰথাৰে

এই আঁচনিৰ ৰূপায়ণ কৰি থকা হৈছে। এই বাজেটত 'অটল অমৃত অভিযান' আঁচনিৰ সফল ৰূপায়ণৰ বাবে মই ১০০ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

১০৫.৬। **মুখ্য মন্ত্ৰীৰ বিনামূলীয়া ৰোগ নিৰ্ণয় আঁচনি ঃ** আমি **'মুখ্য মন্ত্ৰীৰ বিনামূলীয়া ৰোগ নিৰ্ণয় আঁচনি'** নামৰ অসম চৰকাৰৰ আঁচনিখন চূড়ান্ত কৰিবলৈ আগবাঢ়িছোঁ। ইয়াৰ দ্বাৰা পৰীক্ষাগাৰৰ সা-সুবিধা, ৰঞ্জন ৰশ্মি আৰু চি টি স্কেন সম্পূৰ্ণ বিনামূলীয়াকৈ উপলব্ধ হ'ব। চলিত মাহৰ ভিতৰতে আঁচনিখনৰ শুভাৰম্ভ কৰা হ'ব।

১০৫.৭। **সমৰ্থ অসম ঃ** অসমৰ ৩.১২ কোটি জনসংখ্যাৰ ভিতৰত ০ৰ পৰা ৬ বছৰ বয়সৰ শিশুৰ সংখ্যা ৪৫ লাখ। উদ্বেগজনকভাৱে অসমত নৱজাতকৰ মৃত্যুৰ হাৰ দেশৰ ভিতৰতে সৰ্বোচ্চ; এই হাৰ হৈছে প্ৰতি ১০০০ত ৪৭ টা। নৱজাতকৰ মৃত্যুৰ এনে ভয়াৱহ হাৰৰ প্ৰমুখ্য কাৰণ হৈছে জন্মজনিত বিকাৰৰ বাবে প্ৰয়োজনীয় তাৎক্ষণিক চিকিৎসা, সুবিধা আৰু অস্ত্ৰোপচাৰ ব্যৱস্থাৰ অভাৱ। ইয়াৰ উপৰি বুজন সংখ্যক শিশুৱে গুৰুতৰ আৰু বহুক্ষেত্ৰত জীৱনৰ প্ৰতি ভাবুকিস্বৰূপ ৰোগৰ দ্বাৰা আক্ৰান্ত হৈ জন্ম হয়। চিকিৎসা নোপোৱা বা আধৰুৱা চিকিৎসাহে লাভ কৰা শৈশৱৰ অসুস্থতা আৰু জন্মজনিত বিকাৰেই কালক্ৰমত স্থায়ী অক্ষমতা আৰু অকাল মৃত্যুৰ কাৰণ হৈ পৰে।

পূৰ্বৰে পৰাই স্বাস্থ্যসেৱাৰ উন্নতিৰ কল্পে বিভিন্ন প্ৰয়াস চলাই অহা হৈছে। তথাপি আমি মাতৃগৰ্ভত থকা শিশুৰ পৰা ৬ বছৰ বা তাৰো ঊৰ্ধ্বৰ শিশুসকলৰ বাবে এক ব্যাপক পৰিসৰৰ চিকিৎসা আঁচনি গ্ৰহণ কৰিবলৈ অপাৰগ হৈছোঁ। আমি এই অতিশয় গুৰুত্বপূৰ্ণ ক্ষেত্ৰত স্তৰে স্তৰে পদক্ষেপ গ্ৰহণৰ পৰিকল্পনা হাতত লৈছোঁ যাৰ প্ৰথম পদক্ষেপ হৈছে **'সমৰ্থ অসম'**। জন্মজনিত বিকাৰ বিচাৰি উলিওৱাৰ পৰা আৰম্ভ কৰি তাৰ ব্যাপক তথ্যৰ অন্তৰ্ভুক্তিৰে এক 'জন্মজনিত বিকাৰ বিৱৰণ' নথিভুক্ত কৰি যোৱা হ'ব যাতে ৰোগীক উচিত চিকিৎসা নিৰৱচ্ছিন্নভাৱে প্ৰদান কৰিব পৰা যায়।

গুৱাহাটীত এখন চৰকাৰী শিশু চিকিৎসালয় স্থাপন কৰাটো আমাৰ চৰকাৰৰ এক অন্যতম সংকল্প। ইয়াৰ প্ৰাৰম্ভিক পৰিকল্পনা কৰোঁতে শ্ৰেষ্ঠ সা-সুবিধাৰ ওপৰত নজৰ ৰখা হ'ব। আমি অনুভৱ কৰোঁ যে সম্পদ আৰু

মানৱসম্পদ সৰ্বক্ষেত্ৰত এই প্ৰত্যাহ্বান হ'ব পাৰে; কিন্তু শ্ৰেষ্ঠত্ব আহৰণৰ বাবে যত্নপৰ নহ'লে আমি একোৱেই লাভ কৰিবলৈ সক্ষম নহ'ম। চিকিৎসালয়খনত এন আই চি ইউ (NICU), পি আই চি ইউ (PICU), ট্ৰ'মা কেন্দ্ৰ, শিশুৰোগ বিশেষজ্ঞ কেন্দ্ৰৰ লগতে বাগধ্বনি সম্বন্ধীয় কছৰৎ, শিকন সমস্যা গোট আৰু শিশুৰ মনোৰোগ বিভাগৰ দৰে বিশেষ প্ৰয়োজনসম্পন্ন গোট অন্তৰ্ভুক্ত হ'ব।

১০৫.৮। **কৰ্মচাৰীৰ স্বাস্থ্য বীমা আঁচনি ঃ** অসম চৰকাৰে অনুকূল স্বাস্থ্যসেৱা আঁচনি প্ৰস্তুত কৰিবলৈ ৰাজ্যৰ কৰ্মচাৰীসকলৰ লগত এক আলোচনা চলাই আছে যাতে ই কৰ্মচাৰীসকলৰ প্ৰয়োজন পূৰণ কৰিব পাৰে। সেয়েহে আমি পৰৱৰ্তী বিত্তীয় বৰ্ষৰ ভিতৰত আঁচনিখন আৰম্ভ কৰিবলৈ প্ৰস্তাৱ দিছোঁ। আঁচনিখন স্মাৰ্ট কাৰ্ড ভিত্তিক আৰু নগদবিহীন হ'ব।

১০৫.৯। **জনসংখ্যা আৰু জন্ম সম্বন্ধীয় স্বাস্থ্য আঁচনি ঃ** বিগত বাজেটত মই আমাৰ চৰকাৰৰ এক জনসংখ্যা নীতিৰ কথা ঘোষণা কৰিছিলোঁ। এই নীতি প্ৰস্তুত কৰিবলৈ এখন কমিটী গঠন কৰি দিয়া হৈছিল আৰু কমিটীখনে ইতিমধ্যে ইয়াৰ পৰামৰ্শৱলী প্ৰদান কৰিছে। কেতবোৰ উদগনিমূলক ব্যৱস্থা সম্বলিত কৰাৰ উপৰি কিছুক্ষেত্ৰত নিৰুৎসাহ কৰাৰ ব্যৱস্থাও ৰখা হৈছে। আঁচনিখনৰ খচৰা এই পৱিত্ৰ সদনত পৰৱৰ্তী অধিৱেশনত দাখিল কৰা হ'ব।

১০৫.১০।**চাহ বাগিচাৰ কৰ্মীসকলৰ বাবে স্বাস্থ্যসেৱা ঃ** আমি ২০১৬ চনত চাহ বাগিচাৰ কৰ্মীসকলৰ বাবে বিশেষ স্বাস্থ্যসেৱা আঁচনি ঘোষণা কৰিছিলোঁ। এই আঁচনিৰ দ্বাৰা বাগিচাৰ ভাই-ভনীসকলৰ ওপৰত সুপ্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। আমি আমাৰ প্ৰতিখন চাহ বাগিচাৰ স্বাস্থ্য সম্বন্ধীয় খতিয়ানবোৰ বিশ্লেষণ কৰিছোঁ। সন্মানীয় সদস্যসকলে জানি আচৰিত হ'ব যে ৭৫৮খন জৰীপকৃত বাগিচাৰ ভিতৰত ৪২৮ (৫৭%)খনৰ চৌহদতহে কাৰ্যক্ষম চিকিৎসালয় আছে। ২৪৭ (৩৮%)খন চাহ বাগিচাত চিকিৎসা বিষয়া নাই। চাহ বাগিচাত স্বাস্থ্যসেৱাৰ মৰ্মস্পৰ্শী পৰিস্থিতিলৈ লক্ষ্য ৰাখি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে ব্যৱস্থা গ্ৰহণ কৰিছে। যদিও প্ৰাৰম্ভিকভাৱে আমি ৪০ টা ভ্ৰাম্যমান চিকিৎসা গোটৰ কথা ঘোষণা কৰিছিলোঁ, আমাৰ এই পৱিত্ৰ সদনে জানি সুখী হ'ব যে চলিত বৰ্ষতে এই সংখ্যা ৮০ টালৈ বৃদ্ধি কৰা হ'ব। এই কাম

ইতিমধ্যে চৰকাৰী-ব্যক্তিগত অংশীদাৰিত্ব (PPP)ৰ আৰ্হিত আৰম্ভ কৰা হৈছে। ইতিমধ্যে প্ৰতিনিধি গোটে প্ৰথমটো ভ্ৰাম্যমান চিকিৎসা গোট ২০১৭ চনৰ মাৰ্চ মাহৰ ভিতৰতে আৰম্ভ কৰাৰ লক্ষ্যস্থিৰ কৰি লৈছে। আগন্তুক ২০১৭-১৮ বৰ্ষত স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি আৰু মানৱ সম্পদৰ ক্ষেত্ৰত আটাইতকৈ অনগ্ৰসৰ ৩২০ খন বাগিচাৰ ভ্ৰাম্যমান চিকিৎসা গোটৰ দ্বাৰা চিকিৎসা সেৱা আগবঢ়োৱাৰ সিদ্ধান্ত লোৱা হৈছে। মই জনাবলৈ পাই সুখী হৈছোঁ যে এই ভ্ৰাম্যমান চিকিৎসা গোটসমূহৰ ভিতৰত চিকিৎসক, জি এন এম নাৰ্ছ, ফাৰ্মাচিষ্ট, পৰীক্ষাগাৰৰ যন্ত্ৰবিদ থাকিব। ইয়াৰ উপৰি ১৫০ খন বাগিচাৰ চৰকাৰী-ব্যক্তিগত অংশীদাৰিত্ব (PPP)ৰ আৰ্হিত সামৰি লোৱা হৈছে আৰু প্ৰতিখনলৈ ৭.৫ লাখকৈ টকা আন্তঃগাঁথনি উন্নয়নৰ বাবে প্ৰদান কৰা হৈছে। আমাৰ বিশেষজ্ঞ দলে এটা কথা গুৰুত্ব সহকাৰে লক্ষ্য কৰিছে যে চাহ বাগিচাৰ গৰ্ভৱতী মহিলাসকলে প্ৰসৱৰ আগমুহূৰ্তলৈকে কৰ্মত নিয়োজিত হৈ থাকিবলৈ বাধ্য হয়। ইয়ে তেওঁলোকৰ লগতে জন্ম পাবলগীয়া সন্তানৰ ওপৰতো বিৰূপ প্ৰভাৱ পেলায়। এনে বিসংগতিৰ প্ৰতি লক্ষ্য ৰাখি বাগিচাৰ প্ৰতিগৰাকী গৰ্ভৱতী মহিলাকৰ্মীৰ প্ৰতি ১২,০০০ টকাকৈ এককালীন সাহায্য ঘোষণা কৰিবলৈ বিচাৰিছোঁ যাতে তেওঁলোকে নিজৰ আৰু জন্ম পাবলগীয়া সন্তানৰ স্বাস্থ্য তথা পৰিপুষ্টিৰ প্ৰতি যত্নপৰ হ'ব পাৰে। এনে কাৰ্যব্যৱস্থাৰ দ্বাৰা প্ৰসূতিৰ মৃত্যুৰ হাৰ (MMR) আৰু নৱজাতকৰ মৃত্যুৰ হাৰ (IMR) হ্ৰাস কৰিব পৰা যাব বুলি আশা কৰিছোঁ। চাহ জনগোষ্ঠীৰ লোকসকলক চিকিৎসা-শিক্ষাৰ ক্ষেত্ৰখনত উৎসাহিত কৰাৰ উদ্দেশ্যেৰে এম বি বি এছ পৰ্যায়ত ৰাজ্যখনৰ চিকিৎসা মহাবিদ্যালয়সমূহত ৮খন আসন সংৰক্ষিত ৰখাৰ ব্যৱস্থা আছে। এই বছৰৰ পৰা বৰ্তমানৰ ৬খন চিকিৎসা মহাবিদ্যালয়ত মুঠতে ১৮খন সংৰক্ষিত আসন বৃদ্ধি পাব।

১০৫.১১। **ডায়েলাইছিছ সেৱা ঃ** বৰ্তমান আধুনিক জীৱন শৈলীত মধুমেহৰ দৰে ৰোগৰ প্ৰাদুৰ্ভাৱ দেখিবলৈ পোৱা গৈছে। লগতে যকৃতৰ জটিল ৰোগত ডায়েলাইছিছৰ প্ৰয়োজনীয়তা বাঢ়িছে। ব্যয়বহুল ডায়েলাইছিছৰ বাবে বহু ৰোগী আৰু পৰিয়ালৰ মাজত হাহাকাৰ অৱস্থাৰ উদ্ভৱ হয়। তদুপৰি

ৰাজ্যৰ অধিকাংশ জিলাতে ডায়েলাইছিছৰ সুবিধা উপলব্ধ নহয়। সেয়েহে অহা বিত্তীয় বৰ্ষৰ আৰম্ভণিৰে পৰা সকলো জিলা চিকিৎসালয়তে ডায়েলাইছিছৰ সেৱা প্ৰৱৰ্তন কৰাৰ প্ৰস্তাৱ কৰিছোঁ।

**এইড্‌ছ ৰোগী আৰু শিশু পৰিচৰ্যা কেন্দ্ৰ**

১০৫.১২ এইড্‌ছ এক ভয়ংকৰ ব্যাধি। অকালতে এইড্‌ছ ৰোগত আক্ৰান্ত হৈ বহুজন মৃত্যু মুখত পৰিব লগা হৈছে। অধ্যক্ষ মহোদয়, কিন্তু সকলোতকৈ হৃদয় বিদাৰক ঘটনা হ'ল এইড্‌ছ আক্ৰান্ত এজন ব্যক্তিৰ মৃত্যুৰ পিছত ব্যক্তিজনৰ পত্নী আৰু সন্তানে জীৱন কালতে অসহনীয় দুৰ্ভোগ ভূগিব লগা হয়। পিতৃ-মাতৃৰ মৃত্যুৰ পিছত তেনেই অকলশৰীয়া হৈ পৰা নিথৰুৱা সন্তানটিক প্ৰয়োজন হয় পৰিচৰ্যা আৰু যত্নৰ। সেয়েহে গুৱাহাটীত এনে এইড্‌ছ আক্ৰান্ত ব্যক্তিৰ দুৰ্ভগীয়া সন্তানৰ বাবে তিনিটাকৈ আশ্ৰয়গৃহ স্থাপনৰ প্ৰস্তাৱ কৰিছোঁ। এই আশ্ৰয়গৃহত এইসকল সন্তানৰ বাবে প্ৰয়োজনীয় সকলো সা-সুবিধা উপলব্ধ হ'ব। সন্মানীয় সদস্যসকল, মই অনুভৱ কৰোঁ স্বাস্থ্য খণ্ডৰ এই কল্যাণকামী আঁচনিসমূহতে সংপৃক্ত হৈ আছে পৱিত্ৰ সেৱা আৰু সমবেদনাৰ মৰ্মবাণী।

**শিক্ষা বিভাগ**

**প্ৰাথমিক শিক্ষা ঃ গুণৰ পৰশ**

১০৬। স্বাধীনতাৰ পাছৰে পৰাই প্ৰাথমিক শিক্ষা প্ৰসাৰৰ নিমিত্তে বহুসংখ্যক বৃহৎ পদক্ষেপ গ্ৰহণ কৰি অহা হৈছে। বিশেষকৈ ১৯৮৬ চনত ভাৰত চৰকাৰে 'ৰাষ্ট্ৰীয় শিক্ষা নীতি' প্ৰবৰ্তন কৰাৰ পাছৰ পৰা শিক্ষা বিভাগত এই পদক্ষেপসমূহৰ গুৰুত্ব বৃদ্ধি পাবলৈ ধৰিছে। পৰৱৰ্তী সময়ত ভাৰত চৰকাৰে 'শিক্ষাৰ অধিকাৰ আইন' ২০০৯ অধিসূচনা ঘোষণা তথা ৰূপায়ণ কৰাৰ পাছত এই আইনৰ নিৰ্দেশনা অনুসৰি শিক্ষা বিভাগৰ এই পদক্ষেপসমূহ গ্ৰহণ কৰা হৈছে। আমাৰ ৰাজ্যখনত প্ৰাথমিক শিক্ষাখণ্ডৰ গুণগতমান উন্নীতকৰণৰ বাবে মই নিম্ন উল্লিখিত নতুন নতুন আঁচনিসমূহ আৰু বৰ্তমানে অব্যাহত থকা আঁচনিসমূহৰ বিষয়ে সদনক অৱগত কৰাব বিচাৰিছোঁ।

১০৬.১। অধ্যক্ষ মহোদয়! আমাৰ ৰাজ্যখনত মুঠতে ৪৭,০০০ খন প্ৰাথমিক

বিদ্যালয় আছে। ইয়াৰে কিছুসংখ্যক বিদ্যালয় একেটা এলেকাত অৱস্থিত, আনকি দেখা যায় এক কিলোমিটাৰ ব্যৱধানতো দুখনকৈ বিদ্যালয় চলি আছে। ইয়াৰ ফলশ্ৰুতিত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পাইছে। কিন্তু আমি যাতে এটা সুফলৰ অধিকাৰী হওঁ আৰু আদৰ্শ শিক্ষক-ছাত্ৰৰ অনুপাত লাভ কৰিব পাৰো, তাৰ বাবেই সম্পদৰ যথাযথ প্ৰয়োগ যেনে বিশেষকৈ শিক্ষক আৰু অন্যান্য আন্তঃগাথনিমূলক ব্যৱস্থা সমূহৰ উন্নয়নত গুৰুত্ব আৰোপ কৰা হৈছে যাতে শিক্ষাৰ অধিকাৰ আইনে নিৰূপণ কৰা লক্ষ্যত উপনীত হ'ব পাৰো। আমি গ্ৰহণ কৰা এই ব্যৱস্থাসমূহে আমাৰ বিদ্যালয়সমূহক এটা উন্নত শৈক্ষিক ফলাফলৰ জৰিয়তে স্পন্দিত আৰু সক্ৰিয় কৰি ৰাখিব। সচেতন গাওঁবাসী আৰু সমাজৰ বিভিন্ন শ্ৰেণীৰ ব্যক্তিসকলৰ আন্তৰিক সহযোগিতাত ইতিমধ্যে নিস্ক্ৰিয় হ'বলৈ ধৰা বিদ্যালয় সমূহক উপযুক্ত কৰি তোলাত গুৰুত্ব আৰোপ কৰা হৈছে। এই সম্পৰ্কীয় ফলপ্ৰসূ নীতি নিৰ্দেশনা অচিৰেই গ্ৰহণ কৰা হ'ব।

১০৬.২। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাৰ গুণগত মান পৰিবৰ্দ্ধনৰ উদ্দেশ্যেৰে ৰাজ্য চৰকাৰে 'গুণোৎসৱ' কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ আগবাঢ়িছে। এই কাৰ্যসূচীৰ সফল ৰূপায়নৰ বাবে ১০ কোটি টকাৰ প্ৰস্তাৱ বাজেটত আগবঢ়োৱা হৈছে।

১০৬.৩। মাননীয় মুখ্যমন্ত্ৰীৰ ঘোষণা অনুযায়ী আমি সকলো বিদ্যালয়লৈ অসমৰ জাতীয় বীৰ লাচিত বৰফুকনৰ আলোকচিত্ৰ প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছোঁ।

১০৬.৪। সকলো প্ৰাথমিক বিদ্যালয়লৈ ডেস্ক, বেঞ্চ, শিক্ষকৰ বাবে চকী-মেজ, কাৰ্যালয়ৰ আলমাৰি, শিক্ষকৰ আলোকচিত্ৰ সহ গ্ৰীন ব'ৰ্ড আদি সঁজুলিৰ যোগানেৰে বিদ্যালয়ৰ আন্তঃগাথনিৰ উন্নয়ন সাধনৰ প্ৰয়াস কৰা হৈছে। এই আঁচনিৰ ৰূপায়নৰ বাবে বাজেটত ৬০ কোটি টকাৰ প্ৰস্তাৱ ৰখা হৈছে। তদুপৰি মুখ্যমন্ত্ৰী মহোদয়ৰ বৃত্তি প্ৰদান আঁচনিৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ বিচৰা হৈছে আৰু ইয়াৰ বাবে ৪০ কোটি টকাৰ প্ৰস্তাৱ ৰখা হৈছে।

১০৬.৫। আনুষ্ঠানিক শিক্ষা গ্ৰহণত স্থানীয় ভাষা নাইবা মাতৃভাষা ব্যৱহাৰৰ ক্ষেত্ৰত

সম্প্ৰতি বহু চিন্তা চৰ্চা কৰা হৈছে। গোলকীকৰণৰ ক্ৰমবৰ্ধমান ব্যাপকতাৰ সৈতে ফেৰ মাৰিবলৈ আমাৰ ছাত্ৰ-ছাত্ৰীসকল আন্তঃৰাষ্ট্ৰীয় আৰু আঞ্চলিক ভাষাসমূহত সমানে দক্ষ হ'ব লাগিব, যাতে উন্নত কৰ্ম সংস্থানৰ ক্ষেত্ৰসমূহতো নিয়োগৰ বাবে উপযুক্ত হৈ উঠিব পাৰে। আনহাতে গৱেষণাৰ তথ্যই আজি স্পষ্ট কৰি দিছে যে মাতৃভাষাৰ জৰিয়তে গ্ৰহণ কৰা শিক্ষাহে ফলপ্ৰসূ শিক্ষা। আমাৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ বেলিকাও মাতৃভাষা ব্যৱহাৰৰ গুৰুত্ব অপৰিসীম। সেই দৃষ্টিকোণো আমি উলাই কৰিব নোৱাৰো। **সেয়েহে আমাৰ ৰাজ্যখনৰ ৰাজহুৱা, চৰকাৰী আৰু ব্যক্তিগতখণ্ডৰ সকলো বিদ্যালয়তে অষ্টম শ্ৰেণী পৰ্যন্ত সকলো ছাত্ৰ-ছাত্ৰীয়ে ভাৰতীয় সংবিধানৰ অষ্টম অনুচ্ছেদ অনুসৰি স্থানীয় ভাষা বাধ্যতামূলকভাৱে শিকাটো নিশ্চিত কৰিবলৈ এখন বিধেয়ক উত্থাপন কৰিবলৈ বিচৰা হৈছে।**

১০৬.৬। সদনৰ সন্মানীয় সদস্যসকল অবহিত যে মই মোৰ শেহতীয়া বাজেট ভাষণত সকলো টেট্ উত্তীৰ্ণ প্ৰাৰ্থী, যিসকলে বৰ্তমানে ঠিকাভিত্তিত কাৰ্যনিৰ্বাহ কৰি আছে, তেওঁলোকৰ চাকৰি সমূহ পৰ্যায়ক্ৰমে নিয়মীয়াকৰণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰিছিলোঁ। সেই প্ৰতিশ্ৰুতি অনুসৰি আমি ইতিমধ্যে ৭০০০ শিক্ষকক মেধাৰ ভিত্তিত নিয়মীয়াকৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিছোঁ। মাননীয় সদনক মই জনাবলৈ পাই সুখী অনুভৱ কৰিছোঁ যে, ২০১৭ চনৰ ৩১ মাৰ্চৰ ভিতৰত আৰু ১১,০০০ তদ্ৰূপ ঠিকাভিত্তিক শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ আগবাঢ়িছোঁ। পুনশ্চঃ পৰবৰ্ত্তী বৰ্ষ সমূহত অতিৰিক্ত ভাবে আৰু ১০,০০০ টেট উত্তীৰ্ণ প্ৰাৰ্থীক নিযুক্তি দিবলৈ প্ৰতিশ্ৰুতি প্ৰদান কৰিছোঁ। এনেদৰে সমগ্ৰ ৰাজ্যখনত ২৮,০০০ টেট্ উত্তীৰ্ণ প্ৰাৰ্থীক সামৰি লোৱা হ'ব।

১০৬.৭। শেহতীয়া বাজেটত মই ৰাজ্যৰ সাতখন জিলা ক্ৰমে হোজাই, দক্ষিণ শালমাৰা, মানকাচাৰ, পশ্চিম কাৰ্বি আংলং, শিৱসাগৰ, শোণিতপুৰ আৰু মাজুলিত DIET স্থাপনৰ কথা ঘোষণা কৰিছিলোঁ। সেই ঘোষণা মৰ্মে এই বাজেটত মই ৭৪৮২.০০ লাখ টকাৰ প্ৰস্তাৱ দাঙি ধৰিছোঁ।

১০৬.৮। মই মাননীয় সদনক জনাবলৈ পায় সুখী হৈছোঁ যে ভাৰত চৰকাৰে

ইতিমধ্যে বাস্কা, ওদালগুৰি, চিৰাং আৰু কামৰূপ মহানগৰ জিলাত একাখনকৈ DIET লগতে বঙাইগাওঁ, কাৰ্বি আংলং আৰু মাজুলিত নতুন তিনিখন শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় স্থাপনৰ অনুমোদন জনাইছে। পৰবৰ্তী বিত্তীয় বৰ্ষৰ এইসমূহ প্ৰতিষ্ঠানৰ নিৰ্মাণ কাৰ্য আৰম্ভ হ'ব।

**মাধ্যমিক শিক্ষা ঃ সামৰ্থই সঁচাৰ কাঠি**

১০৭.১। মাননীয় অধ্যক্ষ মহোদয়! আমাৰ শিক্ষাৰ্থীসকল আমাৰ ৰাজ্য তথা দেশৰ ভৱিষ্যত তেনে এক পৱিত্ৰ স্বভাৱগত গুণ প্ৰতিজন ব্যক্তি বিশেষত প্ৰতিষ্ঠাপিত কৰিবলৈ এক সঠিক শৈক্ষিক প্ৰক্ৰিয়াৰ আৱশ্যক। জাতিৰ পিতা মহাত্মা গান্ধীৰ উক্তি মতে, 'শিক্ষা হৈছে শিশু আৰু মানৱ' শৰীৰত মন আৰু আত্মাত অংকিত সৰ্বোত্তমৰ এক সৰ্বাত্মক প্ৰতিচ্ছবি। আমাৰ শিক্ষাৰ্থীসকলৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিকতাৰ সুভাৰ সামৰি লৈ তেওঁলোকৰ সৰ্বাংগীন বিকাশৰ কাৰণে উদ্‌গণি যোগাবলৈ আমাৰ চৰকাৰ সৰ্বতোপ্ৰকাৰে সহায় আগবঢ়োৱাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

১০৭.২। মাধ্যমিক শিক্ষা খণ্ডৰ গুণগত মান উন্নত কৰিবলৈ চৰকাৰে এলানি অভিলাষী আঁচনি প্ৰস্তুত কৰিছে। এই আঁচনিসমূহৰ ভিতৰত অন্যতম হ'ল 'আৰোহণ' নামৰ আদৰ্শমূলক কাৰ্যসূচী। এই আঁচনি যোগে অনগ্ৰসৰ আৰু গ্ৰামাঞ্চলৰ দুখীয়া পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক প্ৰতিভা চিনাক্ত কৰি তেওঁলোকক যথোপযুক্ত পৰামৰ্শ প্ৰদান আৰু নিৰীক্ষণ কৰিবলৈ ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। এই 'আৰোহণ' নামৰ আঁচনিখনৰ সফল ৰূপায়ণৰ বাবে এটা ৱেব প'ৰ্টেল ইতিমধ্যে উন্মোচন কৰা হৈছে।

১০৭.৩। বিদ্যালয় প্ৰাদেশীকৰণ বিষয় সন্দৰ্ভত মই সন্মানীয় সদনত জনাব খোজোঁ যে শীঘ্ৰে এই সম্পৰ্কীয় এখন নতুন বিধেয়ক সদনত উত্থাপন কৰা হ'ব, যাতে প্ৰাথমিক, মাধ্যমিক, উচ্চতৰ, মাদ্ৰাছা আৰু সংস্কৃত টোল ইত্যাদিত যোগ্য শিক্ষানুষ্ঠানসমূহক সামৰি ল'ব পৰা যায়। এই বিধেয়কখন প্ৰণয়নৰ ক্ষেত্ৰত সন্মানীয় উচ্চ ন্যায়ালৰ ৰায় আৰু শিক্ষাৰ অধিকাৰ আইন, ২০০৯ সন্নিৱিষ্ট ব্যৱস্থাসমূহত লগতে অন্যান্য আইনগত বিধিসমূহ বিবেচনা কৰা হ'ব। সেয়ে এই বিধেয়কখন উত্থাপনৰ প্ৰাকমুহূৰ্তত মই এই বিষয়ৰ এখন শ্বেতপত্ৰ সদনৰ মজিয়াত দাখিল কৰিব বিচাৰিছোঁ।

১০৭.৪। মাননীয় অধ্যক্ষ মহোদয় অতি অনুন্নত আৰু দুখীয়া ছাত্ৰ-ছাত্ৰীসকলক সহায়ৰ হাত আগবঢ়াবলৈ আমাৰ চৰকাৰৰ বদ্ধপৰিকৰ। দুখীয়া ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ পথত আৰ্থিক দীনতা কেতিয়াও বাধাৰ প্ৰাচীৰ হ'ব নোৱাৰে। তদুপৰি আধাতে বিদ্যালয় এৰি যোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা চৰকাৰে হ্ৰাস কৰাৰ লক্ষ্যৰে মাধ্যমিক স্তৰতো  ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ মাছুল ৰেহাই দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই মৰ্মে ইতিমধ্যে আমি চলিত বৰ্ষত একাদশ শ্ৰেণী আৰু স্নাতক প্ৰথম বৰ্ষৰ দুখীয়া ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ মাছুলৰেহাই আঁচনি ৰূপায়ণ কৰিছিলো আৰু আগন্তুক বৰ্ষসমূহতো এই আঁচনি অব্যাহত ৰখাৰ প্ৰস্তাৱ কৰা হৈছে। এই আঁচনি ৰূপায়ণৰ বাবে বাজেটত ১০ কোটি টকাৰ প্ৰস্তাৱ ৰখা হৈছে।

১০৭.৫। চলিত বিত্তীয় বৰ্ষত আমি নৱম আৰু দশম শ্ৰেণী ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পাঠ্যপুথি যোগান ধৰাৰ লেখিয়াকৈ অহা বছৰ আমি নৱম আৰু দশম শ্ৰেণীৰ লগতে একাদশ আৰু দ্বাদশ শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পাঠ্যপুথি যোগানৰ আঁচনি গ্ৰহণ কৰিছোঁ। ৰাজ্যখনৰ সকলো চৰকাৰী, প্ৰাদেশীকৃত উচ্চতৰ মাধ্যমিক, জুনিয়ৰ কলেজ আৰু মহাবিদ্যালসমূহক সামৰি লৈ পাঁচটা মূল বিষয়ত পাঠ্যপুথি বিনামূলীয়াকৈ যোগানৰ আঁচনি লোৱা হৈছে। এই আঁচনি ৰূপায়ণৰ বাবে বাজেটত ৪৫ কোটি টকাৰ প্ৰস্তাৱ ৰখা হৈছে।

১০৭.৬। ৰাজ্য চৰকাৰে ইতিমধ্যে দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীলৈ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ মাছুল ৰেহাই দিয়া হৈছে। ৰাজ্য চৰকাৰে এই আঁচনি পৰৱৰ্তী সময়তো ৰূপায়ণ কৰি পৰীক্ষা মাচুল লগতে কেন্দ্ৰ মাচুলো ৰেহাই দিয়াৰ প্ৰস্তাৱ লৈছে। ইয়াৰ বাবে এই বাজেটত ৩৫ কোটি টকাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে।

১০৭.৭। শেহতীয়া বাজেটত ঘোষণা কৰাম'তে, 'আনন্দৰাম বৰুৱা বঁটা' (লেপটপ অথবা নগদ ধন) আঁচনি অনুসৰি হাইস্কুল শিক্ষান্ত আৰু হাইমাদ্ৰাছা পৰীক্ষাত ষ্টাৰ নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীক লেপটপ আৰু নগদ ধন প্ৰদান কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

১০৭.৮। মাননীয় অধ্যক্ষ মহোদয়! শৈক্ষিক দিশত সদায় এটা কথা লক্ষ্য কৰা যায় আনকি স্বাধীনতাৰ ৭০ বছৰৰ পাছতো অসমৰ চাহ বাগিছাসমূহ অন্যান্য অঞ্চলসমূহৰ তুলনাত আজিও পিছ পৰি আছে। বিশেষকৈ চাহ বাগিচা অঞ্চলসমূহত হাইস্কুলৰ সংখ্যা কম হোৱা আৰু দূৰত্ব বহু বেছি হোৱাৰ কাৰণে বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয় শিক্ষা আধাতে সামৰে। বিদ্যালয়ৰ শিক্ষা অৰ্ধ সমাপ্ত কৰা ছাত্ৰ-ছাত্ৰীক শিক্ষা সম্পূৰ্ণ কৰাৰ সুবিধা প্ৰদান কৰাৰ লক্ষ্যৰে চলিত বৰ্ষত বাগিচাসমূহৰ প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ পৰা ১০০খন বিদ্যালয়ক হাইস্কুল পৰ্যায়লৈ বেচৰকাৰী সংস্থাৰ জৰিয়তে উন্নীতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সদ্যহতে চলিত বৰ্ষত হাইস্কুললৈ উন্নীতকৰণৰ বাবে বাজেটত ১০ কোটি টকাৰ প্ৰস্তাৱ ৰখা হৈছে।

১০৭.৯। সন্মানীয় সদস্যসকল! আমাৰ ৰাজ্যৰ শৈক্ষিকভাৱে পিছপৰা কেতবোৰ অঞ্চলৰ শিক্ষাৰ গুণগত মানক লৈ চৰকাৰ সদায় উদ্বিগ্ন। ইয়াৰ প্ৰধান কাৰণ সেই অঞ্চলসমূহত দক্ষ শিক্ষকৰ অভাৱ। সেয়েহে ৰাজ্য চৰকাৰে চলিত বৰ্ষৰ পৰাই তেনেকুৱা ভিতৰুৱা অঞ্চলৰ বিদ্যালয়ত ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ সামৰি মূল বিষয় কেইটা যেনে— ইংৰাজী, বিজ্ঞান আৰু গণিতৰ একোটা বিশেষ পাঠদানৰ ব্যৱস্থা কৰিব। এই বিশেষ শ্ৰেণীটোৰ পাঠদান ডিজিটেল আৰু উপগ্ৰহীয় পদ্ধতিৰে কৰিবলৈ বিচৰা হৈছে। এই অভিনৱ ব্যৱস্থাৰ জৰিয়তে ভিতৰুৱা অঞ্চলৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী উভয়ে লাভান্বিত হ'ব। এই বিশেষ পাঠদানৰ শ্ৰেণী আৰম্ভ কৰিবলৈ বাজেটত ১০ কোটি টকাৰ প্ৰস্তাৱ ৰখা হৈছে।

১০৭.১০।অধ্যক্ষ মহোদয়! দুখীয়া ছাত্ৰ-ছাত্ৰীসকললৈ সহায়ৰ হাত আগবঢ়াবলৈ চৰকাৰ বদ্ধপৰিকৰ। দুখীয়া ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ ক্ষেত্ৰত আৰ্থিক দীনতা কেতিয়াও হেঙাৰ হ'ব নোৱাৰে। সেয়েহে ৰাজ্য চৰকাৰে মাধ্যমিক স্তৰতো বিদ্যালয়ৰ মাচুল ৰেহাই দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। যিহেতু মাধ্যমিক বিদ্যালয় এখন দৈনন্দিন পৰিচালনাৰ বাবে এক বুজন পৰিমাণৰ

ধনৰ আৱশ্যক হয়, সেয়েহে ৰাজ্য চৰকাৰে প্ৰতিখন ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ জৰিয়তেও প্ৰতি বছৰে ৫০ হাজাৰকৈ টকা প্ৰদান কৰি আহিছে। লগতে ৰাজ্য চৰকাৰে চলিত বৰ্ষৰ পৰা প্ৰতিখন বিদ্যালয়ত অতিৰিক্তভাৱে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে গড়ে ২৫ হাজাৰকৈ টকা প্ৰদান কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। তদুপৰি বিদ্যালয়ৰ বিদ্যুতৰ মাছুলৰ কেন্দ্ৰীয়ভাৱে পৰিশোধ কৰিবলৈও এক ব্যৱস্থা গ্ৰহণ কৰাৰ কথা চিন্তা কৰা হৈছে আৰু তাৰ বাবে মই এই বাজেটত ১৫ কোটি টকা ধাৰ্য কৰিছো। বিদ্যুতৰ মাছুল আদায়ৰ পৰা বিদ্যালয়সমূহে সকাহ পালে বিদ্যালয়ৰ খৰচ বহুখিনি হ্ৰাস পাব আৰু অভিৱাকসকলো আৰ্থিক বোজাৰ পৰা মুক্ত হ'ব। অৱশ্যে বিদ্যালয় কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীৰ পৰা উৎসৱ আদি পালনৰ নিমিত্তে প্ৰয়োজনীয় নিম্নতম মাচুল ল'ব পাৰিব।

১০৭.১১। সন্মানীয় সদস্যসকল! হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হোৱা পৰীক্ষা কেন্দ্ৰসমূহৰ চৌহদৰ চাৰিওফালে পকীবেৰ নিৰ্মাণ কৰাটো জৰুৰী। সেয়েহে মই সন্মানীয় সদস্যসকলক অনুৰোধ জনাওঁ যে বেৰ নিৰ্মাণৰ বাবে যেন তেওঁলোকে তেওঁলোকৰ আনটাইড ফাণ্ডৰ পৰা পুঁজি যোগান ধৰি সহায় আগবঢ়ায়। এই বাজেটত ৰাজ্য চৰকাৰৰ পৰাও ৪০ কোটি টকা পকী বেৰ নিৰ্মাণৰ বাবে আৱণ্টন কৰিছো।

১০৭.১২। মাননীয় অধ্যক্ষ মহোদয়! আমাৰ ছাত্ৰ-ছাত্ৰীসকলে আমাৰ দেশৰ প্ৰাচীন সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰাসমূহৰ বিষয়ে জ্ঞাত হোৱাটো অতি প্ৰয়োজনীয়। আমাৰ বেছিভাগ প্ৰাচীন সাহিত্যৰ ভেটি হৈছে সংস্কৃত ভাষা। সেয়ে এই সংস্কৃত ভাষাটো বোধগম্য হোৱাৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয় পৰ্যায় সংস্কৃত বিষয়টো বাধ্যতামূলকভাৱে প্ৰৱৰ্তন কৰিবলৈ বিচৰা হৈছে। যিসমূহ বিদ্যালয়ত সংস্কৃত বিষয়ৰ শিক্ষকৰ পদ খালী হৈ আছে, সেইসমূহ বিদ্যালয়ত অতি শীঘ্ৰে সংস্কৃত বিষয়ত শিক্ষক পদ সমূহ পূৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

১০৭.১৩। উচ্চ শিক্ষা গ্ৰহণত সহায়ক হ'ব পৰাকৈ ২০১৭ বৰ্ষৰ উচ্চতৰ

মাধ্যমিক পৰীক্ষাৰ শীৰ্ষ **১০০০ ছাত্ৰীলৈ এইবছৰ একোখনকৈ 'দুচকীয়া বাহন' প্ৰদানৰ ব্যৱস্থা কৰা হ'ব।** এই আঁচনি ৰূপায়ণৰ বাবে বাজেটত ৫ কোটি টকাৰ প্ৰস্তাৱ কৰা হৈছে।

১০৭.১৪। অধ্যক্ষ মহোদয়! ৰাজ্যৰ ভিতৰত শতবৰ্ষ সম্পূৰ্ণ কৰা মাধ্যমিক বিদ্যালয় সমূহৰ ভিতৰত প্ৰয়োজন সাপেক্ষে প্ৰতিখনকে আন্তঃগাঁথনি উন্নয়নৰ বাবে ৫০ লাখ টকা আগবঢ়োৱাৰ প্ৰস্তাৱ এই বাজেটত গ্ৰহণ কৰা হৈছে।

**উচ্চ শিক্ষা ঃ আকাশেই যাৰ সীমা**

১০৮। মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া উচ্চ শিক্ষা প্ৰসংগলৈ আহিছোঁ। প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ দৰে উচ্চ শিক্ষাৰ গুৰুত্বও অপৰিসীম। একবিংশ শতিকাত এখন জ্ঞান-সমৃদ্ধ সমাজ গঠনত উচ্চ শিক্ষা হৈছে এক শক্তিশালী আহিলা। বিশেষকৈ পাঠ্যক্ৰম, ব্যৱস্থাপনা আৰু আজিৰ ভৌগোলিক পৰিধিত উচ্চ শিক্ষাৰ বিশালতা তথা বিচিত্ৰতাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষাৰ এই খণ্ডটোত প্ৰয়োজনীয় গুৰুত্ব প্ৰদানৰ আৱশ্যকতা আছে। ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যতক নিৰ্দিষ্ট আকাৰ দিয়াৰ স্বাৰ্থতে এই বিভাগটোক উপযুক্ত আঁচনিৰে গঢ় দিয়াটো প্ৰয়োজন।

১০৮.১। মাননীয় সদস্যসকল, ৰাজ্যখনৰ বিশ্ববিদ্যালয় আৰু বৃত্তিমুখী মহাবিদ্যালয় সমূহৰ বিকাশৰ বাবে 'তেজস্বী নৱধিতমস্ত' নামৰ এক অভিলাষী আঁচনিৰ কথা ইতিমধ্যে ঘোষণা কৰা হৈছে। সেয়ে মই প্ৰতিখন প্ৰতিষ্ঠানৰ নাম আৰু পুঁজি সম্পৰ্কে এই মুহূৰ্তত পুনৰবাৰ দোহাৰিব খোজা নাই।

১০৮.২। অধ্যক্ষ মহোদয়! আমি ইতিমধ্যে বছৰি একলাখ টকাতকৈ কম উপাৰ্জনৰ আৰ্থিকভাবে পিছ পৰা পৰিয়ালৰ সন্তানক মহাবিদ্যালয়ৰ স্নাতক প্ৰথমবৰ্ষত নামভৰ্তিৰ মাচুল ৰেহাই আঁচনি কাৰ্যকৰী কৰিছোঁ। এই আঁচনি ৰূপায়ণত ইতিমধ্যে ৪৩ কোটি টকা কলেজ সমূহত নামভৰ্তি কৰা ১,৩৮,০৮৫ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে মোকলাই দিয়া হৈছে। এই আঁচনিয়ে ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষা গ্ৰহণত

অনুপ্ৰাণিত কৰাৰ লগতে উচ্চতৰ মাধ্যমিকৰ অনুত্তীৰ্ণৰ হাৰ হ্ৰাস কৰিব। পৰৱৰ্তী বৰ্ষত এম এ, এম এছ চি আৰু এম কম শ্ৰেণীত নামভৰ্তি কৰিবলৈ বিচৰা দুখীয়া ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এই আঁচনি সম্প্ৰসাৰিত কৰাৰ কথা ভবা হৈছে। এই গুৰুত্বপূৰ্ণ পদক্ষেপ অব্যাহত ৰখাৰ স্বাৰ্থত মই এই বাজেটত ৫০ কোটি টকাৰ প্ৰস্তাৱ ৰাখিছোঁ।

১০৮.৩। উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানত অন্যান্য পিছপৰা জাতি (অ বি চি)ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আসন সংৰক্ষণৰ বাবে ২৯% বৃদ্ধিৰ প্ৰস্তাৱ কৰা হৈছে।

১০৮.৪। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গুৰুজনা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিষয়ে মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীজীয়ে ব্যক্ত কৰা কেইযাৰমান মূল্যৱান কথা মই উদ্ধৃত কৰিব বিচাৰিছো— “ভাৰতবৰ্ষত পাঁচশ বছৰৰ পূৰ্বে অস্পৃশ্যতা দূৰীকৰণৰ ক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱে কেৱল এগৰাকী পথ প্ৰদৰ্শকৰ ভূমিকা লোৱাই নহয়, সাধাৰণ মানুহৰ জীৱনৰ ৰঙেৰে চিত্ৰপট আঁকি আধ্যাত্মিকতাবাদক তেৰাই অনন্য মাত্ৰা প্ৰদান কৰিছিল। আজিৰ পৰা ৫০০ বছৰৰ আগেয়ে এগৰাকী সন্ত-সংস্কাৰকে অস্পৃশ্যতা দূৰীকৰণ আৰু অন্যান্য সামাজিক অপশক্তিৰ বিৰুদ্ধে এই দূৰবৰ্তী অসমৰ পৰা এনে এটা গণ আন্দোলন আৰম্ভ কৰাটো অবিশ্বাস্য আৰু অভাৱনীয়।”

মাননীয় অধ্যক্ষ মহোদয়, বিগত বাজেট ভাষণত মহাপুৰুষজনালৈ গভীৰ শ্ৰদ্ধাঞ্জলি হিচাপে তিনিবছৰৰ ভিতৰত ‘শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়’ৰ বাবে ১০ কোটি টকা ঘোষণা কৰা হৈছিল। মই সদনক জনাবলৈ পাই সুখী হৈছোঁ যে চলিত বিত্তীয় বৰ্ষত এই উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ বাবে ৩.৫ কোটি টকা আগবঢ়োৱাৰ সিদ্ধান্ত লোৱা হৈছে। এই বছৰতো বিশ্ববিদ্যালয়খনলৈ ৩.৫কোটি টকা আগবঢ়োৱাৰ এটা প্ৰস্তাৱ ৰখা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বাৰ্তা সমগ্ৰ দেশতে প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যেৰে আমি দেশৰ পাঁচখন প্ৰমুখ বিশ্ববিদ্যালয় ক্ৰমে বেনাৰস হিন্দু ইউনিভাৰছিটি, জৱাহৰলাল নেহৰু ইউনিভাৰছিটি, দিল্লী ইউনিভাৰছিটি, ইউনিভাৰছিটি অব্ হায়দাৰাবাদ আৰু বিশ্ব ভাৰতী (শান্তি নিকেতন)ত

শংকৰদেৱ আসন প্ৰতিষ্ঠা কৰাৰ বাবে উক্ত বিশ্ববিদ্যালয়সমূহৰ সৈতে একোখনকৈ বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰাৰ প্ৰস্তাৱ ৰাখিছো।

১০৮.৫। ৰাজ্যখনত ২১ খন পলিটেকনিকৰ কামৰ অগ্ৰগতি হৈ আছে। এইসমূহ কাৰিকৰী প্ৰতিষ্ঠানৰ ভিতৰত ১১ খন প্ৰতিষ্ঠানত পৰীক্ষাগাৰৰ সঁজুলি স্থাপনৰ লগতে ফেকাল্টি নিযুক্তিৰ কাম দ্ৰুতগতিত আগবাঢ়ি আছে।

১০৮.৬। বাকী ১০ খন পলিটেকনিকৰ শ্ৰেণীসমূহ ২০১৮ চনৰ জুলাই মাহত আৰম্ভ কৰিব পৰাকৈ প্ৰস্তুত কৰি তোলা হ'ব। এই প্ৰক্ৰিয়া দ্ৰুতগতিত আগবাঢ়ি আছে।

১০৮.৭। সন্মানীয় সদস্যসকল, বৰ্তমান অসমত অসম অভিযান্ত্ৰিক মহাবিদ্যালয় (এ ই চি) আৰু যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়কে (জে ই চি) ধৰি চাৰিখন অভিযান্ত্ৰিক মহাবিদ্যালয় আছে। অন্য দুখন অভিযান্ত্ৰিক প্ৰতিষ্ঠান ক্ৰমে বিনেশ্বৰ ব্ৰহ্ম অভিযান্ত্ৰিক মহাবিদ্যালয় (বি বি ই চি) আৰু যোৰহাট বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (জে আই এছ টি)ক সংস্থাৰ পৰা পূৰ্ণ পৰ্যায়ৰ চৰকাৰী অভিযান্ত্ৰিক মহাবিদ্যালয়লৈ ৰূপান্তৰিত কৰা হৈছে।

১০৮.৮। মাননীয় অধ্যক্ষ মহোদয়! এই পদক্ষেপৰ উপৰি তিনিখন অভিযান্ত্ৰিক মহাবিদ্যালয় ক্ৰমে কৰিমগঞ্জ, গোলাঘাট আৰু ধেমাজি অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ কামো দ্ৰুতগতিত অব্যাহত আছে।

১০৮.৯। 'ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান'ৰ অধীনত (আৰ ইউ এছ এ) ৰাজ্যত অন্য তিনিখন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে। এই অভিযান্ত্ৰিক শিক্ষা প্ৰতিষ্ঠান দুখনৰ প্ৰতিষ্ঠাৰ বাবে ভূমি অধিগ্ৰহণৰ প্ৰাথমিক কাম আৰু পুঁজি আবন্টনৰ প্ৰক্ৰিয়া অব্যাহত আছে। কেন্দ্ৰীয় মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ সৈতে আলোচনা কৰি প্ৰয়োজনীয় পুঁজি আৱন্টন কৰা হ'ব। ৰাজ্যখনত কাৰিকৰী শিক্ষাৰে শিক্ষিত মানৱ শক্তিৰ অভাৱৰ বাবে এতিয়াও অধিক অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপনৰ প্ৰয়োজনীয়তা আছে। সেয়েহে ৰাজ্যিক সম্পদৰ পৰাই আন দুখন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপনৰ ঘোষণা কৰিবলৈ প্ৰয়াস

কৰিছোঁ। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰত প্ৰয়োজনীয়তা মূল্যায়ন কৰি শৈক্ষিক বিশেষজ্ঞৰ সৈতে আলোচনা কৰি এই অভিযান্ত্ৰিক মহাবিদ্যালয় দুখনৰ স্থান ঘোষণা কৰা হ'ব।

১০৮.১০। ৰাজ্যখনৰ দলগাওঁ, আমজঙা, তুলুঙিয়া, এৰালিগোল আৰু বিহালীত প্ৰতিষ্ঠা কৰা পাঁচখন আদৰ্শ ডিগ্ৰী কলেজ কেইখন পৰৱৰ্তী শৈক্ষিক বৰ্ষ অৰ্থাৎ এই বছৰৰ জুলাই মাহৰ পৰা আৰম্ভ কৰিব পৰা যাব। এই উদ্দেশ্যে এইবাৰৰ বাজেটত যথাযথ ব্যৱস্থা ৰখা হৈছে।

১০৮.১১। কটন কলেজ আৰু কটন ৰাজ্যিক বিশ্ববিদ্যালয় একত্ৰীকৰণৰ বাবে এই বিধানসভাৰ বাজেট অধিৱেশনত এখন বিধেয়ক অনা হৈছে। এই সন্মানীয় শিক্ষা প্ৰতিষ্ঠানখনে সম্প্ৰতি সন্মুখীন হোৱা পৰিস্থিতিৰ এই বিধেয়কে উপশম ঘটাব। এই বিধেয়কৰ জৰিয়তে ঐতিহাসিক শিক্ষা প্ৰতিষ্ঠানখনে নিজৰ অতীত গৌৰৱ আৰু ঐতিহ্য অক্ষুন্ন ৰখাৰ লগতে শৈক্ষিক পাৰদৰ্শিতাও বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।

১০৮.১২। বৰপেটা, উত্তৰ লখিমপুৰ আৰু হোজাই জিলাত একোখনকৈ কলেজক বিশ্ববিদ্যালয়লৈ উন্নীত কৰা হ'ব। কলেজক বিশ্ববিদ্যালয়লৈ উন্নীতকৰণৰ বিধেয়ক এখন বিধান সভাৰ পৰৱৰ্তী অধিৱেশনত উত্থাপন কৰা হ'ব।

১০৮.১৩। অধ্যক্ষ মহোদয় ! চলিত বিত্তীয় বৰ্ষতে প্ৰাদেশীকৃত কলেজৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে চৰকাৰে ৩৩ খন মহাবিদ্যালয়লৈ প্ৰতিখনকে ১ কোটিকৈ টকা মঞ্জুৰি আগবঢ়াইছে। ঠিক একেদৰে ২০১৭-১৮ বৰ্ষতো অন্য ৪০ খন মহাবিদ্যালয়লৈ একেধৰণৰ মঞ্জুৰি আগবঢ়োৱাৰ প্ৰস্তাৱ বাজেটত ৰখা হৈছে।

১০৮.১৪। দেশৰ অন্যান্য প্ৰান্তৰ লগতে বিদেশত অসমীয়া কলা-সংস্কৃতিক দাঙি ধৰাৰ উদ্দেশ্যেৰে ঐতিহ্য ধন্য মাজুলিত এখন সাংস্কৃতিক বিশ্ববিদ্যালয় স্থাপনৰ প্ৰস্তাৱ এই বাজেটত ৰখা হৈছে।

১০৮.১৫। মাননীয় সদস্যসকল, তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ জোনাই

চৌহদৰ বাবে কিছুমান প্ৰাৰম্ভিক কামৰ প্ৰস্তাৱ ৰখা হৈছে। এই উদ্দেশ্যেৰে ২কোটি টকাৰ প্ৰস্তাৱ এই বাজেটত ৰখা হৈছে।

**সমাজ কল্যাণ বিভাগ ঃ সংস্কাৰেই চাবি-কাঠি**

১০৯। এতিয়া মই আজিৰ বাজেটৰ এটা গুৰুত্বপূৰ্ণ বিষয়লৈ দৃষ্টি আকৰ্ষণ কৰিছো। সেয়া হ'ল সমাজ কল্যাণ। এই বিভাগটো সমাজৰ দুৰ্বল আৰু পিছ পৰা শ্ৰেণীৰ সামাজিক উত্থানৰ সৈতে জড়িত। বিভাগটোৱে নৱজাতক, গৰ্ভৱতী মহিলা, বিধৱা আৰু দিব্যাংগসকলৰ কল্যাণৰ বাবে দায়বদ্ধ। এই বিশেষ শ্ৰেণীৰ লোকসকলৰ প্ৰতি আমাৰ দায়বদ্ধতা পালন কৰাৰ ক্ষেত্ৰত নিশ্চিতভাৱে আমি অতি সংবেদনশীল হোৱাৰ লগতে এটা শক্তিশালী সংঘবদ্ধ ব্যৱস্থাপনাৰ প্ৰয়োজন হ'ব। এই ক্ষেত্ৰত কোনো ধৰণৰ অসংবেদনশীলতা আৰু অৱহেলা কাম্য নহয়। মাননীয় অধ্যক্ষ মহোদয়, প্ৰশাসন ব্যৱস্থা এটা অবিৰত প্ৰক্ৰিয়া। কিন্তু সময়ৰ সোঁতত ন্যস্ত স্বাৰ্থ জড়িত ব্যক্তিৰ প্ৰৰোচনাত প্ৰশাসন যন্ত্ৰৰ কিছুমান প্ৰতিষ্ঠান দুৰ্নীতিৰ দৰে সামাজিক ব্যাধিৰ গ্ৰাসত পৰিছে। আমাৰ ৰাজ্যখন সমাজ কল্যাণ বিভাগত কি সংঘটিত হৈছিল সেয়া সকলোৰে বিদিত। এনে ব্যাধিৰ গ্ৰাসত নিমজ্জিত বিভাগ এটা অতি সতৰ্কতা আৰু দক্ষতাৰে কাৰ্যক্ষম কৰি তুলিব লাগিব যাতে বিভাগটোৱে সক্ৰিয় সেৱা আগবঢ়াব পাৰে। মুঠতে নিষ্ঠা আৰু সততাৰে পৰিচালিত প্ৰতিষ্ঠান একোটা উন্নতিৰ সোপান স্বৰূপ।

১১০। সমাজ কল্যাণ বিভাগটো পুনৰুজ্জীৱিত কৰি ইয়াক সু-সংঘবদ্ধ কৰাৰ বাবে আমি অংগীকাৰবদ্ধ। নৱজাতকৰ পৰা গৰ্ভৱতী মহিলালৈ, বৃদ্ধ-বিধৱাৰ পৰা দিব্যাংগজনলৈ— সমাজৰ প্ৰকৃত গুৰু দায়িত্ব এই বিভাগটোৰ ওপৰতে ন্যস্ত।

১১১। আমাৰ বয়োজ্যেষ্ঠসকলৰ উপযুক্ত যত্ন লোৱাৰ ব্যৱস্থাটো অতিশয় প্ৰাসংগিক বিষয়। ধাৰণা কৰা হৈছে যে পৰিৱৰ্তনশীল জনসংখ্যাৰ বয়স গাঁথনিৰ পৰিপ্ৰেক্ষিতত ৬০ বছৰ বয়সৰ ঊৰ্দ্ধৰ লোকৰ শতকৰা হাৰ ধাৰাবাহিকভাৱে বাঢ়ি গৈ থাকিব। বয়সস্থসকলৰ এই বৰ্দ্ধিত

সংখ্যাক মাথো প্ৰাতিষ্ঠানিক উৎসসমূহৰ দ্বাৰাই নহয়, পাৰিবাৰিক গাঁথনিৰ জৰিয়তেও সেৱা আগবঢ়োৱাৰ প্ৰয়োজনীয়তা থাকিব। **এই প্ৰক্ৰিয়াৰ আৰম্ভণি হিচাপে এনেধৰণৰ পাৰিবাৰিক দায়বদ্ধতাক আমি এখন আইনৰ দ্বাৰা সামৰি ল'ব বিচাৰো।** চৰকাৰী/চৰকাৰৰ অধীনস্থ প্ৰতিষ্ঠান/ ৰাজ্যিক-ৰাজহুৱা প্ৰতিষ্ঠানৰ কৰ্মচাৰী/ কোম্পানীসমূহৰ কৰ্মচাৰীসকলে তেওঁলোকৰ নিজ বৃদ্ধ পিতৃ-মাতৃক উপযুক্ত ধৰণে যত্ন ল'ব বুলি আশা কৰিব পাৰি। এইক্ষেত্ৰত দায়বদ্ধতাহীন দিশটো মন কৰি, প্ৰস্তাৱিত আইনখনে এনে কৰ্মচাৰীসকলৰ দৰমহাৰ এটা নিৰ্দিষ্ট অংশ কৰ্তন কৰি তেওঁলোকৰ পিতৃ-মাতৃসকললৈ সেই ধন প্ৰদান কৰাটো নিশ্চিত কৰিব। এই ক্ষেত্ৰত সমাজ কল্যাণ বিভাগে বছৰটোৰ ভিতৰতে প্ৰয়োজনীয় আইনখন প্ৰণয়ন কৰিব। মই ভাবো, ই হ'ব আমাৰ জ্যেষ্ঠ নাগৰিকসকললৈ উপযুক্ত সন্মান প্ৰদৰ্শন।

১১২। তদুপৰি, মানসিকভাৱে বাধাগ্ৰস্ত শিশুসকললৈ এক উৎসৰ্গীকৃত বৃত্তিমূলক শিক্ষা প্ৰদান কৰাৰ অৰ্থে এই শিশুসকলৰ বাবে দুখন উচ্চ শিক্ষা প্ৰতিষ্ঠান স্থাপন কৰিবলৈ মই প্ৰস্তাৱ কৰিছো। কাৰ্যকৰী আৰু প্ৰয়োজন সাপেক্ষে খ্যাতিসম্পন্ন অনা চৰকাৰী সংস্থা আৰু প্ৰশিক্ষণপ্ৰাপ্ত লোকসকলক এই প্ৰকল্পত সহযোগী হিচাপে লোৱা হ'ব। ইয়াৰ বাবে ২০১৭-১৮ বিত্তীয় বৰ্ষত মই ২ কোটি টকা আৱণ্টন কৰিছো।

১১৩। তদুপৰি, বৰ্তমানে থকা মহিলা আৱাস গৃহসমূহ শক্তিশালী কৰা আৰু কৰ্মৰত মহিলাৰ বাবে নতুন আবাসগৃহ স্থাপন কৰাৰ প্ৰয়োজনীয়তা আছে। ইয়াৰ বাবে এই বাজেটত মই ৮ কোটি টকাৰ প্ৰস্তাৱ লৈছো।

১১৪। বৰ্তমানৰ বিভাগীয় আঁচনিসমূহ যাতে অংগনৱাড়ী কেন্দ্ৰৰ জৰিয়তে ৰূপায়ণ কৰা হয়, সেইটো নিশ্চিত কৰিবলৈ আমাৰ চৰকাৰে সকলো প্ৰচেষ্টা হাতত লৈছে। তদুপৰি, অংগনৱাড়ী কৰ্মী আৰু সহায়কসকলৰ উৎসৰ্গীকৃত সেৱাৰ স্বীকৃতি হিচাপে তেওঁলোকলৈ জৰুৰীকালীন বিত্তীয় সাহায্য প্ৰদান কৰাৰ অৰ্থে অংগনৱাড়ী কৰ্মচাৰী কল্যাণ নিধিৰ বাবে মই ৫.৪২ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ লৈছো।

**চাহ জনজাতি কল্যাণ বিভাগ**

'শ্যামলী অপৰূপা চাহ বাগিচাত
লভিলো মই জনম
য'ত শিৰিষে যাঁচে শীতল ছাঁ
কেঁচা পাতৰ মৰম।'

১১৫। কবিতাৰ এই স্তৱকটিয়ে বৃহত্তৰ অসমীয়া সমাজৰ অবিচ্ছেদ্য অংগ চাহ জনগোষ্ঠীৰ লোকৰ জীৱনৰ প্ৰতিচ্ছবি প্ৰতিফলিত কৰিছে। ৰাজ্যখনৰ অৰ্থনীতিলৈ চাহ বাগিচাৰ ভাই-ভনীসকলৰ অৱদানৰ বিষয়ে সকলোৱে অৱগত। বৃহত্তৰ অসমীয়া সংস্কৃতি গঠন আৰু উন্নয়নত তেওঁলোকৰ অৱদানো অপৰিসীম আৰু অদ্বিতীয়।

১১৬। প্ৰসংগক্ৰমে এই কথা উল্লেখ কৰিব পাৰি যে ওপৰোক্ত মনোৰম কবিতাৰ শাৰীকেইটা এই পৱিত্ৰ সদনৰ আমাৰ সতীৰ্থ তিনিচুকীয়াৰ সন্মানীয় বিধায়ক শ্ৰীসঞ্জয় কিষাণৰ জ্যেষ্ঠ ভাতৃ স্বৰ্গীয় শংকৰ কিষাণদেৱে লিখি থৈ গৈছে।

১১৭। মাননীয় অধ্যক্ষ মহোদয়, চাহ শ্ৰমিকসকলৰ কল্যাণৰ প্ৰতি আমাৰ চৰকাৰে উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। আমি কৰা সকলো ঘোষণাকে বলিষ্ঠ আৰু বাস্তৱ কৰ্মপন্থাসহ বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত আমাৰ অভিপ্ৰায় অতি স্পষ্ট। মাননীয় সদস্যসকলে মই এই বাজেটত কৰা বিভিন্ন ঘোষণাসমূহত নিশ্চয় ইতিমধ্যে এই কথা লক্ষ্য কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, আজি মই আন এখন অভিলাষী আঁচনিৰ বিষয়ে প্ৰস্তাৱ কৰিব বিচাৰিছো। দৰমহাৰ ওপৰত কৰা বাজেট সম্পৰ্কীয় ব্যয়ৰ বাহিৰে সকলো বিভাগৰে বাজেটত ধৰা ধনৰ কমেও ৫% ধন আছুটীয়াকৈ ৰাখিবলৈ মই প্ৰস্তাৱ কৰিছো। এই ধনৰাশি চাহ বাগান এলেকাত খৰছ কৰা হ'ব। এই ঐতিহাসিক সিদ্ধান্তই ৰাজ্যখনৰ চাহ বাগান এলেকাসমূহত বাস কৰা লোকসকলৰ সৰ্বাংগীণ উন্নয়ন নিশ্চিত কৰিব। এই ব্যৱস্থাই নিশ্চিতভাৱে চাহ বাগিচাৰ ভাই-ভনীসকলৰ কল্যাণ আৰু বিশেষকৈ উন্নয়নৰ বাবে চৰকাৰে কৰিবলগীয়া ব্যয় ব্যৱস্থাৰ পৰিবৰ্তন সাধন কৰিব। এই সন্দৰ্ভত আমি শীঘ্ৰেই নীতি-নিয়মাৱলী নিৰ্দ্ধাৰণ কৰিম।

১১৮। মই ইতিমধ্যে আমাৰ চিকিৎসা মহাবিদ্যালয়সমূহত চাহ সম্প্ৰদায়ৰ শিক্ষাৰ্থীসকলৰ বাবে আসনৰ সংখ্যা বৃদ্ধি কৰাৰ কথা ঘোষণা কৰিছো আৰু এখোজ আগবাঢ়ি মই সকলো উচ্চ শিক্ষা প্ৰতিষ্ঠানত চাহ বাগিচাৰ শিক্ষাৰ্থীসকলৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা আৰম্ভ কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো। তদুপৰি অভিযান্ত্ৰিক চিকিৎসা আৰু অন্যান্য কাৰিকৰী শিক্ষাৰ পাঠ্যক্ৰমত অধ্যয়নৰত ৬৭০ গৰাকী শিক্ষাৰ্থীক উচ্চ শিক্ষাৰ বাবে বিত্তীয় সাহায্যৰ অধীনত সাহায্য প্ৰদান কৰা হ'ব।

১১৯। চাহ জনগোষ্ঠীৰ মাজত ক্ৰীড়া আৰু যুৱ কল্যাণৰ বিকাশৰ বাবে "মুখ্য মন্ত্ৰীৰ আন্তঃচাহ বাগিচা ফুটবল কাপ টুৰ্নামেন্ট" অনুষ্ঠিত কৰা হৈছিল আৰু এই প্ৰতিযোগিতাত ৰাজ্যখনৰ মুঠ ৪৪৬ খন চাহ বাগিচাই অংশগ্ৰহণ কৰিছিল। আগন্তুক বৰ্ষবিলাকতো এই প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। উদীয়মান ক্ৰীড়া প্ৰতিভাক উৎসাহিত কৰাৰ উদ্দেশ্যে আগন্তুক কালছোৱাত আমি এক অত্যাধুনিক ফুটবল একাডেমি স্থাপন কৰাৰ প্ৰস্তাৱ লৈছো।

১২০। তদুপৰি আমাৰ চাহ জনগোষ্ঠীৰ সাংস্কৃতিক পৰম্পৰা সংৰক্ষণৰ বাবে ৭৫০ খন চাহ বাগিচাত এখনকৈ ৰংগমঞ্চ নিৰ্মাণৰ বাবে ১৫ লাখ টকাকৈ ব্যয় কৰাৰ বাবে প্ৰস্তাৱত লোৱা হৈছে। অহা বিত্তীয় বৰ্ষত এনে ধৰণৰ ৫০ খন চাহ বাগিচাক সামৰি লোৱা হ'ব।

১২১। চৰকাৰে ৪০,৪০০ টা পৰিয়াললৈ ১,২১,০০০ টা শক্তি ৰাহি এল ই ডি (LED) বাল্ব বিতৰণৰ বাবে বাজেটত ব্যৱস্থা ৰাখিছে। আমি অসম চাহ কৰ্মচাৰী ভৱিষ্যনিধি পুঁজি সংস্থা (ATETFO)ৰ সৈতে পঞ্জীয়ন কৰা ১০.০০ লাখ হিতাধিকাৰীৰ বাবেও ১২ টকা হাৰত বীমা কিস্তি (Insurance Premium)ৰ ধন আগবঢ়াবলৈ প্ৰস্তাৱ লৈছো। আমি চাহ জনজাতিৰ ১,০০০ দিব্যাংগৰ প্ৰত্যেকলৈ ২৫,০০০ টকাকৈ অনুদান প্ৰদানৰ প্ৰস্তাৱ কৰিছো।

১২২। গ্ৰামোন্নয়নৰ ক্ষেত্ৰত প্ৰায় ২,০০০ টা মহিলা আত্মসহায়ক গোটলৈ ১০,০০০ টকাকৈ আগবঢ়াবলৈ আমি প্ৰস্তাৱ লৈছো। অধ্যক্ষ মহোদয়, আমি অসম চাহ নিগমৰ বাগিচাসমূহ পৰ্যায়ক্ৰমে পুনৰুজ্জীৱিতকৰণৰ বাবেও পৰিকল্পনা গ্ৰহণ কৰিছো।

**ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগ ঃ অকুণ্ঠ সহযোগ**

১২৩। নৃগোষ্ঠীয়, জনজাতীয় পৰম্পৰাগত ৰীতি-নীতি আৰু অন্যান্য সম্প্ৰদায়ৰ মাজতেই অসমৰ বিচিত্ৰতা আৰু স্পন্দনশীলতা নিহিত হৈ আছে। আমাৰ সমাজৰ এই শক্তিক ৰাজ্যখনৰ নৱপ্ৰজন্মৰ লগতে ইয়াক বিশ্ব দৰবাৰতো প্ৰতিফলিত কৰাৰ প্ৰয়োজনীয়তা আছে। ৭০ টাতকৈও অধিক জনজাতিৰ মাজত আমাৰ সবল ভাতৃত্ববোধ আৰু মানৱীয় সম্পৰ্কই হৈছে অমূল্য সম্পদ আৰু আমাৰ চৰকাৰেও সেইটোকে বিশ্বাস কৰে। সেয়েহে আমি ৰাজ্যখনত এক কেন্দ্ৰীয় স্থানত “সহোদৰ সমন্বয় ক্ষেত্ৰ” নামৰ এটা অদ্বিতীয় কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ লৈছো। এই কেন্দ্ৰটোৱে জনগোষ্ঠীয় প্ৰতিকৃতি, সংস্কৃতিৰ প্ৰতীক আৰু বিভিন্ন সম্প্ৰদায়ৰ পৰম্পৰাসমূহক প্ৰতিফলিত কৰিব আৰু ইয়াক আন্তৰ্জাতিক মানলৈ উন্নীত কৰিব।

১২৪। জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিসমূহ আমি পুংখানুপুংখভাৱে পৰ্যবেক্ষণ কৰিছো। এই আঁচনিসমূহৰ পৰা আমি সৰ্বাধিক সুযোগ গ্ৰহণ কৰিম যাতে এই লোকসকলৰ অধিকাংশকে সামৰি ল’ব পৰা যায়।

১২৫। তদুপৰি অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰাক্-প্ৰৱেশিকা আৰু প্ৰৱেশিকোত্তৰ জলপানিৰ ক্ষেত্ৰত আমি নিশ্চিত কৰিব বিচাৰো যে কোনো ধৰণৰ বিলম্ব আৰু বাজেট ব্যৱস্থাৰ বাধা নিষেধ নোহোৱাকৈ এই ছাত্ৰ-ছাত্ৰীসকলে জলপানিৰ সমুদায় ধন লাভ কৰিব। ২০১৭-১৮ চনৰ মোৰ বাজেটত অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰাক্ প্ৰৱেশিকাৰ জলপানিৰ বাবে ৩৫.৯০ কোটি টকা আৰু প্ৰৱেশিকোত্তৰ জলপানিৰ বাবে ২০৪ কোটি টকা প্ৰদান কৰা হৈছে। ইয়াৰ উপৰিও, জনজাতীয় সংস্কৃতিক প্ৰতিফলিত কৰি ১২ খন জনজাতীয় গাঁৱক আদৰ্শ গাওঁ হিচপে গঢ়ি তোলাৰ বাবে এইবাৰ এখন উদ্ভাৱনীমূলক আঁচনিৰ প্ৰস্তাৱ লোৱা হৈছে। ২০১৭-১৮ বৰ্ষত ইয়াৰ বাবে মই ১২ কোটি টকা আবণ্টন দিছো।

১২৬। মোৰ যোৱা বাজেট ভাষণত মই উল্লেখ কৰিছিলো যে এই চৰকাৰখন স্বায়ত্তশাসিত পৰিষদসমূহৰ সৈতে নিবিড়ভাৱে জড়িত আৰু স্বায়ত্তশাসিত পৰিষদসমূহে সামৰি লোৱা লোকসকলৰ উন্নয়নৰ প্ৰতিও সজাগ। এই পৰিষদসমূহলৈ সময়মতে পৰ্যাপ্ত পুঁজি মুকলি কৰি দিয়া বিষয়টো পৰীক্ষা কৰি চোৱা হৈছিল আৰু বিতং নীতি-নিৰ্দেশনা জাৰি কৰাৰ সিদ্ধান্ত লোৱা হৈছিল, যাতে এই আঁচনিসমূহৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে স্বায়ত্তশাসিত পৰিষদসমূহে নিৰ্দিষ্ট প্ৰক্ৰিয়া অনুসৰণ কৰিব পাৰে। মই লগতে স্বায়ত্তশাসিত পৰিষদসমূহক বৃহৎ প্ৰকল্প হাতত ল'বলৈ আহ্বান জনাইছো, যিবোৰে স্থানীয় লোকসকলৰ চাহিদা পূৰণ কৰাৰ অৰ্থে স্থায়ী সম্পদ সৃষ্টি কৰিব।

১২৭। বিভিন্ন বিভাগ আৰু স্বায়ত্তশাসিত পৰিষদসমূহলৈ প্ৰদান কৰা পৰিকল্পনা আবণ্টনৰ বাৰ্ষিক বৰ্দ্ধিত বিকাশৰ সাধাৰণ ধাৰাটো সাধাৰণতে ১০% তকৈ অধিক নাছিল। মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানিবলৈ পাই সুখী হব যে এইবাৰ মই স্বায়ত্তশাসিত পৰিষদসমূহলৈ আবণ্টন দিয়া ধনৰ পৰিমাণ পূৰ্বৰ বৰ্ষৰ তুলনাত ২০% বৃদ্ধি কৰিছো। মই ব্যক্তিগতভাৱে এই কথা অনুভৱ কৰো যে আমাৰ বহল অন্তৰৰ মাননীয় মুখ্য মন্ত্ৰীৰ নেতৃত্বত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ই এক অতি উত্তম পদক্ষেপ।

১২৮। ২০১৭-১৮ বিত্তীয় বৰ্ষৰ বাজেটত ৬ খন স্বায়ত্তশাসিত পৰিষদৰ প্ৰতিখনলৈ তলত উল্লেখ কৰা ধৰণে পুঁজি আবণ্টনৰ প্ৰস্তাৱ কৰিছো—

| | | |
|---|---|---|
| (১) | লালুং তিৱা স্বায়ত্তশাসিত পৰিষদ | ৩৬ কোটি টকা |
| (২) | মিচিং স্বায়ত্তশাসিত পৰিষদ | ৭২ কোটি টকা |
| (৩) | ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদ | ৫৪.৩৬ কোটি টকা |
| (৪) | দেউৰী স্বায়ত্তশাসিত পৰিষদ | ২০.৩৫কোটি টকা |
| (৫) | সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ | ৩৩.১৮ কোটি টকা |
| (৬) | ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদ | ১৮ কোটি টকা |

এই স্বায়ত্তশাসিত পৰিষদসমূহৰ স্থায়ী সচিবালয় ভৱন নিৰ্মাণৰ বাবে প্ৰতিখন স্বায়ত্তশাসিত পৰিষদলৈ মই ৫ কোটি টকাকৈ ধাৰ্য কৰিছো আৰু চলিত বাজেটত প্ৰতিখন পৰিষদৰ বাবে ধনৰ আবণ্টন দিছো।

**সংখ্যালঘুৰ কল্যাণ আৰু উন্নয়ন বিভাগ ঃ উন্নয়ন আৰু অন্তৰ্ভুক্তিকৰণৰ পথত**

১২৯। অধ্যক্ষ মহোদয়, আজি আমি সংখ্যালঘু সম্প্ৰদায়ৰ মহিলাসকলৰ শৈক্ষিক আৰু স্বাস্থ্যৰ মান উন্নতপৰ্যায়লৈ লৈ যোৱাৰ বাবে গুৰুত্ব প্ৰদানৰ প্ৰয়োজনীয়তা আছে। তেনে সংখ্যালঘু লোকসকলৰ মাজত শিশু আৰু মাতৃৰ মৃত্যুৰ হাৰ অধিক হোৱাটো পৰিসংখ্যাৰ প্ৰতিবেদনত দেখা গৈছে। আমাৰ সংখ্যালঘু মহিলাসকলৰ সামগ্ৰিক উন্নয়ন, শিক্ষা, সাক্ষৰতা আৰু জীৱিকাৰ মান উন্নীতকৰণৰ বাবে এক প্ৰগতিশীল বাতাৱৰণ সৃষ্টিৰ আৱশ্যক। লিংগ সমতা স্থাপনৰ বাবে এটা পৰিৱেশ সৃষ্টিৰো প্ৰয়োজনীয়তা আছে। আমাৰ সংখ্যালঘু সম্প্ৰদায়ৰ মহিলাসকলক সৱলীকৰণ কৰাৰো প্ৰয়োজন আছে।

১৩০। গ্ৰামাঞ্চলত মহিলা সবলীকৰণৰ বাবে আত্মসহায়ক গোট গঠনৰ অভিযান এতিয়াও গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আছে। আমাৰ চৰকাৰে এই মঞ্চখনক ব্যৱহাৰ কৰি ইয়াক আগবঢ়াই নিব। সংখ্যালঘু সম্প্ৰদায়ৰ মহিলা আৰু বালিকালৈ জীৱিকাৰ সা-সুবিধা সৃষ্টিৰ কাৰণে যোৱা বাজেটত ঘোষণা কৰা ধৰণে আত্মসহায়ক গোট অভিযানক সংখ্যালঘু অধ্যুষিত অঞ্চললৈ সম্প্ৰসাৰণ কৰা হ'ব। ইতিমধ্যে পূৰ্ববৰ্তী দফা এটিত ঘোষণা ক ৰাৰ দৰে 'কনকলতা মহিলা সৱলীকৰণ যোজনা'ৰ অধীনত এনে প্ৰতিটো মহিলা আত্মসহায়ক গোটে নিৰ্দিষ্ট সময়ছোৱাৰ বাবে ৫ লাখ টকাকৈ আৰ্থিক উদগনি পাব।

১৩১। তাৰোপৰি, সাক্ষৰতাৰ হাৰ আৰু বিশেষকৈ উচ্চ শিক্ষা উন্নীত কৰাৰ অৰ্থে আমি সংখ্যালঘু অধ্যুষিত অঞ্চলত ৮ খন মহিলা মহাবিদ্যালয় স্থাপনৰ প্ৰস্তাৱ লৈছো।

১৩২। আন্তঃগাঁথনি উন্নয়নৰ অধীনত আমি ৫ টা অধিসূচিত সংখ্যালঘু সম্প্ৰদায়ৰ কাৰণে সামূহিক প্ৰকল্প আৰু ভাৰত চৰকাৰৰ বহু খণ্ডীয় উন্নয়ন আঁচনিয়ে সামৰি নোলোৱা অঞ্চলত ছাত্ৰী জিৰণি কোঠা আৰু শৌচালয় নিৰ্মাণৰো প্ৰস্তাৱ লৈছো।

**খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ ঃ**
**দৰিদ্ৰ নাৰায়ণৰ হিতসাধন**

১৩৩। আমাৰ চৰকাৰে বিশ্বাস কৰে যে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ৰাজ্যখনৰ যোগ্য ২.৫২ কোটি লোকে যদিহে খাদ্য শস্য লাভ নকৰে, তেতিয়া এই আইনখনৰ উদ্দেশ্য সফল নহ'ব। সঠিক সময়ত পৰ্যাপ্ত পৰিমাণৰ খাদ্য শস্য যোগান ধৰাৰ বাবে আমাৰ চৰকাৰে অগ্ৰাধিকাৰ প্ৰদান কৰিছে।

১৩৪। আমি জানো যে সময়মতে খাদ্য যোগান ধৰিলেহে খাদ্যৰ মূল্য থাকে। কিন্তু নিৰ্দিষ্ট সময়ৰ পাছত যোগান ধৰিলে খাদ্য মূল্যহীন হৈ পৰে আৰু ই আৱৰ্জনাত পৰিণত হয়।

১৩৫। মই মাননীয় সদস্যসকলক জনাবলৈ পাই সুখী হৈছো যে আমাৰ চৰকাৰে এই সমস্যাৰ গভীৰতালৈ প্ৰৱেশ কৰিছে আৰু কি কাৰণত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত খাদ্য শস্য পৰ্যাপ্ত পৰিমাণে আৰু সময়মতে উপভোক্তাসকলে নাপায় তাৰ কাৰণ বিচাৰি উলিয়াব। ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা পুঁজি লাভ কৰাৰ পিছতহে GPSS/TPDS এজেণ্টসকললৈ পৰিবহণ ব্যয় আৰু উপান্ত ধন প্ৰদান কৰাৰ বাবে পুঁজি মোকোলাই দিয়ে। এইদৰে এই প্ৰক্ৰিয়া সদায় ৩ ৰ পৰা ৪ মাহলৈ পিছ পৰি থাকে আৰু কেতিয়াবা ৬ মাহতকৈও অধিক সময় লয়। ইয়াৰ ফলত দুটা সমস্যাৰ সৃষ্টি হৈছে। প্ৰথমটো হৈছে এজেণ্টসকলে হিতাধিকাৰীসকললৈ যোগান ধৰা খাদ্য শস্যৰ পৰিমাণ হ্ৰাস কৰি তেওঁলোকৰ পৰিবহণ ব্যয় উলিয়াই লয় আৰু যেতিয়া তেওঁলোকে নিয়মীয়া ধন লাভ কৰে তাৰ উপকাৰ হিতাধিকাৰীসকলে লাভ কৰিবলৈ সক্ষম নহয়। দ্বিতীয়তে, কিছু সংখ্যক এজেণ্টে সময়মতে খাদ্য-শস্য যোগান ধৰিবলৈ সক্ষম নহয়। এই সমস্যাৰ সমাধান কৰিবলৈ আমাৰ চৰকাৰে বৰ্তমানৰ পদ্ধতিৰ পৰিৱৰ্তন কৰি শৃংখলাবদ্ধ সংশোধনৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ আগ্ৰহী।

১৩৬। ২০১৭-১৮ বৰ্ষৰ পৰা আমি প্ৰথমে গাঁও পঞ্চায়ত সমবায় সমিতি আৰু অন্যান্য সংস্থাসমূহলৈ অগ্ৰিমভাৱে পৰিবহণ ব্যয় আৰু উপান্ত ধন মুকলি

কৰি দিম। পৰৱৰ্ত্তী সময়ত খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰালয়ে মুকলি কৰি দিয়া পুঁজিৰ বিপৰীতে ইয়াক মিলাই দিয়া হ'ব। অৱশ্যে, আমি এই ক্ষেত্ৰত সজাগ যাতে খাদ্য আৰু অসামৰিক যোগান বিভাগে উপযুক্ত ব্যয়ৰ বিপৰীতেহে এই ধন ব্যৱহাৰ কৰে যাতে ভাৰত চৰকাৰে মুকলি কৰি দিয়া প্ৰতিটো কিস্তিৰ ধনৰ উপযুক্ত সংগতি থাকে। এই উদ্দেশ্যে বাজেটত মই ৫০৪.৯২ কোটি টকা আৱণ্টন দিছো।

১৩৭। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ আওতাত নথকা ২২ বিধ সামগ্ৰী পৰিৱেশ অনুকূল ই-ৰিক্সাৰে নিবনুৱা যুৱকৰ জৰিয়তে ঘৰৰ দুৱাৰ মুখতে উপলব্ধ কৰাবৰ বাবে আমাৰ চৰকাৰে এখন অভিনৱ আঁচনি ৰূপায়ণ কৰিব। মধ্যভোগীৰ ভূমিকা নাইকীয়া কৰি অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ দৰ নিয়ন্ত্ৰণ কৰাটোৱেই 'চকাৰ ওপৰত আমাৰ দোকান' শীৰ্ষক এই আঁচনিখনৰ প্ৰাথমিক লক্ষ্য। দৈনিক প্ৰয়োজন হোৱা অত্যাৱশ্যকীয় সামগ্ৰীসমূহ গ্ৰাহকে দুৱাৰমুখতে যাতে উচিত মূল্যত লাভ কৰিব পাৰে সেইটো নিশ্চিত কৰিবলৈ বিভাগে প্ৰচেষ্টা অব্যাহত ৰাখিব। ইয়াৰ বাবে মই বাজেটত পৰ্যাপ্ত ধনৰ ব্যৱস্থা ৰাখিছো। ইয়াৰ উপৰি, ৫৮৮ খন নতুন দোকানেৰে আমি 'আমাৰ দোকান'ৰ সংখ্যাও বৃদ্ধি কৰিছো।

১৩৮। ৰাজ্য চৰকাৰ আৰু ভাৰতীয় খাদ্য নিগমে কৃষকসকলৰ পৰা ধান ক্ৰয় নকৰাৰ ফলস্বৰূপে ধানৰ মূল্য হ্ৰাস পাইছে। বাতৰিত প্ৰকাশ পাইছে যে ভাৰত চৰকাৰে নিৰ্দ্ধাৰণ কৰি দিয়া ন্যূনতম সমৰ্থন মূল্যৰ পৰা বেছিভাগ কৃষক বঞ্চিত হৈছে। দৰাচলতে, চত্তীশগড়ৰ নিচিনা ৰাজ্যসমূহে ৰাজ্য চৰকাৰৰ বিভিন্ন সংস্থাৰ জৰিয়তে বিকেন্দ্ৰীকৃত ধান ক্ৰয় ব্যৱস্থাৰে দৃষ্টান্তমূলক কাম কৰি দেখুৱাইছে। ধাননি পথাৰত ফলপ্ৰসূ ক্ৰয় ব্যৱস্থা উপলব্ধ কৰা সাপেক্ষেহে ধানৰ বৰ্দ্ধিত উৎপাদন অটুট থাকিব। ইয়াৰ দ্বাৰা কৃষকসকলৰ উপাৰ্জন প্ৰত্যক্ষভাৱে বৃদ্ধি পাব। ইয়াৰ পৰিপ্ৰেক্ষিতত, ২০১৭-১৮ বিত্তীয় বৰ্ষৰ পৰা ব্যাপকভাৱে ধান ক্ৰয় কৰিব পৰাকৈ খাদ্য আৰু অসামৰিক যোগান বিভাগক সংক্ৰিয়ভাৱে নিয়োগ কৰাৰ অৰ্থে আমাৰ চৰকাৰে এক বিতং কৰ্মআঁচনিসহ কাম কৰি আছে। ইয়াৰ বাবে বাজেটত মই পৰ্য্যাপ্ত পুঁজিৰ ব্যৱস্থা কৰিছো।

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ ঃ গ্ৰামাঞ্চলত প্ৰাচুৰ্য**

১৩৯। ২০১৭-১৮ৰ কেন্দ্ৰীয় বাজেট আপোনালোকে নিশ্চয়কৈ মন কৰিছে যে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইনৰ আৱন্টনে ঐতিহাসিক ৪৮,০০০ কোটি টকা চুইছেগৈ। এই বৰ্দ্ধিত আৱন্টনৰ লাভ উঠাবলৈ আমি অসমৰ গ্ৰামাঞ্চলত যাতে অধিক পুঁজি ব্যৱহাৰ কৰিব পাৰি তাৰ ওপৰত বিশেষ গুৰুত্ব দিছো। ২০১৭-১৮ বৰ্ষত এম জি এন ৰেগাৰ অধীনত ৬৫% ব্যয় প্ৰাকৃতিক সম্পদ ব্যৱস্থাপনাত খৰছ কৰাত জোৰ দিয়া হ'ব।

১৪০। সেই অনুসৰি, এম জি এন ৰেগাৰ লগতে অন্যান্য পুঁজিৰ পৰা ধন ব্যৱহাৰ কৰি মুখ্য মন্ত্ৰী অৰণ্য নিৰ্মাণ নামৰ অভিনৱ আঁচনিখনৰ অধীনত প্ৰত্যেক গাঁও পঞ্চায়তেতে ব্যাপক হাৰত গছপুলি ৰোপন কৰা হ'ব। এই আঁচনিৰ অধীনত আমি প্ৰতিটো উন্নয়ন খণ্ডতে ২ হেক্টৰকৈ ভূমিত নাৰ্চাৰী স্থাপন কৰি ১.০২ কোটি গছপুলি অংকুৰিত কৰিম আৰু এই পুলিবোৰ মথাউৰি, পুখুৰী, পথৰ দাঁতি, চৰণীয়া পথাৰ (VGR) আদিত ৰোপণ কৰা হ'ব। ইয়াৰ বাবে বাজেটত মই পৰ্যাপ্ত পুঁজি ৰাখিছো।

১৪১। তদুপৰি আমি এম জি এন্‌ৰেগা (MGNREGA) ৰ ২০% পুঁজি ব্যক্তিগত হিতাধিকাৰী আঁচনি (IBS)ত ব্যৱহাৰ কৰিম, যি গ্ৰাম্য অৰ্থনীতিত এক নতুন মাত্ৰা প্ৰদান কৰিব।

১৪২। ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযানৰ অধীনত বৃহৎ সংখ্যক উন্নয়নমূলক কাম আৰম্ভ কৰা হৈছে। এন আৰ এল এমৰ অধীনত ১০ লাখ পৰিয়াল সামৰি লোৱাৰ অৰ্থে ৭০,০০০ মহিলা আত্মসহায়ক গোটক পৃষ্ঠপোষকতা কৰা হ'ব। ইয়াৰে প্ৰতিটো গোটকে ১০,০০০ৰ পৰা ১৫,০০০ টকালৈ ঘূৰ্ণীয়মান (Revolving) পুঁজি যোগান ধৰা হ'ব। এই পদক্ষেপৰ আৰম্ভণি কৰিবলৈ মই এই বাজেটত ১ কোটি টকা আগবঢ়াইছো। তদুপৰি, অৰ্থনৈতিক কাম-কাজ হাতত ল'বৰ বাবে ৫০,০০০ আত্মসহায়ক গোটৰ প্ৰতিটোলৈ ৫০,০০০ টকাকৈ সামূহিক বিনিয়োগ পুঁজি যোগান ধৰা হ'ব। এই লক্ষ্য পূৰণৰ বাবে আমি এই বছৰত ২২৫ কোটি টকা যোগান ধৰিম।

১৪৩। ইয়াৰ উপৰি, আমাৰ চৰকাৰে ২০১৭ চনৰ মে মাহৰ ভিতৰত ২.১৯ লাখ পৰিয়ালক গৃহ প্ৰদানৰ লক্ষ্যৰে প্ৰধান মন্ত্ৰী আবাস যোজনা (গ্ৰামীণ) আঁচনিখন মুকলি কৰিছে। ইয়াৰ লগতে ১,৭৮,০০০ আধৰুৱা ঘৰৰ কাম চলিত বিত্তীয় বৰ্ষৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব। প্ৰধান মন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অধীনত নিৰ্মাণ কৰা সকলো গৃহৰে একেধৰণৰ ৰঙেৰে সজ্জিত কৰিবলৈও আমাৰ চৰকাৰে সিদ্ধান্ত লৈছে আৰু এইক্ষেত্ৰত প্ৰয়োজনীয় নিৰ্দেশনা জাৰি কৰা হ'ব।

১৪৪। মই আপোনালোকক জনাবলৈ পাই আনন্দিত হৈছো যে ২০১৬-১৯ বৰ্ষৰ ভিতৰত ৭৮,৫০০ গ্ৰাম্য দুখীয়া যুৱকক 'দীনদয়াল উপাধ্যায় গ্ৰামীণ কৌশল যোজনা' (DDU-JKY)ৰ অধীনত দক্ষতা বৃদ্ধিৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

১৪৫। আমাৰ ৰাজ্যত গ্ৰাম্য নিয়োজন সৃষ্টিৰ ক্ষেত্ৰত ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠান (SIPRD)-এ বহু বছৰৰ পৰা উল্লেখনীয় ভূমিকা পালন কৰি আহিছে। **এই ভূমিকাৰ স্বীকৃতি স্বৰূপে SIPRDৰ আৰু পাঁচটা আঞ্চলিক কেন্দ্ৰ ৰাজ্যৰ বিভিন্ন ঠাইত স্থাপন কৰিবৰ বাবে প্ৰস্তাৱ ৰাখিছো।** হিতাধীকাৰীসকলৰ সৈতে পৰামৰ্শ কৰি যথাসময়ত স্থান নিৰ্ণয়ৰ কাম আৰম্ভ কৰা হ'ব।

**শক্তি বিভাগ ঃ বিকাশৰ বাবে উদগনি**

১৪৬। আধুনিক বিশ্বত বিদ্যুতৰ গুৰুত্ব অপৰিসীম। আজিকালি এখন দেশৰ উন্নয়ন দেশখনৰ মুঠ জনমূৰি আয়ৰ দ্বাৰা নিৰ্ণীত নহয়, বৰঞ্চ ইয়াক নিৰ্ণয় কৰা হয় দেশখনৰ শক্তিৰ উপলব্ধতা আৰু শক্তিৰ জনমূৰি ব্যৱহাৰৰ দ্বাৰাহে।

১৪৭। ৰাজ্যখনৰ সকলো লোকলৈ পৰ্যাপ্ত আৰু নিৰ্ভৰযোগ্য বিদ্যুৎ যোগান সুনিশ্চিত কৰাটো হৈছে আমাৰ চৰকাৰৰ অগ্ৰাধিকাৰৰ বিষয়। অৱশ্যে প্ৰদত্ত সম্পদৰ স্থিতি আৰু আন্তঃগাঁথনিগত অসুবিধাৰ বাবে মানসম্পন্ন আৰু অবিৰত বিদ্যুতৰ যোগান ধৰাৰ অৰ্থে ব্যৱস্থাটোক সুশৃংখলিত কৰিবলৈ কিছু সময়ৰ প্ৰয়োজন হ'ব।

১৪৮। যিকি নহওক, আৰম্ভণিতে মই এই দিশত অসমত পৰ্যটকৰ বাবে আকৰ্ষণীয় কিছু সংখ্যক গুৰুত্বপূৰ্ণ স্থানক সামৰি লোৱাৰ প্ৰস্তাৱ লৈছো। এই স্থানসমূহত অবিৰত বিদ্যুৎ যোগানকে ধৰি এক উন্নত আন্তঃগাঁথনিৰ অতিকৈ প্ৰয়োজন। **ইয়াৰ অংশ হিচাপে কামাখ্যা, কাজিৰঙা, মাজুলী, তেজপুৰ, শুৱালকুছি, মানাহ আৰু পবিতৰালৈ ২৪×৭ উৎসৰ্গিত ফীডাৰৰ বাবে এই বাজেটত মই ৩০ কোটি টকা প্ৰদানৰ প্ৰস্তাৱ কৰিছো।**

১৪৯। ৰাজ্যৰ শক্তিখণ্ডত অলপতে আন্তঃগাঁথনিৰ উন্নয়ন, সকলোলৈকে অবিৰত বিদ্যুৎ যোগান ইত্যাদিৰ লেখীয়া বিভিন্ন নতুন পদক্ষেপ হাতত লোৱা হৈছে। ২০১৭-১৮ বিত্তীয় বৰ্ষৰ বাজেটত ২৪৭ মেগাৱাট্ শক্তি সম্পন্ন ক্ষমতাৰ ৬ টা নতুন প্ৰকল্পৰ প্ৰস্তাৱ কৰা হৈছে। তদুপৰি, ভাৰত চৰকাৰৰ নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰালয়ে ২০২১-২২ বিত্তীয় বৰ্ষলৈকে অসমৰ নবীকৰণযোগ্য শক্তি উৎসৰ পৰা ৬৮৮ মেগাৱাট্ শক্তি উৎপাদনৰ প্ৰস্তাৱ হাতত লৈছে। ইয়াৰে ৬৬৩ মেগাৱাট্ শক্তি উৎপন্ন হ'ব সৌৰশক্তি চালিত প্ৰকল্পৰ পৰা আৰু ২৫ মেগাৱাট্ শক্তি উৎপন্ন হ'ব ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্পৰ পৰা।

১৫০। দীনদয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনাৰ অধীনত ২০১৬-১৭ বিত্তীয় বৰ্ষত এতিয়ালৈকে মুঠ ৯২৮ খন বিজুলী সংযোগ নথকা গাঁৱলৈ বিদ্যুৎ সংযোগৰ ব্যৱস্থা কৰা হৈছে। ২০১৭ চনৰ ৩১ মাৰ্চৰ ভিতৰত বাকী থকা ১০২২ খন বিজুলী সংযোগ নথকা গাঁৱলৈ বিদ্যুৎ যোগান ধৰা হ'ব। তদুপৰি, দাৰিদ্ৰ সীমাৰেখাৰ তলৰ মুঠ ৫,৪১,৯৫৩ গৰাকী হিতাধিকাৰীলৈ বিনামূলীয়া বিদ্যুৎ সংযোগ প্ৰদান কৰা হ'ব।

১৫১। পুনৰ গঠিত ত্বৰাণ্বিত শক্তি উন্নয়ন আৰু সংস্কাৰ আঁচনি (RAPDRP)ৰ অধীনত গুৱাহাটীকে ধৰি অসমৰ ৬৭ খন নগৰত উন্নত তথ্য প্ৰযুক্তি ব্যৱস্থাৰ ৰূপায়ণ সফলতাৰে সম্পূৰ্ণ কৰা হৈছে। এই কেইখন নগৰত বিদ্যুৎ ক্ষতিৰ বাবে হোৱা লোকচানৰ পৰিমাণো যথেষ্ট পৰিমাণে হ্ৰাস কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। বিদ্যুৎ যোগান ব্যৱস্থা সকলো পৰিস্থিতিতে অব্যাহত ৰাখিবলৈ গুৱাহাটীক আধুনিক 'স্কাডা' (SCADA) প্ৰযুক্তিৰ আওতালৈ অনাৰ ব্যৱস্থা লোৱা হৈছে। ইয়াৰ লগতে এই মহানগৰীত অত্যাধুনিক স্মাৰ্ট গ্ৰীড ব্যৱস্থাৰ পাইলট প্ৰকল্পৰ কামো চলি আছে।

১৫২। শিৱসাগৰ জিলাৰ আমগুৰিত ৬৯ মেগাৱাট ক্ষমতাৰ আৰু কামৰূপ জিলাৰ চন্দ্ৰপুৰত ২০ মেগাৱাট ক্ষমতাৰ দুটা সৌৰ শক্তি উৎপাদন কেন্দ্ৰ স্থাপনৰ বাবে তথা অসমৰ ৫ খন নগৰ ক্ৰমে গুৱাহাটী, ডিব্ৰুগড়, শুৱালকুছি, ৰঙাপাৰা আৰু যোৰহাটত অহৰ্নিশে (২৪×৭) বিদ্যুৎ যোগানৰ বাবে আমাৰ চৰকাৰে ২০১৭-১৮ বৰ্ষত দুখন ধ্বজাবাহী আঁচনি আৰম্ভ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে।

১৫৩। দেশৰ কেইবাখনো ৰাজ্যই উচ্চ ক্ষমতাসম্পন্ন (উদ্যোগ) আৰু নিম্ন ক্ষমতাসম্পন্ন (অনা উদ্যোগ) ফীডাৰক পৃথক কৰিছে আৰু ইয়ে বিতৰণ কোম্পানীসমূহৰ বিদ্যুৎ ক্ষতিৰ বাবে হোৱা লোকচান হ্ৰাস কৰে। উত্তৰ প্ৰদেশ, গুজৰাটকে ধৰি কেইখনমান ৰাজ্যই সফলতাৰে এনে ব্যৱস্থা প্ৰয়োগ কৰিছে। সেয়ে উচ্চ ক্ষমতা সম্পন্ন বিদ্যুৎ গ্ৰাহকৰ বাবে আমাৰ চৰকাৰে উৎসৰ্গীকৃত উচ্চ ক্ষমতাসম্পন্ন ফীডাৰৰ এনে প্ৰস্তাৱৰ প্ৰতি সহায় আগবঢ়াব। এই সংক্ৰান্তত প্ৰস্তুতিমূলক কামৰ বাবে চলিত বৰ্ষত ১০ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ ৰাখিছো।

১৫৪। পূৰ্বৰ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ প্ৰাপ্য পেঞ্চন সন্দৰ্ভত পৰিষদৰ বিভাজনৰ কালচোৱাত চৰকাৰে এনে বাধ্যবাধকতাৰ দায়িত্ব লোৱাৰ বাবে সন্মত হৈছিল। অৱশ্যে ৰাজ্য চৰকাৰে এই প্ৰতিশ্ৰুতি পূৰ্ণ কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণভাৱে সক্ষম হোৱা নাই।

১৫৫। সেয়ে, প্ৰাসংগিক আইনৰ অধীনত যথাসময়ত অসম বিদ্যুৎ শুল্ক সংস্কাৰ সাধন কৰাৰ বাবে মই প্ৰস্তাৱ কৰিছো। তাৰোপৰি, পেঞ্চন পুঁজি ব্যৱসায়িকভাৱে বিনিয়োগ কৰি সৰ্বাধিক মুনাফা আদায় কৰাৰ ক্ষেত্ৰত আমি যথেষ্ট আগ্ৰহী।

**নগৰ উন্নয়ন বিভাগ ঃ দিগ্‌বলয়ৰ সম্প্ৰসাৰণ**

১৫৬। মহাশয়, আপোনালোকে অৱগত যে নগৰীয়া কেন্দ্ৰসমূহ হৈছে ‘বিকাশৰ মেৰুদণ্ড’ স্বৰূপ আৰু ভাৰতবৰ্ষৰ সকলোবোৰ বৃহৎ ৰাজ্যৰে কমেও ৪ৰ পৰা ৫ খন বৃহৎ নগৰ আছে যিবোৰ হৈছে ‘অৰ্থনৈতিক বিকাশৰ চালিকা শক্তি’। বিগত সময়ছোৱাত ই এক সমালোচনাৰ বিষয় হৈ পৰিছিল যে

পূৰ্বৰ ৰাজ্য চৰকাৰসমূহে কেৱলমাত্ৰ গুৱাহাটীৰ ওপৰতে তেওঁলোকৰ মনোযোগ কেন্দ্ৰীভূত কৰিছিল। মই পুনৰ দোহাৰিব বিচাৰিছো, আমাৰ চৰকাৰে এই ক্ষেত্ৰত যথেষ্ট সজাগ যে ৰাজ্যৰ ৰাজধানী আৰু উত্তৰ-পূব ভাৰতৰ দুৱাৰমুখ হিচাপে গুৱাহাটীয়ে অগ্ৰাধিকাৰ লাভ কৰি থকাৰ লগতে ৰাজ্যখনৰ সমআঞ্চলিক বিকাশ সুনিশ্চিত কৰাৰ অৰ্থে অসমৰ অন্যান্য গুৰুত্বপূৰ্ণ নগৰ-চহৰসমূহৰ আন্তঃগাঁথনিৰ উন্নয়নৰ প্ৰতিও আমি মনোযোগ দিব লাগিব।

১৫৭। যদিও এ এম আৰ ইউ টি, পি এম এ ৱাই ইত্যাদিৰ লেখীয়া ভাৰত চৰকাৰৰ মিছনসমূহৰ অধীনত পুঁজি লাভ কৰা হৈছে, তথাপিও নগৰ অঞ্চলসমূহত, বিশেষকৈ জনবহুল নগৰসমূহত অহা পাঁচ বছৰত অবিৰতভাৱে ৰাজ্য চৰকাৰে অধিক বিনিয়োগ কৰাৰ যথেষ্ট প্ৰয়োজনীয়তা আছে।

১৫৮। সেই অনুসৰি এই পদক্ষেপৰ আৰম্ভণি হিচাপে শিলচৰ, তিনিচুকীয়া, যোৰহাট, ডিব্ৰুগড়, নগাঁও আৰু তেজপুৰৰ লেখীয়া এক লাখ লোকতকৈ অধিক জনসংখ্যা থকা ৬ খন নগৰত আমি বৃহৎ আন্তঃগাঁথনিগত প্ৰকল্প হাতত ল'বলৈ বিচাৰিছো। 'City Infra Development Fund' (CIDF) নামৰ এখন নতুন আঁচনিৰ অধীনত অহা ৪ বছৰৰ ভিতৰত ১২০০ কোটি টকাৰ মুঠ ব্যয়ত এই ছখন প্ৰধান নগৰত আমি গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিগত প্ৰকল্প ৰূপায়ণত অগ্ৰাধিকাৰ প্ৰদান কৰিম।

১৫৯। এই ৬ খন বৃহৎ নগৰ, নগৰ উন্নয়ন বিভাগৰ অধীনত অন্তৰ্ভুক্ত। ২০১৭-১৮ বিত্তীয় বৰ্ষত এই নগৰকেইখনত প্ৰকল্পৰ কাম হাতত লোৱাৰ বাবে চলিত বৰ্ষৰ বাজেটত মই ১২০ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ কৰিছো। এই নগৰসমূহত বসবাস কৰা পৱিত্ৰ সদনৰ মাননীয় সদস্যসকলক আৰু সংশ্লিষ্ট জিলাসমূহক উন্নয়নমূলক প্ৰকল্প যেনে— নদীৰ পাৰ, ৰাজহুৱা উদ্যান, প্ৰধান পথসমূহ, বিবাহ ভৱন, জিলা পুথিভঁড়াল, জিলা ষ্টেডিয়াম আদিৰ উন্নয়নৰ বাবে মই অনুৰোধ জনাইছো। উদাহৰণস্বৰূপে ডিব্ৰুগড়ত নদীৰ পাৰৰ অংশৰ উন্নয়ন হ'ব আমাৰ বাবে এক অন্যতম প্ৰধান অগ্ৰাধিকাৰৰ বিষয়।

১৬০। মাননীয় মহোদয়, এইটো আপোনাৰ অৱগত যে চহৰ আৰু মহানগৰসমূহৰ পথত পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা থকাটো এটা মৌলিক প্ৰয়োজন আৰু মই স্বীকাৰ কৰো যে আমাৰ অধিকসংখ্যক নগৰ-চহৰতে এইবোৰ সা-সুবিধা নাই যাৰ ফলত নাগৰিকসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। এই বহুদিনীয়া সমস্যাটো সমাধানৰ উদ্দেশ্যে ৯৭ খন নগৰীয়া স্থানীয় নিকায়ত ১৫,০০০ শক্তি ৰাহি এল ই ডি লাইট স্থাপনৰ এক বিশেষ প্ৰকল্প আমাৰ চৰকাৰে হাতত ল'ব বিচাৰিছে। এই বাজেটত ইয়াৰ উদ্দেশ্যে মই ১০ কোটি টকা আছুটীয়াকৈ ৰাখিছো।

১৬১। মই লগতে উল্লেখ কৰিব বিচাৰো যে যোৱা ২০১৭ বৰ্ষৰ ১ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰীয়ে দাখিল কৰা কেন্দ্ৰীয় বাজেটত গ্ৰাম্য গৃহ নিৰ্মাণক আন্তঃগাঁথনি মৰ্যাদা প্ৰদান কৰা হৈছে। যিহেতু আমাৰ ৰাজ্যখনৰ বৃহৎ অংশ গ্ৰাম্যাঞ্চলৰে ভৰা, সেয়েহে এই আন্তঃগাঁথনি মৰ্যাদাই অসমৰ সৰু চহৰসমূহৰ ব্যৱসায়-বাণিজ্যক উৎসাহিত কৰিব আৰু আমাৰ চৰকাৰে ইয়াৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিব।

১৬২। তদুপৰি, Beneficiaries Led Component (BLC)ৰ অধীনত ২৪,৩৪০ টা গৃহ নিৰ্মাণৰ বাবে এই বাজেটত প্ৰধান মন্ত্ৰীৰ আবাস যোজনা (নগৰ)ৰ বাবে ১৮৬.৯২ কোটি টকাৰ আবণ্টন দিছো।

১৬৩। ইয়াৰ উপৰি আমাৰ চৰকাৰে গুৱাহাটী, শিলচৰ, নগাওঁ আৰু ডিব্ৰুগড়ক সামৰি ৰূপায়ণ কৰা "অটল মিছন ফৰ ৰিজুভিনেচন এণ্ড আৰবান ট্ৰেন্সফৰমেচন (AMRUT)" নামৰ কেন্দ্ৰীয় চৰকাৰৰ ধ্বজাবাহী কাৰ্যসূচীখনৰ ৰূপায়ণ যথাৰ্থভাৱে নিৰীক্ষণ কৰি আছে। মই মাননীয় সদস্যসকলক জনাবলৈ পাই সুখী হৈছো যে পানী যোগান প্ৰকল্পত উদ্যান/সেউজ স্থান নিৰ্মাণৰ বাবে ২০১৫-১৯ চনৰ কালছোৱাত ছাৰ্ভিচ লেভেল ইমপ্ৰুভমেণ্ট প্লেন (SLIP)ত কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে মুঠ ৬৫৫.২৫ কোটি টকাত অনুমোদন জনাইছে।

১৬৪। যোৱা কেইটামান মাহত আমি ২৫ খন নগৰত দক্ষতা উন্নয়ন সজাগতা কাৰ্যসূচী 'উৎকৰ্ষ' (UTKARSHA) সম্পূৰ্ণ কৰিছো আৰু দক্ষতা প্ৰশিক্ষণ আৰু সংস্থাপন প্ৰদানৰ ব্যৱস্থাৰ অধীনত বিভিন্ন ব্যৱসায়ত ৫৯৫৯ গৰাকী প্ৰাৰ্থীক প্ৰশিক্ষণ দিয়া হৈছে।

১৬৫। তাৰোপৰি, ৰাষ্ট্ৰীয় জীৱিকা অভিযান (নগৰীয়া)ৰ অধীনত আমি চহৰৰ ৫০,০০০ গৰাকী দুখীয়া যুৱক-যুৱতীক দক্ষতা উন্নয়ন ব্যৱস্থাৰ অধীনত প্ৰশিক্ষণ প্ৰদানৰ প্ৰস্তাৱ কৰিছো। ইয়াৰ লগতে অসমৰ ১৫ খন প্ৰসিদ্ধ নগৰ-চহৰত থকা নগৰীয়া জীৱিকা কেন্দ্ৰত ৩০০০ মহিলা আত্মসহায়ক গোটক ঘূৰ্ণীয়মান পুঁজি যোগান ধৰা হ'ব। অনুসূচিত জাতি উপ-পৰিকল্পনাৰ অধীনত অনুসূচিত জাতি অধ্যুষিত এলেকাত সংযোগী পথ নিৰ্মাণৰ বাবে আঁচনি লোৱা হ'ব।

১৬৬। স্বচ্ছ ভাৰত অভিযান (নগৰীয়া) অসমৰ অধীনত নগৰীয়া অনাময় দৃশ্যপট উন্নতকৰণৰ অৰ্থে ২০১৭ চনৰ ২ অক্টোবৰৰ পূৰ্বে অসমৰ ৯৭ খন নগৰীয়া স্থানীয় নিকায়ক মুকলি স্থানত মলত্যাগমুক্ত হিচাপে ঘোষণা কৰা হ'ব। ইয়াৰ বাবে ৬৬,৬২৪ টা ব্যক্তিগত শৌচালয় আৰু ২,২৮০ টা সামূহিক আৰু ৰাজহুৱা শৌচালয় নিৰ্মাণ কৰা হ'ব।

**গুৱাহাটী উন্নয়ন বিভাগ ঃ দুৱাৰমুখৰ পৰিবৰ্দ্ধন**

১৬৭। আপোনালোকে জানে যে দ্ৰুত আৰু ক্ষিপ্ৰ উন্নয়ন আৰু বিস্তৃতি লাভ কৰা গুৱাহাটীয়েই হৈছে সমগ্ৰ ৰাজ্যখনৰ একমাত্ৰ নিগম। মহানগৰীৰ ধাৰাবাহিক উন্নয়নৰ বাবে আৰু সীমামুৰীয়া অঞ্চলসমূহৰ অপৰিকল্পিত বৃদ্ধি ৰোধ কৰাৰ উদ্দেশ্যে এক দীৰ্ঘম্যাদী পৰিকল্পনা হাতত লোৱাৰ লগতে আৰু তেনে অঞ্চলসমূহ মণ্ডল হিচাপে ভাগ কৰাত গুৰুত্ব আৰোপ কৰা হৈছে।

১৬৮। আমাৰ দূৰদৰ্শী মাননীয় মুখ্য মন্ত্ৰীয়ে এই কথা চিন্তা কৰিয়েই যোৱা স্বাধীনতা দিৱসৰ ভাষণত গুৱাহাটী আৰু ইয়াৰ দাতি-কাষৰীয়া এলেকাসমূহক সামৰি 'ৰাজ্যিক ৰাজধানী অঞ্চল' গঠনৰ কথা ঘোষণা কৰিছিল। এই সন্দৰ্ভত আমি ইতিমধ্যে প্ৰাথমিক কাম-কাজ আৰম্ভ কৰাৰ লগতে ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলকে ধৰি দেশৰ বিভিন্ন মহানগৰ উন্নয়নৰ আৰ্হিৰ বিষয়ে অধ্যয়ন কৰি থকা হৈছে। ইয়াৰ বাবে 'অসম ৰাজ্যিক ৰাজধানী অঞ্চল উন্নয়ন অভিকৰণ (ASCRDA)' নামেৰে এক পৃথক প্ৰাধিকাৰী গঠন কৰাৰ কথা বিবেচনা কৰা হৈছে। এই অভিকৰণে GMDA, GMC আৰু অন্যান্য স্থানীয় নগৰ-নিকায় আৰু পঞ্চায়তসমূহকে

ধৰি সকলোবোৰ সংস্থাৰ সহযোগত গুৱাহাটীক এক বৃহৎ গতিশীল (Vibrant) মহানগৰী হিচাপে গঢ়ি তোলাৰ বাবে কাম কৰিব। আমি অতি শীঘ্ৰেই অসম ৰাজ্যিক ৰাজধানী উন্নয়ন অভিকৰণক বাস্তৱ ৰূপ দিয়াৰ বাবে এক খচৰা বিধেয়ক উত্থাপন কৰিম।

১৬৯। উত্তৰ পাৰত গুৱাহাটী মহানগৰীৰ সম্প্ৰসাৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰি ব্ৰহ্মপুত্ৰৰ ওপৰত দুখন দলং নিৰ্মাণৰ বাবে এটা নতুন প্ৰকল্প গ্ৰহণ কৰা হৈছে। ইয়াৰে এখন দলং পাণবজাৰৰ পৰা উত্তৰ গুৱাহাটীলৈ আৰু আনখন পলাশবাৰীৰ পৰা শুৱালকুছিলৈ সংযোগ কৰা হ'ব। ইয়াৰ বাবে বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ পৰামৰ্শমূলক কাম-কাজ (Consultancy Works)ৰ বাবে আন্তৰ্জাতিক নিবিদা (Global Tender) আহ্বান কৰা হৈছে। এই দলং দুখন নিৰ্মাণৰ বাবে চলিত বিত্তীয় বৰ্ষত ১০০ কোটি টকাৰ আবণ্টন দিছো। এই প্ৰকল্প সম্পূৰ্ণ হৈ উঠিলে গুৱাহাটী মহানগৰ উত্তৰপাৰলৈ সম্প্ৰসাৰিত হ'ব আৰু মহানগৰীখনে সৰ্বদিশৰ শ্বাসৰূদ্ধকৰ পৰিৱেশৰ পৰাও সকাহ পাব।

১৭০। ইতিপূৰ্বে মোৰ ভাষণত মই বৃহৎ মহানগৰৰ সা-সুবিধা উন্নয়নৰ বিষয়ে কৈছিলো আৰু নিশ্চিতভাৱে গুৱাহাটীকো বুজন পৰিমাণৰ বিনিয়োগৰ প্ৰয়োজন। সেই অনুপাতে মই মোৰ বাজেটত ২০০ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো, যিখিনি ধন মহানগৰীৰ উল্লেখনীয় ৰাজহুৱা আন্তঃগাঁথনি প্ৰকল্পৰ উন্নতিসাধনৰ বাবে তিনি বছৰৰ ভিতৰত মোকলাই দিয়া হ'ব।

১৭১। মই আপোনালোকক জনাব খোজো যে 'গুৱাহাটী স্মাৰ্ট চিটি' প্ৰকল্পৰ প্ৰাথমিক কাম-কাজ আৰম্ভ কৰা হৈছে আৰু ইয়াৰ বাবে কেন্দ্ৰীয় অংশ হিচাপে ১৮৯ কোটি টকা লাভ কৰা হৈছে। এই মৰ্যাদাপূৰ্ণ প্ৰকল্পটোৰ বাবে মই চলিত বাজেটত ৪০০ কোটি টকা আগবঢ়াইছো।

১৭২। আমাৰ চৰকাৰে 'গুৱাহাটী অ'পেন স্পেছ এণ্ড্ পাৰ্ক ইন্টিগ্ৰেটৰ নেটৱৰ্ক'ৰ অধীনত ছিংগাপুৰৰ 'পাৰ্ক ইণ্টাৰকানেক্ট মডেল'ৰ আৰ্হিত ফাঁচীবজাৰৰ পুৰণি কাৰাগাৰ চৌহদত  এখন আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ উদ্ভিদ উদ্যান নিৰ্মাণ কৰাৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰিছে। তদুপৰি, দক্ষিণ আৰু উত্তৰ গুৱাহাটী সংযোগী দীৰ্ঘদিনীয়া 'ৰজ্জু পথ' (Ropeway) প্ৰকল্পৰ কাম

২০১৭ বৰ্ষৰ জুলাই মাহত সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে আৰু ইয়াৰ বাবে ইতিমধ্যে ১৮.৪৬ কোটি টকাৰ বিত্তীয় মঞ্জুৰি দিয়া হৈছে।

১৭৩। মহাশয় আমি জ্ঞাত যে, গোটা আৱৰ্জনা ব্যৱস্থাপনা আৰু পয়-প্ৰণালী হৈছে গুৱাহাটী মহানগৰীয়ে সন্মুখীন হোৱা গুৰুতৰ সমস্যা। এই সমস্যাবোৰ সমাধানৰ বাবে গুৱাহাটী জল ব'ৰ্ডে ৰাজ্যিক পুঁজিৰ অংশৰে মহানগৰখনৰ অধিকাংশ অঞ্চল সামৰি এক প্ৰকল্প ৰূপায়ণ কৰিব যিটো ২০২২ চনত সম্পূৰ্ণ হ'ব। মহানগৰীৰ গোটা আৱৰ্জনাৰ বিষয়টো উন্নীত কৰা আৰু উন্নত পৰিচালনাৰ বাবে আই আই টি খৰগপুৰক পৰামৰ্শদাতা হিচাপে নিয়োগ কৰা হৈছে যিয়ে পৰিৱেশ প্ৰদূষণত বাধা দিবলৈ বৰাগাঁৱত থকা আৱৰ্জনা স্থলীসমূহৰ বৈজ্ঞানিক পৰিচালনাৰ বাবে প্ৰয়োজনীয় প্ৰাথমিক আৰ্হিৰ বিষয়ে পৰামৰ্শ দিব।

১৭৪। এই বৃহৎ মহানগৰখনৰ নাগৰিকসকললৈ খোৱা পানীৰ সুবিধা আগবঢ়োৱাৰ অৰ্থে জে এন এন ইউ আৰ এম (JNNURM)ৰ সহায়ত ২০১৭ চনৰ এপ্ৰিল মাহত এছ জি ডব্লিউ ডব্লিউ এছ (SGWWS) প্ৰকল্পটোৰ কাম আৰম্ভ কৰা হ'ব আৰু সেই অনুসৰি জাপান আন্তঃৰাষ্ট্ৰীয় সমবায় অভিকৰণ (JICA)ৰ দ্বাৰা সাহায্যপ্ৰাপ্ত জি ডব্লিউ এছ পিৰ প্ৰথম পৰ্যায়ৰ কামৰ দ্বাৰা ২০১৭ চনত আংশিকভাৱে কাৰ্যক্ষম কৰাৰ জৰিয়তে পানী যোগান ধৰা হ'ব। ২০১৭-১৮ বিত্তীয় বৰ্ষৰ বাবে জাইকাৰ সহায়ত জি ডব্লিউ এছ পি-ৰ বাবে ২০৫.২৮ কোটি টকাৰ প্ৰস্তাৱ কৰা হৈছে।

১৭৫। গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বানৰ বহুদিনীয়া সমস্যাটো সমাধানকল্পে জু' ৰোড, চানমাৰি, জ্যোতিনগৰ আৰু নুনমাটিৰ সমগ্ৰ বানপানী নিষ্কাশনৰ বাবে নুনমাটি বেচিনত পকী নৰ্দমা নিৰ্মাণৰ কাম হাতত লোৱা হৈছে আৰু ২০১৭ চনৰ এপ্ৰিলত ই সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। তদুপৰি অনিলনগৰ আৰু লাচিত নগৰত পানী জমা হোৱা গাঁত (Sump wells) নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে। এইটোৱে ভৰলু নদীৰ উভতনী সূতিটো (Back flow) বন্ধ কৰিব আৰু আবদ্ধ পানীখিনি পাম্পবোৰেৰে কম সময়তে আঁতৰাবলৈ সক্ষম হ'ব।

১৭৬। সন্মানীয় সদস্যসকল, গুৱাহাটীৰ ৰাজহুৱা যান-বাহন পাৰ্কিং কৰা ঠাইৰ নাটনিৰ সমস্যাটো সমাধান কৰিবলৈ ২০১৭-১৮ বিত্তীয় বৰ্ষত ৩২ কোটি

টকা ব্যয়ৰে দুটা বহুমহলীয়া কাৰ পাৰ্কিং স্থলী নিৰ্মাণৰ প্ৰস্তাৱ লোৱা হৈছে। ইয়াৰে এটা পাণবজাৰৰ পাঠ্যপুথি নিগমৰ ভূমিত আৰু আনটো গণেশগুৰিত থকা জি এম ডি এ (GMDA) পাৰ্কিঙৰ তলত আণ্ডাৰগ্ৰাউণ্ড কাৰ পাৰ্কিং হিচাপে নিৰ্মাণ কৰা হ'ব।

১৭৭। অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে গুৱাহাটীত নগৰ উন্নয়ন এটা ৰাজ্যিক প্ৰতিষ্ঠান স্থাপন কৰিবলৈ প্ৰস্তাৱ কৰিছে আৰু ইয়াৰ বাবে চলিত বিত্তীয় বৰ্ষত ২ কোটি টকাৰ প্ৰস্তাৱ আগবঢ়াইছে, যিয়ে পৌৰ নিগমক কৰ্মচাৰীসকলৰ মাজত সামৰ্থ্য বৃদ্ধিত সহায় কৰিব।

**দক্ষতা উন্নয়ন, নিয়োগ আৰু উদ্যমিতা তথা শ্ৰমিক কল্যাণ বিভাগ ঃ**
**অগ্ৰগণ্য অগ্ৰাধিকাৰ**

১৭৮। মাননীয় প্ৰধান মন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ সবল নেতৃত্বত দক্ষতা আৰু উদ্যমিতাৰ ওপৰত গুৰুত্ব প্ৰদানৰ ফলত আমাৰ দেশখনৰ শ্ৰম আৰু নিয়োগ খণ্ডটোৰ আমূল পৰিৱৰ্তন ঘটিছে।

১৭৯। এই লক্ষ্যৰ লগত সংগতি ৰাখি আমাৰ চৰকাৰে দক্ষতা উন্নয়ন, নিয়োগ আৰু উদ্যমিতা বিভাগ নামেৰে এটা নতুন বিভাগ ইতিমধ্যে গঠন কৰিছে। দক্ষ কৰ্ম শক্তি প্ৰদানৰ ক্ষেত্ৰত বিশ্বৰ নেতৃত্ব লবলৈ আগবঢ়া দেশখনক আমাৰ সহযোগ আগবঢ়াবলৈ ইয়ে ৰাজ্যখনক সহায় কৰিব। এক সংঘবদ্ধ আৰু সু-সমন্বিত প্ৰশাসনীয় গাঁথনিৰ জৰিয়তেহে আমি দক্ষতা উন্নয়নৰ পদক্ষেপসমূহক প্ৰকৃতাৰ্থত ফলপ্ৰসূ কৰি তুলিব পাৰো।

১৮০। মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে অসমৰ যুৱক-যুৱতীসকলৰ বাবে নিয়োগৰ পৰ্যাপ্ত সুযোগ মুকলি কৰিবলৈ প্ৰধানমন্ত্ৰীৰ কৌশল বিকাশ যোজনাৰ আৰ্হিত আমাৰ ৰাজ্যখনত ৩৩ টা দক্ষতা বিকাশ কেন্দ্ৰ স্থাপন কৰা হ'ব। সঠিক অধ্যয়নৰ পিছত এই কেন্দ্ৰ সমূহৰ প্ৰকৃত স্থান অতি সোনকালেই নিৰ্ধাৰণ কৰা হ'ব। চলিত বাজেটত এই উদ্দেশ্যৰ বাবে মই ১০ কোটি টকা আবন্টনৰ প্ৰস্তাৱ আগবঢ়াইছো। মোৰ বিগত বৰ্ষৰ বাজেট ঘোষণা অনুসৰি 'ড্ৰাইভিং স্কুল' স্থাপনৰ কাম-কাজো খৰতকীয়া কৰি তোলা হ'ব।

১৮১। আমাৰ চৰকাৰে ৰাজ্যখনত এখন 'দক্ষ নগৰী' (Skill city) স্থাপন কৰাৰো প্ৰস্তাৱ লৈছে। ইয়াত ভালেসংখ্যক বিশেষভাৱে দক্ষ বিদ্যালয় থাকিব, প্ৰতিখনে কিছুমান কৌশল বা দক্ষতাৰ গোট অথবা একোটা খণ্ডৰ সেৱা আগবঢ়াব। এনে ধৰণৰ প্ৰথমখন বিদ্যালয় এই বছৰৰ ভিতৰতে আতিথ্য খণ্ডত স্থাপন কৰা হ'ব। মই জনাবলৈ পাই সুখী হৈছো যে এই ক্ষেত্ৰত আমাৰ চৰকাৰে ইতিমধ্যে আই টি ই (Institute of Technical Education) চিংগাপুৰৰ সৈতে এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে। 'দক্ষ নগৰী' স্থাপনৰ প্ৰাথমিক কাম-কাজ হাতত লোৱাৰ বাবে বাজেটত মই ২ কোটি টকা আবন্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়াইছো।

১৮২। এই নতুন বিভাগটোৰ অধীনত অসম দক্ষতা উন্নয়ন অভিযানক এটা মূল সংস্থা হিচাপে গঢ়ি তোলা হ'ব আৰু সমগ্ৰ ৰাজ্যখনৰ সকলোবোৰ খণ্ডৰ দক্ষতা উন্নয়নমূলক সমস্ত কাম-কাজক ইয়াৰ অধীনত সামৰি লোৱা হ'ব।

১৮৩। আমি দিব্যাংগসকলৰ বাবে এখন বিশেষ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপনৰো প্ৰস্তাৱ আগবঢ়াইছো। অনলাইনযোগে পঞ্জীয়নৰ সা-সুবিধা, কেৰিয়াৰৰ পৰামৰ্শ আৰু নিযুক্তিৰ সা-সুবিধাসহ এই বিশেষভাৱে সক্ষম যুৱক-যুৱতীসকলৰ বাবে নিয়োগ বিনিময় কেন্দ্ৰসমূহক আধুনিক আৰু কম্পিউটাৰাইজ্ কেৰিয়াৰ পৰামৰ্শদান কেন্দ্ৰলৈ ৰূপান্তৰ কৰা হ'ব। ই হ'ব দিব্যাংগসকলৰ সবলীকৰণৰ বাবে এক বৃহৎ পদক্ষেপ। চলিত বাজেটত ইয়াৰ বাবে মই পৰ্যাপ্ত পুঁজিৰ ব্যৱস্থা কৰিছো।

১৮৪। অসমত গ্ৰাম্য আত্মনিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠান (RSETI)ৰ যোগেদি বেংকবোৰে যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ ক্ষেত্ৰত যি প্ৰচেষ্টা আৰম্ভ কৰিছে আমাৰ চৰকাৰে তাক আদৰণি জনাইছে। বেংকবোৰৰ এই প্ৰচেষ্টাত আমি অংশগ্ৰহণ কৰিব খোজো যাতে যুৱক-যুৱতীসকলৰ প্ৰতি সহায়ৰ হাত আগবঢ়াব পৰা যায়। সেই অনুসৰি বৰ্তমানৰ বাজেটত এই প্ৰতিষ্ঠানৰ সহায়ৰ বাবে ১০ লাখ টকাৰ এটা এককালীন অনুদান আগবঢ়াবলৈ প্ৰস্তাৱ দিছো।

**পৰিবহন বিভাগ ঃ পথ আৰু নদী-যোগাযোগৰ সিপাৰে**

১৮৫। পথ দুৰ্ঘটনা আৰু দুৰ্ঘটনাজনিত মৃত্যুৰ সংখ্যা হ্ৰাস কৰিবলৈ আমাৰ চৰকাৰে ৰাজ্যিক পথ সুৰক্ষা নীতি ঘোষণা কৰিছে। সমান্তৰালভাৱে আমাৰ চৰকাৰে ৰাজ্যিক পথ সুৰক্ষা প্ৰাধিকৰণ গঠন কৰাৰ বাবেও পদক্ষেপ গ্ৰহণ কৰিছে।

১৮৬। পৰিবহন বিভাগে বিক্ৰী কেন্দ্ৰতেই যান-বাহনৰ অন-লাইন পঞ্জীয়নৰ ব্যৱস্থা কৰিছে আৰু এই ব্যৱস্থাই পৰ্যায়ক্ৰমে সকলো জিলাকে সামৰি ল'ব। ৰাজ্যখনৰ সকলো জিলা পৰিবহন কাৰ্যালয়তে চি চি টি ভি স্থাপনৰ ব্যৱস্থা কৰা হৈছে। আভ্যন্তৰীণ জল পৰিবহন খণ্ডক পুনৰুজ্জীৱিত কৰাৰ বাবেও প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই লক্ষ্য আগত ৰাখি অসম আভ্যন্তৰীণ জল প্ৰকল্প ৰূপায়ণৰ বাবে আমাৰ চৰকাৰে 'অসম আভ্যন্তৰীণ জলপৰিবহন উন্নয়ন সমিতি' গঠনত অনুমোদন জনাইছে।

১৮৭। যাত্ৰী আৰু পৰ্যটকসকলৰ চাহিদাৰ জোৰা মৰাৰ বাবে আমাৰ চৰকাৰে নতুন আধুনিক নৌকা আৰু ফেৰী নাওঁ (River Taxi) ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিব। অসম ৰাজ্যিক পৰিবহন নিগমৰ পুনৰ গঠন আৰু পুনৰুজ্জীৱিতকৰণৰ বাবে আমাৰ চৰকাৰে সম্ভৱপৰ সকলো পদক্ষেপ গ্ৰহণ কৰাৰ লগতে উজনি অসমলৈ আহ-যাহ কৰা যাত্ৰীসকলৰ সুবিধাৰ বাবে খানাপাৰাত এটা ক্ষুদ্ৰ আন্তঃৰাজ্যিক বাছ আস্থান স্থাপন কৰিবলৈও সিদ্ধান্ত গ্ৰহণ কৰিছে। তেজপুৰ আৰু কোকৰাঝাৰতো আন দুটা আন্তঃৰাজ্যিক বাছ আস্থান স্থাপন কৰা হ'ব।

১৮৮। পথ কৰ সংগ্ৰহৰ বাবে বৈদ্যুতিন তালাচী চকী (Electronic Check Gate) স্থাপন আৰু মুখ্যমন্ত্ৰীৰ গ্ৰামীণ পৰিবহন যোজনাৰ দৰে নতুন প্ৰকল্প হাতত লোৱাৰ বাবেও আমাৰ চৰকাৰে প্ৰস্তাৱ লৈছে। তদুপৰি, জাগীৰোডত এটা বহুমুখী আদৰ্শ আস্থানো (Multi Model Terminal) স্থাপন কৰা হ'ব।

**হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগ ঃ সপোনৰ তাঁতশালত ভৱিষ্যতৰ আঁচুফুল**

১৮৯। মোৰ ভাষণৰ আৰম্ভণিতে 'মিছন মুগা'ক আমাৰ চৰকাৰৰ এখন ধ্বজাবাহী আঁচনি হিচাপে মই ঘোষণা কৰিছিলো আৰু ২০১৭-১৮ বৰ্ষত এই

আঁচনিৰ বাবে মই ইতিমধ্যেই ১০০ কোটি টকা আৱণ্টন দিছো। উৎপাদনৰ পৰা বিপণনলৈকে সকলোকে সামৰি লোৱা এই অভিযান হৈছে এক অতিকৈ বৃহৎ প্ৰকল্প।

১৯০। তদুপৰি, ৰাজ্যখনৰ শিপিনীসকলক বিশেষকৈ দুখীয়া মহিলাসকলক যাতে সুলভ মূল্যত গুণগত মানৰ সূতা নিয়মীয়াকৈ যোগান ধৰিব পৰা যায় তাৰ বাবে বৰ্তমানে থকা সূতাৰ ভঁৰালসমূহক টনকিয়াল কৰাৰ লগতে অধিক সূতা ভঁৰাল সৃষ্টি কৰাটোত আমি গুৰুত্ব প্ৰদান কৰিছো। সেই অনুসৰি ইয়াৰ বাবে মই ৩.৪৬ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ কৰিছো।

১৯১। দ্বিতীয়তে, যদিও শুৱালকুছিক পাট শিল্পৰ এক প্ৰসিদ্ধ কেন্দ্ৰ হিচাপে জনা যায়, শেহতীয়াকৈ নুনি পাট সূতাৰ বৰ্দ্ধিত মূল্যৰ বাবে এই উদ্যোগটো অৱনমিত হৈছে। যদি ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত হস্তক্ষেপ নকৰে, মোৰ শংকা হয়, শুৱালকুছি আৰু অসমৰ পাট সূতাৰ গৌৰৱ চিৰদিনৰ বাবে কালৰ বুকুত হেৰাই যাব। সেয়েহে এই সমস্যাক দুই ধৰণে সমাধান কৰাৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। প্ৰথমতে, আমি এটা সম্পূৰ্ণভাৱে নুনি পাট সূতাৰ ভঁৰাল স্থাপন কৰিব লাগিব যাতে প্ৰয়োজনীয় পৰিমাণৰ আৰু গুণগত মানৰ পাট সূতা থাউকতে উপলব্ধ হয়। দ্বিতীয়তে, এই সূতা সুলভ মূল্যত যোগান ধৰিবলৈ আৰু ইয়াৰ বজাৰ মূল্যৰ ওপৰত ৰাজ্য চৰকাৰে ২০% ৰাজসাহায্য প্ৰদান কৰিবলৈ আমি প্ৰস্তাৱ আগবঢ়াইছো। এই উদ্দেশ্যে চলিত বাজেটত মই ২০ কোটি টকা ধাৰ্য কৰিছো।

অসম খাদী গ্ৰামীণ উদ্যোগ পৰিষদ (AKVIB) ৰ অধীনত আমাৰ বহু কেইটা খাদী কেন্দ্ৰ আছে আৰু সেইবোৰ আমাৰ শক্তি, যদিহে আমি এই খাদী কেন্দ্ৰসমূহক বিকল্প হিচাপে গঢ়ি তুলিব আৰু পেছাদাৰীভাৱে নিয়ন্ত্ৰণ কৰিব পাৰো। সেই মৰ্মে মই ৪৭ টা তেনে খাদী কেন্দ্ৰ উন্নীত কৰাৰ প্ৰস্তাৱ আগবঢ়াইছো। প্ৰাৰম্ভিকভাৱে মই ৪.৭ কোটি টকা আৱণ্টন দিছো। ২০১৭-১৮ বৰ্ষত উৎকৃষ্ট মানৰ হস্ততাঁত উৎপাদন কেন্দ্ৰ স্থাপন কৰাৰ বাবে মই প্ৰস্তাৱ গ্ৰহণ কৰিছো।

**উদ্যোগ আৰু বাণিজ্য বিভাগ ঃ চৰ্তুমুখী বিকাশৰ সূৰ্যোদয়**

১৯২। আমাৰ ভিজন ডকুমেণ্টত উদ্যোগ আৰু বাণিজ্য বিকাশত উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। এই ডকুমেণ্টত লগতে ৰাজ্যখনত 'ইজ অৱ ডুইং বিজনেছ'ৰ গুৰুত্ব সম্পৰ্কেও উল্লেখ কৰা হৈছে। মই ইতিমধ্যে পূৰ্বৱৰ্তী দফাত SVAYEM নামৰ অন্যতম বৃহৎ স্ব-নিয়োজন কাৰ্যসূচী সম্পৰ্কে উল্লেখ কৰিছো। পৱিত্ৰ সদনক মই আশ্বাস দিওঁ যে ২০১৭-১৮ বৰ্ষৰ আঁচনিৰ সফলতাৰ ওপৰত নিৰ্ভৰ কৰি আমি পৰৱৰ্তী বৰ্ষতো আঁচনিখনৰ সম্প্ৰসাৰণ কৰিম।

১৯৩। মহাশয়, আপুনি জানি সুখী হ'ব যে এই নতুন চৰকাৰখন গঠন হোৱাৰ পিছতেই বিধান সভাৰ প্ৰথমখন অধিবেশনত 'ইজ অৱ ডুইং বিজনেছ' আইনখন আমি গৃহীত কৰিছিলো।

১৯৪। যোৱা বাৰৰ বাজেট ভাষণত মই গুৱাহাটীত 'প্ৰাণৱন্ত' (Vivacious) অসম শীৰ্ষক বাণিজ্যিক সন্মিলনৰ আয়োজনৰ বিষয়ে উল্লেখ কৰিছিলো। অৱশ্যে আমাৰ চৰকাৰেযোৱা সময়ছোৱাত বিভিন্ন গুৰুত্বপূৰ্ণ অনুষ্ঠান আয়োজিত কৰিব লগা হোৱাৰ বাবে আমি এতিয়া ২০১৭ চনৰ অক্টোবৰ/নৱেম্বৰ মাহত এই সন্মিলন অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ লৈছো। এই সন্মিলনৰ পূৰ্বে বিনিয়োগকাৰীসকলক আকৰ্ষিত কৰাৰ বাবে কিছুমান গুৰুত্বপূৰ্ণ নীতি গ্ৰহণ কৰিবলৈও আমি প্ৰস্তাৱ গ্ৰহণ কৰিছো। এই উদ্দেশ্যে আমি ইতিমধ্যে ২০ কোটি টকা মঞ্জুৰ কৰিছো আৰু মই আশা কৰো যে যথা সময়ত আমাৰ এই সন্মিলনখনক 'Vibrant Gujrat'ৰ সৈতে তুলনা কৰিব পৰা যাব।

১৯৫। ঔদ্যোগিক ভূমি বেংক (Industrial Land Bank) গঠন আৰু উদ্যোগৰ বাবে ভূমিৰ আবণ্টনৰ স্বচ্ছ নীতি আমাৰ কাৰ্যসূচীত আছে। আমাৰ চৰকাৰে ৰাজ্যখনত খাদ্য উদ্যান, ভেষজ উদ্যান, চাহ উদ্যান আৰু বস্ত্ৰ শিল্প উদ্যানৰ দৰে খণ্ডীয় উদ্যান (Sectoral Park) নিৰ্মাণ কৰিবলৈও প্ৰস্তাৱ লৈছে। 'Start ups' কাৰ্যসূচীক উৎসাহিত কৰাৰ উদ্দেশ্যে ইনকিউবেচন চেণ্টাৰ (Incubation Centre)সমূহ উন্নীত কৰা হ'ব। আমি লগতে ৰাজ্যখনৰ বিভিন্ন অঞ্চলত 'ঔদ্যোগিক নগৰী (Industrial Township)' স্থাপনৰ বাবেও প্ৰস্তাৱ লৈছো।

১৯৬। আমাৰ চৰকাৰ প্ৰতিৱেশী দেশসমূহৰ সৈতে দ্বিপাক্ষিক বাণিজ্য বিকাশতো আগ্ৰহী। এছিয়ান (ASEAN) আৰু দক্ষিণ এছিয়াৰ দেশসমূহৰ সৈতে বাণিজ্যৰ বিকাশৰ অৰ্থে সংশ্লিষ্ট অংশীদাৰসকলক জড়িত কৰোৱাৰ উদ্দেশ্যে এক্ট-ইষ্ট (Act East) নীতিৰ বাবে এটা নতুন বিভাগ গঠন কৰিবলৈও আমি প্ৰস্তাৱ গ্ৰহণ কৰিছো। অসমৰ বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতি আৰু পৰম্পৰাই হৈছে হস্তশিল্পৰ সৃজনশীলতাৰ এক শক্তিশালী উপাদান। শিল্প উদ্যোগক শক্তিশালী কৰাৰ অৰ্থে শিল্প উদ্যোগ আৰু অন্যান্য সূক্ষ্ম আৰু ক্ষুদ্ৰ উদ্যোগৰ উৎপাদিত সামগ্ৰীসমূহৰ বিপণনৰ বাবে এখন মঞ্চ তৈয়াৰ কৰাৰ বাবে অতি শীঘ্ৰে এক 'শিল্প নীতি' ঘোষণা কৰা হ'ব।

১৯৭। ৰাজ্যখনত সামগ্ৰিক ঔদ্যোগীকৰণৰ উদ্দেশ্যে খাদ্য/কৃষিজাত সামগ্ৰীৰ প্ৰাথমিক সংশোধনৰ বাবে উৎপাদন কেন্দ্ৰসমূহত 'প্ৰাথমিক উৎপাদন কেন্দ্ৰ' স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে।

১৯৮। মহাশয়, আপুনি জানি সুখী হ'ব যে নুমলীগড় শোধনাগাৰ লিমিটেডে ৯৫০ কোটি টকা ব্যয়ৰে "ফুৱেল গ্ৰেড ইথানল" (Fuel Grade Ethanol) উৎপাদনৰ বাবে এটা জৈৱ শোধনাগাৰ প্ৰকল্প ৰূপায়ণ কৰি আছে। এই প্ৰকল্পটোৱে প্ৰতিবছৰে ৫ লাখ টন সেউজীয়া বাঁহ সংসাধন কৰিব। এই প্ৰকল্পই কেন্দ্ৰীয় চৰকাৰৰ ইথালন মিশ্ৰণ কাৰ্যসূচীক সহায় কৰাৰ লগতে বাঁহ খেতি আৰু অৰ্ধ সংসাধন ব্যৱস্থাৰ জৰিয়তে ব্যাপক হাৰত থলুৱা নিযুক্তিৰ প্ৰসাৰ সাধন কৰিব।

১৯৯। ৰাজ্যত যিহেতু পৰ্যাপ্ত পৰিমাণৰ বাঁহ উৎপাদন হয়, সেয়েহে এই অনন্য প্ৰকল্পটো আমাৰ সমাজৰ বাবে প্ৰকৃত আশীৰ্বাদস্বৰূপ হ'ব। যি সময়ত বাঁহ উৎপাদন হোৱা অঞ্চল হ্ৰাস পাবলৈ ধৰিছে, তেনে সময়ত এই প্ৰকল্পটো এক বৃহৎ বৰদানস্বৰূপ হ'ব। এই জৈৱ শোধনাগাৰে অসমৰ গ্ৰাম্য অৰ্থনীতিৰ দৃশ্যপট সলনি কৰাৰ লগতে বাঁহ উৎপাদন হোৱা অঞ্চল সম্প্ৰসাৰণত উৎসাহ যোগাব বুলি আশা কৰা হৈছে। এই প্ৰকল্পটো কাৰ্যক্ষম হোৱালৈ আমি আগ্ৰহেৰে অপেক্ষা কৰি আছো। এই তৃতীয় প্ৰজন্মৰ তথ্য প্ৰযুক্তিৰ প্ৰতি ৰাজ্য চৰকাৰে সক্ৰিয়ভাৱে সমৰ্থন আগবঢ়াব।

এই প্ৰকল্পৰ আমি সহযোগী হ'ম আৰু ইয়াৰ বাবে প্ৰয়োজনীয় উদগনিমূলক ব্যৱস্থা গ্ৰহণ কৰিম।

২০০। ওপৰত উল্লেখ কৰা বিষয়সমূহকে ধৰি উদ্যোগ আৰু বাণিজ্য বিভাগৰ বিভিন্ন কাম-কাজৰ বাবে চলিত বাজেটত ৪৩৩.৫০ কোটি টকা আৱণ্টন দিয়াৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

**বিজ্ঞান আৰু প্ৰযুক্তি বিভাগ ঃ জনগণৰ হাতত প্ৰযুক্তিৰ সোপান**

২০১। আমাৰ চৰকাৰে বিজ্ঞান আৰু প্ৰযুক্তিৰ অবিৰত উন্নয়নৰ ওপৰত উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। সৰ্বসাধাৰণৰ মাজত বিজ্ঞানৰ প্ৰসাৰৰ লগতে উৎকৰ্ষতাৰ বাবে ৰাজ্যখনত নতুন প্ৰতিষ্ঠান স্থাপনৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

২০২। ৰাজ্যখনৰ চুকে-কোণে বিজ্ঞানৰ প্ৰসাৰৰ বাবে চৰকাৰে ২০১৭ বৰ্ষত ২৩ টা জিলা বিজ্ঞান কেন্দ্ৰ স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিজ্ঞান সংগ্ৰহালয়সমূহৰ ৰাষ্ট্ৰীয় পৰিষদ (NCSM) আৰু অসম চৰকাৰৰ যুটীয়া উদ্যোগত গুৱাহাটীৰ ওচৰৰ সোণাপুৰত স্থাপন কৰিবলৈ লোৱা বৃহৎ বিজ্ঞান নগৰী প্ৰকল্পৰ নিৰ্মাণ কাৰ্য অহা ৩ বছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে।

২০৩। বিজ্ঞান, প্ৰযুক্তি, উদ্ভাৱন আৰু জ্যোতিৰ্বিদ্যাৰ ক্ষেত্ৰখনৰ প্ৰতি ছাত্ৰ-ছাত্ৰী আৰু সৰ্বসাধাৰণৰ আগ্ৰহ উল্লেখনীয়ভাৱে বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ২১৯ টা খণ্ড পৰ্যায়ৰ আৰ্য্যভট্ট বিজ্ঞান কেন্দ্ৰই ভাল ফলাফল প্ৰদৰ্শন কৰিছে।

২০৪। মাজুলী, কলিয়াবৰ, আমিনগাওঁ, বঙাইগাওঁ, ডিফু আৰু শিলচৰত ৬ টা নতুন তাৰকাগৃহ স্থাপন কৰাৰ পৰিকল্পনা কৰা হৈছে। প্ৰস্তাৱিত নতুন তাৰকাগৃহসমূহৰ বাবে আৱশ্যকীয় ভূমি চিনাক্ত কৰা হৈছে। নলবাৰী, উত্তৰ লক্ষীমপুৰ আৰু কোকৰাঝাৰত নিৰ্মাণৰত তাৰকাগৃহকেইটা প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত।

২০৫। জৱহৰলাল নেহৰু ৰাষ্ট্ৰীয় সৌৰ অভিযান (JNNSM), MNREৰ অধীনত

স্থানীয়ভাৱে সৌৰশক্তি উৎপাদনৰ বাবে আৰু গ্ৰীডলৈ অতিৰিক্ত বিদ্যুৎ যোগান ধৰাৰ অৰ্থে ভাৰত চৰকাৰে "Grid connected rooftop and small Solar Power Plants Programme" - নামৰ এক কাৰ্যসূচী আৰম্ভ কৰিছে। অসম বিদ্যুৎ নিয়ামক আয়োগে ২০১৫ চনৰ ১৪ মে' তাৰিখে সৌৰশক্তি সম্পন্ন পি ভি পদ্ধতিৰ মুঠ মিটাৰিং ব্যৱস্থা সম্পৰ্কীয় Regulations of Grid Interactive Solar PV System, 2015 খন প্ৰকাশ কৰিছে। আৱাসিক, প্ৰাতিষ্ঠানিক আৰু সামাজিক খণ্ড আদিত ৰূপায়ণৰ বাবে ভাৰত চৰকাৰৰ এম এন আৰ ইৰ পৰা ৭০% কেন্দ্ৰীয় বিত্তীয় সাহায্য পোৱা গৈছে। অসম শক্তি উন্নয়ন অভিকৰণে ৭০% কেন্দ্ৰীয় বিত্তীয় সাহায্যত ৰাজ্যখনৰ ওপৰোক্ত আঁচনিখন ৰূপায়ণৰ বাবে নীতিগতভাৱে ১৪ মেগাৱাট শক্তিসম্পন্ন সামৰ্থত অনুমোদন লাভ কৰিছে।

২০৬। জৈৱ প্ৰযুক্তি উদ্যানৰ বাবে অসম চৰকাৰে গুৱাহাটী জৈৱ প্ৰযুক্তি উদ্যানলৈ আমিনগাঁৱত ৬২ বিঘা, ৪ কঠা আৰু ১১ লেচা (২১ একৰ) ভূমি প্ৰদান কৰিছে। লগতে গুৱাহাটী জৈৱ প্ৰযুক্তি উদ্যান ইনকিউবেশ্যন কেন্দ্ৰৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰিবলৈ ৭ বিঘা মুকলি ভূমি চিনাক্ত কৰা হৈছে। গড়কাপ্তানি (গৃহ) বিভাগে গুৱাহাটী জৈৱ প্ৰযুক্তি উদ্যান ইনকিউবেশ্যন কেন্দ্ৰ নিৰ্মাণৰ বিতং প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰিছে। বাজেটত মই বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ বাবে ৫৫.৮২ কোটি টকা আৱণ্টন দিছো।

**সমবায় বিভাগ ঃ একতাই পৰম বল**

২০৭। ৰাষ্ট্ৰীয় গ্ৰামীন জীৱিকা মিছনৰ অধীনত কৃষি আৰু অন্যান্য উপ-খণ্ডসমূহৰ লগতে গ্ৰামীণ সংস্থাসমূহৰ নতুন সমবায় সমিতিৰ পঞ্জীকৰণে সমবায় খণ্ডক এক নতুন মাত্ৰা প্ৰদান কৰিছে।

২০৮। আদৰ্শ পৰামৰ্শদান কাৰ্যসূচী (Model Advocacy Programe)ৰ লগতে গ্ৰামীণ সংস্থাসমূহৰ উন্নীতকৰণ আৰু পঞ্জীকৰণ ধাৰাবাহিকভাৱে কৰি থকা হ'ব। ২০১৭-১৮ বৰ্ষত ৩,০০০ গ্ৰামীণ সংস্থাক উন্নীতকৰণৰ বাবে প্ৰস্তাৱ লোৱা হৈছে। ৩৩৭ খন ৰুগ্ন সমবায় সমিতিৰ বিত্তীয় অৱস্থা টনকিয়াল কৰাৰ বাবে বেংক সংযোজিত আঁচনি গ্ৰহণ কৰা হ'ব।

২০৯। খাদ্য আৰু অসামৰিক যোগান বিভাগ, নাবাৰ্ড আৰু ভাৰতীয় খাদ্য নিগমৰ নিৰ্দেশনাৰ অধীনত কৃষকসকলক তেওঁলোকৰ উৎপাদিত ধান সুচল ৰূপত বিক্ৰী কৰাৰ সুবিধা প্ৰদানৰ বাবে MSP ৰ অধীনত ধান ক্ৰয়ৰ বাবে সমবায় সমিতিসমূহক অংশ গ্ৰহণ কৰিবলৈ উৎসাহিত কৰা হ'ব। উন্নত কাম প্ৰদৰ্শন কৰা সমবায় সমিতিসমূহক ৰাজ্যিক, জিলা, মহকুমা আৰু সমবায় এই চাৰিটা পৰ্যায়ত নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব আৰু ইয়াৰ বাবে ২০১৭-১৮ বৰ্ষত ১ কোটি টকা ধাৰ্য্য কৰা হৈছে।

২১০। ৭৬ কোটি টকাৰ ব্যয়ৰে ২০১৭-১৮ বিত্তিয় বৰ্ষত ২০০তকৈ অধিক সমবায় সমিতিসমূহৰ গ্ৰাম্যভঁৰাল নিৰ্মাণৰ কাম হাতত লোৱা হ'ব। ইয়াৰ উপৰি গুৱাহাটীৰ পশ্চিম বৰাগাঁও আৰু হোজাইস্থিত অসম ৰাজ্যিক পণ্যাগাৰ নিগমৰ নিজা ভূমিত কমেও ৫০০০ মেট্ৰিক টন সামৰ্থৰ দুটা বহু কোঠালীযুক্ত শীতলীকৃত ভঁৰাল নিৰ্মাণ কৰা হ'ব।

**পৰ্যটন বিভাগ ঃ অতুলনীয় অসম**

২১১। সমগ্ৰ বিশ্বতে অসম অতিথি পৰায়ণতাৰ বাবে জনজাত। আমি এই গুৰুত্বপূৰ্ণ আৰু ৰাজহ অৰ্জনকাৰী খণ্ডত ভালেমান পদক্ষেপ গ্ৰহণ কৰিছো। ৰাজ্যখনলৈ পৰ্যটকৰ আগমন উল্লেখনীয়ভাৱে বৃদ্ধি পাইছে। ভাৰত আৰু বিদেশত অসমৰ চহকী সাংস্কৃতিক পৰম্পৰা আৰু পৰ্যটকৰ বাবে আকৰ্ষণীয় স্থানসমূহৰ বিষয়ে শৃংখলাবদ্ধভাৱে ব্যাপক প্ৰচাৰৰ উদ্দেশ্যে চৰকাৰে জনপ্ৰিয় চলচ্চিত্ৰ অভিনেত্ৰী প্ৰিয়ংকা চোপ্ৰাক অসম পৰ্যটনৰ ব্ৰেণ্ড এম্বেচাদৰ হিচাপে নিয়োগ কৰিছে। ইয়ে নিশ্চিতভাৱে অসমক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মানচিত্ৰলৈ লৈ যাব।

২১২। পুৰী-বৃন্দাবন-আজমীৰ দৰগাশ্বৰীফৰ দৰে গুৰুত্বপূৰ্ণ ধৰ্মীয় স্থানসমূহলৈ আমাৰ ৰাজ্যৰ পৰা ১৫,০০০ তীৰ্থযাত্ৰী পঠোৱাৰ ব্যৱস্থা কৰিছো। এই ধৰ্মীয় আৰু সাংস্কৃতিক ভ্ৰমণ ভাৰতীয় ৰে'লৰে আৰু ইণ্ডিয়ান ৰে'লৰে কেটাৰিং এণ্ড টুৰিজিম কৰপোৰেচন (IRCTC) ৰ জৰিয়তে কাৰ্যকৰী কৰা হ'ব। এই উদ্দেশ্যে, মই বাজেটত ১০ কোটি টকা ধাৰ্য কৰিছো।

২১৩। বৰ্তমান চলি থকা প্ৰশান্তি পৰ্যটন নিবাসৰ মান উন্নত কৰাৰ বাবে চৰকাৰে

আন এক পদক্ষেপ গ্ৰহণ কৰিছে। এই কাম ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্বৰ অধীনত কৰিবলৈ আমি প্ৰস্তাৱ লৈছোঁ। এই পদক্ষেপে নিশ্চিতভাৱে পৰ্যটকৰ থকাৰ সমস্যা দূৰ কৰিব আৰু পৰ্যটনৰ আন্তঃগাঁথনিত বিনিয়োগ কৰাৰ বাবে ব্যক্তিগত উদ্যোগীসকলক উৎসাহিত কৰিব। ইয়াৰ বাবে এইবাৰৰ বাজেটত আমি ৫ কোটি টকাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছোঁ।

২১৪। গ্ৰামীণ আন্তঃগাঁথনি উন্নয়ন পুঁজি (RIDF) ৰ অধীনত ১০ কোটি টকাৰ অৰ্থ-সাহায্যৰে মাজুলীত আমি এখন তিনি তাৰকাযুক্ত ৰিজৰ্ট/হোটেল স্থাপন কৰিবলৈ প্ৰস্তাৱ লৈছোঁ।

২১৫। যোৱা বাৰৰ বাজেটত ডিব্ৰুগড়ত এটা চাহ সংগ্ৰহালয় স্থাপনৰ বাবে আমি প্ৰতিশ্ৰুতি দিছিলোঁ। ইয়াৰ বাবে নিবিদা আহ্বানৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হৈছে। ইণ্ডিয়ান ৰে'লৱে কেটাৰিং এণ্ড টুৰিজিম কৰপ'ৰেচন (IRCTC) ৰ যুটীয়া প্ৰচেষ্টাত "কামাখ্যা ৰে'লৱে ষ্টেচনৰ পৰা কামাখ্যা মন্দিৰলৈ ৰজ্জু পথ (Rope Way)" নিৰ্মাণৰ বাবে আমি প্ৰস্তাৱ ৰাখিছোঁ। এই প্ৰকল্পৰ বাবে ১৫ কোটি টকা এই বাজেটত ধাৰ্য কৰিছো।

২১৬। মাননীয় অধ্যক্ষ মহোদয়, ঘৰত পৰ্যটক ৰখাৰ (Home Stay) সুবিধাক উদগনি দিয়াৰ অৰ্থে আমি 'আমাৰ আলহী' নামেৰে এখন বিশেষ আঁচনি আৰম্ভ কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিছোঁ। এই পদক্ষেপে অসমৰ গ্ৰামাঞ্চলৰ লোকসকল উদ্যোগী হিচাপে গঢ়ি তোলাৰ বাবে উদগনি যোগোৱাৰ লগতে পৰ্যটন ক্ষেত্ৰকো উপকৃত কৰিব। এই আঁচনিৰ বাবে বাজেটত ৩.০০ কোটি টকাৰ ব্যৱস্থা কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

২১৭। অধ্যক্ষ মহোদয়, মানাহ, পবিতৰা, কাজিৰঙা, ডিব্ৰু ছৈখোৱা, পানীদিহিং আৰু নামেৰিত ইতিমধ্যে পৰ্যটন আন্তঃগাঁথনি উন্নয়নৰ বাবে এই বছৰৰ পৰা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অহা বিত্তীয় বৰ্ষত আমি নিম্নোলিখিত ঐতিহ্য ক্ষেত্ৰসমূহত পৰ্যটন আন্তঃগাঁথনি উন্নয়নৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ আমি প্ৰস্তাৱ লৈছোঁ।

| ক্র. নং | জিলাৰ নাম | ঐতিহ্য ক্ষেত্ৰৰ নাম | পৰিমাণ (কোটি টকাত) |
|---|---|---|---|
| ১ | শোণিতপুৰ | কনকলতা উদ্যান<br>বামুণী পাহাৰ | ৬.০৯<br>২.৬৬ |
| ২ | মাজুলী | কমলাবাৰী অঞ্চল<br>জনজাতি বৈশিষ্ট্যপূৰ্ণ গাঁও<br>চামগুৰি সত্ৰ<br>শালমৰা মৃৎশিল্প গাঁও<br>ৰাৱনাপাৰ পুখুৰী | ৩০.৯৫<br>৬.৯৮<br>৪.৩১<br>৯.০৭<br>১.৬৯ |
| ৩ | শিৱসাগৰ | ৰংঘৰ<br>তলাতল ঘৰ<br>জয়সাগৰ পুখুৰী<br>চৰাইদেউ মৈদাম | ৭.৭৪<br>১৫.৪৭<br>৪.৪২<br>৪.৯০ |

২১৮। ৰাজ্যখনৰ চহকী সংস্কৃতি আৰু ঐতিহ্যক তুলি ধৰাৰ বাবে চৰাইদেউৰ ৰজামৈদামৰ সমীপত চৰাইদেউ সাংস্কৃতিক আৰু শৈক্ষিক প্ৰকল্প নামেৰে সাংস্কৃতিক আৰু শৈক্ষিক গৱেষণাৰ বাবে আমি অধ্যয়ন কেন্দ্ৰ স্থাপন কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিছো। ইয়াৰ বাবে বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰাৰ অৰ্থে বাজেটত মই উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিছোঁ।

**সাংস্কৃতিক পৰিক্ৰমা বিভাগ ঃ ঐতিহ্যৰ সংৰক্ষণ**

২১৯। যোৱা বছৰৰ বাজেটত মই কুমাৰ ভাস্কৰ বৰ্মন ক্ষেত্ৰৰ লগতে বৰাক উপত্যকাত স্বামী বিবেকানন্দ সাংস্কৃতিক আৰু গৱেষণা কেন্দ্ৰ আৰু শিৱসাগৰ জিলাৰ গড়গাঁৱৰ ওচৰত আজানপীৰ ক্ষেত্ৰ স্থাপন কৰাৰ কথা ঘোষণা কৰিছিলো। সন্তোষৰ কথা যে আমি এই সন্দৰ্ভত অগ্ৰগতি লাভ কৰিছো আৰু এই তিনিওটা কেন্দ্ৰৰে পূৰ্ণ পৰ্যায়ৰ কাম-কাজ অতি শীঘ্ৰে আৰম্ভ হ'ব।

২২০। অসমৰ সাংস্কৃতিক জগতৰ অন্যতম পুৰোধা শিল্পী খগেন মহন্ত এটি পৰিচিত নাম। শংকৰদেৱ কলাক্ষেত্ৰৰ ওচৰত অৱস্থিত তেওঁৰ স্মৃতি

সৌধৰ চৌপাশে আমি এখন উদ্যান স্থাপনৰ প্ৰস্তাৱ লৈছো।

২২১। বৃন্দাবনী বস্ত্ৰ হ'ল আমাৰ ঐতিহাসিক আৰু সাংস্কৃতিক পৰম্পৰাৰ এক অংশ। মাননীয় সদস্যসকল জ্ঞাত যে প্ৰকৃত বৃন্দাবনী বস্ত্ৰৰ অংশ বিশেষ বৰ্তমান লণ্ডনৰ ব্ৰিটিছ সংগ্ৰহালয় আৰু পেৰিচৰ মিউজি গুইমেট (Musee Guiment) ত আছে। আমাৰ সাংস্কৃতিক ঐতিহ্যৰ নৱজাগৰণৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে এই কলাসুলভ সৃষ্টিৰাজি প্ৰদৰ্শনৰ বাবে ৰাজ্যখনলৈ অনাৰ সিদ্ধান্ত লৈছে। ইয়াৰ বাবে ২ (দুই) কোটি টকাৰ আবণ্টন দিয়াৰ প্ৰস্তাৱ লোৱা হৈছে।

২২২। বৈষ্ণৱ সাংস্কৃতিক পৰম্পৰাৰ এক মহান পীঠস্থান মাজুলী হ'ল বিশ্বৰ বসতি প্ৰধান বৃহৎ নদীদ্বীপ। বিশ্বৰ ঐতিহ্য ক্ষেত্ৰ হিচাপে 'ইউনেস্ক'ৰ তালিকাত মাজুলীক অন্তৰ্ভুক্ত কৰাৰ বাবে চৰকাৰে সময়ে সময়ে প্ৰচেষ্টা চলাই আহিছে। আমি এইক্ষেত্ৰত গুণগত তথ্য সম্বলিত নথিপত্ৰ মনোনয়নৰ বিবেচনাৰ্থে প্ৰস্তুত কৰিব লাগিব। এই উল্লেখনীয় প্ৰচেষ্টাৰ বাবে মই দুই কোটি টকা আৱন্টন কৰিছো।

২২৩। আমাৰ নাট্য কলাৰ ৰূপ আৰু মঞ্চ শৈলীৰ পৰম্পৰা আমি সংৰক্ষণ কৰা আৱশ্যক। ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ আৰ্হিত এখন ৰাজ্যিক নাট্য বিদ্যালয় স্থাপন কৰিব বিচাৰিছো। এই গুৰুত্বপূৰ্ণ প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰাৰ বাবে মই ২ কোটি টকা আৱন্টনত প্ৰস্তাৱ কৰিছো।

২২৪। সন্মানীয় অধ্যক্ষ মহোদয়, শংকৰদেৱ কলাক্ষেত্ৰৰ প্ৰেক্ষাগৃহটো চৰকাৰৰ সাংস্কৃতিক, শৈক্ষিক আৰু আন আন অনুষ্ঠান তথা কাৰ্যসূচী আদি উপযুক্তভাৱে অনুষ্ঠিত কৰাৰ বাবে ব্যাপকভাৱে ব্যৱহাৰ কৰা হয়। শংকৰদেৱ কলাক্ষেত্ৰৰ তৃতীয়টো অত্যাধুনিক কলা প্ৰেক্ষাগৃহৰ বাবে মই ২ কোটি টকাৰ আৱন্টনৰ প্ৰস্তাৱ দিছো।

২২৫। অসমত ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা, ভবেন্দ্ৰ নাথ শইকীয়া আৰু আন আন প্ৰসিদ্ধ ছবি নিৰ্মাতাই চলচ্চিত্ৰ নিৰ্মাণ কৰাৰ এক মহান পৰম্পৰা আছে। এই উদ্দেশ্যে গোৱা (IFFI), কলকাতা (KIFF), থিৰুৱনন্তপুৰম(IFFK) আৰু মুম্বাই(MAMI) ৰ দৰে আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱৰ আৰ্হিত গুৱাহাটীত প্ৰতি বছৰে আন্তৰ্জাতিক চলচ্চিত্ৰ

মহোৎসৱ অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তাৱ লোৱা হৈছে। ইয়াৰ বাবে বাজেটত ১ কোটি টকা ধাৰ্য্য কৰা হৈছে। ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাদেৱে ভোলাগুৰি চাহ বাগিচাত স্থাপন কৰা চিত্ৰবন ফিল্ম ষ্টুডিঅ'টো আমি সংৰক্ষণ কৰিবলৈ বিচাৰিছো।

২২৬। আমাৰ মুক্তিযুঁজাৰুসকলৰ স্মৃতি ৰোমন্থন কৰিবলৈ আমি গহপুৰ, ঢেকীয়াজুলি আৰু চতিয়া আৰক্ষী থানাৰ মূল ভৱনসমূহ সংৰক্ষণ আৰু সুৰক্ষিত কৰিবলৈ বিচাৰিছো। লগতে, স্বাধীনতা আন্দোলনৰ সময়ত ১৯৪২ চনৰ ২০ ছেপ্তেম্বৰ তাৰিখে প্ৰাণ আহুতি দিয়া ১৩ গৰাকী লোকৰ পৱিত্ৰ স্মৃতিত ঢেকীয়াজুলি শ্বহীদ উদ্যান নিৰ্মাণ কৰিবলৈ আমি প্ৰস্তাৱ লৈছো।

২২৭। পৰ্যটনৰ প্ৰসাৰ আৰু অসমৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ অৰ্থে মদন কামদেৱ আৰু চৰাইদেউ মৈদাম পুৰাতাত্বিক স্থানসমূহৰ সংৰক্ষণ আৰু উন্নয়নৰ বাবে অতিৰিক্ত ধনৰ প্ৰস্তাৱ কৰা হৈছে।

২২৮। আলি আই লিগাং আৰু মে-ডাম-মে-ফি উৎসৱ পৰম্পৰাগত উলাহ মালহেৰে উদ্‌যাপন কৰা হ'ব আৰু এইবছৰৰ পৰা এই দুয়োটা উৎসৱকে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ বাৰ্ষিক দিনপঞ্জীত অন্তৰ্ভুক্ত কৰা হ'ব।

২২৯। মিচিং জনজাতিৰ জনগোষ্ঠীয় আৰু সাংস্কৃতিক পৰিচয়ৰ প্ৰসাৰৰ অৰ্থে গোগামুখৰ পৰমানন্দ আতৈ নিকেতন প্ৰাংগণত 'আব'টানি ডিৰ্‌বি লট্টা' নামৰ সাংস্কৃতিক প্ৰকল্প স্থাপনৰ কাম-কাজ চলি আছে।

২৩০। অসমৰ পুৰাতাত্বিক স্থানসমূহ তথা কীৰ্তিচিহ্নসমূহৰ সুৰক্ষা, সংৰক্ষণ আৰু উন্নয়নৰ ওপৰতো সাংস্কৃতিক পৰিক্ৰমা বিভাগে গুৰুত্ব আৰোপ কৰিছে আৰু আজিলৈকে ১১৫ টা প্ৰত্নতাত্তিক স্থান আৰু কীৰ্তিচিহ্ন সংৰক্ষণ কৰা হৈছে।

২৩১। আৰম্ভণিৰে পৰা অসমৰ সংগ্ৰহালয়সমূহে ৰাজ্যখনৰ বিভিন্ন ধৰণৰ তথা ক্ৰমবৰ্ধিত দৰ্শকক সেৱা আগবঢ়াই আহিছে। পথৰুঘাটৰ শ্বহীদসকলৰ পৱিত্ৰ স্মৃতিত দৰঙৰ পথৰুঘাটত দৰঙী কলা আৰু সংস্কৃতিৰ এটা সংগ্ৰহালয় স্থাপন কৰা হ'ব।

২৩২। জামুগুৰিহাটৰ বাৰেচহৰীয়া ভাওনা ৰাজ্যখনৰ এক বিখ্যাত সাংস্কৃতিক অনুষ্ঠান। ইয়াৰ সংৰক্ষণৰ বাবে মই ১ কোটি টকা আৱন্টনৰ প্ৰস্তাৱ কৰিছো।

২৩৩। পৰম্পৰাগত ৰীতি-নীতিৰ জ্ঞান হ'ল প্ৰায়বোৰ থলুৱা সম্প্ৰদায়ৰ বাবে পৰিচয়ৰ এক অংগস্বৰূপ। ই হ'ল এটা সম্প্ৰদায়ৰ সামাজিক আৰু নৈসৰ্গিক পৰিৱেশৰ এক মূল উপাদান। সেয়েহে ইয়াৰ সংৰক্ষণ কৰাটো অত্যন্ত প্ৰয়োজনীয়। আমাৰ জনজাতীয় আৰু থলুৱা পৰম্পৰাৰ প্ৰতি আমি উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছো। এই পৰম্পৰাগত ৰীতি-নীতি আৰু সামূহিক জ্ঞানক আমি বিজ্ঞানসন্মতভাৱে সংৰক্ষণ কৰিব বিচাৰো।

২৩৪। মৰাণসকলৰ আদৰ্শ বীৰ 'বীৰ ৰাঘৱ মৰাণ' আৰু 'মহাবীৰ চিলাৰায়'ৰ পৱিত্ৰ স্মৃতিত সাংস্কৃতিক প্ৰকল্প নিৰ্মাণ কৰিবলৈ আমি প্ৰস্তাৱ লৈছো।

২৩৫। ৰাজ্যখনৰ চলচ্চিত্ৰ উদ্যোগটোক সহায় কৰা অৰ্থে বন্ধ হৈ থকা চিনেমা হলসমূহ পুনৰ খোলাৰ বাবে ৫০ লাখ টকাৰ ৰাজসাহায্যৰ লগতে বৰ্তমানে চলি থকা চিনেমা হলসমূহৰ মেৰামতিৰ বাবে ২৫ লাখ টকা ৰাজসাহায্য প্ৰদান কৰিবলৈ মই প্ৰস্তাৱ কৰিছো। মই লগতে নতুন চিনেমা হল স্থাপনৰ ক্ষেত্ৰত মূলধনী ব্যয়ৰ ২৫% ৰাজসাহায্য প্ৰদানৰো প্ৰস্তাৱ আগবঢ়াইছো। এইক্ষেত্ৰত বিভাগটোৱে অতি সোনকালেই বিস্তৃত নিৰ্দেশনা জাৰি কৰিব।

**ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ ঃ পুনৰ উজ্জীৱিতকৰণৰ যাত্ৰা**

২৩৬। ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ নিৰবিচ্ছিন্ন প্ৰচেষ্টা আৰু বিভিন্ন পদক্ষেপৰ ফলস্বৰূপে ৰাজ্যখনৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ লাভ যথেষ্ট বৃদ্ধি পাইছে। সংস্কাৰ ব্যৱস্থা, কাৰ্যকৰী প্ৰশাসন, ব্যৱস্থাপনা আৰু নিয়ন্ত্ৰণৰ জৰিয়তে ৰাজ্যখনৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ কৰ্মদক্ষতা বৃদ্ধিৰ বাবে বিভাগটোৱে 'ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান নীতি' ৰূপায়ণ কৰাৰ কাম হাতত লৈছে। বৰ্তমানৰ চৰকাৰখনৰ এনে শক্তিশালী নীতিৰ জৰিয়তে অদূৰ ভৱিষ্যতলৈ অধিক সংখ্যক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানে আৰ্থিক ভাৱে আত্ম-নিৰ্ভৰশীল হ'বলৈ সক্ষম হ'ব আৰু ৰাজ্যখনৰ উন্নয়নত অৱদান আগবঢ়াবলৈ সক্ষম হ'ব।

**গড়কাপ্তানি (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) ঃ আন্তঃগাঁথনিৰ গঠন**

২৩৭। কৃষি, উদ্যান শস্য, পৰ্য্যটন, স্বাস্থ্য, শিক্ষা আদিৰ দৰে খণ্ডসমূহৰ বাবে আমাৰ চৰকাৰে ৰাজ্যৰ ঘাইপথ ব্যৱস্থাৰ সৰ্বাংগীন উন্নয়নৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। এক্ট ইষ্ট পলিচী আৰু ট্ৰান্স-হাইৱেৰ পৰিপ্ৰেক্ষিতত ইয়াক ভাবিব পৰা যায়।

২৩৮। এইক্ষেত্ৰত পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ৰ অৱদান আৰু তেওঁলোকৰ পৰামৰ্শৱলীৰ বাবে আমাৰ চৰকাৰ অতিশয় কৃতজ্ঞ। মাননীয় কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীনিতিন গাডকাৰীৰ সক্ৰিয় ভূমিকাৰ কথা এই প্ৰসংগতে আমি উল্লেখ কৰিব বিচাৰো। আপোনালোক আটায়ে জানে যে অলপতে ব্ৰহ্মপুত্ৰৰ ওপৰত শৰাইঘাটত এখন নতুন দলং মুকলি কৰা হৈছে আৰু ইয়ে অঞ্চলটোত বহুদিন ধৰি অব্যাহত থকা যান-জঁটৰ সমস্যাক নোহোৱা কৰিব বুলি আশা কৰা হৈছে।

২৩৯। ইয়াৰ উপৰিও, খানাপাৰাৰ ওচৰত থকা পূব-পশ্চিম কৰিডৰক সংযোগ কৰি কুৰুৱা আৰু নাৰেংগীৰ মাজত ব্ৰহ্মপুত্ৰ নৈৰ ওপৰত এখন ছয়লেনযুক্ত দলংসহ উত্তৰ পাৰত চাংসাৰি (পূব-পশ্চিম কৰিডৰ)ৰ পৰা কুৰুৱালৈকে এক বিকল্প চাৰিলেনযুক্ত পথ নিৰ্মাণ কৰিবলৈ আমি প্ৰস্তাৱ হাতত লৈছো। ই গুৱাহাটী বাই-পাছত যান-জঁটৰ সমস্যা হ্ৰাস কৰিব। মই জনাবলৈ পাই সুখী হৈছো যে পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে ভাৰতৰ ঘাইপথ প্ৰাধিকৰণৰ (NHAI) দ্বাৰা এই দলং নিৰ্মাণ কৰোৱাৰ বাবে সন্মতি দিছে।

২৪০। আমাৰ চৰকাৰে শ্ৰীৰামপুৰ, ধুবুৰী, ফুলবাৰী, দিচাংমুখ, টেকেলীফুটা, ঢকুৱাখনা, উত্তৰ লখিমপুৰ, মাজুলীৰ ঠায়ে ঠায়ে বিচ্ছিন্ন পথছোৱা নিৰ্মাণৰ বাবে সকলো ধৰণৰ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে। ১৩ টা নতুনকৈ ঘোষণা কৰা ৰাষ্ট্ৰীয় ঘাইপথৰ ৩ টাৰ কাৰ্যকাৰিতা আৰু বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুতি চূড়ান্ত পৰ্যায়ত আছে। এই ৩ টা ঘাইপথে ১৭৮.২২ কিঃ মিঃ দৈৰ্ঘ্যৰ পথ সামৰি লৈছে।

২৪১। বৰ্তমানে চলি থকা আৰু ভৱিষ্যতৰ প্ৰধান গৃহ প্ৰকল্পসমূহত শক্তি ৰাহি

কৰা গ্ৰীন বিল্ডিং ধাৰণা আৰম্ভ কৰাৰ বাবে আমি পদক্ষেপ গ্ৰহণ কৰিছো। ভৱিষ্যতৰ সকলো গৃহ প্ৰকল্পৰ বাবে আমি পৰিৱেশ অনুকূল নিৰ্মাণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছো।

২৪২। দিশপুৰত নতুন বিধানসভা ভৱন আৰু আমিনগাঁৱত ৰাষ্ট্ৰীয় ন্যায়িক একাডেমী আৰু আইন বিদ্যালয়ৰ লেখীয়া প্ৰধান গৃহ আঁচনিসমূহ নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে আমি চেষ্টা হাতত লৈছো।

**চৰকাৰী অভিবৰ্তন কেন্দ্ৰ, গুৱাহাটী**

২৪৩। দক্ষ প্ৰশাসনৰ বাবে আলাপ-আলোচনা আৰু যোগাযোগ অতি গুৰুত্বপূৰ্ণ। ইয়াৰ সৈতে জড়িত পক্ষসমূহ মিলিত হোৱাৰ বাবে এক পৰিৱেশ সৃষ্টি কৰাটো অতীব প্ৰয়োজন। নতুন দিল্লীৰ বিজ্ঞান ভৱন ইয়াৰ বাবে উৎকৃষ্ট কেন্দ্ৰ। এইক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলকে ধৰি প্ৰায় সকলো ৰাজ্যতে সুসজ্জিত অভিবৰ্তন কেন্দ্ৰ আছে, অসমত কিন্তু এনেধৰণৰ কেন্দ্ৰৰ অভাৱ। সেইবাবে অসম ৰাজ্যিক অভিবৰ্তন কেন্দ্ৰ স্থাপন কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে আৰু ৰাজ্যিক গড়কাপ্তানি বিভাগে উদ্যানকে ধৰি সকলো আধুনিক সা-সুবিধা সম্বলিত আকৰ্ষণীয় আৰ্হি প্ৰস্তুত কৰাৰ ব্যৱস্থা কৰিছে। ইয়াৰ প্ৰাৰম্ভিক কাম-কাজৰ বাবে চলিত বিত্তীয় বৰ্ষত মই আছুটীয়াকৈ ১০ কোটি টকা ৰাখিছো।

**সুগম অসম**

২৪৪। দিব্যাংগসকলৰ ওপৰত নতুন দৃষ্টিভংগীৰে আলোকপাত কৰি তেওঁলোকৰ বাবে সাধাৰণ ৰাজহুৱা বুনিয়াদ আৰু চৰকাৰী ভৱনসমূহ **'বাধামুক্ত'** কৰাৰ প্ৰয়োজন, যাতে দিব্যাংগসকলৰ চলা-ফুৰা সুগম আৰু বাধাহীন হৈ পৰে।

এই মহান উদ্দেশ্যৰ প্ৰতি লক্ষ্য ৰাখি **'সুগম অসম'** —বাধামুক্ত চৰকাৰী ভৱন নামেৰে এক ৰাজ্যিক পৰ্যায়ৰ কাৰ্যসূচী অভিযান আকাৰে শুভাৰম্ভ কৰিব। অধ্যক্ষ মহোদয়, আপুনি জানি সুখী হ'ব যে দিব্যাংগসকলৰ জীৱন প্ৰণালী স্বাচ্ছন্দ্য কৰি তোলাৰ বাবে ই এক ক্ষুদ্ৰ পদক্ষেপ যদিও মূলসুঁতিৰ সমাজৰ সৈতে সংযোজন কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ সক্ষম হ'ব।

২৪৫। অসমক দেশৰ ভিতৰতে **'প্ৰথমখন বাধামুক্ত ৰাজ্য'** হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত আমাক সহযোগ কৰিবলৈ বিদ্যালয়, চিকিৎসালয়, কাৰ্যালয়সমূহকে আদি কৰি সকলো ব্যক্তিগত সংস্থাকে মই এই পৱিত্ৰ সদনৰ মজিয়াৰ পৰা আহ্বান জনাও। ইয়াৰ অংশ হিচাপে ২০১৭-১৮ বৰ্ষৰ ভিতৰত চৰকাৰী কাৰ্য্যালয়সমূহত বাধামুক্ত সা-সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিম। এই পৱিত্ৰ কামৰ বাবে গড়কাপ্তানি (পথ) বিভাগৰ বাজেটত মই ১০ কোটি টকা প্ৰদান কৰিছো।

**গড়কাপ্তানি (পথ) বিভাগ ঃ**

২৪৬। ৰাজ্যখনৰ বিকাশ আৰু উন্নয়নৰ বাবে পথ আন্তঃগাঁথনি আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু পথসমূহ হৈছে গ্ৰাম্য অৰ্থনীতিৰ জীৱন ৰেখা। যোৱা বাজেট ভাষণত মুখ্য মন্ত্ৰীৰ পথ নিৰ্মাণ যোজনাৰ অধীনত নতুন পথ নিৰ্মাণ আৰু পুৰণি পথৰ মেৰামতিৰ বাবে ২০১৬-১৭ বৰ্ষত ৬০০ কোটি, ২০১৭-১৮ বৰ্ষত ৮০০ কোটি আৰু ২০১৮-১৯ বৰ্ষত আৰু ৬০০ কোটিৰে তিনি বছৰৰ বাবে মুঠ ২,০০০ কোটি টকাৰ আৱন্টন দিম বুলি মই প্ৰতিশ্ৰুতি দিছিলো। এই অনুসৰি এইবাৰৰ বাজেটত মই ৮০০ কোটি টকাৰ আৱন্টন দিছো। সন্মানীয় সদস্যসকলে এইটো আদৰণি জনাব যে ৰাজ্যিক সম্পদৰ পৰা আৱন্টন দিয়া আটাইতকৈ বৃহৎ আৱন্টনসমূহৰ ভিতৰত এইটো এটা।

২৪৭। ইয়াৰ উপৰি ডাঙৰ চহৰবোৰত যান-বাহনৰ ভিৰ বাঢ়ি যোৱা কাৰ্যই তীব্ৰ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। আমাৰ চৰকাৰে সকলো গুৰুত্বপূৰ্ণ চহৰ-নগৰত পৰ্যায়ক্ৰমে উৰণ সেতু (Flyover) স্থাপন কৰাত প্ৰাধান্য দিছে। মই এই বাজেটত গুৱাহাটী জু-ৰোডৰ পৰা গনেশ মন্দিৰক সংযোগ কৰি বৰ্তমানে থকা উৰণ সেতুখনৰ ওপৰত গনেশগুৰিত এখন আৰু চুপাৰমাৰ্কেট তিনিআলিত এখন ফ্লাই অভাৰ স্থাপন কৰা বাবে প্ৰস্তাৱ কৰিছো।

২৪৮। ৰাজ্যখনৰ অন্য চহৰবোৰতো এই একে প্ৰয়োজনীয়তাৰ ওপৰত আমাৰ চৰকাৰে গুৰুত্ব দিছে। এই অনুসৰি শিলচৰৰ তৰাপুৰত প্ৰেমটোলা হৈ ৰঙিৰখাৰীৰ পৰা শিলচৰ ৰে'লৱে ষ্টেচন সংযোগ কৰি এখন উৰণ সেতু

স্থাপনৰ বাবে প্ৰস্তাৱ দিছো। তদুপৰি, ডিব্ৰুগড় জংচন পইন্টৰ পৰা কনভয় ৰোড আৰু ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোগ কৰিও এখন উৰণ সেতু আমি নিৰ্মাণ কৰিম। ইয়াৰ বাবে এই বাজেটত মই ১০০ কোটি টকা আছুটীয়াকৈ ৰাখিছো।

**জলসম্পদ বিভাগ ঃ**

"ব্ৰহ্মপুত্ৰ মহাবাহু শান্তনু কুল নন্দন
আমোঘা গৰ্ভসম্ভূত সৰ্বাপাপং লভিত মে হৰ।"

২৪৯। ব্ৰহ্মপুত্ৰ আৰু বৰাক নদী দুখন অসমৰ জীৱনৰেখা। এই নদী দুখনক সমস্যাৰ পৰা সম্পদলৈ ৰূপান্তৰ কৰাৰ কাৰণে এই চৰকাৰে আপ্ৰাণ চেষ্টা কৰিছে। ইয়াৰ অংশ হিচাপে ব্ৰহ্মপুত্ৰ নৈৰ নৌ-পৰিবহণীয়তা বৃদ্ধি আৰু বান তথা গৰাখহনীয়া হ্ৰাস কৰাৰ বাবে ব্ৰহ্মপুত্ৰ নদীৰ খনন তথা নদীৰ দুয়োপাৰে "ব্ৰহ্মপুত্ৰ দ্ৰুতগামী ঘাইপথ" নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই সন্দৰ্ভত প্ৰয়োজনীয় প্ৰাৰম্ভিক জৰীপ আৰু অনুসন্ধানৰ কাম ইতিমধ্যে অসমৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই যোৱা ২৪/১২/২০১৬ তাৰিখে ডিব্ৰুগড়ত শুভাৰম্ভ কৰিছে। দ্ৰুতগামী ঘাইপথ দুটাৰ প্ৰস্তাৱ কাৰ্যকৰী হ'লে অসমৰ আৰ্থ-সামাজিক দিশত এক আমূল পৰিবৰ্তন সাধন হ'ব আৰু জলবায়ু পৰিবৰ্তনৰ অনুকূলে ই বৃহৎ ভূমিকা পালন কৰিব। এই অভিলাষী আঁচনিখনৰ প্ৰাৰম্ভিক জৰীপ আৰু অনুসন্ধানৰ বাবে এইবাৰৰ বাজেটত ২.৫০ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে। এই সন্দৰ্ভত এখন বিশেষজ্ঞ সমিতি গঠন কৰি দিয়া হৈছে।

এই প্ৰচুৰ সম্ভাৱনাময় জলসম্পদৰ সঠিক ব্যৱহাৰে অসমক উন্নতিৰ দিশত আগুৱাই নিব। সেয়ে, জলসম্পদ বিভাগ পুনঃগঠন আৰু আধুনিকীকৰণৰ জৰিয়তে জলসম্পদৰ সঠিক ব্যৱস্থাপনা কৰিবলৈ চেষ্টা চলোৱা হৈছে।

"কলং এতিয়া তেনেই তৰাং, খোজকাঢ়ি পাৰ হ'ব পাৰি
বৰফুটীয়া বালিৰে ভৰি পৰিছে কলঙৰ সাৰুৱা বুকু"।

সেই যে বৰ লুইতৰ পৰা ফাটি অহা বোৱঁতী পানীৰ সোঁত কলং নামেৰে ধেনুভেৰীয়া হৈ নগাঁও জিলাত সোমাই পুনৰ বৰলুইতত‌ে পৰিলগৈ- সেই কলঙেই বহু শ বছৰ ধৰি 'শস্যে-মৎস্যে অনুপম' কৰি মধ্য অসমক সাৰ্থক স্বৰ্ণপীঠ কৰি তুলিছিল। এতিয়া সোঁত নাইকিয়া, ডোঙা বন্ধা, জাবৰৰ দ'মৰ মাজত অশুচি হৈ পৰা মৃতপ্ৰায় কলং নদীখন পুনঃউজ্জীৱিত কৰাৰ বাবে এখন বিশেষ প্ৰকল্প (Signature Project) হাতত লোৱাৰ কথা চিন্তা কৰা হৈছে। উক্ত প্ৰকল্পৰ বিস্তৃত জৰীপ আৰু অনুসন্ধানৰ বাবে ২০১৭-১৮ বাজেটত ১০ কোটি টকাৰ প্ৰস্তাৱ ৰখা হৈছে। কলং উজ্জীৱিত কৰাৰ বাবে এখন বিশেষজ্ঞ সমিতিও গঠন কৰি দিয়া হৈছে।

২৫০। অসম চৰকাৰৰ চেষ্টাত, ভাৰত চৰকাৰৰ বিত্ত মন্ত্ৰালয়ে "অসম বান গৰাখহনীয়া আৰু নদী ব্যৱস্থাপনা আধুনিকীকৰণ প্ৰকল্প"ৰ বাবে বিশ্ববেংকৰ অৰ্থসাহায্যত (১,৫০০ কোটি টকাৰ) এখন আঁচনিত অনুমোদন জনাইছে। ২০১৬ চনৰ নৱেম্বৰৰ ৭ ৰ পৰা ১১ তাৰিখলৈ এই সময়ছোৱাত বিশ্ববেংকৰ এটা প্ৰতিনিধি দলে অসম ভ্ৰমণ কৰে।

২৫১। জলসম্পদ বিভাগে এইবাৰ মথাউৰি মেৰামতিৰ কাম-কাজ ডিচেম্বৰ মাহতেই আৰম্ভ কৰি ৩১ মাৰ্চ ২০১৭ ৰ ভিতৰত সম্পূৰ্ণ কৰাৰ পৰিকল্পনা হাতত লৈছে। এই ক্ষেত্ৰত চলিত বৰ্ষত, পূৰ্বৰ তুলনাত আবণ্টিত ধনৰ পৰিমাণ প্ৰায় চাৰিগুণ বৃদ্ধি কৰা হৈছে। আশা কৰা হৈছে গুৰুত্বপূৰ্ণ চিগা মথাউৰিসমূহ নিৰ্দ্ধাৰিত সময়ত পুনৰ নিৰ্মিত হৈ উঠিব।

২৫২। বিশ্বৰ বৃহত্তম জনবসতিপূৰ্ণ নদীদ্বীপ মাজুলীৰ বান পানী আৰু গড়াখহনীয়া সমস্যাৰ গুৰুত্ব উপলব্ধি কৰি এই চৰকাৰে মাজুলীত এটা বৃহৎ পূৰ্ণ পৰ্যায়ৰ জলসম্পদ চৌহদ নিৰ্মাণৰ কাম আৰম্ভ কৰিছে। ইয়াৰ উপৰিও মাজুলীৰ বানপানী আৰু গড়াখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে চৰকাৰে ইতিমধ্যে এখন বিশেষজ্ঞ সমিতি গঠন কৰি দিছে।

২৫৩। অসমৰ গ্ৰাম্য অৰ্থনীতিৰ লগত ওতপ্ৰোতভাৱে মথাউৰি জড়িত হৈ আছে। মথাউৰিৰ ওচৰত বসবাস কৰা ৰাইজক মথাউৰি ৰক্ষণাবেক্ষণত উৎসাহিত কৰাৰ বাবে বাৰিষা কালত ৪ ৰ পৰা ৬ মাহলৈ "মথাউৰি বনুৱা" হিচাবে

স্থানীয় বনুৱাৰ নিয়োগৰ প্ৰস্তাৱ বাজেটত কৰা হৈছে। ইয়াৰ দ্বাৰা মথাউৰিৰ পৰ্যবেক্ষণ আৰু বান প্ৰতিৰোধৰ বাবে স্থানীয় ৰাইজৰ সহায়-সহযোগ বিচৰা হৈছে।

**জনস্বাস্থ্য কাৰিকৰী বিভাগ ঃ বিশুদ্ধ পানী, পৰিচ্ছন্ন অসম**

২৫৪। আমাৰ চৰকাৰে অহা ২০১৭ চনৰ ২ অক্টোবৰৰ ভিতৰত স্বচ্ছ ভাৰত মিছন (গ্ৰামীণ)ৰ অধীনত মুকলি স্থানত মলত্যাগ মুক্ত আৰু পৰিষ্কাৰ ৰাজ্যত উপনীত হোৱাৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰিছে। ৰাজ্যখনৰ ব্যক্তিগত ঘৰুৱা শৌচাগাৰ নিৰ্মাণ প্ৰক্ৰিয়াটো যোৱা বছৰলৈকে লেহেমীয়া হৈ থকা বাবে এই নিৰ্মাণকাৰ্য দ্ৰুত কৰাৰ উদ্দেশ্য এক বিশেষ অভিযান আৰম্ভ কৰা হৈছে। এই বিষয়টো সন্দৰ্ভত মুখ্য সচিবে জিলা উপায়ুক্তৰ সৈতে সাপ্তাহিক ভিডিঅ' কনফাৰেন্স অনুষ্ঠিত কৰি আহিছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়েও ইয়াৰ নিয়মিত পৰ্যালোচনা কৰি আছে। এই ব্যৱস্থাৰ পৰা আশানুৰূপ ফলাফল লাভ কৰা হৈছে আৰু ২০১৬-১৭ বিত্তীয় বৰ্ষৰ জানুৱাৰী মাহলৈকে ৫.৬ লাখ ঘৰুৱা শৌচালয় নিৰ্মাণ কৰা হৈছে। ২০১৭-১৮ বিত্তীয় বৰ্ষত প্ৰায় ১৭.৫৮ লাখ পৰিয়াললৈ এনে কম খৰচী অনাময় শৌচাগাৰ যোগানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

২৫৫। আগন্তুক বিত্তীয় বৰ্ষত ১৯১ টা সামূহিক অনাময় চৌহদ আৰু ৯৩ টা গোটা আৰু পনীয়া আবৰ্জনা ব্যৱস্থাপনা প্ৰকল্প হাতত লোৱা হ'ব।

২৫৬। আপোনালোকে জানি সুখী হ'ব যে নীৰ নিৰ্মল পৰিযোজনাৰ অধীনত ৬৭৬.০৩ কোটি টকা ব্যয় সাপেক্ষে হাইলাকান্দি, যোৰহাট আৰু কামৰূপ (মহানগৰ) জিলাৰ মুঠ ৬৩ খন গাওঁ পঞ্চায়তত পানী যোগানৰ প্ৰকল্পৰ কাম আৰম্ভ হৈছে। এই পৰিযোজনা অহা ২০১৮ চনৰ ভিতৰত সম্পূৰ্ণ কৰি তোলা হ'ব।

২৫৭। দ্বিতীয় পৰ্যায়ত শিৱসাগৰ, বঙাইগাঁও আৰু মৰিগাঁও জিলাৰ ৯৮ খন গাওঁ পঞ্চায়তত এনে প্ৰকল্প ৰূপায়ণ কৰা হ'ব আৰু ইয়াৰ বাবে ৮২২.৬৭ কোটি টকা নিৰ্ধাৰণ কৰা হৈছে।

২৫৮। মহাশয়, ৰাজ্যখনৰ চহৰসমূহত খোৱা পানী যোগানৰ বিষয়টোত আমি

অতি সচেতন। পৰ্যায়ক্ৰমে আমি এনে ধৰণৰ কামৰ কথা বিবেচনা কৰিম। এইবাৰৰ বাজেটত ৰাজ্যখনৰ অন্যতম পুৰণি চহৰ লামডিঙত খোৱা পানী যোগানৰ প্ৰকল্পৰ বাবে ১০ কোটি টকাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

লগতে দেখা গৈছে যে বিশেষকৈ ভিতৰুৱা অঞ্চলত চলি থকা খোৱা পানী আঁচনিসমূহ পৰ্যাপ্ত বিদ্যুতৰ অভাৱৰ বাবে সঠিকভাৱে কাৰ্যকৰী হৈ থকা নাই। আমাৰ চৰকাৰে চৰ-চাপৰি, মাজুলী, দূৰণিবটীয়া আওহতীয়া অঞ্চলসমূহ (জনজাতি/চৰ অঞ্চল)ত পানী যোগান ব্যৱস্থাক উজ্জীৱিত কৰাৰ বাবে সৌৰ শক্তি ব্যৱস্থাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। ইয়াৰ বাবে মই ২০১৭-১৮ বিত্তীয় বৰ্ষত ৪ কোটি টকা আৱণ্টনত প্ৰস্তাৱ দিছোঁ।

২৫৯। একেদৰে চাহ বাগিচা অঞ্চলসমূহত খোৱা পানী যোগানৰো আৱশ্যকতা আছে আৰু এই কাম আৰম্ভ কৰাৰ বাবে চলিত বাজেটত ৫ কোটি টকা আৱণ্টনৰ মই প্ৰস্তাৱ দিছোঁ।

২৬০। আৰ্চেনিক ক্ষতিগ্ৰস্ত বসতিস্থল আঁচনিৰ অধীনত সৰ্বমুঠ ৩,৪৪২ টা বসতিস্থল সামৰি লোৱা হ'ব। আমাৰ চৰকাৰে অহা ৩১ মাৰ্চ, ২০২০ চনৰ ভিতৰত ভাৰত চৰকাৰৰ নতুন ৰাষ্ট্ৰীয় উপ-মিছনৰ অধীনত সমগ্ৰ আৰ্চেনিক আৰু ফ্ল'ৰাইড ক্ষতিগ্ৰস্ত বসতি অঞ্চলৰ অধিক গাওঁ সামৰি লোৱাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব।

**পৰিৱেশ আৰু বন বিভাগ ঃ সেউজী ধৰণী ধুনীয়া**

২৬১। মাননীয় সদস্যসকল, বেছি দিনৰ কথা নহয় অসমক প্ৰকৃতিৰ ৰম্যভূমি হিচাবে মানুহে গণ্য কৰিছিল। কিন্তু সেয়া এতিয়া অতীত। সম্প্ৰতি আমাৰ বন্যভূমিসমূহক সুৰক্ষাৰ প্ৰয়োজন আহি পৰিছে। পৰিৱেশ সংৰক্ষণৰ বাবে আমি কাম কৰাৰ প্ৰয়োজন আহি পৰিছে। আমি আমাৰ হৃত গৌৰৱ পুনৰুদ্ধাৰ কৰাৰ সময় সমাগত। আমাৰ চৰকাৰৰ বাবে এয়া এক অতি গুৰুত্বপূৰ্ণ কাৰ্য।

২৬২। বনধ্বংসৰ এই অবাধ গতিত যদি মানৱ সভ্যতা আগবাঢ়ে মই ভাবো যে এদিন আমাৰ মাতৃতুল্য প্ৰকৃতিক আমি বলিদান দিব লাগিব। প্ৰকৃতি

সংৰক্ষণৰ পৰম্পৰা আমি আমাৰ পূৰ্বপূৰুষসকল, আমাৰ সংস্কৃতি আৰু ঐতিহ্যৰপৰাই লাভ কৰিছো। অথৰ্ব বেদত উল্লেখ আছে ‘মাতা ভূমি পুত্ৰসমঃ পৃথ্ব’। ইয়াৰ অৰ্থ হৈছে ‘এই পৃথিৱীখন আমাৰ মাতৃ আৰু আমি তেওঁৰ সন্তান’।

২৬৩। এই চৰকাৰ ক্ষমতালৈ অহাৰ পাছত, এই বিভাগে ১.৪২ কোটিতকৈ অধিক গছপুলি ৰোপণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। বৰ্তমানে থকা পৰিসৰ বৃদ্ধি কৰাৰ বাবে আমি অৱক্ষয়প্ৰাপ্ত ভূমিত ব্যাপক বৃক্ষৰোপণৰ সিদ্ধান্ত গ্ৰহণ কৰিছো। বনাঞ্চলসমূহৰ পূৰ্বৰ অৱস্থা ঘূৰাই আনি আৰু বনানীকৰণৰ জৰিয়তে বন্যভূমিৰ উন্নতি সাধনৰ বাবে আমি ১৫ কোটি টকা ধাৰ্য কৰিছো। তদুপৰি বৃহত্তৰ গুৱাহাটী মহানগৰীৰ সেউজীকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ ৫ কোটি টকা আছুতীয়াকৈ ৰখাৰ ব্যৱস্থা কৰা হৈছে।

২৬৪। এই উদ্যোগত, অধ্যক্ষ মহোদয়, আমি জনসাধাৰণক লগত লৈ আগবাঢ়িব বিচাৰিছো। আমি ইয়াক ৰাইজৰ আন্দোলন হিচাপে ল’ব বিচাৰো। এই পৰিপ্ৰেক্ষিতত, আমি এনে কাৰ্যসূচী গাঁৱলৈ লৈ যাবলৈ প্ৰস্তাৱ কৰিছো। এই উদ্দেশ্যে ৫ কোটি টকা আছুতীয়াকৈ ৰখা হৈছে। এই পদক্ষেপসমূহে আমাক কাৰ্বনবিহীন ৰাজ্যৰ মৰ্যাদা পোৱাৰ ক্ষেত্ৰত বহুখিনি সহায় কৰিব বুলি আশা কৰা হৈছে।

২৬৫। আমাৰ চৰকাৰে বন্যপ্ৰাণীক সুৰক্ষা দিয়াৰ লগতে আমাৰ বনাঞ্চলক বেদখলমুক্ত কৰাৰ বাবেও গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে। মাননীয় সদস্যসকল জ্ঞাত যে, কাজিৰঙাৰ দেওচুৰ আৰু বান্দৰডুবি গাৱঁক বেদখলৰ পৰা সম্পূৰ্ণভাৱে মুক্ত কৰা হৈছে। আন আন অঞ্চলৰ পৰাও বেদখল মুক্ত কৰাৰ বাবে ব্যৱস্থা লোৱা হ’ব।

২৬৬। আমাৰ চৰকাৰে বন সুৰক্ষা বাহিনীত ৫২৫ ফ্ৰণ্টলাইন কৰ্মচাৰী আৰু ২৭৪ গৰাকী সভ্য (Member) নিযুক্তি দিয়াৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। কাজিৰঙা আৰু অন্যান্য সংৰক্ষিত বনাঞ্চলৰ বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে বনৰক্ষী আৰু বন সুৰক্ষা বাহিনীক অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ যোগান ধৰাৰ বাবে সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ বাবে ২০ কোটি টকা আছুটীয়াকৈ

ৰখা হৈছে। মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাতৰ বলি হোৱা সকললৈ আগবঢ়োৱা এককালীন সাহায্য ১ লাখ টকাৰ পৰা ২ লাখ টকালৈ বৃদ্ধি কৰাৰ বাবেও আমাৰ চৰকাৰে সিদ্ধান্ত লৈছে। বিভাগটোৱে জয়পুৰ আৰু মানাহ বন্যপ্ৰাণী অভয়াৰণ্যত দুটা ভাষ্য কেন্দ্ৰ তথা সংগ্ৰহালয় (Interpretation Centres-cum-Museums) স্থাপনৰো প্ৰস্তাৱ হাতত লৈছে।

**খনি আৰু খনিজাত দ্ৰব্য বিভাগ ঃ**

২৬৭। অসমৰ খনিজ ভাণ্ডাৰসমূহৰ উন্নয়নৰ বাবে আমাৰ চৰকাৰে বিশেষ দৃষ্টি নিক্ষেপ কৰিছে। ৰাজহ বৃদ্ধিৰ উদ্দেশ্যে ইতিমধ্যে বিভাগটোৱে খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ উৎপাদনৰ বাবে ৩ টা খাৰুৱা তেল খনন ক্ষেত্ৰ লীজত দিয়াৰ লগতে এটা অইল ইণ্ডিয়া লিমিটেডক লীজত দিছে।

২৬৮। ৰি-ষ্টাৰ্ট (Re-START) অসমৰ অংশ হিচাপে, প্ৰান্তীয় তৈল ক্ষেত্ৰৰ নিলামত সম্ভাব্য অংশগ্ৰহণ, ক্ষুদ্ৰ কয়লা ক্ষেত্ৰ প্ৰাপ্তি আদিৰ নিচিনা উদ্ভাৱনীমূলক নীতিৰ বাবে বিভাগে অভিযান আকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। তদুপৰি ৰাজ্যখনৰ বন আৰু বনাঞ্চল বহিৰ্ভূত অঞ্চলত বালিৰ মহলৰ সংখ্যা বৃদ্ধি কৰিবলৈ সংশোধিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আমি প্ৰস্তাৱ গ্ৰহণ কৰিছো। ইয়াৰ দ্বাৰা ৰাজ্যখনৰ নিৰ্মাণ কাৰ্য অতিশয় লাভান্বিত হোৱাৰ লগতে ইয়াৰ গতিও ক্ষীপ্ৰতৰ হ'ব।

**ক্ৰীড়া বিভাগ ঃ এটাই সাধনা, এটাই দল**

২৬৯। বিগত সময়ছোৱাত ৰাজ্যখনৰ ক্ৰীড়াক্ষেত্ৰত কেতবোৰ উল্লেখযোগ্য উন্নয়ন সাধিত হৈছে। বিগত মাহকেইটাত মহানগৰীখনত সফলতাৰে অনুষ্ঠিত হৈ যোৱা কেইবালানিও ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাৰ জৰিয়তে দেশৰ ক্ৰীড়া ৰাজধানী হোৱাৰ দিশত গুৱাহাটীৰ দ্ৰুত উত্থান ঘটিছে। আপোনালোক সকলোৱে জ্ঞাত যে ১৭ বছৰৰ অনুৰ্দ্ধ ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ খেল গুৱাহাটীত আয়োজনৰ সুযোগ লাভ কৰিবলৈ আমি সক্ষম হৈছো। আমাৰ ৰাজ্যখনৰ কাৰণে নিশ্চিতভাৱে ই এক অতি গৌৰৱৰ কথা।

২৭০। ৰাজ্যখনৰ ক্ৰীড়া আন্তঃগাঁথনিৰ দৰে গুৰুত্বপূৰ্ণ বিষয়ত আমি দুটা কৌশল গ্ৰহণৰ প্ৰস্তাৱ কৰো। সেয়া হ'ল— বৰ্তমানে থকা আন্তঃগাঁথনিৰ শক্তিশালীকৰণ আৰু মূল্যায়ণৰ ভিত্তিত নতুন আন্তঃগাঁথনি সৃষ্টি। আমি প্ৰশিক্ষণ আৰু উদ্দীপক ভ্ৰমণৰ ওপৰতো গুৰুত্ব প্ৰদান কৰিছো।

২৭১। **এইক্ষেত্ৰত সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ বৰ্তমানৰ আন্তঃগাঁথনি ব্যৱহাৰ কৰি অৰ্জুন বঁটা বিজয়ী ভোগেশ্বৰ বৰুৱাৰ নামেৰে 'অৰ্জুন ভোগেশ্বৰ বৰুৱা ৰাজ্যিক ক্ৰীড়া একাডেমী' নামৰ এখন অত্যাধুনিক সা-সুবিধা থকা প্ৰতিষ্ঠান স্থাপনৰ বাবে আমি প্ৰস্তাৱ কৰিছো।** ক্ৰীড়াৰ শেহতীয়া আন্তঃগাঁথনিৰে সজ্জিত এই একাডেমীত উদীয়মান প্ৰতিভাধৰসকলৰ বাবে থকা-মেলাৰ সা-সুবিধাও উপলব্ধ হ'ব। এই উদ্দেশ্যে চলিত বাজেটত মই ৫ কোটি টকা আবন্টনৰ প্ৰস্তাৱ আগবঢ়াইছো।

২৭২। মাননীয় সদস্যসকল এই কথাত নিশ্চয় সন্মত হ'ব যে আধুনিক শৰীৰ চৰ্চা কেন্দ্ৰ, চুইমিং পুল আদিৰ ব্যৱস্থা প্ৰদানৰ বাবে দিছপুৰত থকা ৰুদ্ৰসিংহ ক্ৰীড়া প্ৰকল্পৰ আন্তঃগাঁথনি শক্তিশালী কৰাটো অত্যন্ত জৰুৰী। সেইমতে ইয়াৰ বাবে মই ২ কোটি টকা আছুটীয়াকৈ ৰাখিছো।

২৭৩। এই পৱিত্ৰ সদন অৱগত যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী তথা তেতিয়াৰ কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী শ্ৰীসৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ সবল নেতৃত্বত আমি গুৱাহাটীত দক্ষিণ এছীয় ক্ৰীড়া সমাৰোহ বৃহৎ সফলতাৰে সম্পন্ন কৰিছো। এই সমাৰোহে ৰাষ্ট্ৰজোৰা খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছিল। আমাৰ শুভংকৰ 'তীখৰে' অভূতপূৰ্ব জনপ্ৰিয়তা লাভ কৰিছিল। এই সমাৰোহৰ স্মৃতি সজীৱ কৰি ৰাখিবলৈ জালুকবাৰীত 'তীখৰ' ৰ নামত এখন থীম পাৰ্ক স্থাপনৰ বাবে আমি প্ৰস্তাৱ আগবঢ়াইছো আৰু ইয়াৰ প্ৰাথমিক কাম-কাজৰ বাবে ২ কোটি টকা আবন্টনৰ প্ৰস্তাৱ লৈছো।

২৭৪। ডিব্ৰুগড়, কামৰূপ আৰু লখিমপুৰত তিনিখন নতুন ষ্টেডিয়াম স্থাপনৰ কথা যোৱা বাজেটত মই ঘোষণা কৰিছিলো। বিভাগটোৱে ইয়াৰ প্ৰাথমিক কাম-কাজ আৰম্ভ কৰিছে আৰু ২০১৭-১৮ বৰ্ষত ইয়াৰ বাবে মই ৬ কোটি টকা আবন্টন কৰিছো। এই তিনিখন ষ্টেডিয়ামৰ কাম-কাজ

আগবঢ়াৰ পিছত ৰাজ্যখনৰ অন্যান্য জিলা সদৰসমূহতো যথা সময়ত এনেধৰণৰ অত্যাধুনিক প্ৰকল্প হাতত লোৱা হ'ব।

২৭৫। ৰাজ্যিক, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়া প্ৰতিযোগিতাত অসাধাৰণ প্ৰদৰ্শন আগবঢ়োৱা ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰী আৰু খেলুৱৈসকললৈ ক্ৰীড়া প্ৰতিভা সন্ধানী জলপানি প্ৰদান কৰা হ'ব।

২৭৬। তদুপৰি, যোৰহাটত এন চি চি একাডেমী স্থাপনৰ বাবে প্ৰাৰম্ভিক পৰ্যায়ত ৫০ লাখ টকা আবণ্টনৰ প্ৰস্তাৱ লোৱা হৈছে। এই একাডেমীখনে ৰাজ্যখনৰ যুৱ প্ৰজন্মৰ সৰ্বাত্মক বিকাশত গুৰুত্ব প্ৰদান কৰিব আৰু এন চি চি কাৰ্যকলাপৰ জৰিয়তে দেশপ্ৰেমৰ ভাৱধাৰাৰে উদ্বুদ্ধ কৰিব।

**ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ ঃ**

২৭৭। অসমত ভূমি ৰাজহৰ কথা উল্লেখ কৰিলে আমাৰ মনলৈ গাঁওবুঢ়া আৰু মৌজাদাৰসকলৰ কথাই আহে। অসমৰ জনসাধাৰণলৈ তেওঁলোকে আগবঢ়োৱা সেৱাক আমাৰ চৰকাৰে স্বীকৃতি দি আহিছে। এই সদনক জনাবলৈ পাই মই সুখী হৈছো যে গাঁওবুঢ়াসকলে যাতে নিয়মীয়াকৈ তেওঁলোকৰ মাননি লাভ কৰে তাৰ বাবে বাজেটত সম্পূৰ্ণ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সেইমৰ্মে এই বিত্তীয় বৰ্ষত ৪৪.২৩ কোটি টকা আবণ্টন দিয়াৰ বাবে মই প্ৰস্তাৱ গ্ৰহণ কৰিছো।

২৭৮। সম্প্ৰতি তহছিলদাৰী ব্যৱস্থা চলি থকা ৰাজ্যৰ আঠখন জিলাত আমাৰ চৰকাৰে মৌজাদাৰী ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তদুপৰি ডিজিটেল লেনদেনৰ প্ৰতি উৎসাহিত কৰি তোলাৰ উদ্দেশ্যে আমাৰ চৰকাৰে মৌজাদাৰসকলৰ বাবে বিত্তীয় উদগণি আগবঢ়োৱাৰ কথাও ঘোষণা কৰিছে।

২৭৯। ইয়াৰ উপৰিও নিৰ্দ্ধাৰিত সময়ত সকলো মৌজাক কম্পিউটাৰাইজড্ কৰাৰ বাবে আমাৰ চৰকাৰে কৰ্ম আঁচনি যুগুত কৰিছে।

পৰিৱৰ্তিত সময়ৰ সৈতে খোজ মিলাই আমাৰ চৰকাৰে 'অসমৰ বন্দৱস্তিৰ ইতিহাস' প্ৰস্তুতিৰ দ্বাৰা ভূমি ৰাজহ বিভাগক এক নতুন মাত্ৰা তথা ৰূপ দিয়াৰ চেষ্টা কৰিছে। প্ৰাক্-স্বাধীন কালৰে পৰা এতিয়ালৈকে

সমগ্ৰ ৰাজ্যখনত বন্দৰস্তিসমূহৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক গাঁথনিৰ নথিকৰণৰ বাবে লক্ষ্য লোৱা হৈছে। 'ডিছক'ভাৰী অব্ আছাম' নামৰ এক প্ৰকল্পই ৰাজ্যখনৰ সকলো সৰু-বৰ জনগোষ্ঠী আৰু সামাজিক গোটৰ ইতিহাস, সংস্কৃতি আৰু অৰ্থনীতিক পুনৰুদ্ধাৰ কৰাত সহায় কৰাৰ লগতে আধ্যাত্মিক তথা সাংস্কৃতিক পৰম্পৰা, সামাজিক ৰীতি-নীতি আৰু অভ্যাসক উদ্ভাসিত কৰিব। এই বন্দৰস্তিসমূহৰ ইতিহাসৰ পাতে পাতে লুকাই থকা ইয়াৰ গুৰুত্বপূৰ্ণ মুহূৰ্ত তথা ঘটনা প্ৰৱাহৰ লগত জড়িত গুৰুত্বপূৰ্ণ বৈশিষ্ট্যসমূহো ই নথিভূক্ত কৰিব।

২৮০। সমাজ পৰিবৰ্তন আৰু উন্নয়নৰ অমিয় কুমাৰ দাস প্ৰতিষ্ঠান, গুৱাহাটীৰ সহযোগত এই প্ৰকল্পটো ৰূপায়ণ কৰাৰ প্ৰস্তাৱ লোৱা হৈছে।

সেই অনুসৰি এই বাজেটত এই প্ৰকল্পটোৰ লগত জড়িত কাম-কাজবোৰৰ কাৰণে মই ২ কোটি টকা দিয়াৰ প্ৰস্তাৱ লৈছো।

২৮১। ভূমিহীন মানুহ, প্ৰাকৃতিক নতুবা মানৱ সৃষ্ট বিপৰ্যয় অথবা ভূমি অধিগ্ৰহণৰ বাবে পুনৰ সংস্থাপনৰ লেখীয়া কাৰণবোৰত চৰকাৰী ভূমি আবণ্টন দিয়া পৰিয়ালবোৰৰ কাৰণে আমাৰ চৰকাৰ আচহুৱা পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হৈছে। যদিও এনে পৰিস্থিতি এই পৰিয়ালসমূহৰ দ্বাৰা সৃষ্ট নাছিল, তেওঁলোকক স্থায়ী বসতিৰ বাবে অথবা ম্যাদী পট্টা দিয়াৰ সময়ত নিৰ্দ্ধাৰিত মূল্য (Premium) দিবলৈ বাধ্য কৰোৱা হৈছে। ম্যাদী পট্টা দিয়াৰ সময়ত নিৰ্দ্ধাৰিত মূল্য আদায় দিয়াৰ পৰা তেওঁলোকক ৰেহাই দিয়াৰ বাবে এটি সঠিক নীতি গ্ৰহণ কৰি আমাৰ চৰকাৰে এই লোকসকলক সম্পূৰ্ণভাৱে সকাহ দিব।

২৮২। আমাৰ চৰকাৰে প্ৰশাসনক জনসাধাৰণৰ কাষলৈ আনিবলৈ প্ৰতিশ্ৰুতিবদ্ধ আৰু সেই অনুসৰি অধিক জিলা সৃষ্টি কৰাতকৈ আমি অধিক ৰাজহ চক্ৰ সৃষ্টি কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছো। সেয়ে আমি, অতি প্ৰয়োজনীয় ঠাইতহে কেৱল নতুন ৰাজহ চক্ৰ স্থাপন কৰাৰ কথাটো পৰীক্ষা কৰাৰ বাবে এখন সমিতি গঠন কৰাৰ প্ৰস্তাৱ দিছো।

তদুপৰি, ক্ষুদ্ৰ চাহ কৃষকৰ খেতিৰ অধীনত আমাৰ চৰকাৰে ভূমিৰ বিত্তীয় মূল্য ৰেহাই দিয়াৰ বাবে অতি আগ্ৰহী।

**ক্ষুদ্ৰ চাহ খেতিয়কসকল ঃ প্ৰাণৱন্ত অসমৰ উজ্জীৱিত চেতনা**

২৮৩। অসম চাহ খেতিৰ বিৱৰ্তনৰ বিষয়ে আমি সকলো অৱগত। আক্ষৰিকভাৱে আৰু কাম-কাজ উভয় ক্ষেত্ৰতে ক্ষুদ্ৰ চাহ খেতিয়কসকলে অসমৰ দৃশ্যপটৰ উল্লেখনীয় পৰিৱৰ্তন আনিছে। ৰাজ্যখনৰ ১,২৫,০০০ খন ক্ষুদ্ৰ চাহ বাগিচাই অসমৰ গ্ৰাম্য অৰ্থনীতিৰ পৰিৱৰ্তন সাধন কৰিছে। অসমৰ চাহ সঞ্চালকালয়ত পঞ্জীয়নভুক্ত ৭৮,২৬৮ গৰাকী ক্ষুদ্ৰ চাহ খেতিয়ক আছে, যিটো দেশৰ অন্যান্য চাহ উৎপাদনকাৰী ৰাজ্যসমূহৰ বাবে এক দৃষ্টান্তৰূপে পৰিগণিত হৈছে।

২৮৪। অধিক গঠনমূলক আৰু উদ্ভাৱনীমূলক নীতিগত সিদ্ধান্তৰ জৰিয়তে এই খণ্ডটোক সজীৱ আৰু উৎসাহিত কৰাৰ প্ৰতি থকা আমাৰ দায়বদ্ধতাৰ কথা আমি পুনৰ দোহাৰিছো। এক নিৰ্দিষ্ট সময়ৰ ভিতৰত কেঁচা চাহপাতৰ ওপৰত থকা উপ-কৰ সম্পূৰ্ণৰূপে উঠাই ল'বলৈ আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। যোৱা ছয় মাহত প্ৰতি কিলোগ্ৰাম কেঁচা পাতৰ ওপৰত উপ-কৰৰ পৰিমাণ ২৫ পইচাৰ পৰা ১৫ পইচালৈ হ্ৰাস কৰা হৈছে। ২০১৭ ৰ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ কেঁচা পাতৰ ওপৰত উপকৰৰ পৰিমাণ অতিৰিক্ত ৫ পইচা হ্ৰাস কৰি প্ৰতি কিলোগ্ৰামত মাত্ৰ ১০ পইচা কৰাৰ কথা ঘোষণা কৰিবলৈ পাই মই সুখী হৈছো।

২৮৫। আমি লক্ষ্য কৰিছো যে উন্নয়নৰ পুঁজি বিনিয়োগৰ বাবে ভূমিৰ মূল্য নিৰূপণত ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ ভূমি নথি হৈছে প্ৰধান প্ৰত্যাহ্বানৰ বিষয়। ইয়াৰে এটা কাৰণ আছিল, ঐতিহাসিকভাৱে ৰাজ্যখনৰ সঠিকভাৱে কৰা কেডেষ্টেৰেল জৰীপভুক্ত আৰু উন্নত ভূমি নথি নথকা। এই পৰিপ্ৰেক্ষিতত বৰ্তমানে থকা ক্ষুদ্ৰ চাহ বাগানসমূহ আৰু ভৱিষ্যতে খুলিবলগীয়া কাৰ্যসূচীৰ ক্ষুদ্ৰ চাহ বাগানসমূহৰ বাবে প্ৰতিবিঘা ভূমিৰ বিপৰীতে ১০০০ টকা এক নাম মাত্ৰ প্ৰিমিয়াম স্থিৰ কৰি দিয়াৰ পিছত ভূমি বন্দোৱস্তিৰ বাবে ক্ষুদ্ৰ চাহ খেতিয়কসকললৈ আমাৰ চৰকাৰে যথেষ্ট উদগনিমূলক কাৰ্যব্যৱস্থা হাতত ল'ব।

২৮৬। তদুপৰি, ভাৰতৰ চাহ ব'ৰ্ডত পঞ্জীভুক্ত ক্ষুদ্ৰ চাহ খেতিয়ক আৰু ৩০

বিঘা পৰ্যন্ত ভূমিৰ মালিকনাধীন চাহ খেতিয়কসকললৈ এই সুফল প্ৰদান কৰা হ'ব, যাতে ইয়াৰ লাভালাভসমূহ সমাজৰ পাবলগা লোকে লাভ কৰে।

ইয়াৰ উপৰি ১৭ কোটি টকাৰ প্ৰাক্কলিত ব্যয়ত এটা প্ৰশিক্ষণ আৰু গৱেষণা কেন্দ্ৰ স্থাপন কৰা হ'ব আৰু ইয়াৰ বাবে প্ৰয়োজন হোৱা পুঁজি উপলব্ধ উপকৰ পুঁজিৰ পৰা লোৱা হ'ব।

২৮৭। বিগত বৰ্ষৰ বাজেটত চহ নকৰাকৈ পেলাই থোৱা পতিত মাটিত ক্ষুদ্ৰ চাহ খেতিয়কসকলে কৰা নতুন চাহ খেতিৰ বাবে প্ৰতিবিঘা ভূমিৰ বিপৰীতে আমি উদগনিমূলক ব্যৱস্থা হিচাপে ৫০০০ টকা প্ৰদানৰ কথা আমি ঘোষণা কৰিছিলো আৰু এইক্ষেত্ৰত উদ্যোগ আৰু বাণিজ্য বিভাগে বিতং নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই আঁচনিখন ৰূপায়ণৰ বাবে চলিত বাজেটত মই ১০ কোটি টকা ধাৰ্য্য কৰিছো।

**পৰিকল্পনা আৰু উন্নয়ন**

২৮৮। ২০১৬-১৭ বিত্তীয় বৰ্ষত অসমৰ প্ৰতিটো বিধান সভা সমষ্টিলৈ পূৰ্বৰ কেইবাটাও কিস্তিত ধন মুকলি কৰি দিয়াৰ প্ৰচলিত প্ৰথাক বিলোপ সাধন কৰি মই প্ৰতিটো সমষ্টিলৈকে এটা কিস্তিতে ১ কোটি টকাকৈ মুকলি কৰি দিছিলো। অহা বিত্তীয় বৰ্ষৰ বাবেও মই একেটা পথকে অনুসৰণ কৰিবলৈ বিচাৰিছো আৰু সেই অনুসৰি বিধায়কৰ স্থানীয় এলেকা উন্নয়ন আঁচনিৰ অধীনত মুঠ ১২৬ কোটি টকা আবণ্টন দিবলৈ বিচাৰিছো। চলিত বিত্তীয় বৰ্ষৰ দৰেই অহা বিত্তীয় বৰ্ষতো 'সুহৃদ' (SUHRID) আঁচনিৰ ৰূপায়ণৰ বাবে মই ৬৩ কোটি টকাৰ আবণ্টন দিছো।

২৮৯। আমাৰ চৰকাৰে পৰিকল্পনা আৰু উন্নয়ন বিভাগক 'অসম পৰিৱৰ্তন আৰু উন্নয়ন বিভাগ (Department for Transformation and Development of Assam)' হিচাপে পুনৰ নামাকৰণ কৰিবলৈ বিচাৰিছে।

২৯০। মাননীয় সদস্যসকলে নিশ্চয় আদৰণি জনাব যে ৰাজ্য চৰকাৰৰ পৰ্যায়ত এলানি উদ্ভাৱনীমূলক আঁচনি ৰূপায়ণ কৰি থকা হৈছে। এই আঁচনিসমূহৰ সম্পূৰ্ণ সম্ভাৱণীয়তা কামত লগোৱাৰ অৰ্থে আমাক এক ফলপ্ৰসূ নিৰীক্ষণ

ব্যৱস্থাৰ প্ৰয়োজন। বিভিন্ন উৎসৰ পৰা লাভ কৰা সম্পদসমূহক কেন্দ্ৰীয় খণ্ডৰ আঁচনিৰ পৰা বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্পলৈ প্ৰবাহিত কৰাৰ বাবে আমাক এক উমৈহতীয়া মঞ্চৰ প্ৰয়োজন। আশা কৰা হৈছে যে ‘অসম পৰিৱৰ্তন আৰু উন্নয়ন বিভাগ’ নামৰ এই নতুন বিভাগটোৱে এক অনুকূল বাতাৱৰণ সৃষ্টি কৰিব, যাতে সকলো কেন্দ্ৰীয় সাহায্য পুঁজি আঁচনি (CSS) আৰু বহিঃসাহায্য (EA) প্ৰকল্পৰ সুফলসমূহ অৰ্থৱহভাৱে ব্যৱহাৰ কৰিব পৰা যায়।

২৯১। পূৰ্বতে মই উল্লেখ কৰিছো যে আমাৰ সু-প্ৰশাসনৰ চাৰিটা স্তম্ভৰ অন্যতম এটা স্তম্ভ হৈছে জনসাধাৰণৰ অংশগ্ৰহণ। সেই অনুসৰি শিক্ষা, স্বাস্থ্য, খোৱা পানী, অনাময় আৰু কৃষি ইত্যাদিৰ লেখীয়া গুৰুত্বপূৰ্ণ খণ্ডসমূহত সেৱা প্ৰদান ব্যৱস্থাটোৰ উন্নয়নসাধনত আমি নাগৰিক সমিতিৰ সেৱা কামত লগাবলৈ প্ৰস্তাৱ কৰিছো। এইদৰে আমাৰ ৰাজ্যখনৰ প্ৰতিটো খণ্ডতে নাগৰিক সমিতি গঠনৰ জৰিয়তে জিলা প্ৰশাসনসমূহক আমি তেওঁলোকৰ গুণগত সেৱা প্ৰদানত সহায় আগবঢ়াম।

২৯২। এই সমিতিখনত সংশ্লিষ্ট বিভাগৰ জিলা মুৰব্বী বিষয়াসকলক সদস্য হিচাপে ৰখাৰ লগতে বিভিন্ন ক্ষেত্ৰত জ্ঞান থকা জিলাখনৰ ৫ গৰাকী নেতৃস্থানীয় ব্যক্তিকো অন্তৰ্ভুক্ত কৰা হ’ব। এই সমিতিৰ সিদ্ধান্ত মৰ্মে সমিতিখনৰ সদস্যসকলে নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে ক্ষেত্ৰীয় কাৰ্যালয়সমূহ, বিদ্যালয়সমূহ আৰু হাস্পতালসমূহ পৰিদৰ্শন কৰিব আৰু লগতে এই বিষয়ে তেওঁলোকে জিলা প্ৰশাসনক বিভিন্ন দিশসমূহ জনাই থাকিব।

২৯৩। আমাৰ চৰকাৰে হাতত লোৱা আন এক উল্লেখযোগ্য পদক্ষেপ আছিল ‘ভিজন আছাম, ২০৩০’ খন প্ৰস্তুত কৰা আৰু প্ৰকাশ কৰা, যিখন হৈছে সকলোকে সামৰি লোৱা আৰু বহনক্ষম উন্নয়নৰ এখন গুৰুত্বপূৰ্ণ ভৱিষ্য দৰ্শন। বহনক্ষম উন্নয়নৰ লক্ষ্যসমূহ ফলপ্ৰসূভাৱে ৰূপায়ণ কৰিবলৈ আমি বহনক্ষম উন্নয়নী লক্ষ্যৰ এটা কোষ গঠন কৰিছো আৰু ইতিমধ্যে এক ৭ বছৰীয়া ৰণকৌশল পৰিকল্পনা আৰু এখন ৩ বছৰীয়া কৰ্ম আঁচনি প্ৰস্তুত কৰিছো, যিহেতু এটা সহযোগপূৰ্ণ সৰ্বাত্মক পদক্ষেপ [synergized

Holistic Initiative] লৈ থকা হৈছে। মই জনাবলৈ পাই সুখী হৈছো যে এই বহনক্ষম উন্নয়নী লক্ষ্যৰ লগত সংগতি ৰাখি এখন বাজেট প্ৰস্তুত কৰা হৈছে আৰু ইয়াক পৱিত্ৰ সদনত উত্থাপন কৰা হৈছে।

**সাধাৰণ প্ৰশাসন বিভাগ**

২৯৪। মই আগেয়ে উল্লেখ কৰাৰ দৰে শ্বিলংস্থিত অসম হাউচ আৰু মুম্বাইস্থিত অসম ভৱনৰ সম্প্ৰসাৰণৰ কাম সম্পূৰ্ণ হৈ উঠিছে আৰু নতুন দিল্লী, বাংগালোৰ, ভেলোৰ, চেন্নাইত বহুমহলীয়া অসম হাউচ/ভৱন তথা কলকাতাত এটা অতিৰিক্ত অসম ভৱনৰ নিৰ্মাণ কাৰ্য প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত। আমি আশাবাদী যে অহা ৰঙালী বিহুৰ সময়ত, অৰ্থাৎ অসমীয়া নৱবৰ্ষৰ পহিলা দিনটোৰ পৰাই এই সুবিধাসমূহ উপলব্ধ হ'ব।

২৯৫। ছয়খন নতুন জিলা ঘোষণাৰ মূল উদ্দেশ্য পূৰণৰ অৰ্থে কিছুমান প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবে আমাৰ চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। সেই অনুসৰি এই নতুন জিলাসমূহত প্ৰয়োজনীয় আন্তঃগাঁথনি সৃষ্টিৰ বাবে চলিত বৰ্ষত মই ৫ কোটি টকা আবন্টন দিব বিচাৰিছো। কাম-কাজৰ অগ্ৰগতিৰ ওপৰত ভিত্তি কৰি যথা সময়ত অতিৰিক্ত পুঁজি প্ৰদান কৰা হ'ব।

২৯৬। বৰাক উপত্যকাত স্থাপন হ'বলগীয়া ক্ষুদ্ৰ সচিবালয় সম্পৰ্কে বিভিন্ন দিশ চালি-জাৰি চাবলৈ এখন সমিতি গঠন কৰিবৰ বাবে মই প্ৰস্তাৱ আগবঢ়াইছো। সমিতিখনৰ দায়িত্ব হ'ব স্থান নিৰ্বাচন আৰু প্ৰয়োজনীয় আন্তঃগাঁথনিমূলক সুবিধাসমূহৰ অধ্যয়ন। কাৰ্যপালিকা বিধি (Rule of Executive Business)ৰ অধীনত ক্ষমতা বিকেন্দ্ৰীকৰণ সম্পৰ্কেও এই সমিতিয়ে অধ্যয়ন কৰিব।

**সচিবালয় প্ৰশাসন বিভাগ**

২৯৭। মানৱ সম্পদৰ সামৰ্থ্য বৃদ্ধি আৰু সচিবালয়ত ফাইল পৰিচালনাত স্বচ্ছতা অনাৰ জৰিয়তে প্ৰশাসনৰ দক্ষতা বৃদ্ধি কৰিব পৰা যায়। সেইমৰ্মে অসম সচিবালয়ৰ সকলো বিভাগতে মানৱ সম্পদ পৰিচালনা ব্যৱস্থা হাতত লোৱা হৈছে। লগতে ফাইল পৰিচালনা ব্যৱস্থাৰ সূচনা কৰাৰ প্ৰস্তাৱ

লোৱা হৈছে। তদুপৰি আন ৰাজ্যৰ সচিবালয়ত/ দেশৰ ৰাজধানীত ১০০ গৰাকী কৰ্মচাৰীৰ শিক্ষামূলক ভ্ৰমণৰ ব্যৱস্থা কৰাৰ বাবে আমি প্ৰস্তাৱ গ্ৰহণ কৰিছো।

২৯৮। অসম সচিবালয়ৰ মহিলা কৰ্মচাৰীসকলৰ সুবিধা আৰু সুৰক্ষা ব্যৱস্থা হিচাপে কাৰ্যালয়লৈ অহা-যোৱাৰ বাবে ষ্টাফ বাছৰ যোগান ধৰাৰ প্ৰস্তাৱ লোৱা হৈছে।

২৯৯। যিহেতু সচিবালয় হ'ল প্ৰশাসন যন্ত্ৰৰ স্নায়ু কেন্দ্ৰ, সেয়েহে সচিবালয়ত খালী হৈ থকা বৰ্তমানে ৬০২টা পদ অগ্ৰাধিকাৰ ভিত্তিত পূৰণ কৰাৰ আমি নিশ্চয়তা প্ৰদান কৰিছো।

**তথ্য আৰু জনসংযোগ বিভাগ**

৩০০। মোৰ বিগত বাজেট ভাষণত বাতৰিকাকতসমূহত প্ৰকাশিত বিজ্ঞাপনসমূহৰ বিপৰীতে পৰিশোধ কৰিবলগীয়া বিলসমূহৰ লগত জড়িত বিভাগীয় ব্যৱস্থাটো সুব্যৱস্থিত কৰা হ'ব বুলি মই প্ৰতিশ্ৰুতি দিছিলো, যাতে সংবাদ জগতৰ লগত জড়িত সংবাদ প্ৰতিষ্ঠানলৈ পৰিশোধ কৰিবলগীয়া ধন সোনকালে মুকলি কৰি দিব পৰা যায়। এই ক্ষেত্ৰত, মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে পূৰ্বৰে পৰা পৰিশোধ কৰিবলৈ বাকী থকা বহুসংখ্যক এনে বিলৰ ধন মুকলি কৰি দিয়াৰ বাবে ২০১৭ চনৰ ৩১ জানুৱাৰীলৈকে আমি প্ৰায় ২২ কোটি টকা মুকলি কৰি দিছো।

৩০১। ইয়াৰ বাবে প্ৰচলিত চিলিং প্ৰক্ৰিয়া অনুসৰণ নকৰাকৈ প্ৰতি মাহে ১.৪ কোটি টকা মুকলি কৰি দিব পৰাকৈ আমি এক বাধ্যবাধকতামূলক চিলিং ব্যৱস্থা প্ৰৱৰ্তন কৰিছো। ই যথেষ্ট ফলপ্ৰসু হৈছে আৰু বৰ্তমান সময়ৰ কেইখনমান বিলৰ বাদে তথ্য আৰু জনসংযোগ বিভাগত ধন পৰিশোধ কৰিবলৈ বাকী থকা কোনো বিল নাই।

৩০২। বিভিন্ন কাৰণত কৰ্তব্যৰ সময়ত মৃত্যুবৰণ কৰা সাংবাদিকসকলৰ পৰিয়ালৰ প্ৰতিও আমি দায়বদ্ধ। সাংবাদিকতাৰ বৃত্তি তথা সমাজখন আগুৱাই নিয়াত ইয়াৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা বিবেচনা কৰি এনে সাংবাদিকসকলৰ

শোকসন্তপ্ত পৰিয়াললৈ উপযুক্ত বিত্তীয় সাহায্য প্ৰদান কৰাৰ অৰ্থে "সাংবাদিক পৰিয়াল কল্যাণ পুঁজি" গঠন কৰিবলৈ মই প্ৰস্তাৱ কৰিছো। তথ্য আৰু জনসংযোগ বিভাগে এই আঁচনিৰ বিস্তৃত নিয়মাৱলী প্ৰস্তুত কৰিব। এই উদ্দেশ্যৰ বাবে মই পৰ্যাপ্ত বাজেটৰ ব্যৱস্থা কৰিছো।

৩০৩। সমাজৰ উন্নয়নৰ বাবে গুণগত সংবাদ সেৱা আৰু গঠনমূলক ভূমিকা পালন কৰিবলৈ বৃত্তিগত দক্ষতাৰ নিৰৱচ্ছিন্ন বিকাশ আৰু সংবাদসেৱা ক্ষেত্ৰৰ শেহতীয়া জ্ঞান হৈছে সাংবাদিকতাৰ প্ৰাথমিক চৰ্ত। এই কথাৰ প্ৰতি মান্যতা প্ৰদান কৰি আমাৰ চৰকাৰে সংবাদসেৱাৰ ক্ষেত্ৰত উচ্চ শিক্ষা লাভ কৰাৰ বাবে নিৰ্বাচিত সাংবাদিকক ৫০ হাজাৰ টকাৰ মিডিয়া ফেল'শ্বিপ প্ৰদান কৰাৰ কথা আনন্দেৰে ঘোষণা কৰিছে। ২০১৭-১৮ বৰ্ষত ২০ গৰাকী সাংবাদিকক এই ফেল'শ্বিপ প্ৰদান কৰা হ'ব। তথ্য আৰু জনসংযোগ বিভাগে এই ক্ষেত্ৰত প্ৰয়োজনীয় নীতি-নিৰ্দেশনা নিৰ্দ্ধাৰণ কৰিব। মই ইয়াৰ বাবে বাজেটত পৰ্যাপ্ত পুঁজিৰ ব্যৱস্থা কৰিছো।

৩০৪। সাংবাদিকতাৰ ক্ষেত্ৰত ৰাইজৰ সেৱাৰ অৰ্থে জীৱন উৎসৰ্গা কৰা গণ্যমান্য সাংবাদিকসকলে তেওঁলোকৰ বৃত্তিৰ পৰা অৱসৰ গ্ৰহণৰ পিছত বিত্তীয় সুৰক্ষাৰ প্ৰয়োজন হ'ব পাৰে। সেইবাবে, আপোনালোকে জানিবলৈ পাই সুখী হ'ব যে এই উদ্দেশ্যে ২০১৭-১৮ বৰ্ষৰ পৰা "সাহিত্যিক, শিল্পী আৰু ক্ৰীড়া" পেঞ্চনৰ আৰ্হিত সাংবাদিকৰ পেঞ্চনৰ ব্যৱস্থাও প্ৰবৰ্তন কৰা হ'ব।

**অসম বিধান মণ্ডল**

৩০৫। আইনী গোচৰসমূহৰ ক্ষীপ্ৰ নিষ্পত্তিৰ বাবে আমাৰ চৰকাৰ অতি আগ্ৰহী। ইয়াৰ অংশ হিচাবে ২০১৬-১৭ বৰ্ষত অনুসূচিত জাতি, অনুসূচিত জনজাতি, পিছপৰা শ্ৰেণী, মহিলা, শিশু আৰু অন্যান্যসকলক সামৰি মুঠ ৩,৭১২ গৰাকী ব্যক্তিলৈ অসম ৰাজ্যিক আইনী সেৱা প্ৰাধিকৰণ আৰু জিলা আইনী সেৱা প্ৰাধিকৰণসমূহৰ দ্বাৰা ক্ষীপ্ৰ আইনী সাহায্য আগবঢ়োৱা হৈছে।

৩০৬। তদুপৰি, বিগত বাজেট ভাষণত উল্লেখ কৰা প্ৰতিশ্ৰুতি অনুসৰি লোক

আদালতৰ জৰিয়তে অভিলেখ সংখ্যক গোচৰ নিষ্পত্তি কৰা হৈছে। এনে আদালতৰ যোগেদি প্ৰায় ৮০ কোটি টকা মূল্যৰ গোচৰ মীমাংসা কৰাৰ লগতে ৫২,৪৭৩ টা গোচৰ নিষ্পত্তি কৰা হৈছে। ৰাজ্যিক ন্যায়পালিকাই আগবঢ়োৱা এনেধৰণৰ সৰ্বোত্তম সেৱাৰ বাবে মই ৰাজ্য চৰকাৰৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

**ন্যায়িক প্ৰশাসন আৰু আইনী শিক্ষা**

৩০৭। আইনৰ ছাত্ৰ হিচাপে আৰু এগৰাকী নাগৰিক হিচাপে মই সদায়ে বিশ্বাস কৰি আহিছো যে, "ন্যায় পলম হোৱা মানেই ন্যায়ক অস্বীকাৰ কৰা"। এইষাৰ সাধাৰণ উক্তি নহয়। ই বহু গভীৰ অৰ্থ বহন কৰে। অৱশ্যে, আমাৰ ন্যায়িক ব্যৱস্থাটোৱে যাতে নিয়াৰিকৈ ইয়াৰ কাম সম্পাদন কৰিব পাৰে তাৰ বাবে আমি এই ব্যৱস্থাটোৰ প্ৰতি দৃষ্টি ৰাখিব লাগিব। এইটো লক্ষ্য কৰা হৈছে যে ন্যায়পালিকাৰ যথাযথ কাৰ্য সম্পাদনত মানৱ সম্পদ আৰু কায়িক আন্তঃগাঁথনিগত অভাৱে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰি আহিছে। এই প্ৰতিবন্ধকতাসমূহ পৰ্যায়ক্ৰমে দূৰ কৰিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ।

৩০৮। আমাৰ চৰকাৰখন হৈছে নাগৰিককেন্দ্ৰিক। ৰাজ্যখনৰ ভিতৰুৱা এলেকাসমূহত ন্যায়পালিকাৰ সুবিধা উপলব্ধ কৰিবলৈ আমাৰ চৰকাৰে যথেষ্ট প্ৰচেষ্টা হাতত লৈছে। এই ক্ষেত্ৰত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মাননীয় মুখ্য ন্যায়াধীশ শ্ৰীঅজিত সিংদেৱে গ্ৰহণ কৰা সক্ৰিয় ভূমিকাৰ বাবে আমি কৃতজ্ঞ। মাননীয় মুখ্য ন্যায়াধীশগৰাকীয়ে ন্যায় প্ৰদান ব্যৱস্থাটোক সাধাৰণ ৰাইজৰ পদূলিলৈ লৈ যোৱাৰ অৰ্থে ৰাজ্য চৰকাৰৰ সৈতে সক্ৰিয়তাৰে কাম কৰি আছে। এই ক্ষেত্ৰত হাতত লোৱা পদক্ষেপসমূহ হ'ল ঃ উচ্চ ন্যায়ালয়ে মঙলদৈ, গহপুৰ, বিলাসীপাৰা, শদিয়া, ওদালগুৰি, হাজো, কামৰূপ (আমিনগাঁও) আৰু ধুবুৰীত নতুন ন্যায়িক আদালত ভৱন নিৰ্মাণৰ প্ৰস্তাৱ হাতত লৈছে। আদালত ভৱন আৰু অন্যান্য আন্তঃগাঁথনি নিৰ্মাণৰ বাবে প্ৰয়োজনীয় পুঁজি যোগান ধৰিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ।

৩০৯। গুৱাহাটী উচ্চ ন্যায়ালয়ত বাণিজ্যিক খণ্ড আদালত আৰু জিলাসমূহত ডেজিগনেটিং বাণিজ্যিক আদালত স্থাপন কৰিবলৈ লোৱাৰ বাবে উচ্চ

ন্যায়ালয়খনৰ প্ৰতি আমি শলাগ লৈছো। এনে ব্যৱস্থাই ‘ইজ অৱ ডুইং বিজনেচ’ৰ লক্ষ্যত উপনীত হোৱাত আমাৰ গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি বিবেচিত হৈছে। ১৯৭২ চনৰ বন্যপ্ৰাণী (সংৰক্ষণ) আইনৰ অধীনত গোলাঘাট, যোৰহাট, তিনিচুকীয়া, ডিব্ৰুগড়, নগাঁও, শোণিতপুৰ, বৰপেটা, কাছাৰ, দৰং আৰু ওদালগুৰিত অপৰাধ বিচাৰৰ বাবে মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ে সংশ্লিষ্ট জিলাসমূহত আটাইতকৈ জ্যেষ্ঠ অতিৰিক্ত জিলা আৰু চেচন ন্যায়াধীশক লৈ দ্ৰুত গোচৰ নিষ্পত্তিকৰণ আদালত (Fast Track Court) গঠন কৰিবলৈ লোৱা পদক্ষেপক আমি আন্তৰিকতাৰে কৃতজ্ঞতা জনাইছো। আমি কাছাৰ, তিনিচুকীয়া আৰু হোজাই জিলাত ৩৩ লাখকৈ টকা ব্যয় সাপেক্ষে একোখন দ্ৰুত গোচৰ নিষ্পত্তিকৰণ আদালত স্থাপনৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিছো।

৩১০। ন্যায়পালিকাৰ আৱাসিক আন্তঃগাঁথনিৰ বাবে চলিত বিত্তীয় বৰ্ষৰ ভিতৰত খাৰঘুলিৰ মালিবাগানত ১.৩৮ কোটি টকা ব্যয়েৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ বাবে দুটা নতুন বঙলা আৰু ১.২৩ কোটি টকা ব্যয়েৰে চতুৰ্থ আৰু তৃতীয় শ্ৰেণীৰ কৰ্মচাৰীৰ বাবে চৰকাৰী আৱাস নিৰ্মাণৰ প্ৰস্তাৱ আগবঢ়াইছো।

৩১১। মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে অতি কমদিনৰ ভিতৰতে ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয় আৰু ন্যায়িক একাডেমী (NLUJA)এ সম্পূৰ্ণ আধুনিক সা-সুবিধাযুক্ত নিজা চৌহদ লাভ কৰিব। চলিত শৈক্ষিক বৰ্ষৰ পৰাই এই নতুন চৌহদত নিয়মীয়া পাঠদান অনুষ্ঠিত কৰাৰ সম্ভাৱনা আছে। বিশ্ববিদ্যালয়খনৰ নিজা চৌহদ নিৰ্মাণৰ বাকী থকা কামসমূহ সম্পূৰ্ণ কৰাৰ বাবে ৮ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিছো।

ভূমি বেদখলৰ সম্পৰ্কীয় গোচৰ নিষ্পত্তিকৰণৰ বাবে বিশেষ আদালত স্থাপন কৰিবলৈও মই প্ৰস্তাৱ দিছো।

## তথ্য প্ৰযুক্তি

৩১২। আমাৰ ৰাজ্যখনৰ জনসাধাৰণৰ জীৱনৰ পৰিৱৰ্তন অনাৰ বাবে সমাজৰ ডিজিটেল ব্যৱস্থাৰ উত্তৰণেই হ’ল মূল চাবিকাঠি। ভাৰতৰ মাননীয়

প্ৰধানমন্ত্ৰীৰ যুগান্তকাৰী বৈপ্লৱিক বিমুদ্ৰাকৰণ আচঁনিৰ পিছত ডিজিটেল পৰিৱৰ্তন অতি প্ৰাসঙ্গিক হৈ পৰিছে।

৩১৩। এই কথা সাৰোগত কৰি আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে 'ডিজিটেল অসম'ৰ অধীনত ৰাজ্যখনত ডিজিটেল শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছে। প্ৰযুক্তি আৰু মনোবিজ্ঞানৰ মাজত সু-সমন্বয় আৰু প্ৰগাঢ়তা গঢ়ি তোলাৰ ওপৰত তেওঁ সদায় গুৰুত্ব দি আহিছে যাতে ডিজিটেল বিশ্বই "বসুধৈব কুটুম্বকম্" অৰ্থাৎ 'সমগ্ৰ বিশ্বই এটা পৰিয়াল'ৰ ধাৰণাটো পুনৰ প্ৰতিষ্ঠা কৰিব পাৰে। সেইবাবে শব্দ, তথ্য আৰু ছবি (Voice, Data and video) সন্নিবিষ্ট ট্ৰিপল প্লে অপ্টিকেল ফাইবাৰেৰে ৰাজ্যখনৰ গাঁওসমূহক সংযোগ কৰাৰ বাবে আমাৰ চৰকাৰে প্ৰস্তাৱ গ্ৰহণ কৰিছে।

৩১৪। মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে ক্ষেত্ৰী গাওঁ পঞ্চায়তখন ইতিমধ্যে সম্পূৰ্ণ ভাৱে ডিজিটেল কৰা হৈছে আৰু আমি এতিয়া ৰাজ্যখনৰ মাজুলীক সম্পূৰ্ণৰূপে 'ৱাই-ফাই' সংযোগ থকা জিলালৈ ৰূপান্তৰ কৰাৰ বাবে পৰিকল্পনা কৰিছো। উচ্চ গতি সম্পন্ন সংযোগ ব্যৱস্থাৰ লগতে আমি অত্যাধুনিক ৰাজ্যিক তথ্য কেন্দ্ৰ স্থাপনৰ পৰিকল্পনা কৰিছো। বিভাগে নাগৰিক সেৱা কেন্দ্ৰ স্থাপন কৰাৰ বাবে প্ৰস্তাৱ কৰিছে। এই নাগৰিক সেৱা কেন্দ্ৰবোৰ ৰাজ্যৰ স্থানীয় শিক্ষিত নিবনুৱা যুৱক-যুৱতীৰ অংশীদাৰিত্বৰে তথ্য প্ৰযুক্তি সম্বলিত বিপণী হ'ব। আৰম্ভণিতে ৫০০ নাগৰিক সেৱা কেন্দ্ৰ স্থাপন কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

৩১৫। তদুপৰি আমি বৈদেশিক সহায় আহৰণ কৰিবলৈ উচ্চ মানৰ কম্পিউটিং, বৈদ্যুতিন আৰু আনুসংগিক আহিলা নিৰ্মাণ কৰাৰ বাবে 'মেকিং আছাম আই টি নিউক্লিয়াছ এণ্ড ইলেক্ট্ৰ'নিক হাব' ('Making Assam IT Nucleus and Electronics Hub'- MAIN-e-Hub) প্ৰকল্প আৰম্ভ কৰাৰ পৰিকল্পনা কৰি আছো।

৩১৬। অৰ্থনৈতিক ক্ষেত্ৰখন যিহেতু ক্ষিপ্ৰতাৰে ডিজিটেল হৈ আহিছে, তেনে ক্ষেত্ৰত অৰ্থনৈতিক লেনদেন আৰু তথ্য প্ৰযুক্তি পদ্ধতিক নিশ্চিতভাৱে সুৰক্ষা নিদিয়াকৈ মই অন্য কথা ভাবিব নোৱাৰো। এনক্ৰিপশ্যন (Encryption) শব্দটোৱে মোক অতীতৰ ঋষি-মুনিসকলৰ জ্ঞানৰ কথা

সোঁৰৱাই দিয়ে যিসকলে এই বিদ্যাটো সম্পূৰ্ণভাৱে আয়ত্ব কৰিছিল। এনক্রিপশ্যনৰ 'কাটাপায়াদি' (Katapayadi) পদ্ধতি ব্যৱহাৰৰ কৰি কোচিনৰ সমীপৱৰ্ত্তী সংগমগ্ৰামত মহান গণিতজ্ঞ মাধৱে 'শ্ৰেষ্ঠম নাম ভৰিষ্ঠ নাম, হিমাদ্ৰী বেদভাৱনা....' ৰ লেখীয়া কবিতা ৰচনা কৰিছিল, যিয়ে প্ৰকৃততে কোণৰ 'চাইন'(Sine) কৰ্মৰ গাণিতিক মান সূচায়। আধুনিক গণিত্যজ্ঞসকলে কেইবাটাও দশমিক ভগ্নাংশ স্থানক শুদ্ধ ৰূপত পাইছে। একেদৰে 'গোপী ভাগ্য মধুব্ৰতঃ শৃঙ্গিশো দধি সমধিগাঃ খালজীৱিতঃ খাতব গলহালা ৰচমধাৰাঃ' শ্লোকটিয়ে পাই (Pi)ৰ একত্ৰিশটা দশমিকলৈকে মান নিৰ্ধাৰণ কৰিছে। ঋষি-মুনিসকলৰ মহান প্ৰজ্ঞাৰ দ্বাৰা অনুপ্ৰাণিত হৈ অনাগত দিনত অসমৰ জনসাধাৰণক সুৰক্ষিত ডিজিটেল পথেৰে আগবঢ়াই নিবলৈ আমাৰ চৰকাৰ দায়বদ্ধ।

৩১৭। চলিত বৰ্ষৰ বাজেটত তথ্য প্ৰযুক্তি বিভাগৰ বাবে মই ৭৮ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ লৈছো, যিটো বিগত বৰ্ষৰ বাজেটত আবণ্টিত পুঁজিতকৈ প্ৰায়ে ১০০% অধিক।

**অসমত বি পি অ'/ আই টি/ আই টি ই এছ উদ্যোগৰ প্ৰসাৰণৰ বাবে তিনিটা উদগনিমূলক ব্যৱস্থা**

৩১৮। অসম ভিজন ডকুমেণ্ট ২০১৬-২০২৫ত ৰাজ্যখনত ১০০ টা বি পি অ' স্থাপনৰ বাবে পৰিকল্পনা কৰা হৈছে আৰু সেই অনুসৰি আমাৰ চৰকাৰে এই দিশত আন্তৰিক প্ৰচেষ্টা চলোৱাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

এইক্ষেত্ৰত বাংগালুৰু, চেন্নাই, হায়দৰাবাদ, পুণে, গুড়গাঁও আদিত থকা বৰ্তমানৰ পৰিবেশৰ সৈতে আমি ফেৰ মাৰিব নোৱাৰিম বুলি ধাৰণা কৰো। আমি সেই অঞ্চলবোৰত বি পি অ' উদ্যোগসমূহৰ প্ৰতি থকা প্ৰান্তীয় বাধ্যবাধকতাক সম্পূৰ্ণভাৱে শলাগ জনাইছো আৰু সেই হেতুকে বি পি অ' উদ্যোগসমূহৰ বাবে অসমখনক এক আকৰ্ষণীয় ক্ষেত্ৰ হিচাবে গঢ়ি তুলিবলৈ অধিক উদ্যোগ গ্ৰহণৰ আৱশ্যক।

৩১৯। মাননীয় প্ৰধান মন্ত্ৰীয়ে উদ্যোগ গ্ৰহণ কৰা স্কীল-ইণ্ডিয়া আৰু ষ্টাৰ্ট আপ ইণ্ডিয়াৰ লগতে ভাৰত চৰকাৰে ঘোষণা কৰা উত্তৰ-পূৰ বি পি অ'

প্ৰসাৰণ আঁচনিৰ সাম্প্ৰতিক পৰিপ্ৰেক্ষিতত এই উদ্যোগসমূহলৈ এক অতি আকৰ্ষণীয় উদগনিমূলক পেকেজৰ প্ৰয়োজনীয়তা থকা বুলি আমি উপলব্ধি কৰো। সেই অনুসৰি আমাৰ চৰকাৰে নিম্নোক্ত প্ৰস্তাৱসমূহ গ্ৰহণ কৰিছে—

- কোনোধৰণৰ উৰ্দ্ধসীমা নোহোৱাকৈ মূলধনী পুঁজিৰ ওপৰত হোৱা এককালীন ব্যয়ৰ ৯০% লৈকে ৰাজ্য চৰকাৰে প্ৰদান কৰিব। সম্ভৱত, অন্য কোনো ৰাজ্যই এনেধৰণৰ উদগনিমূলক ব্যৱস্থা প্ৰদান কৰা নাই আৰু এক লাখ টকাৰ উৰ্দ্ধসীমা সাপেক্ষে আনকি ভাৰত চৰকাৰে অনুমোদনযোগ্য সামগ্ৰীৰ ওপৰত মাত্ৰ ৫০% এককালীন ব্যয় প্ৰদান কৰিছে।
- বিক্ৰী/লীজ ডিড-ৰ ওপৰত বি পি অ'/আই টি/আই টি ইয়ে প্ৰদান কৰা মোহৰ শুল্ক/হস্তান্তৰ শুল্ক আৰু পঞ্জীয়ন মাচুলৰ ওপৰত আমি ১০০% ক্ষতিপূৰণ প্ৰদান কৰিম।
- সুলভ নিৰিখত দীৰ্ঘকালীন লীজ ভিত্তিত ভূমি প্ৰদান কৰা হ'ব আৰু এই উদ্যোগৰ প্ৰসাৰৰ বাবে আমি বিশেষ ভূমি খণ্ড চিহ্নিত কৰিম।

আমি আশাবাদী যে, এই বিশেষ উদগনিমূলক ব্যৱস্থাৰে অসমে বহুতো বি পি অ' ফাৰ্ম আকৰ্ষণ কৰিবলৈ সক্ষম হ'ব।

**প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ বিভাগ**

৩২০। বিগত বৰ্ষৰ বাজেটত আমাৰ চৰকাৰে মুচৌৰিস্থিত ভাৰতীয় প্ৰশাসনিক সেৱাৰ একাডেমীৰ আৰ্হিত উমৰাংচুত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ অসম অসামৰিক সেৱাৰ এটি প্ৰশিক্ষণ একাডেমী স্থাপনৰ কথা ঘোষণা কৰিছিল। মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে, ইয়াৰ বাবে উমৰাংচুৰ লবাঙত ১০০০ বিঘা ভূমি চিনাক্ত কৰা হৈছে। চলিত বৰ্ষত প্ৰস্তুতিমূলক কাম-কাজৰ বাবে মই ২০০ লাখ টকা আৱণ্টন দিয়াৰ প্ৰস্তাৱ লৈছো।

৩২১। অসমৰ এক বুজন সংখ্যক যুৱক-যুৱতীয়ে ভাৰতীয় প্ৰশাসনীয় সেৱা আৰু ভাৰতীয় আৰক্ষী সেৱাত স্থান লাভ কৰাটো আমাৰ চৰকাৰৰ

কাম্য। এই ক্ষেত্ৰত আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিবন্ধকতাৰ কাৰণসমূহ আমি অনুধাবন কৰিছো। সেই অনুসৰি, ভাৰতীয় প্ৰশাসনিক সেৱাৰ প্ৰাথমিক পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰতিগৰাকী প্ৰাৰ্থীলৈ ১ লাখ টকাকৈ প্ৰদান কৰিবলৈ মই প্ৰস্তাৱ লৈছো যাতে তেনে প্ৰাৰ্থীসকলে মূল পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰে। তদুপৰি, মই আমাৰ মাননীয় সদস্যসকলক এই কথা আশ্বস্ত কৰিব বিচাৰো যে অধিক প্ৰাৰ্থীয়ে ভাৰতীয় প্ৰশাসনিক সেৱাৰ প্ৰাথমিক পৰীক্ষাত উত্তীৰ্ণ হ'লে, সেইমতে আমি চৰকাৰৰ পৰা প্ৰদান কৰা বিত্তীয় সাহায্যৰ পৰিমাণো বাজেটত বৃদ্ধি কৰিম।

৩২২। প্ৰথম শ্ৰেণীৰ বিষয়াসকলক প্ৰশিক্ষণ প্ৰদান কৰা ক্ষেত্ৰত অগ্ৰাধিকাৰ প্ৰদান কৰাৰ লগতে আমি সহযোগী কৰ্মচাৰীসকলৰ গুৰুত্বক উপেক্ষা কৰিব নোৱাৰো। এই ক্ষেত্ৰত মই জনাবলৈ পাই সুখী হৈছো যে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰাৰ বাবে গুৱাহাটী, মাজুলী, বঙাইগাঁও আৰু শিলচৰত একোখনকৈ মুঠ চাৰিখন প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰাৰ বাবে আমি প্ৰস্তাৱ গ্ৰহণ কৰিছো। প্ৰতিষ্ঠানকেইখনৰ প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ কৰাৰ বাবে চলিত বৰ্ষত ৪ কোটি টকা আৱণ্টন দিয়াৰ বাবে প্ৰস্তাৱ লৈছো।

৩২৩। প্ৰশাসনিক কৰ্ম দক্ষতা বৃদ্ধিৰ বাবে প্ৰতিটো বিভাগৰ কৰ্মচাৰীৰ প্ৰয়োজনীয়তা বিশ্লেষণ কৰাটো হ'ব এক প্ৰাথমিক পদক্ষেপ। এই উদ্দেশ্যে এক কৰ্ম অধ্যয়ন প্ৰস্তুত কৰাৰ বাবে মই প্ৰস্তাৱ গ্ৰহণ কৰিছো আৰু তাৰ বাবে প্ৰয়োজনীয় পুঁজিৰো আৱণ্টন দিয়াৰ প্ৰস্তাৱ লৈছো।

**কৰ্মচাৰী বিভাগ**

৩২৪। অসম লোকসেৱা আয়োগৰ হৃত গৌৰৱ ঘূৰাই অনাৰ বাবে এই চৰকাৰে সংকল্প গ্ৰহণ কৰিছে। দেশৰ ভিতৰতে এক অন্যতম দক্ষতাপূৰ্ণ আৰু আদৰ্শৰে সমুজ্বল আয়োগ হিচাপে ইয়াৰ কাম-কাজসমূহত জনসাধাৰণৰ আস্থা আৰু বিশ্বাস অক্ষত ৰাখিবলৈ সকলো ধৰণৰ পদক্ষেপ লোৱা হৈছে।

নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত ৰাজ্যখনৰ বিভিন্ন বিভাগৰ নিয়মীয়া খালী পদসমূহ পূৰণৰ বাবেও আমি ব্যৱস্থা লৈছো।

**পেঞ্চন আৰু ৰাজহুৱা ওজৰ আপত্তি বি ভাগ**

৩২৫। মই জনাবলৈ পাই সুখী হৈছো যে আমাৰ চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত নিষ্পত্তিকৃত মুঠ পেঞ্চনৰ সংখ্যা প্ৰতিমাহে ১০০% তকৈ অধিক হৈ ১০০০ টালৈ বৃদ্ধি পাইছে। এই কমসময়ৰ ভিতৰতে এতিয়ালৈকে আমি ৬০৪০ টা সাধাৰণ পেঞ্চনৰ বিষয় নিষ্পত্তি কৰিছো আৰু এই বিত্তীয় বৰ্ষ সম্পূৰ্ণ হোৱা পৰ্যন্ত মুঠ ১১,০০০ টা পেঞ্চনৰ বিষয় নিষ্পত্তি কৰাৰ ব্যৱস্থা কৰা হৈছে। মই দৃঢ়ভাৱে কওঁ যে এই বিভাগে যথেষ্ট সফলতাৰে ইয়াৰ কাম-কাজ সম্পন্ন কৰিছে আৰু এনে মানৱ কল্যাণকামী কাম যথেষ্ট সফলতাৰে সম্পাদন কৰাৰ বাবে মই এই বিভাগ আৰু পেঞ্চন সঞ্চালকালয়ক অভিনন্দন জনাইছো। মই আশা কৰো যে অনাগত দিনসমূহতো এই বিভাগে একেই কৰ্ম নিষ্ঠাৰে অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলৰ কল্যাণৰ বাবে কাম কৰি যাব।

৩২৬। তদুপৰি আপোনালোকে এই কথাও জানিবলৈ পাই সুখী হ'ব যে এতিয়া প্ৰশাসনিক বিভাগসমূহে পেঞ্চন অনুমোদনকাৰী কৰ্তৃপক্ষৰ অনুমোদন অবিহনে ১,০০,০০০ টকালৈকে বকেয়া পেঞ্চন মঞ্জুৰ কৰিব পাৰিব। ভাৰত চৰকাৰে নিৰ্দ্ধাৰণ কৰা ৮%ৰ সমহাৰত ১-১০-২০১৬ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ সাধাৰণ ভৱিষ্যনিধিৰ সুতৰ হাৰ বৃদ্ধি কৰা হৈছে।

ইয়াৰ উপৰি, ২০১০ চনৰ সংশোধিত দৰমহা অনুসৰি এগৰাকী চৰকাৰী চাকৰিয়ালৰ বিয়োগত তেওঁৰ পৰিয়ালৰ সদস্যসকলে যাতে দৰমহাৰ সা-সুবিধা লাভ কৰিব পাৰে তাৰ বাবে বিশেষ পৰিয়াল পেঞ্চন সংশোধন কৰা হৈছে। লগতে ভাৰত চৰকাৰৰ আৰ্হিত নতুন পেঞ্চন আঁচনিৰ অধীনত অক্ষম/বিয়োগ ঘটা চৰকাৰী চাকৰিয়াললৈ অক্ষমতাৰ পেঞ্চন আৰু পৰিয়াল পেঞ্চনৰ সা-সুবিধা সাময়িকভাৱে প্ৰদান কৰা হৈছে।

**অসম চুক্তি ৰূপায়ণ**

৩২৭। মোৰ প্ৰথমটো বাজেট ভাষণত মই উল্লেখ কৰিছিলো যে অসম আন্দোলন কেৱল বিদেশীৰ আগ্ৰাসনৰ পৰা অসমক বচাবলৈ কৰা আন্দোলনেই

নাছিল, বৰঞ্চ ই আছিল দেশৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাক সুৰক্ষা দিয়াৰ আন্দোলন।

৩২৮। মই প্ৰতিশ্ৰুতি দিয়া মতে ২০১৬ চনৰ ১০ ডিচেম্বৰত গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত 'শ্ৰদ্ধাঞ্জলি অনুষ্ঠান'ত অসম আন্দোলনৰ শ্বহীদসকলৰ পৰিয়ালবৰ্গলৈ আমি আমাৰ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছিলো। আমি তেখেতসকলৰ প্ৰতি চিৰ কৃতজ্ঞ। আমি এইটোও জানো যে অসম আন্দোলনৰ সময়ত বহুসংখ্যক লোক আঘাতপ্ৰাপ্ত হৈছিল আৰু তেখেতসকলৰ প্ৰতি থকা শ্ৰদ্ধাৰ চিনস্বৰূপে আমাৰ চৰকাৰে তেখেতসকললৈ প্ৰয়োজনীয় বিত্তীয় সাহায্য আগবঢ়াব। এইক্ষেত্ৰত অসম চুক্তি ৰূপায়ণ বিভাগে প্ৰয়োজনীয় নীতি-নিৰ্দেশনা প্ৰস্তুত কৰিব আৰু ইয়াৰ বাবে মই ৫ কোটি টকা আবন্টন কৰিছো।

৩২৯। আপোনালোক অৱগত যে, আমাৰ চৰকাৰে অসম চুক্তিৰ ৬ নং দফাৰ ওপৰত সমাজৰ সকলো পক্ষৰ সৈতে বিস্তৃত আলাপ-আলোচনা আৰম্ভ কৰিছে।

৩৩০। এইক্ষেত্ৰত খিলঞ্জীয়া সম্প্ৰদায়সমূহৰ ভূমি বিষয়ক সমস্যাসমূহ আৰু তেওঁলোকৰ অধিকাৰ সুৰক্ষাৰ বিষয়ত আমি সজাগ। মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে খিলঞ্জীয়া সম্প্ৰদায়সমূহৰ ভূমিৰ বিষয়সমূহক সুৰক্ষা প্ৰদান কৰাৰ বাবে এই বিষয়টো পুংখানুপুংখভাৱে পৰীক্ষা কৰি ইয়াৰ অনুমোদনাৱলী দাখিল কৰিবলৈ ভাৰতৰ প্ৰাক্তন নিৰ্বাচন আয়ুক্ত শ্ৰীহৰিশংকৰ ব্ৰহ্মাৰ অধ্যক্ষতাত এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰিবলৈ আমি সিদ্ধান্ত লৈছো।

৩৩১। অসম আন্দোলনৰ শ্বহীদসকলৰ পৱিত্ৰ স্মৃতিত এখন স্মাৰক উদ্যান নিৰ্মাণ কৰিবলৈ বিচৰাৰ কথা মই মোৰ শেহতীয়া বাজেটত উল্লেখ কৰিছিলো। ইয়াৰ বাবে আমি ইতিমধ্যে ভূমি চিনাক্ত কৰিছো আৰু 'শ্বহীদ স্মাৰক ক্ষেত্ৰ' ৰ কাম অনতিপলমে আৰম্ভ কৰা হ'ব। ইয়াৰ বাবে বাজেটত মই পৰ্যাপ্ত পুঁজিৰ ব্যৱস্থা কৰিছো।

**অসমৰ ষষ্ঠ অনুসূচী**

৩৩২। ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত পৰা অসমৰ এলেকাসমূহৰ উন্নয়নৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বান আৰু সুযোগ সম্পৰ্কে আমাৰ চৰকাৰ সম্পূৰ্ণ অৱগত। কাৰ্বি আংলং, ডিমা হাছাও আৰু বড়োলেণ্ড আঞ্চলিক পৰিষদৰ এলেকাসমূহৰ বিশেষ প্ৰয়োজনীয়তাবোৰৰ প্ৰতি আমি অগ্ৰাধিকাৰ প্ৰদান কৰিম আৰু এই পৰিষদসমূহলৈ আমি আমাৰ বিশেষ মনোযোগ অব্যাহত ৰাখিম।

৩৩৩। মই পূৰ্বতেই উল্লেখ কৰিছিলো যে এইবাৰ মই এই পৰিষদসমূহলৈ সৰ্বোচ্চ পৰিমাণৰ পুঁজিৰ আবণ্টন দিছো। বিগত বৰ্ষৰ বাজেটতকৈ এই পুঁজিৰ পৰিমাণ প্ৰায় ২০% অধিক।

৩৩৪। এই আবণ্টনৰ উপৰিও এই পৰিষদসমূহলৈ মই এককালীন বিশেষ সাহায্য আবণ্টন দিবলৈ প্ৰস্তাৱ লৈছো, যিটো ভৱিষ্যতে অগ্ৰাধিকাৰ হিচাপে উল্লেখ কৰা নহ'ব। পৰিষদ অনুসৰি প্ৰস্তাৱিত আবণ্টন এনেধৰণৰ ঃ

**বড়োলেণ্ড আঞ্চলিক পৰিষদ**

৩৩৫। ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াই কোকৰাঝাৰত অনুষ্ঠিত তেওঁৰ জনসভাত বিটিচি এলেকাত উন্নয়নমূলক কাম-কাজৰ সা-সুবিধা প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনাইছিল। এই অঞ্চলটোত গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিৰ অভাৱ দূৰ কৰাৰ অৰ্থে এছ অ' পি ডি (SOPD) আৱণ্টনৰ উপৰি ২০১৭-১৮ বৰ্ষত এককালীন অনুদান হিচাপে আমাৰ চৰকাৰে ২০০ কোটি টকা আৱণ্টন দিয়াৰ প্ৰস্তাৱ কৰিছে। অৱশ্যে এই আৱণ্টন ভৱিষ্যতে অগ্ৰাধিকাৰ হিচাপে উল্লেখ কৰা নহ'ব।

৩৩৬। দ্বিতীয়তে, যদিও শিক্ষা খণ্ডটো এটা হস্তান্তৰিত বিষয় তথাপি শিক্ষা আন্তঃগাঁথনিৰ ক্ষেত্ৰত থকা অভাৱ দূৰ কৰাৰ অৰ্থে চলিত বাজেটত বি টি চিৰ বাবে মই ২৫ কোটি টকা আগবঢ়াবলৈ প্ৰস্তাৱ আগবঢ়াইছো।

**কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ**

৩৩৭। সেইদৰে, কাৰ্বি আলং স্বায়ত্তশাসিত পৰিষদীয় এলেকাত বিভিন্ন উন্নয়নমূলক কামৰ বাবে এককালীন বিশেষ অনুদান হিচাপে মই ৫০ কোটি টকা আবন্টন দিয়াৰ প্ৰস্তাৱ কৰিছো।

৩৩৮। ডিফুত থকা অসম বিশ্ববিদ্যালয় চৌহদক পৰ্যাপ্ত আন্তঃগাঁথনি আৰু শৈক্ষিকভাৱে দক্ষ কৰি অধিক গতিশীল কৰি তোলাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ব আৰু এইক্ষেত্ৰত আমি ভাৰত চৰকাৰৰ সৈতে যোগাযোগ কৰি সম্ভৱপৰ সকলো পদক্ষেপ হাতত ল'ম।

৩৩৯। যিহেতু, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ এলেকাত মাত্ৰ এখনেই চৰকাৰী মহাবিদ্যালয় আছে, সেয়েহে ইয়াত বিজ্ঞান শাখাৰ বাবে আৰু এখন চৰকাৰী মহাবিদ্যালয়ৰ প্ৰস্তাৱ কৰিছো আৰু এই উদ্দেশ্যে ২০১৭-১৮ বৰ্ষত ১ কোটি টকাৰ আৱন্টনৰ প্ৰস্তাৱ দিয়া হৈছে।

**ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদ**

৩৪০। ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদৰ ক্ষেত্ৰটো এককালীন বিশেষ অনুদান হিচাপে ২০ কোটি টকা আৱণ্টন দিয়াৰ প্ৰস্তাৱ দিয়া হৈছে।

মই এইখিনিতে উল্লেখ কৰিব বিচাৰো যে ওপৰত ঘোষণা কৰা এককালীন অনুদানৰ বিপৰীতে গ্ৰহণ কৰিবলগীয়া বিশেষ আঁচনিসমূহৰ উপৰিও নতুন শৈক্ষিক প্ৰতিষ্ঠান স্থাপন, ছিল্ক মিছন ৰূপায়ণ ইত্যাদিৰ লেখীয়া বাজেটত ঘোষণা কৰা আন বহুতো গুৰুত্বপূৰ্ণ আঁচনিও ষষ্ঠ অনুসূচীৰ অন্তৰ্গত অঞ্চলসমূহত ৰূপায়ণ কৰা হ'ব।

# দ্বিতীয় খণ্ড

*সন্মানীয় মহোদয়,*

বাজেট প্ৰস্তুতিৰ প্ৰক্ৰিয়া আৰম্ভ হয় ৰাজ্যখনৰ সম্পদৰ প্ৰাক-কলনৰ (Estimation) যোগেদি। ৰাজ্য চৰকাৰে যদিহে ৰাজহ আদায় কৰা বিভিন্ন বিভাগৰ জৰিয়তে চৰকাৰী নীতি, বিধেয়ক, প্ৰশাসনিক আৰু নিয়ামক (Regulatory) কাঠামোৰ মাজেৰে সম্পদ আহৰণৰ ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ নকৰে, তেতিয়াহ'লে এই প্ৰাক্কলন কেৱল মাত্ৰ কাগজতে আবদ্ধ হৈ ৰ'ব।

দীৰ্ঘ সময় জুৰি ৰাজ্যখনত বৰ্ধিত হাৰত ৰাজহ আহৰণৰ প্ৰচেষ্টা লোৱা হোৱা নাছিল। যোৱা বছৰ এই পৱিত্ৰ সদনত বাজেট উত্থাপনৰ সময়ত মই বাজেটক দুটা খণ্ডত বিভক্ত কৰি উত্থাপন কৰিছিলোঁ। বাজেটৰ দ্বিতীয় খণ্ডটোত ৰাজহ বৃদ্ধি আৰু কৰ ৰাজহ ব্যৱস্থাৰ পুনৰ বিন্যাসৰ ওপৰতে আলোকপাত কৰা হৈছিল।

ৰাজ্যৰ বিত্তীয় অৱস্থাৰ ওপৰত ৩ মে' ২০১৬ তাৰিখে সদনত দাখিল কৰা শ্বেতপত্ৰখনত আমি অসমত ৰাজহ বৃদ্ধি বাবে গ্ৰহণ কৰিব লগা কৌশল আৰু কাৰ্যপদ্ধতিসমূহৰ ওপৰত আলোকপাত কৰিছিলোঁ। ReSTART Assam (Restructuring Systems and Technology for Augmentation of Resources for Transformed Assam— ৰূপান্তৰিত অসমৰ বাবে সম্পদ বৰ্ধনৰ অৰ্থে প্ৰণালী আৰু তথ্যৰ পুনৰ নিৰ্মাণ) নামৰ এক মিছ্নধৰ্মী প্ৰণালীৰ সম্পদ বৰ্ধনৰ লক্ষ্য সাধন কৰাৰ কথা আমি প্ৰস্তাৱ কৰিছিলোঁ।

সদনৰ সন্মানীয় সদস্যসকলক জনাবলৈ পাই সুখী হৈছোঁ যে মাননীয় মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ সমৰ্থন আৰু মোৰ কেবিনেট সতীৰ্থসকলৰ সক্ৰিয় অংশগ্ৰহণৰ ফলত ReSTART Assamৰ যোগেদি কেতবোৰ নীতি, বিধেয়ক আৰু প্ৰশাসনিক কৰ্মোদ্যোগৰ প্ৰয়োগেৰে সংশ্লিষ্ট বিভাগসমূহৰ ৰাজহ বৃদ্ধিত আমি সফলতা লাভ কৰিছোঁ।

দেশৰ ইতিহাসত কৰ ব্যৱস্থাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সংস্কাৰকামী পদক্ষেপ হিচাপে সামগ্ৰী আৰু সেৱা কৰ (GST) ব্যৱস্থা ৰূপায়ণৰ বাবে আমাৰ দেশ সাজু হৈছে। ২০১৭ চনৰ পহিলা জুলাইৰ পৰা এই কৰ ব্যৱস্থা দেশত বলৱৎ কৰা হ'ব। সামগ্ৰী আৰু সেৱা কৰৰ আৰ্হি অধিনিয়ম আৰু বিধি (Model GST Law and Rules)সমূহৰ ওপৰত জি এছ টি পৰিষদে ২০১৭ চনৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰত মঞ্জুৰি প্ৰদান কৰাৰ সম্ভাৱনা আছে। জি এছ টি পৰিষদে সেই অধিনিয়ম আৰু বিধিসমূহৰ খচৰা আমাক প্ৰদান কৰাৰ লগে লগে আমি অসম সামগ্ৰী আৰু সেৱা কৰ বিধেয়কখন আপোনালোকৰ বিবেচনাৰ হেতু সদনত উত্থাপন কৰিম।

আমাৰ দেশত, বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলত বৰ্তমানে প্ৰচলিত অন্তৰাত্মক কৰ গাঁথনি (Differential Tax Structure) ফলত কৰ ব্যৱস্থাপনাত যথেষ্ট আহুকালৰ সৃষ্টি হৈছে। বিশেষকৈ বাণিজ্য বহিৰ্গমন আৰু ফলস্বৰূপে উদ্ভৱ হোৱা কৰ ফাঁকিৰ সমস্যাই ৰাজসমূহক জুৰুলা কৰি আহিছে। পৱিত্ৰ সদনৰ সন্মানীয় সদস্যসকলক জনাবলৈ পাই সুখী হৈছোঁ যে দেশত বলবৎ হ'বলগীয়া সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাৰ অধীনত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজত এটা একক কৰ গাঁথনিৰ সপোন সাৰ্থক হ'ব আৰু বাণিজ্য বহিৰ্গমন ৰোধ কৰি কৰ ৰাজহ আদায়ত প্ৰাণ চঞ্চলতা আনি দিব।

মই এই কথা উল্লেখ কৰিবলৈ পাই সুখী যে ঔদ্যোগিক কৰ ৰেহাইৰ ক্ষেত্ৰত জি এছ টি পৰিষদত অসমে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কৰ ৰেহাইৰ এই ৰাশি আৰম্ভণিতে যদিও জি এছ টি পৰিষদে ৰাজহ হিচাপে মানি ল'বলৈ অস্বীকাৰ কৰিছিল, সামগ্ৰী আৰু সেৱা কৰৰ সম্পূৰ্তিৰ (GST Compensation) পৰিমাণ নিৰ্ধাৰণ কৰোঁতে এতিয়া এই ৰাশিটোক অসমৰ ৰাজহ হিচাপে গণ্য কৰা হ'ব। উত্তৰ-পূৰ্বাঞ্চল আৰু জম্মু-কাশ্মীৰৰ ক্ষেত্ৰত এই বিশেষ ব্যৱস্থা কৰা হৈছে। এয়া এক অতি যোগাত্মক পদক্ষেপ আৰু ইয়াৰ ফলত আমাৰ ৰাজ্যখনে প্ৰতি বছৰে সামগ্ৰী আৰু সেৱা কৰ সম্পূৰ্তি (GST Compensation) হিচাপে প্ৰায় তিনিশ কোটি টকা পাঁচ বছৰৰ বাবে লাভ কৰিব— বছৰি ১৪% চক্ৰবৃদ্ধি হাৰত।

তদুপৰি সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাৱলী প্ৰৱৰ্তন হোৱাৰ পিছত আৰু ব্যৱস্থাটোৱে সমতুল অৱস্থা লাভ কৰাৰ পিছত সম্ভৱপৰ হ'লে আমি জি এছ টি পৰিষদৰ সিদ্ধান্ত সাপেক্ষে পৰ্যায়ক্ৰমে ৰাজ্যৰ চেকগেটসমূহ বিলুপ্ত কৰি দিব পাৰিম।

## কৰ প্ৰস্তাৱ

*সন্মানীয় অধ্যক্ষ মহোদয়,*

এই কথা জানিবলৈ পাই এই পৱিত্ৰ সদন আনন্দিত হ'ব যে ২০১৭-১৮ চনৰ বাজেটত কোনোধৰণৰ নতুন কৰ প্ৰস্তাৱ গ্ৰহণ কৰা হোৱা নাই। তাৰ পৰিৱৰ্তে এক প্ৰচলিত বৈচিত্ৰহীনতাৰ পৰা আঁতৰি আমাৰ বিগত কাৰ্যকালত আমি সম্পাদন কৰা কেতবোৰ নবোন্মেষী ব্যৱস্থাৰ খতিয়ান দিবলৈ বিচাৰিছোঁ আৰু মই আপোনালোকক আশ্বস্ত কৰিবলৈ বিচাৰিছোঁ যে ২০১৬-১৭ বিত্তীয় বৰ্ষত এই আটাইবোৰ ব্যৱস্থাৰ সুচাৰু পৰ্যবেক্ষণ, সংহতকৰণ আৰু সুদৃঢ়কৰণৰ ব্যৱস্থা কৰা হ'ব।

আমি আৰম্ভ কৰা এই ব্যৱস্থাৱলীয়ে ৰাজ্যৰ অৰ্থনীতিত ইতিমধ্যে যোগাত্মক ফল দিবলৈ আৰম্ভ কৰিছে। মই আনন্দিত যে ২০১৬ বৰ্ষৰ ডিচেম্বৰ পৰ্যন্ত সংগৃহীত কৰৰ ক্ষেত্ৰত এক উৰ্ধ্বগামী প্ৰৱণতা দেখা গৈছে আৰু তলত দিয়াৰ দৰে পূৰ্বৰ যিকোনো বৰ্ষৰ তুলনাত এই হাৰ অধিক।

### ৩১-১২-২০১৬ পৰ্যন্ত সংগৃহীত ৰাজহ

| ক্ৰ. নং. | বিভাগ | টকা (কোটিত) | | বৃদ্ধিৰ হাৰ |
|---|---|---|---|---|
| | | ডিচেম্বৰ, ২০১৬ | ডিচেম্বৰ, ২০১৫ | |
| ০১. | পৰিবহণ | ৩৬৫.০৪ | ৩১৮.৩৫ | ১৪.৬৬% |
| ০২. | আবকাৰী | ৬৫৭.৪৭ | ৫৩৭.৬১ | ২২.৩০% |
| ০৩. | কৰ আৰোপণ | ৭২৩৭.৪০ | ৬১৯০.৭৪ | ১৭.০০% |
| ০৪. | খনি আৰু খনিজ দ্ৰব্য (তৈল ৰাজহ অন্তৰ্ভুক্ত কৰি) | ১৫৫৫.৯৭ | ১৪০৭.৬৮ | ১০.৫৩% |
| | তৈল ৰাজহ (বকেয়া) | ১৪৫০.০০ | - | - |
| | মুঠ (বকেয়া অন্তৰ্ভুক্ত কৰি) | ১১২৬৫.৮৮ | ৮৪৫৪.৩৮ | ৩৩.২৫% |
| | মুঠ (বকেয়া অন্তৰ্ভুক্ত নকৰাকৈ) | ৯৮১৫.৮৮ | ৮৪৫৪.৩৮ | ১৬.১০% |

ৰাজ্যৰ ৰাজহ বৃদ্ধিৰ বাবে আমাৰ চৰকাৰে বহুকেইটা বাস্তৱ পদক্ষেপ গ্ৰহণ কৰিছে। তদুপৰি এই দিশত মই আৰু কেইটামান পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰস্তাৱ দিছোঁ আৰু সদনৰ সন্মানীয় সদস্যসকলক ইতিমধ্যে গ্ৰহণ কৰা আৰু অনাগত সময়ত গ্ৰহণ কৰিবলগা পদক্ষেপসমূহৰ বিষয়ে এক আভাস দিব খুজিছোঁ।

**(ক) বিত্ত (কৰ আৰোপণ) বিভাগ ঃ**

- ৰাজ্যৰ ভিতৰত সুৰা বিক্ৰীৰ ক্ষেত্ৰত আবকাৰী বিধি, ২০১৬ৰ লগত সংগতি ৰাখি পহিলা বিন্দুত মূল্য সংযোজিত কৰ আৰোপ কৰাৰ বাবে অসম মূল্য সংযোজিত কৰ অধিনিয়মৰ প্ৰাসংগিক ধাৰাসমূহৰ সংশোধন ঘটোৱা হৈছে।
- আদেয়ক (Delivery Note) আদিৰ দৰে বিধিবদ্ধ প্ৰ-পত্ৰবোৰ ইতিমধ্যে অনলাইন যোগে উপলব্ধ কৰা হৈছে। তদুপৰি সুৰাৰ ক্ষেত্ৰত সৰ্বোচ্চ খুচুৰা দামৰ ভিত্তিত কৰ সংগ্ৰহৰ ব্যৱস্থা কৰা হৈছে।
- উচ্চতম ন্যায়ালয়ত বিচাৰাধীন হৈ থকা প্ৰৱেশ কৰ সম্পৰ্কীয় গোচৰৰ ক্ষেত্ৰত কাৰ্যকৰী তৎপৰতাৰে কাম কৰা বাবে ৰাজ্যৰ স্বাৰ্থৰ অনুকূলে গোচৰৰ ৰায় লাভ কৰা হৈছে। ইয়াৰ ফলত অতিৰিক্ত চাৰিশ কোটি টকাতকৈও অধিক ৰাজহ সংগ্ৰহ হয়।
- সামগ্ৰী আৰু সেৱা কৰৰ আওতালৈ আনিব নোৱৰা কেতবোৰ তৈলজাত সামগ্ৰীৰ মূল্য সংযোজিত কৰ এনেদৰে ধাৰ্য কৰা হ'ব যাতে প্ৰৱেশ কৰৰ বাবদ তৈল কোম্পানীসমূহে আৰোপ কৰা ৰাজ্যনিৰ্দিষ্ট মাচুল মূল্য সংযোজিত কৰৰ মাজত অন্তৰ্ভুক্ত হৈ যায়। ইয়াৰ দ্বাৰা ৰাজ্যখনে কোনোধৰণৰ অৰ্থনৈতিক লোকচানৰ সন্মুখীন হ'ব নালাগিব আৰু উপভোক্তায়ো কোনো ধৰণৰ অতিৰিক্ত কৰৰ বোজা ব'ব নালাগিব। উপভোক্তাক আৰ্থিক বোজা নিদিয়াকৈ আমি আমাৰ ৰাজহ আহৰণ বৃদ্ধি কৰিব লাগিব আৰু তাক আমি নিশ্চিত কৰিম।
- CBEC/CBDTৰ সৈতে ৰাজ্য চৰকাৰে তথ্য বিনিময়ৰ বুজাবুজি চুক্তি কৰিব, যিহেতু ৰাজহ আদায়কাৰী বিভাগৰ সৈতে তথ্য বিনিময় কৰাটো কৰ ব্যৱস্থাপনা ব্যৱস্থাৰ দক্ষতা আৰু কাৰ্যকাৰিতা বৃদ্ধিৰ বাবে অতীৱ প্ৰয়োজন।

**(খ) আবকাৰী বিভাগ**

- ২০১৬ চনৰ ১ ছেপ্টেম্বৰৰ পৰা নতুন অসম আবকাৰী বিধি, ২০১৬ বলবৎ কৰা হৈছে। এই বিধিয়ে পহিলা বিন্দুতে শুল্ক আৰোপৰ ব্যৱস্থা ৰাখিছে যাতে কেৱল শুল্ক আদায় দিয়া সুৰাহে বজাৰত মুকলি হ'ব পাৰে। এই ব্যৱস্থাই আবকাৰী ৰাজহৰ নিঃসাৰণ (Leakage) বহু পৰিমাণে বন্ধ হোৱাত সহায়ক হৈছে।

⏭ কেবিনেটে ইতিমধ্যে নতুন দেশীয় সুৰানীতিৰ অনুমোদন দিছে। মহল ব্যৱস্থাক অপসাৰণ কৰা এই নতুন নীতিয়ে বিদেশী সুৰাৰ দৰেই দেশীয় সুৰাও স্বাস্থ্যসন্মত পৰিৱেশত উচ্চ মানসম্পন্নভাৱে বটলিং কৰাৰ ব্যৱস্থা ৰাখিছে।

⏭ পৰম্পৰাগত আৰু ঐতিহ্যপূৰ্ণ পানীয়ৰ বাণিজ্যিকীকৰণৰ বাবেও এখন নীতি যুগুতাই থকা হৈছে।

⏭ আবকাৰী বিধিৰ সংশোধন ঘটাই কেন্টিন ষ্ট'ৰ্ছ ডিপাৰ্টমেণ্ট (CSD)সমূহক শুল্কাধীন পন্যাগাৰৰ (bonded warehouse) মাৰ্যাদা প্ৰদান কৰাৰ বাবে কেবিনেটে অনুমোদন জনাইছে যাতে এতিয়াৰ পৰা চি এছ ডি সমূহে বিক্ৰীৰ সময়তে শুল্ক আদায় দিব পাৰে।

⏭ নিবিদা আদি আহ্বানৰ যোগেদি সুৰাৰ বটলত হলোগ্ৰাম সংলগ্ন বাৰকোড নিবিষ্ট কৰাৰ ব্যৱস্থা কৰা হৈছে।

⏭ ASPIRe (Assam State Public Finance Institutional Reforms – অসম ৰাজ্যিক ৰাজহুৱা বিত্তীয় প্ৰাতিষ্ঠানিক সংস্কাৰ) প্ৰকল্পৰ অধীনত ই-গভৰনেন্স ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু সকলোধৰণৰ ৰাজহ আদায়, অনুজ্ঞাপত্ৰ মঞ্জুৰীপত্ৰ আদি প্ৰদান কৰাৰ ক্ষেত্ৰত ডিজিটেল ব্যৱস্থাৰ প্ৰয়োগ আৰু অনলাইনযোগে সম্পন্ন কৰাৰ দিহা কৰা হৈছে।

⏭ অবৈধ সুৰাই মাতি আনিব পৰা বিপদৰ পৰা হাত সাৰিবলৈ কিছুমান অপৰাধক জামিনবিহীন ঘোষণা কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে।

**(গ) পৰিবহণ বিভাগ**

⏭ নিম্ন উল্লিখিত উৎসসমূহৰ পৰা ৰাজহ আহৰণ বৃদ্ধি কৰিবৰ বাবে অসম যান-বাহন বিধি, ২০০৩ৰ কেইটামান ধাৰাৰ সংশোধন ঘটোৱা হৈছে।

- পৰিচালকৰ অনুজ্ঞাপত্ৰৰ নতুন হাৰৰ মাছুল, চালকৰ নকল অনুজ্ঞাপত্ৰ, যান-বাহন বিক্ৰেতাৰ ব্যাৱসায়িক অনুজ্ঞাপত্ৰ, এজেন্টৰ অনুজ্ঞাপত্ৰ, নতুন যান-বাহনৰ পঞ্জীয়ন, বিক্ৰীস্থানত নতুন যান-বাহনৰ পৰিদৰ্শন।
- পছন্দৰ পঞ্জীয়ন নম্বৰৰ নিলাম।

- অসম যান-বাহন কৰ অধিনিয়ম ১৯৩৬ৰ সংশোধনী ব্যৱস্থা কৰা হৈছে যাতে দুচকীয়া বাহন, তিনিচকীয়া বাহন (ব্যক্তিগত), এম্বুলন্সে (বাণিজ্যিক) আদিৰ ক্ষেত্ৰত মূল্য অনুসাৰে (ad-valorem) কৰ আৰোপ কৰিব পৰা যায়।
- বিক্ৰী স্থানতে যান-বাহনৰ অনলাইন পঞ্জীয়ন সফলভাৱে ৰূপায়ণ কৰা হৈছে।

**(ঘ) ভূমি ৰাজহ আৰু পঞ্জীয়ন**

- উদ্যোগ স্থাপনৰ ক্ষেত্ৰত এটা বৃহৎ প্ৰত্যাহ্বান হৈছে ভূমিৰ শ্ৰেণী বিভাজনৰ সমস্যা। এই সমস্যাই দুৰ্নীতিৰো জন্ম দিছে। এতিয়া অনলাইনযোগে অনতিপলমে ভূমিৰ শ্ৰেণী বিভাজনৰ ব্যৱস্থা কৰাৰ পৰিকল্পনা কৰা হৈছে।
- আঠখন জিলাত বৰ্তমানৰ তহছিলদাৰী ব্যৱস্থাৰ পৰা মৌজাদাৰী ব্যৱস্থালৈ পৰিৱৰ্তন কৰাৰ কথা চিন্তা কৰা হৈছে।
- ভূমি বিক্ৰীৰ অনুমতি নিৰ্ধাৰিত সময়ত আৰু অনলাইনযোগে প্ৰদান কৰাৰ পৰিকল্পনা কৰা হৈছে। ভূমি ৰাজহ ব্যৱস্থাক সু-সংহতভাৱে অনলাইনযোগে সম্পন্ন কৰাৰ পৰিকল্পনা কৰা হৈছে।
- মৌজাসমূহত কম্পিউটাৰৰ ব্যৱহাৰ কৰা হ'ব।
- ভূমি ৰাজহ সংগ্ৰহৰ তথ্য অনলাইনযোগে তদাৰক কৰাৰ ব্যৱস্থা কৰা হৈছে।

**(ঙ) ভূতত্ব আৰু খনি বিভাগ**

- উপান্ত তৈলক্ষেত্ৰসমূহৰ নিলাম কাৰ্য চৰকাৰীভাৱে আগবঢ়োৱা হ'ব।
- যিসমূহ কয়লা খনি কোনো ৰাজহুৱা খণ্ডৰ উদ্যোগলৈ হস্তান্তৰ কৰা হোৱা নাই আৰু অবৈধ খনন সংঘটিত হোৱাৰ আশংকা আছে, ৰাজ্য চৰকাৰৰ দ্বাৰা সেইসমূহৰ উন্নয়নৰ প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাৰ বাবে বিভাগীয়ভাৱে উত্থাপন কৰিব।
- বন বিভাগৰ বাহিৰৰ বালিৰ মহলসমূহ ভূতত্ব বিভাগৰ দ্বাৰাই চোৰাচিতা কৰাৰ বাবে কৌশল আৰু নীতি নিৰ্ধাৰণ কৰা হ'ব।

**(চ) পৰিৱেশ আৰু বন বিভাগ**

- ৰাজ্যত প্ৰৱেশ কৰা যান-বাহনসমূহৰ পৰিক্ৰমণ অনুজ্ঞা (Transit Permit), আগৰৰ পৰা সুগন্ধী তৈয়াৰ কৰা উদ্যোগৰ অনুজ্ঞাপত্ৰ তথা ধৰা-বন্ধা মাচুল (flate rate)ৰ অনুজ্ঞাপত্ৰৰ বিষয়বোৰ পুনৰীক্ষণ কৰি থকা হৈছে।
- বালি আহৰণৰ বাবে চিনাক্ত কৰা ১০১টা ক্ষেত্ৰ মুকলি কৰাৰ ব্যৱস্থা কৰা হ'ব যাতে অতিৰিক্ত ৪৫ কোটি টকাৰ বাৰ্ষিক ৰাজহ আয় কৰিব পৰা যায়।

## কৰ ৰেহাই

*অধ্যক্ষ মহোদয়,*

মই আগেয়ে কোৱাৰ দৰে এই বাজেটত মই জনতাৰ ওপৰত কোনোধৰণৰ অতিৰিক্ত কৰৰ বোজা জাপি দিব খোজা নাই। বৰং কেইটামান বিশেষ খণ্ডত মই অসমৰ ৰাইজক এক স্বস্তি প্ৰদান কৰিব খুজিছোঁ, যাতে পৰ্যটন, বিনোদন আদি খণ্ডবোৰৰ বিকাশ সম্ভৱ হয়।

- আমাৰ ৰাজ্যৰ গ্ৰামাঞ্চলৰ পৰিৱেশ আৰু সেউজ আৱৰণ ভিত্তিক পৰ্যটন উদ্যোগ এটি শক্তিশালী ৰূপত গঢ়ি তোলাৰ প্ৰয়োজন আছে। ইয়াৰ বাবে অসমত পৰ্যটকক ঘৰুৱা পৰিৱেশত থকাৰ সুবিধা (home stay) দিবলৈ অসম চৰকাৰে এখন আঁচনি প্ৰৱৰ্তন কৰিছে। সেইবাবে গ্ৰামাঞ্চলৰ হোটেল আৰু অতিথিশালাসমূহৰ লগতে পৰ্যটকলৈ আগবঢ়োৱা ঘৰুৱা আতিথ্যৰ ক্ষেত্ৰতো বিলাস কৰ ৰেহাই দিয়াৰ প্ৰস্তাৱ কৰা হৈছে।
- সাধাৰণতে এটা অভিযোগ শুনা যায় যে মাল্টিপ্লেক্সৰ দৰে আধুনিক ছবিঘৰবোৰে অসমীয়া-আঞ্চলিক ছবিৰ প্ৰদৰ্শন কৰিবলৈ বৰ ইচ্ছুক নহয়। স্থানীয় কথাছবি প্ৰদৰ্শনক উৎসাহিত কৰিবলৈ স্থায়ী মাল্টিপ্লেক্সসমূহ ৩ বছৰৰ বাবে ৫০ শতাংশ আমোদ কৰ ৰেহাই দিবলৈ মই প্ৰস্তাৱ কৰিছোঁ। এই ক্ষেত্ৰত এক নিৰ্দিষ্ট সময়ত বাণিজ্যিক কাৰ্যাৱলী আৰম্ভ কৰা মাল্টিপ্লেক্সসমূহে এনে এক প্ৰতিশ্ৰুতি দিব লাগিব যে তেওঁলোকৰ কোনো এখন পৰ্দাত অসমীয়া অথবা আঞ্চলিক ভাষাৰ ছবি প্ৰদৰ্শন কৰিব, যদিহে সেই নিৰ্দিষ্ট সময়ত তেনে ছবি উপলব্ধ হয়।
- অসমৰ অৰ্থনীতিত ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ অৱিহণাৰ স্বীকৃতি স্বৰূপে মোৰ যোৱা বাজেটৰ প্ৰস্তাৱ অনুসৰি অসম কৰ আৰোপণ (নিৰ্দিষ্ট ভূমিও) অধিনিয়মৰ যোগে সেউজ চাহপাতৰ উপকৰ প্ৰতি কেজিত ২৫ পইচাৰ পৰা ১৫ পইচালৈ হ্ৰাস কৰা হৈছিল। তদুপৰি ইয়াক পৰ্যায়ক্ৰমে আৰু অধিক হ্ৰাস কৰাৰ প্ৰস্তাৱ দিছিলোঁ। সেই অনুসৰি ক্ষুদ্ৰ চাহ খেতিয়কৰ ক্ষেত্ৰত মই এতিয়া এই উপকৰ প্ৰতিকেজি সেউজ চাহপাতত ১০ পইচালৈ হ্ৰাস কৰিবলৈ প্ৰস্তাৱ দিছোঁ।
- আমাৰ শুভেচ্ছাৰ চিন স্বৰূপে ২০১৭-১৮ বিত্তীয় বৰ্ষত ৰাজ্যৰ মহিলা আত্মসহায়ক গোটসমূহৰ ক্ষেত্ৰত ২.৫ লাখ টকালৈ বেংক ঋণৰ নথি প্ৰস্তুতকৰণৰ বাবে প্ৰয়োজন হোৱা মুদ্ৰাংক শুল্ক ৰেহাই দিবলৈ প্ৰস্তাৱ দিয়া হৈছে।

শেষত মই সন্মানীয় সদস্যসকলক স্মৰণ কৰাব খোজোঁ, মোৰ যোৱা বাজেট ভাষণত মই কৈছিলোঁ যে যিকোনো চৰকাৰৰ বাবে কৰ আৰোপণ এটি অৱশ্য পালনীয় দায়িত্ব। আমাৰ চৰকাৰ এই বিষয়ে সম্পূৰ্ণ সচেতন যদিও মই এটা বিষয়ৰ প্ৰতি আপোনালোকৰ দৃষ্টি আকৰ্ষণ কৰিব খোজোঁ যে ৰাজ্যৰ উন্নয়নমূলক কাম সম্পাদনৰ বাবে প্ৰয়োজন নহ'লে অথবা ৰাষ্ট্ৰীয় স্বাৰ্থৰ প্ৰয়োজনীয়তা নাথাকিলে এই চৰকাৰ ৰাজ্যৰ জনতাৰ ওপৰত অযথা কৰৰ বোজা জাপি দিয়াৰ পক্ষপাতী নহয়। বৰ্তমান পৰ্যায়ত চলি থকা প্ৰশাসনিক সংস্কাৰৰ সৈতে কঠোৰ তদাৰকী ব্যৱস্থা যুক্ত হ'লে ২০১৭-১৮বৰ্ষত যে ৰাজহ সংগ্ৰহৰ পৰিমাণ বৃদ্ধি পাব সেয়া নিশ্চিত।

## বাজেট প্ৰাক্কলন

অধ্যক্ষ মহোদয়, মই এতিয়া ২০১৭-১৮ বিত্তীয় বৰ্ষৰ বাবে বাজেট প্ৰাক্কলন উত্থাপন কৰিব খুজিছোঁ। প্ৰতি বছৰে অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট পৰিচালনা আইন, ২০০৫ অনুসৰি ৰাজ্য চৰকাৰে পঞ্চবাৰ্ষিক মধ্যকালীন বিত্তীয় পৰিকল্পনা আৰু প্ৰাসংগিক ধাৰাসমূহৰ আধাৰত দাখিল কৰিবলগীয়া প্ৰবিৱৰণো পৱিত্ৰ সদনত দাখিল কৰি আহিছে। এই ক্ষেত্ৰত আপুনি জানি আনন্দিত হ'ব যে আমি ৰাজ্যিক অৰ্থনীতিৰ এটি সামগ্ৰিক আভাষ, ৰাজ্যিক বিত্তীয় আৰু ৰাজস্ব সংশোধন আদি অন্তৰ্ভুক্ত কৰি এই বিৱৰণি উন্নীত কৰাৰ চেষ্টা কৰিছোঁ।

২০১৭-১৮ বৰ্ষৰ বাজেটত ৰাজ্যৰ একত্ৰীকৃত নিধিত মুঠ ৮৪৭৩২.১৬ কোটি টকাপ্ৰাপ্তি প্ৰদৰ্শন কৰা হৈছে। তাৰে ৭০৭১৯.৬১ কোটি টকা ৰাজহ শিতানত আৰু বাকী থকা ১৪০১২.৫৫ কোটি টকা মূলধন শিতানত। বিভিন্ন উৎসৰ পৰা অহা একত্ৰীকৃত নিধিৰ আনুমানিক প্ৰাপ্তিৰ হিচাপ ১ নং তালিকাত দেখুওৱা হৈছে। ৰাজহুৱা শিতানত ১৬২৫৮০.৫১ কোটি টকা আৰু উপ-নিমিত্ত পুঁজিৰ ১০০.০০ কোটি টকা আদায়ৰ পাছত সৰ্বমুঠ আদায়ৰ পৰিমাণ হ'ব ২৪৭৪১২.৬৭ কোটি টকা। ইয়াৰ বিপৰীতে ২০১৭-১৮ বৰ্ষত ৰাজ্যখনৰ একত্ৰীকৃত নিধিৰ পৰা সৰ্বমুঠ ব্যয়ৰ পৰিমাণ ৮৫৯২২.৬৯ কোটি টকা বুলি অনুমান কৰা হৈছে। ইয়াৰে ৰাজহ শিতানত ৬৮৩১৯.৪৫ কোটি টকা আৰু মূলধন শিতানত ১৭৬০৩.২৪ কোটি টকা। ২০১৭-১৮ বৰ্ষত একত্ৰীকৃত নিধিৰ মঞ্জুৰি অনুযায়ী ব্যয়সমূহৰ প্ৰাককলন তালিকা নং-২ত দেখুওৱা হৈছে। ৰাজহুৱা শিতানত হোৱা ব্যয়ৰ ১৬১৭৫৭.১৭

কোটি টকা আৰু উপ-নিমিত্ত পুঁজিৰ ১০০.০০ কোটি টকাকে ধৰি বছৰটোৰ সৰ্বমুঠ প্ৰাক্কলিত ব্যয়ৰ পৰিমাণ হ'ব ২৪৭৭৭৯.৮৬ কোটি টকা। এইদৰে বছৰটোত হোৱা প্ৰাক্কলিত লেন-দেনৰ বাবদ আনুমাণিক ৩৬৭.১৯ কোটি টকা ঘাটি হ'ব। ইয়াৰ লগত বছৰটোৰ আৰম্ভণিৰ ঘাটি ১৯৮২.৬০ কোটি টকাৰ হিচাপ মিলালে ২০১৭-১৮ বৰ্ষৰ শেষলৈ বাজেট ঘাটিৰ পৰিমাণ ২৩৪৯.৭৯ কোটি টকা হ'বগৈ।

মোৰ এই বাজেটত বহুতো অভিলাষী আঁচনি ঘোষণা আগবঢ়োৱা হৈছে। এই কথাই জনতাৰ মনত এই প্ৰশ্নৰ উদয় কৰাব পাৰে যে আমি সঁচাকৈয়ে সেইবোৰ ৰূপায়ণ কৰিব পাৰিম নে! নিঃসন্দেহে ঘোষণাৰ ৰূপায়ণ এটি ডাঙৰ প্ৰত্যাহ্বান। কিন্তু আমি সৰ্বান্তকৰণে সকলোকে লগত লৈ '**টীম অসম**'ৰ উদ্দীপনাৰে এই ঘোষণাবোৰৰ ৰূপায়ণত মনোনিবেশ কৰিম যাতে বাজেটত আগবঢ়োৱা ঘোষণাবোৰৰ সুফল প্ৰত্যেকেই লাভ কৰে।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ বাজেট ভাষণ ইমানতে সামৰি এই বাজেটখন মই পৱিত্ৰ সদনত বিবেচনাৰ বাবে আগবঢ়ালোঁ আৰু কবি গণেশ গগৈৰ কবিতাৰ এটি স্তৱককেৰে মোখনি মাৰিলোঁ।

**স্বৰ্গ বিচাৰি নেযাওঁ জননী**
**আৰু যে স্বৰ্গ নাই,**
**তয়ে আমাৰ চিৰ সাধনাৰ**
**চৰম লক্ষ্য ঠাই।**

**তোৰ চৰণৰে ধূলি সানি সানি**
**তোৰেই পদজল এচলু খাই,**
**তোৰ কোলাতেই মুদিম দুচকু**
**শেষত ভকতি-ভতিমা গাই।**

* * *

**জয় আই অসম**
**ভাৰত মাতা কী জয়**

## Table- 1

## Estimated of Inflows into the Consolidated Fund of the State during 2017-18

| | *(Rs. in Crore)* |
|---|---|
| State Tax Revenue | 16434 |
| Non-Tax Revenue | 7464 |
| Share of Central Taxes | 25651 |
| Centrally Sponsored Schemes | 18580 |
| Finance Commission Grants | 1704 |
| Other Transfer/Grants to States with Legislature | 886 |
| Public Debt | 11265 |
| Recoveries of Loans & Advances | 2747 |
| **Total** | **84731** |

## TABLE - 2

**Estimates of Grantwise outflows from the consolidated fund and a part of the Public Accoutn of the State during 2017-18**

| Grant No / Appropriation | Title of Demand / Appropriation 2017-18 | | Voted | Charged | Total |
|---|---|---|---|---|---|
| | | | ₹ | ₹ | ₹ |
| C1 | Public Service Commission | Revenue | 0.00 | 1419.31 | 1419.31 |
| C2 | Head of State | Revenue | 0.00 | 696.96 | 696.96 |
| PD | Public Debt And Servicing Of Debt | Revenue | 0.00 | 395672.31 | 395672.31 |
| | | Capital | 0.00 | 470341.26 | 470341.26 |
| 1 | State Legislature | Revenue | 7264.49 | 64.08 | 7328.57 |
| | | Capital | 6397.66 | 0.00 | 6397.66 |
| 2 | Council of Ministers | Revenue | 1266.42 | 0.00 | 1266.42 |
| 3 | Administration of justice | Revenue | 36937.11 | 5963.31 | 42900.42 |
| | | Capital | 18661.20 | 0.00 | 18661.20 |
| 4 | Elections | Revenue | 7096.69 | 0.00 | 7096.69 |
| 5 | Sales Tax & Other Tax | Revenue | 14453.75 | 0.00 | 14453.75 |
| | | Capital | 4901.11 | 0.00 | 4901.11 |
| 6 | Land Revenue | Revenue | 35440.21 | 0.00 | 35440.21 |
| | | Capital | 1500.00 | 0.00 | 1500.00 |
| 7 | Stamps and Registration | Revenue | 3469.88 | 0.00 | 3469.88 |
| | | Capital | 42.10 | 0.00 | 42.10 |
| 8 | Excise & Prohibition | Revenue | 6059.39 | 0.00 | 6059.39 |
| 9 | Transport Services | Revenue | 25399.19 | 0.00 | 25399.19 |
| | | Capital | 11486.82 | 0.00 | 11486.82 |
| 10 | Other Fiscal Service | Revenue | 269.33 | 0.00 | 269.33 |
| 11 | Secretariat and Attached offices | Revenue | 287440.06 | 0.00 | 287440.06 |
| | | Capital | 1100.00 | 0.00 | 1100.00 |
| 12 | District Administration | Revenue | 24179.87 | 0.00 | 24179.87 |
| | | Capital | 15502.00 | 0.00 | 15502.00 |
| 13 | Treasury & Accounts Administration | Revenue | 9853.68 | 0.00 | 9853.68 |
| | | Capital | 1975.00 | 0.00 | 1975.00 |
| 14 | Police | Revenue | 444753.51 | 225.00 | 444978.51 |
| | | Capital | 18195.05 | 0.00 | 18195.05 |
| 15 | Jails | Revenue | 7661.81 | 20.00 | 7681.81 |
| | | Capital | 836.34 | 0.00 | 836.34 |
| 16 | Printing & Stationery | Revenue | 4072.20 | 0.00 | 4072.20 |
| | | Capital | 240.00 | 0.00 | 240.00 |
| 17 | Administrative and functional Buildings | Revenue | 41475.67 | 0.00 | 41475.67 |
| | | Capital | 5762.00 | 0.00 | 5762.00 |
| 18 | Fire Services | Revenue | 10975.23 | 1.01 | 10976.24 |
| | | Capital | 9511.59 | 0.00 | 9511.59 |
| 19 | Vigilance Commission & Others | Revenue | 31724.05 | 0.00 | 31724.05 |
| 20 | Other Administrative Services | Revenue | 20864.11 | 0.00 | 20864.11 |
| | | Capital | 10.00 | 0.00 | 10.00 |
| 21 | Guest Houses, Government Hostels | Revenue | 3536.27 | 0.00 | 3536.27 |
| 22 | Administrative Training | Revenue | 1344.67 | 0.00 | 1344.67 |
| | | Capital | 1105.00 | 0.00 | 1105.00 |
| 23 | Pension | Revenue | 964133.88 | 1834.40 | 965968.28 |
| 24 | Aid Materials | Revenue | 1.00 | 0.00 | 1.00 |
| 25 | Miscellaneous General Services & others | Revenue | 185923.39 | 0.00 | 185923.39 |
| 26 | Education (Higher) | Revenue | 216501.63 | 0.00 | 216501.63 |
| | | Capital | 7262.59 | 0.00 | 7262.59 |
| 27 | Art & Culture | Revenue | 7265.66 | 0.00 | 7265.66 |
| | | Capital | 6036.55 | 0.00 | 6036.55 |
| 28 | State Archives | Revenue | 176.80 | 0.00 | 176.80 |
| | | Capital | 13.00 | 0.00 | 13.00 |
| 29 | Medical & Public Health | Revenue | 418757.22 | 95.00 | 418852.22 |
| | | Capital | 44611.35 | 0.00 | 44611.35 |
| 30 | Water Supply & Sanitation | Revenue | 47596.40 | 0.00 | 47596.40 |
| | | Capital | 121055.47 | 0.00 | 121055.47 |

| | | | | | |
|---|---|---|---|---|---|
| 31 | Urban Development ,Town & Country | Revenue | 53747.29 | 0.00 | 53747.29 |
| 32 | Housing Schemes | Revenue | 249.67 | 0.00 | 249.67 |
| | | Capital | 252.00 | 0.00 | 252.00 |
| 33 | Residential Buildings | Revenue | 361.33 | 0.00 | 361.33 |
| | | Capital | 0.01 | 0.00 | 0.01 |
| 34 | Urban Development -Muncipal Admn. | Revenue | 74241.11 | 0.00 | 74241.11 |
| | | Capital | 559.16 | 0.00 | 559.16 |
| 35 | Information and Publicity | Revenue | 4900.05 | 0.00 | 4900.05 |
| 36 | Labour and Employment | Revenue | 17105.32 | 0.00 | 17105.32 |
| | | Capital | 7185.50 | 0.00 | 7185.50 |
| 37 | Food Storage & Warehousing | Revenue | 55794.57 | 0.00 | 55794.57 |
| | | Capital | 15000.00 | 0.00 | 15000.00 |
| 38 | Welfare of SC/ST & OBC | Revenue | 115891.03 | 0.00 | 115891.03 |
| | | Capital | 16348.21 | 0.00 | 16348.21 |
| 39 | Social Security, Welfare and Nutrition | Revenue | 175048.84 | 0.00 | 175048.84 |
| | | Capital | 200.03 | 0.00 | 200.03 |
| 40 | Social Security & Welfare (Freedom | Revenue | 8263.69 | 0.00 | 8263.69 |
| 41 | Natural Calamities | Revenue | 102625.99 | 0.00 | 102625.99 |
| 42 | Other Social Services | Revenue | 21249.92 | 0.00 | 21249.92 |
| | | Capital | 100.00 | 0.00 | 100.00 |
| 43 | Co-Operation | Revenue | 9000.73 | 0.00 | 9000.73 |
| | | Capital | 7800.00 | 0.00 | 7800.00 |
| 44 | North Eastern Council Scheme | Revenue | 761.99 | 0.00 | 761.99 |
| | | Capital | 110667.77 | 0.00 | 110667.77 |
| 45 | Census, Survey & Statistics | Revenue | 8267.18 | 0.00 | 8267.18 |
| 46 | Weights & Measures | Revenue | 1577.15 | 0.00 | 1577.15 |
| | | Capital | 48.00 | 0.00 | 48.00 |
| 47 | Trade advisor | Revenue | 109.79 | 0.00 | 109.79 |
| 48 | Agriculture | Revenue | 102093.60 | 0.00 | 102093.60 |
| | | Capital | 35436.00 | 0.00 | 35436.00 |
| 49 | Irrigation | Revenue | 54509.00 | 0.00 | 54509.00 |
| | | Capital | 40266.20 | 0.00 | 40266.20 |
| 50 | Other Special Area Programmes | Revenue | 685.22 | 0.00 | 685.22 |
| | | Capital | 15615.35 | 0.00 | 15615.35 |
| 51 | Soil & Water Conservation | Revenue | 4459.15 | 0.00 | 4459.15 |
| | | Capital | 12236.11 | 0.00 | 12236.11 |
| 52 | Animal Husbandry | Revenue | 40042.54 | 50.00 | 40092.54 |
| | | Capital | 15405.36 | 0.00 | 15405.36 |
| 53 | Dairy Development | Revenue | 2762.19 | 0.00 | 2762.19 |
| | | Capital | 287.68 | 0.00 | 287.68 |
| 54 | Fisheries | Revenue | 7699.62 | 0.00 | 7699.62 |
| | | Capital | 7859.19 | 0.00 | 7859.19 |
| 55 | Forestry & Wildlife | Revenue | 85016.41 | 0.00 | 85016.41 |
| | | Capital | 1445.00 | 0.00 | 1445.00 |
| 56 | Rural Development (Panchayat) | Revenue | 311077.63 | 39.02 | 311116.65 |
| 57 | Rural Development | Revenue | 400796.98 | 0.00 | 400796.98 |
| 58 | Industries | Revenue | 18367.71 | 0.00 | 18367.71 |
| | | Capital | 16318.55 | 0.00 | 16318.55 |
| 59 | Village & Small Industries Sericulture and Weaving | Revenue | 35161.83 | 0.00 | 35161.83 |
| | | Capital | 5127.85 | 0.00 | 5127.85 |
| 60 | Cottage Industries | Revenue | 5164.21 | 0.00 | 5164.21 |
| | | Capital | 3500.00 | 0.00 | 3500.00 |
| 61 | Mines & Minerals | Revenue | 1816.28 | 0.00 | 1816.28 |
| | | Capital | 95.00 | 0.00 | 95.00 |
| 62 | Power (Electricity) | Revenue | 90735.20 | 0.00 | 90735.20 |
| | | Capital | 68992.00 | 0.00 | 68992.00 |
| 63 | Water Resources | Revenue | 32115.81 | 0.00 | 32115.81 |
| | | Capital | 240223.24 | 0.00 | 240223.24 |
| 64 | Roads & Bridges | Revenue | 163947.23 | 0.00 | 163947.23 |
| | | Capital | 220999.40 | 0.00 | 220999.40 |
| 65 | Tourism | Revenue | 5833.83 | 0.00 | 5833.83 |
| | | Capital | 6075.50 | 0.00 | 6075.50 |
| 66 | Compensation & Assignment To Local | Revenue | 31880.00 | 0.00 | 31880.00 |

| | | | | | |
|---|---|---|---|---|---|
| 67 | Horticulture | Revenue | 4969.16 | 0.00 | 4969.16 |
| 68 | Loans to Govt. Servant etc | Capital | 16051.50 | 0.00 | 16051.50 |
| 69 | Scientific Services & Research | Revenue | 2999.21 | 0.00 | 2999.21 |
| | | Capital | 2583.25 | 0.00 | 2583.25 |
| 70 | Hill Areas | Revenue | 540.96 | 0.00 | 540.96 |
| | | Capital | 477.00 | 0.00 | 477.00 |
| 71 | Education (Elementary,Scy.Etc.) | Revenue | 1084604.77 | 0.00 | 1084604.77 |
| | | Capital | 9376.00 | 0.00 | 9376.00 |
| 72 | Social Security & Welfare | Revenue | 7502.00 | 0.00 | 7502.00 |
| 73 | Urban Development (GDD) | Revenue | 60707.34 | 0.00 | 60707.34 |
| | | Capital | 82974.17 | 0.00 | 82974.17 |
| 74 | Sports & Youth Services | Revenue | 10051.43 | 0.00 | 10051.43 |
| | | Capital | 3137.89 | 0.00 | 3137.89 |
| 75 | Information & Technology | Revenue | 6800.00 | 0.00 | 6800.00 |
| | | Capital | 1000.00 | 0.00 | 1000.00 |
| 76 | Karbi-Anglong Autonomous Council | Revenue | 92501.27 | 0.00 | 92501.27 |
| | | Capital | 28347.62 | 0.00 | 28347.62 |
| 77 | N.C. Hills Autonomous Council | Revenue | 39108.29 | 0.00 | 39108.29 |
| | | Capital | 10191.40 | 0.00 | 10191.40 |
| 78 | Bodoland Territorial Council | Revenue | 206826.85 | 0.00 | 206826.85 |
| | | Capital | 11595.77 | 0.00 | 11595.77 |
| | **Total** | **Revenue** | **6425864.92** | **406080.40** | **6831945.32** |
| | | **Capital** | **1289982.53** | **470341.26** | **1760323.79** |
| | **Grand Total** | | **7715847.45** | **876421.66** | **8592269.11** |

**Annexure**

**Abstract of Transactions**

(Rs. in crores)

| | | Actuals 2015-16 | Budget Estimates 2016-17 | Revised Estimates 2016-17 | Budget Estimates 2017-18 |
|---|---|---|---|---|---|
| | | [1] | [2] | [3] | [4] |
| **A. RECEIPTS** | | | | | |
| I | Consolidated Fund | **48465.88** | **77422.71** | **70146.01** | **84732.16** |
| | Revenue Account | 42457.70 | 66179.88 | 59007.64 | 70719.61 |
| | Capital Account | 6008.18 | 11242.83 | 11138.37 | 14012.55 |
| II | Contingency Fund | | 100.00 | 100.00 | 100.00 |
| III | Public Account | 141948.33 | 177077.16 | 177589.45 | 162580.51 |
| | **Total (I + II + III )** | **190414.21** | **254599.87** | **247835.46** | **247412.67** |
| **B. EXPENDITURE** | | | | | |
| I | Consolidated Fund | **41931.32** | **78253.37** | **83017.21** | **85922.69** |
| | Revenue Account | 37011.42 | 62459.04 | 65676.78 | 68319.45 |
| | Capital Account | 4919.90 | 15794.33 | 17340.43 | 17603.24 |
| II | Contingency Fund | | 100.00 | 100.00 | 100.00 |
| III | Public Account | 147646.48 | 169621.14 | 165884.67 | 161757.17 |
| | **Total (I + II + III )** | **189577.80** | **247974.51** | **249001.88** | **247779.86** |
| **C. TRANSACTIONS DURING THE YEAR** | | | | | |
| | Surplus (+ ) | 836.41 | 6625.36 | | |
| | Deficit ( - ) | | | -1166.42 | -367.19 |
| **D. OPENING BALANCE** | | | | | |
| | Surplus (+ ) | | | | |
| | Deficit ( - ) | -1652.59 | -9506.27 | -816.18 | -1982.60 |
| **E. CLOSING BALANCE** | | | | | |
| | Surplus (+ ) | | | | |
| | Deficit ( - ) | -816.18 | -2880.91 | -1982.60 | -2349.79 |